# বহল ব্যাকৰণ।

15902

ৰচক

৺ সত্যনাথ বৰা বি, এল্।

শৰৎ চন্দ্ৰ গোস্বামী পুথিভঁৰাল
অসম সাহিত্য সভা, যোৰহাট

গুৱাহাটী।

১৮৪৮ শক।

To Sreejut Sarat Chandra Goswami ...
with best regards of the sons of the author.
A Borooah for self & brother
21-5-26

অসমীয়া ভাষাৰ

# বহল ব্যাকৰণ।

15902

ৰচক

৺ সত্যনাথ বৰা বি,এল্।

শৰৎচন্দ্ৰ গোস্বামী পুথিভঁৰাল
নং
তাং
অসম সাহিত্য সভা, গুৱাহাটী

গুৱাহাটী।
১৮৪৮ শক।
১৯২৬

বেচ ১৷৹ দেৰ টকা মাথোন।

৯৯৭৫/৩৮:

সাম্য-প্ৰেস,
৬নং কলেজ স্কোৱাৰ, কলিকতা,
শ্ৰীউপেন্দ্ৰনাথ দাসৰ দ্বাৰা মুদ্ৰিত আৰু প্ৰকাশিত।

# নিবেদন।

গোস্বামী পুথিভঁৰাল

এই পুথি ৰচোতা জনা আৰু ইহলোকত নাই। তেখেতে এই পুথি লিখি শেষ কৰি, প্ৰেচত দি প্ৰায় এশ পিঠিমান ছপা হওঁতেই হঠাৎ গল আঘোণ মাহৰ ২৭ তাৰিখে স্বৰ্গীয় চিৰশান্তিধাম লাভ কৰিলে। আমি জনাত আজি কেই বছৰ-মানৰ পৰা তেখেতে কৈছিল যে, আমাৰ ভাষা এতিয়া বহুত খিনি উদ্গতি কৰিছে, গতিকে এখন ডাঙৰ ব্যাকৰণৰ আৱশ্যক হৈছে। এই কথা তেখেতৰ কোনো কোনো সাহিত্যিক বন্ধু-বান্ধৱৰ লগতো কোৱামেলা কৰিছিল আৰু সেইসকলে তেখেতকে এই গুৰু কাম হাতত লবলৈ কৈছিল। পাচত গল বছৰি তেখেতে এই ব্যাকৰণ লিখিবলৈ আৰম্ভ কৰে আৰু প্ৰায় মে মাহত লিখা শেষ হয়। ইয়াৰ ভিতৰতে তেখেতৰ চকুত অলপ দোষ জন্মে আৰু এই পুথি লিখাৰ পৰা সেই ৰোগ বৃদ্ধি পাইছিল। সি যিকি নহওঁক কোনো মতে পুথিখন লিখি শেষ কৰি গল আগষ্ট মাহত ইয়াক প্ৰেচত দিয়া হয় আৰু ইয়াৰ কেঁচা ছপাও তেখেতে নিজেই শুধৰাইছিল আৰু কেঁচা ছপা শুধৰাওঁতে কোনো কথা সলোৱা পজৰাও কৰি-ছিল। এইদৰে ৯৬ পিঠিলৈকে তেখেতে চাই দিয়াত পুথি ছপোৱা হয়। তাৰ পাচত তেখেত ধুকালত আমি নিজে সেই কেঁচা ছপা চাই পুথি ছপাব লগা হল। আৰু কেঁচা ছপা চাওঁতে যদি পুথিৰ কোনো কথা সিজনাই সলালে হেতেন

তাকো কৰা নহল। কিয়নো আমি তেনে কাম কৰিবলৈ সাহ নকৰিলো। এই পুথি সিজনাই অসমীয়া ৰাইজলৈ লিখিছিল, গতিকে আমি যেনে পাইছিলো তেনেই অসমীয়া ৰাইজৰ আগত উলিয়াই দিলোঁ। এতিয়া ইয়াৰ কোনো দোষা-দোষ থাকিলে সেইটো ৰাইজৰ ইচ্ছা অনুসৰি আমি দ্বিতীয় তাঙ্গৰণত সলাই দিম। গতিকে আমাৰ দেশৰ সাহিত্যিক সকলৰ গুৰিত আমাৰ এয়ে প্ৰাৰ্থনা যেন তেখেতসকলে পুথিখন এবাৰ পঢ়ি চাই দোষাদোষ আমাক জানিবলৈ দিয়ে। সিজনাই এই পুথিৰ পাতনি এখনো লিখিছিল, কিন্তু আমাক কৈছিল যে যিখন পাতনি লিখি উলিয়াইছিল সেইখন তেখেতৰ মনত তেতিয়াও সন্তোষজনক হোৱা নাছিল, আকৌ এবাৰ হাতফুৰাব লাগিব বুলিছিল। কিন্তু তাক আৰু কৰিবলৈ নেপালে। গতিকে আমি সেই পাতনি খনকেই ইয়াৰ লগত ছপাই দিলোঁ, আৰু ৰাইজে তাক সমালোচনা কৰোতে এই কথাষাৰলৈ চকু ৰাখিব বুলি আশা কৰিলোঁ।

বিদেশত ছপা হোৱাত পুথিত অলপ ছপাৰ ভূল বৈ গল, গতিকে লগত এখন শুধৰণি পত্ৰ দিয়া হল। ইতি—

ৰাইজৰ অনুগ্ৰহপ্ৰাৰ্থী
সিজনৰ অভাজন পুত্ৰ
শ্ৰীঅম্বিকানাথ বৰা।
শ্ৰীজ্ঞাননাথ বৰা।

# পাতনি।

ব্যাকৰণ ভাষাৰ বিশ্লেষণ বা ভাঙ্গনি। ই ভাষা এটাক খণ্ড খণ্ড কৰি, তাৰ গঠন আৰু গঠন প্ৰণালীটোক ভাঙ্গি ছিঙ্গি ভিন ভিন কৰি দেখুৱায় দিয়ে, আৰু সেই ভিন ভিন খণ্ডবিলাকৰ ভিন ভিন নাম দিয়ে। যথাৰ্থ পক্ষত ব্যাকৰণে ভাষা নিশিকায়, ভাষাটোক ফালি ছিৰি তাৰ ভিতৰ ডোখৰ কেনেকুৱা তাকে মাথোন দেখুৱাই দিয়ে। সেই দেখি এক ৰকমে চালে যাৰ যি ভাষা তাক সেই ভাষাৰ ব্যাকৰণ নালাগেই। ব্যাকৰণ নিশিকাকৈয়ে সি সেই ভাষাত সুন্দৰ-ৰূপে কথা কব পাৰে। তাক ব্যাকৰণ লাগে কেৱল ভাষাটোৰ ভিতৰুৱা গঠন শিকিবলৈ আৰু ভাষাটো শুদ্ধৰূপে লিখিবলৈ। কিন্তু যি এটা ভাষা নকৈ শিকিব খোজে সি সেই ভাষাৰ ব্যাকৰণ নিশিকিলে ভাষাটোৰ গোটেই তত্ত্ব লাভ কৰিব নোৱাৰে। মুখে মুখে ইংৰাজী শিকা মানুহৰ দুটা কথা যদি শুদ্ধ হয়, দুটা কথা অশুদ্ধ হয়, সি যি কথাটো ইংৰাজৰ মুখত এদিন শুনিছে তাকে মাথোন কব পাৰে, ভিন কথা সাজি কব নোৱাৰে। সেই দেখি ভিন জাতিৰ ভাষা শিকিবলৈ হলে সেই ভাষাৰ ব্যাকৰণ পঢ়িব লাগে ব্যাকৰণ নপঢ়িলে এজন ইংৰাজ বা জাপানীয়ে বঙ্গলা বা

অসমীয়া ভাষা শিকিব নোৱাৰে। এই কথা সাৰোগত কৰি **বহল ব্যাকৰণ** লিখা হৈছে। অর্থাৎ বহল ব্যাকৰণ কেৱল অসমীয়া লৰাৰ নিমিত্তে লিখা হোৱা নাই, ভিন জাতিৰ মানুহেও যেন ইয়াক পঢ়ি অসমীয়া ভাষাৰ সকলো তত্ত্ব অবগত হব পাৰে, তালৈ চকু ৰাখি হে লিখা হৈছে। চেষ্টা সফল হৈছে নে নাই, সেই কথা অৱশ্যে ৰাইজৰ বিচাৰ্য্য।

যদিও সচৰাচৰ অসমীয়া ব্যাকৰণ লিখোঁতে সংস্কৃত ব্যাকৰণৰ আৰ্হি লৈ লিখা হয়, অসমীয়া ভাষা সংস্কৃত ভাষাৰ নিচিনা নহয়। সিহঁতৰ গঠন আৰু গঠন-প্ৰণালী একেবাৰে ভিন। আখৰবোৰৰ উচ্চাৰণ ভিন, আখৰ যোঁটনিৰ নিয়ম ভিন। সংস্কৃতত শব্দৰ সন্ধি হয়, অসমীয়াত নহয়। অসমীয়াত কেৱল সংস্কৃত শব্দৰহে সন্ধি কৰা হয়। সিও লিখোঁতাৰ ইচ্ছাধীন। সমাস অৱশ্যে অসমীয়াত আছে, কিন্তু তাৰ ব্যৱহাৰ সকলো ঠাইত হব নোৱাৰে। সংস্কৃতত শিৰোভূষণ বা শিৰভূষণ হয়, কিন্তু অসমীয়াত মূৰৰ সাজহে হয় "মূৰসাজ" নহয়। অসমীয়াত তদ্ধিত প্ৰত্যয় অলেখ, প্ৰায় শব্দটোৱে পতি প্ৰত্যয় ভিন ভিন হয়। সংস্কৃতত ইমানবোৰ তদ্ধিত প্ৰত্যয় আছে নে নাই কব নোৱাৰোঁ। অসমীয়াত কৃত প্ৰত্যয়ৰ সংখ্যাও তাকৰ নহয়। সংস্কৃতত সনন্ত ধাতু আৰু যঙন্ত ধাতু আছে, অসমীয়াত নাই। এতেকে অসমীয়া ব্যাকৰণ ঠিক সংস্কৃত ব্যাকৰণৰ আৰ্হিত হব নোৱাৰে। সেই দেখি অসমীয়া বৈয়াকৰণসকলে তদ্ধিত কৃত আদি প্ৰত্যয় ভিন

ভিন কৰি দেখুৱাইছে, বহল ব্যাকৰণতো সেইদৰে ভিন ভিন কৰি দেখুৱা হৈছে।

প্ৰচলিত অসমীয়া ব্যাকৰণবিলাকত ক্ৰিয়াৰ কাল সম্বন্ধে অলপ অসঙ্গত কথা দেখা যায়। পঢ়িছোঁ, খাইছোঁ আদি ক্ৰিয়াৰ ৰূপক সেই ব্যাকৰণবিলাকত স্বৰূপ বৰ্ত্তমান ৰূপ বুলি কৈছে। পঢ়িছোঁ কথাৰ অৰ্থ দুটা হব পাৰে, এই মুহূৰ্ত্তত পঢ়ি আছোঁ, আৰু আগেয়ে কেতিয়াবা পঢ়িছোঁ। প্ৰথম অৰ্থত ক্ৰিয়াটোক এনে গুটিয়া ক্ৰিয়া বুলিব নোৱাৰি। ই দুটা ক্ৰিয়াৰ সানমিহলি পঢ়ি আৰু আছোঁ। পঢ়ি+আছোঁ= পঢ়িছোঁ, খাই+আছোঁ=খাইছোঁ। অসমীয়াত এনেকুৱা যুটীয়া ক্ৰিয়া আৰু আছে। যেনে; দে+আহি=দেহি, যা+আহি=যাহি। পঢ়ি সাধ্যা ক্ৰিয়াৰ লগত আছোঁ সিদ্ধা ক্ৰিয়া গোট খাই পঢ়িছোঁ ৰূপ সিদ্ধ হৈছে। এতেকে পঢ়িছোঁ পঢ় ধাতুৰ এটা বিশেষ ৰূপ নহয়, আৰু তাৰ ভিন নামো হব নোৱাৰে। পঢ়িছোঁ কথাৰ দ্বিতীয় অৰ্থ, কেতিয়াবাই পঢ়িছোঁ, কিন্তু তাৰ ফলভোগ আজিও কৰি আছোঁ। এই অৰ্থত পঢ়িছোঁ পঢ় ধাতুৰ এটা বিশেষ ৰূপ। তাক পূৰ্ণ ভূত কালৰ ৰূপ বুলিব পাৰি। প্ৰচলিত ব্যাকৰণবিলাকত এই কথাৰ কোনো উল্লেখ নাই। ৺হেমচন্দ্ৰ বৰুৱাৰ ব্যাকৰণত এই কথা অলপ উন্নুকিয়াইছে, কিন্তু কালটোৰ কোনো নাম দিয়া নাই, কেৱল বাক্যবিন্যাস প্ৰকৰণত এই ৰূপটো সেই অৰ্থতো ব্যৱহাৰ হয় বুলি লিখা আছে। আমি প্ৰথমে ধাতুৰ

এই ৰূপ দুটাক পৃথক্ কৰি দেখুৱাই সুকীয়া ৰূপটোক পূর্ণ ভূত কালৰ ৰূপ বুলি লিখিবলৈ ওলাইছিলোঁ, কিন্তু তেনে কৰিলে অসমীয়া ব্যাকৰণত এটা বিশেষ পৰিবৰ্ত্তন ঘটোৱা হব, আৰু ইমান কালৰ পাচত তেনে পৰিবৰ্ত্তন কৰিলে ভাষা-টোৰ অনিষ্ট হব পাৰে, গছৰ পুলি ঘনে পতি ঠাই সলাই ৰুলে সি উদ্গতি কৰিব নোৱাৰে, এনেটো আশঙ্কা কৰি অসমীয়া ভাষাৰ খ্যাতনামা অধিনায়ক স্বৰ্গীয় হেমচন্দ্ৰ বৰুৱাৰ অনুসৰণ কৰি আমিও কথাটো বাক্যবিন্যাস অধ্যায়ত উনুকিয়াই থলোঁ।

ণত্ব বিধিৰ ভিতৰতো এনেকুৱা অসঙ্গত কথা পোৱা যায়। ঋৰ আৰু ষৰ পাচত ণ মূৰ্দ্ধন্য হয়। এইটো সংস্কৃত ব্যাকৰণৰ বিধি অসমীয়া ব্যাকৰণত গ্ৰহণ কৰা হৈছে। কিন্তু সেই তিনি আখৰ আৰু নৰ মাজত ক বৰ্গ প বৰ্গৰ আখৰ বা য ব হ থাকিলেও ন মূৰ্দ্ধন্য হয়। ইও সংস্কৃত ব্যাকৰণৰ বিধি, কিন্তু এই বিধি অসমীয়া ব্যাকৰণত গ্ৰহণ কৰা হোৱা নাই; কিয় হোৱা নাই তাৰ কাৰণ পোৱা নাযায়। আৰু স্ত্ৰী প্ৰত্যয়ৰ নী কেতিয়াও মূৰ্দ্ধন্য নহয়, কিয় নহয়, কাৰণ পোৱা নাযায়। কিন্তু আগত কোৱা কাৰণেই এই অসঙ্গত কথাও বহল ব্যাকৰণত গ্ৰহণ কৰা হৈছে।

উচ্চাৰণ সম্বন্ধে বহল ব্যাকৰণত বিস্তীৰ্ণ ভাবে একো কোৱা হোৱা নাই। উচ্চাৰণ বিষয়টোৱেই হৈছে অভিধানৰ

বিষয়, তাক অভিধান চাই শিকিব লাগে। কিন্তু বেজাৰৰ কথা অসমীয়াত এই পৰিমিত তেনে দৰৱ অভিধান ওলোৱা নাই। হেমকোষত শব্দবিলাকৰ উচ্চাৰণ শব্দে শব্দে দিয়া নাই। কিন্তু পাতনিত কিছুমান নিয়ম প্ৰণালী দিয়া হৈছে। তাক পঢ়ি চালে বৰ্ণ আৰু শব্দৰ উচ্চাৰণ সম্বন্ধে অনেক কথা জনা যাব পাৰে।

ভাষাই পতি কোৱাৰ এটা স্বকীয়া ধৰণ আছে। অসমীয়া ভাষাৰো এটা স্বকীয়া ধৰণ আছে। সেই ধৰণটোক আমি অসমীয়া ভাষাৰ জতুৱা ঠাচ বুলিছোঁ। ঠাচ কথাৰ অৰ্থ ঠাচা বা সাঁচ। কোনো বস্তু গঢ়িবলৈ হলে তাৰ এটা সাঁচ মাটিৰে গঢ়িলোৱা হয়, আৰু তাতে ঢালি সেই গঢ়ৰ বস্তু প্ৰস্তুত কৰা হয়। অসমীয়া ঠাচত বা সাঁচত বাক্য নাঢালিলে সি যথাৰ্থ অসমীয়া নহয়। বঙ্গলা চোক-উঠেছে, বা পেট-নেবেছে এই দুই কথাৰ পৰিবৰ্ত্তে অসমীয়াত চকু উঠিছে বা পেট নামিছে বুলিলে বাক্য দুটা অসমীয়া নহব, সিহঁতক অসমীয়া ঠাচত ঢলা নহল। আচল ঠাচত ঢালিলে সিহঁত চকু নামিছে আৰু পেট বৈছে হব। আজিকালিৰ দিনত কিন্তু এনেকুৱা কথা বহুত পোৱা যায়। সেই নিমিত্তে বহল ব্যাকৰণত অসমীয়া ভাষাৰ জতুৱা ঠাচ সম্বন্ধে লিখা হৈছে, আৰু কিছুমান উদাহৰণো দিয়া হৈছে।

ব্যাকৰণ প্ৰণয়ন এটা টান কাম, ই হাতী মাৰি ভুৰুকাত ভৰোৱা কাম। এটা দীঘল ডাঙৰ ভাষাক তাৰ ডাল পাত

সমন্বিতে এটা এশ বা ডেৰ শ পতীয়া ব্যাকৰণত ভৰাব লাগে। এই দুষ্কৰ কাম নিৰ্ভুল ভাবে প্ৰথম বাৰেই সম্পন্ন হব বুলি আমি কেতিয়াও আশা কৰা নাই। কোনো কোনো লাগতিয়াল কথাও এই পুথিত নোসোমাব পাৰে, আৰু আন আন ৰকমৰ ভুলো ইয়াত থাকিব পাৰে। সেই বাবে আমি ৰাইজক নিবেদন কৰো যে, সিবিলাকে কোনো ভুল বা ক্ৰুটী দেখিলে আমাক যেন জনায়, আমি ইয়াৰ ভবিষ্যত তাঙ্গৰণত সেইবোৰ শুধৰাই দিবলৈ চেষ্টা কৰিম।

২৫ আঘোণ,
১৮৪৭। }

শ্ৰীসত্যনাথ বৰা।

# নির্ঘণ্ট।

—:*:—


বিষয়। পিঠি।

## প্ৰথম অধ্যায়।

ভাষা আৰু ব্যাকৰণ ১
বৰ্ণ প্ৰকাশ ২
স্বৰবৰ্ণৰ ভাগ ৩
ব্যঞ্জনবৰ্ণ ৪
ব্যঞ্জনবৰ্ণৰ ভাগ ৬
উচ্চাৰণ অনুসাৰে বৰ্ণ ভাগ ৭
বৰ্ণৰ উচ্চাৰণ ৮
যুক্তাক্ষৰৰ উচ্চাৰণ ১১
বৰ্ণ বিন্যাস ১২

## দ্বিতীয় অধ্যায়।

ণত্ববিধি ১৫
ষত্ববিধি ১৭

## তৃতীয় অধ্যায়।

সন্ধি প্ৰকৰণ ২০
স্বৰসন্ধি ২১
ব্যঞ্জনসন্ধি ২৭
অনুস্বাৰ আৰু বিসৰ্গ সন্ধি ৩০
সন্ধিৰ বিষয়ে বিশেষ কথা ৩৩

বিষয়। পিঠি।

## চতুৰ্থ অধ্যায়।

শব্দ প্ৰকৰণ ৩৫
শব্দ বিভক্তি ৩৬
পদ প্ৰকৰণ ৩৯
সংজ্ঞাবোধক বিশেষ্য পদৰ বচন ৪১
সংজ্ঞাবোধক বিশেষ্যৰ ৰূপ ৪৪
সংজ্ঞাবোধক বিশেষ্য আৰু বিশেষ্যৰূপে ব্যৱহাৰ হোৱা পদৰ লিঙ্গ ৫০

## IX পঞ্চম অধ্যায়।

সৰ্ব্বনাম ৬১
বিভক্তি অনুসাৰে ব্যক্তি-বোধক সৰ্ব্বনামৰ ৰূপ ৬২
কাৰক ৭৭
কৰ্ত্তাকাৰক ৭৭
কৰ্ম্মকাৰক ৭৮
কৰণকাৰক ৭৮
সম্প্ৰদানকাৰক ৭৮

| বিষয়। | পিঠি। |
|---|---|
| অপাদানকাৰক | ৭৯ |
| অধিকৰণকাৰক | ৮০ |
| আন হেতুত বা বিশেষ শব্দৰ যোগত বিশেষ বিশেষ বিভক্তি | ৮১ |
| প্ৰথমা বিভক্তি | ৮১ |
| দ্বিতীয়া বিভক্তি | ৮২ |
| তৃতীয়া বিভক্তি | ৮৩ |
| চতুৰ্থী বিভক্তি | ৮৩ |
| পঞ্চমী বিভক্তি | ৮৪ |
| ষষ্ঠী বিভক্তি | ৮৪ |
| সপ্তমী বিভক্তি | ৮৫ |
| বি শষণ সৰ্ব্বনাম | ৮৬ |
| কালবোধক সৰ্ব্বনাম | ৯০ |
| স্থানবোধক-সৰ্ব্বনাম | ৯১ |


## ষষ্ঠ অধ্যায়।


| | |
|---|---|
| বিশেষণ | ৯২ |
| বিশেষণীয় বিশেষণ | ৯৪ |
| ক্ৰিয়া বিশেষণ | ৯৫ |


## সপ্তম অধ্যায়।


| | |
|---|---|
| সংখ্যাবোধক শব্দ | ৯৮ |
| অব্যয় শব্দ | ৯৯ |
| যোজক অব্যয় | ৯৯ |
| বিষয়। | পিঠি। |
| পৃথক্‌বোধক অব্যয় | ১০১ |
| সন্দেহবোধক অব্যয় | ১০২ |
| ভাববোধক অব্যয় | .০২ |
| আনুসঙ্গিক অব্যয় | ১০৩ |
| সম্বোধনাৰ্থক অব্যয় | ১০৫ |
| প্ৰশ্নাৰ্থক অব্যয় | ১০৬ |
| সন্নিধানবোধক অব্যয় | ১০৭ |
| গুণবোধক শব্দ | ১০৮ |
| অনুকাৰ শব্দ | ১০৯ |
| অনুৰূপ শব্দ | ১০৯ |
| অনুকাৰ অনুৰূপ শব্দ | ১১০ |
| একশেষ অনুৰূপ শব্দ | ১১০ |
| অনিয়মিত বা যুৰীয়া অনুৰূপ শব্দ | ১১০ |
| কৃদন্ত শব্দ | ১১১ |
| উপসৰ্গ | ১১১ |


## অষ্টম অধ্যায়।


| | |
|---|---|
| সমাস প্ৰকৰণ | ১১৬ |
| দ্বন্দ্ব সমাস | ১১৭ |
| বহুব্ৰিহী সমাস | ১২২ |
| কৰ্ম্মধাৰয় সমাস | ১২৭ |
| তৎপুৰুষ সমাস | ১৩১ |
| দ্বিগু সমাস | ১৩৪ |

| বিষয়। | পিঠি। |
|---|---|
| নঞ্ সমাস | ১৩৫ |
| অব্যয়ীভাব সমাস | ১৩৬ |
| নিত্য সমাস | ১৩৮ |

**নবম অধ্যায়।**

| বিষয়। | পিঠি। |
|---|---|
| তদ্ধিত প্ৰকৰণ | ১৪০ |
| সংস্কৃত তদ্ধিত প্ৰত্যয় | ১৪১ |
| অসমীয়া তদ্ধিত প্ৰত্যয় | ১৫৪ |
| বিশেষ বিশেষ শব্দত বিশেষ বিশেষ প্ৰত্যয় | ১৬৫ |
| অন্য এবিধ তদ্ধিত প্ৰত্যয় | ১৬৮ |

**দশম অধ্যায়।**

| বিষয়। | পিঠি। |
|---|---|
| ধাতু আৰু ক্ৰিয়া প্ৰকৰণ | ১৭৫ |
| ধাতু | ১৭৫ |
| ক্ৰিয়া | ১৭৭ |
| কাল | ১৮০ |
| নিত্য বৰ্ত্তমান কাল | ১৮০ |
| স্বৰূপ বৰ্ত্তমানকাল | ১৮০ |
| স্বৰূপ ভূতকাল | ১৮০ |
| অপূৰ্ণ ভূতকাল | ১৮১ |
| সাম্ভব্য ভূতকাল | ১৮১ |
| ভবিষ্যত কাল | ১৮২ |
| অনুজ্ঞা | ১৮২ |
| ক্ৰিয়া বিভক্তি | ১৮৩ |
| অনুজ্ঞাৰ বিভক্তি | ১৮৩ |
| ধাতুত ক্ৰিয়া বিভক্তি যোগ দিবৰ নিয়ম | ১৮৪ |
| মৌলিক ধাতুৰ ৰূপ | ১৮৬ |
| পাঁচনি ক্ৰিয়া | ১৯২ |
| পাঁচনি ধাতুৰ ৰূপ | ১৯৫ |
| অনিয়মিত ক্ৰিয়া | ১৯৮ |
| লগৰীয়া বা সহায়কাৰী ক্ৰিয়া | ২০০ |
| অসমীয়া নামধাতু | ২০১ |

**একাদশ অধ্যায়।**

| বিষয়। | পিঠি। |
|---|---|
| কৃৎ প্ৰকৰণ | ২০৩ |
| বাচ্য | ২০৩ |
| কৃৎপ্ৰত্যয় | ২০৪ |
| সংস্কৃত কৃৎপ্ৰত্যয় | ২০৫ |
| অসমীয়া কৃৎপ্ৰত্যয় | ২২৪ |
| পাঁচনি ধাতুত কৃৎপ্ৰত্যয় | ২৩৪ |

**দ্বাদশ অধ্যায়।**

| বিষয়। | পিঠি। |
|---|---|
| বাক্যবিন্যাস প্ৰকৰণ | ২৩৬ |
| বাক্যৰ বাচ্য | ২৩৬ |
| কৰ্ত্তা আৰু ক্ৰিয়াৰ সঙ্গতি | ২৩৮ |
| ক্ৰিয়া আৰু কৰ্ম্মৰ সঙ্গতি | ২৪৫ |
| আন আন কাৰক আৰু ক্ৰিয়াৰ সঙ্গতি | ২৪৯ |

| বিষয়। | পিঠি। |
|---|---|
| কাল আৰু ক্ৰিয়াৰ সঙ্গতি | ২৫৫ |
| বিশেষ্য আৰু বিশেষণ পদৰ সঙ্গতি | ২৫৮ |
| সৰ্ব্বনাম সঙ্গতি | ২৫৯ |
| পদ আৰু নানাবিধ শব্দৰ সঙ্গতি | ২৬১ |
| অব্যয় আৰু আন শব্দৰ সঙ্গতি | ২৬৬ |
| বচন সঙ্গতি | ২৬৭ |

| বিষয়। | পিঠি। |
|---|---|
| **ত্ৰয়োদশ অধ্যায়।** | |
| অসমীয়া ভাষাৰ জতুৱা ঠাচ | ২৬৯ |
| ভিন ভিন বিশেষ্যৰ লগত জতুৱা ঠাচৰ ক্ৰিয়া | ২৭০ |
| কিছুমান প্ৰচলিত অশুদ্ধ বাক্য আৰু সিহঁতৰ শুদ্ধ ভাঙনি | ২৭৩ |
| খণ্ডবাক্য | ২৭৭ |
| জতুৱা খণ্ডবাক্য | ২৮০ |

# শুধৰণী ।

—:*:—

| পিঠি | শাৰী | অশুদ্ধ | শুদ্ধ |
|---|---|---|---|
| ৪ | ১৫ | ছ | ঝ |
| ৫ | ৪ | নথকা ত | নথকাত |
| ৬ | ৮ | হেছে | হৈছে |
| ১৫ | ৫ | বৰষণ | বৰষুণ |
| ১৬ | ৪ | কমাৰণী | কমাৰনী |
| ১৬ | ১৮ | ন হয় | নহয় |
| ১৭. | ১৯ | মুমূযু | মুমূর্ষু |
| ২৬ | ২ | ষোগ | যোগ |
| ২৬ | ১২ | অস বর্ণৰ | অ সবর্ণৰ |
| ২৭ | ২০ | বিপদ শান্তি | বিপদ+শান্তি |
| ২৮ | ৫ | থাকি | থাকিলে |
| ২৮ | ১৩ | অড়ম্বৰ | আড়ম্বৰ |
| ৩১ | ৬ | বায়োধিক | বয়োধিক |
| ৩২ | ১৪ | নি | নিঃ |
| ৪৩ | ১৯ | মাজ্জিত | মার্জ্জিত |
| ৪৭ | ৩ | দ্বিতীয়া | দ্বিতীয়া |
| ৫৭ | ২ | কুমাৰণী | কুমাৰনী |
| ৫৭ | ২ | কমাৰণী | কমাৰনী |
| ৫৭ | ৩ | মৰিয়াণী | মৰিয়ানী |

| পিঠি | শাৰী | অশুদ্ধ | শুদ্ধ |
|---|---|---|---|
| ১০৬ | ৭ | আহিনি | আহিলি |
| ১১৮ | ১০ | জনকীয়া | জলকীয়া |
| ১৫৮ | ১৯ | উহা | উৰা |
| ১৬০ | ১ | হাৰিয়াল | হাবিয়াল |
| ১৯২ | ১৩ | পাঁচনী | পাঁচনি |
| ২০১ | ১৮ | গলি | গলিয়া । |

# অসমীয়া ভাষাৰ
# বহল ব্যাকৰণ।

## প্ৰথম অধ্যায়।

### ভাষা আৰু ব্যাকৰণ।

মানুহে নানা উপায়েৰে নিজৰ মনৰ ভাব আনৰ আগত প্ৰকাশ কৰে, কেতিয়াবা আকাৰে ইঙ্গিতে, কেতিয়াবা ঠাৰে চিয়াৰে প্ৰকাশ কৰে, কেতিয়াবা আকৌ নানা প্ৰকাৰ শব্দ উচ্চাৰণ কৰি প্ৰকাশ কৰে।

১। এজনে নিজৰ মনৰ ভাব আন এজনৰ আগত নানা প্ৰকাৰ শব্দ উচ্চাৰণ কৰি প্ৰকাশ কৰিলে, তাক ভাষা বোলা যায়।

২। যি পুথি পঢ়িলে কোনো এটা ভাষাত শুদ্ধৰূপে কথা কবলৈ আৰু লিখিবলৈ শিকিব পাৰি, তাক সেই ভাষাৰ ব্যাকৰণ বোলে।

৩। যি পুথি পঢ়িলে অসমীয়া ভাষাত শুদ্ধৰূপে কথা কবলৈ আৰু লিখিবলৈ শিকা যায়, তাক অসমীয়া ভাষাৰ ব্যাকৰণ বোলে।

## বৰ্ণ প্ৰকাশ।

৪। মানুহে কথা কওঁতে যিবিলাক শব্দ উচ্চাৰণ কৰে, সিহঁতক লিখি প্ৰকাশ কৰিবলৈ প্ৰত্যেকটোৰে একোটা চিন ব্যৱহাৰ কৰা হৈছে। সেই চিনবিলাকক বৰ্ণ বোলা হয়। চলিত কথাত বৰ্ণক আখৰ বোলে।

সংস্কৃত ভাষা লিখিবলৈ যিবিলাক আখৰ ব্যৱহাৰ কৰা হয়, অসমীয়া লিখিবলৈকো সেইবিলাক আখৰ ব্যৱহাৰ কৰা হয়।

সংস্কৃত বৰ্ণমালাত মুঠত পঞ্চাশটা আখৰ আছে :—অ আ ই ঈ উ ঊ ঋ ৠ ঌ ৡ এ ঐ ও ঔ ং ঃ, আৰু ক খ গ ঘ ঙ চ ছ জ ঝ ঞ ট ঠ ড ঢ ণ ত থ দ ধ ন প ফ ব ভ ম য ৰ ল ৱ শ ষ স হ ক্ষ।

এই আখৰবিলাকক দুভাগ কৰা হৈছে। এভাগৰ আখৰক স্বৰবৰ্ণ, আৰু এভাগৰ আখৰক ব্যঞ্জনবৰ্ণ বোলে।

৫। যিবিলাক আখৰক আন কোনো আখৰৰ সহায় নোহোৱাকৈ উচ্চাৰণ কৰিব পাৰি, সিহঁতক স্বৰবৰ্ণ বোলে। স্বৰবৰ্ণ মুঠত চৈধ্যটা :—অ আ ই ঈ উ ঊ ঋ ৠ ঌ ৡ এ ঐ ও ঔ। সংস্কৃতত স্বৰবৰ্ণবিলাকক অচ্ নাম দিয়া হৈছে।

৬। অ ঌ ৠ, এই কেইটাত বাজে আনবিলাক স্বৰবৰ্ণৰ আকৃতি দুই প্ৰকাৰ। আ ই ঈ আদি আকৃতি সিহঁতৰ আচল আকৃতি, সেই বাবে সিহঁতক স্বৰবৰ্ণৰ মূল আকৃতি বোলা যায়।

৭। স্বৰবৰ্ণ আন কোনো বৰ্ণত যোগ দিবলৈ হলে, সিহঁতৰ আকৃতি ভিন হয়। যেনে, আ = া, ই = ি, ঈ = ী, উ = ু, ঊ = ূ, ঋ = ৃ, ৠ = ৄ, এ = ে, ঐ = ৈ, ও = ো, ঔ = ৌ ইহঁতক স্বৰবৰ্ণৰ যৌগিক আকৃতি বোলা যায়।

অ-কাৰৰ যৌগিক আকৃতি নাই। সেই দেখি সি আন বৰ্ণত যোগ হলে, বাজত তাৰ কোনো চিন নাথাকে।

## স্বৰবৰ্ণৰ ভাগ।

৮। স্বৰবৰ্ণ দুবিধ :—হ্ৰস্ব স্বৰ আৰু দীৰ্ঘ স্বৰ।

৯। যিবিলাক স্বৰবৰ্ণৰ উচ্চাৰণ চুটি, সিহঁতক হ্ৰস্ব স্বৰ বোলে। হ্ৰস্ব স্বৰ পাঁচোটা :—অ ই উ ঋ ঌ।

১০। যিবিলাক স্বৰবৰ্ণৰ উচ্চাৰণ দীঘল, সিহঁতক দীৰ্ঘ স্বৰ বোলে। দীৰ্ঘ স্বৰ নটা :—আ ঈ ঊ ৠ ৡ এ ঐ ও ঔ।

১১। বিং মাৰোঁতে, গীত গাওঁতে, আৰু কান্দোঁতে কোনো কোনো স্বৰবৰ্ণৰ উচ্চাৰণ বৰ দীঘল হয়। তেনেকুৱা স্বৰবিলাকক প্লুত স্বৰ বোলে। হ্ৰস্ব দীৰ্ঘ, দুয়োবিধ স্বৰেই সময় বিশেষত প্লুত হব পাৰে।

১২। অ-কাৰৰ পৰা ঊ-কাৰলৈকে বৰ্ণবিলাকৰ ভিতৰত একে ৰকমৰ একো যোৰক সবৰ্ণ বোলে। যেনে, অ আ সবৰ্ণ, ই ঈ সবৰ্ণ, উ ঊ সবৰ্ণ, আৰু ইহঁতৰ এযোৰৰ এটাক উল্লেখ কৰিলে গোটেই যোৰকে বুজায়। যেনে, অ সবৰ্ণ বুলিলে অ, আ, ই সবৰ্ণ বুলিলে ই ঈ, আৰু উ সবৰ্ণ বুলিলে উ ঊ।

১৩। অনুস্বাৰ আৰু বিসৰ্গৰ স্বকীয়া কোনো উচ্চাৰণ নাই, যি বৰ্ণত যোগ হয় সেই বৰ্ণৰ উচ্চাৰণেই সিহঁতৰ উচ্চাৰণ। সিহঁতক অযোগবাহ বৰ্ণ বোলে।

অসমীয়া ভাষাত ঋ ৯ ৠ, এই তিনিটা স্বৰবৰ্ণৰ ব্যৱহাৰ নাই।

উ-কাৰৰ মূল আকৃতিত অসমীয়াত ব্যৱহাৰ নাই, কেৱল যৌগিক আকৃতিতহে তাৰ ব্যৱহাৰ হয়।

## ব্যঞ্জনবৰ্ণ।

১৪। যিবিলাক আখৰ নিজে সম্পূৰ্ণৰূপে উচ্চাৰিত হব নোৱাৰে, স্বৰবৰ্ণৰ সহায় লৈ উচ্চাৰিত হয়, সিহঁতক ব্যঞ্জনবৰ্ণ বোলে। ব্যঞ্জনবৰ্ণ মুঠত চৌত্ৰিশটা ঃ—ক খ গ ঘ ঙ চ ছ জ ঝ ঞ ট ঠ ড ঢ ণ ত থ দ ধ ন প ফ ব ভ ম য ৰ ল ৱ শ ষ স হ ক্ষ।

সংস্কৃত ব্যাকৰণত ব্যঞ্জনবৰ্ণবিলাকক হল্ আৰু হস্ বৰ্ণও বোলে।

১৫। ব্যঞ্জনবৰ্ণত কোনো স্বৰবৰ্ণৰ যোগ নাথাকিলে, সেই বৰ্ণৰ তলত এটা সৰু আঁচ দিয়া হয়। যেনে, দীক্‌ছৌ, চলক্‌চৌ, বাচক্‌বনীয়া। এই আঁচটোক হসন্ত চিন বোলে।

১৬। স্বৰবৰ্ণৰ যোগ নথকা ত ফলাৰ তলত হসন্ত চিন প্ৰায় দিয়া নহয়। তেতিয়া তাৰ আকাৰ সলাই ৎ আকাৰত ব্যৱহাৰ কৰা হয়। যেনে, সৎ, হঠাৎ, অকস্মাৎ। ত আখৰৰ আকাৰ এনেকুৱা হলে, তেতিয়া তাক খণ্ড ত বোলে।

১৭। ড় ঢ় য়, এই তিনটা ভিন আখৰ নহয়। শব্দৰ মাজত বা শেষত ড ঢ আৰু য থাকিলে, ড কেতিয়াবা কঠিন ৰ, ঢ কেতিয়াবা ৰ্হ, আৰু য কেতিয়াবা ই-অৰ দৰে উচ্চাৰিত হয়। তেতিয়া তেনেকুৱা উচ্চাৰণ বুজাবলৈ সিহঁতৰ তলত এটা সৰু বিন্দু দিয়া হয়। যেনে, আড়ম্বৰ, আঢ়ৈ, বিয়নী।

১৮। ঁ এই চিনটোৰ নাম চন্দ্ৰবিন্দু। ই এটা আখৰ নহয়, উচ্চাৰণৰ চিন মাথোন। যি আখৰ নাকী সুৰত উচ্চাৰণ কৰিব লাগে, তাৰ ওপৰত এই চিন দি সেই উচ্চাৰণ বুজুৱা হয়। যেনে, দাঁত, বাঁহ, গাওঁ।

১৯। ক্ষ এটা মূল আখৰ নহয়, ক আৰু ষ গোট খাই ক্ষ হয়। কিন্তু পূৰ্ব্বকালৰ পৰা ই এটা বেলেগ আখৰ বুলি গণ্য হৈ আহিছে, সেই দেখি ইয়াতো তাক বেলেগ আখৰ বুলি ধৰা হল।

২০। ৰ্ বৰ্ণৰ পাচত আন কোনো ব্যঞ্জনবৰ্ণ থাকিলে ৰ্ ( ´ ) এই আকাৰ ধৰি সেই বৰ্ণৰ শিৰলৈ যায়। তাৰ এই

আকাৰক ৰেফ্ বোলে। ৰেফ্ যোগ হলে, ক বৰ্গৰ বৰ্ণ আৰু উষ্ম বৰ্ণৰ বাজে প্ৰায় সকলো বৰ্ণৰ দ্বিত্ব হয়, অৰ্থাৎ সেই বৰ্ণ দুটা হয়। যেনে, পূৰ্ব্ব, ধৰ্ম্ম, কাৰ্য্য।

## ব্যঞ্জনবৰ্ণৰ ভাগ।

২১। ব্যঞ্জনবৰ্ণবিলাকৰ ভিতৰত ক-ৰ পৰা ম লৈকে বৰ্ণবিলাকক উচ্চাৰণ কৰোঁতে জিভাৰ কোনো এটা অংশে মুখৰ কোনো এটা অংশক স্পৰ্শ নকৰাকৈ নোৱাৰে। সেই দেখি সিহঁতক স্পৰ্শবৰ্ণ বোলে।

২২। স্পৰ্শবৰ্ণবিলাকক পাঁচ ভাগ কৰা হৈছে। তাৰ একো ভাগক বৰ্গ বোলা হয়।

১। ক খ গ ঘ ঙ—ক বৰ্গ।
২। চ ছ জ ঝ ঞ—চ বৰ্গ।
৩। ট ঠ ড ঢ ণ—ট বৰ্গ।
৪। ত থ দ ধ ন—ত বৰ্গ।
৫। প ফ ব ভ ম—প বৰ্গ।

২৩। প্ৰত্যেক স্পৰ্শবৰ্ণ এই বৰ্গবিলাকৰ এটা নহয় এটাৰ ভিতৰত পৰে, সেই দেখি সিহঁতক বৰ্গীয় বৰ্ণও বোলে।

২৪। য ৰ ল ৱ, এই বৰ্ণ কেইটা স্পৰ্শবৰ্ণ আৰু উষ্ম-বৰ্ণৰ (তলত চোৱাঁ) মধ্যত আছে, সেই দেখি সিহঁতক অন্তঃস্থবৰ্ণ বোলে।

২৫। শ ষ স হ, এই বৰ্ণ কেইটা উচ্চাৰণ কৰোঁতে মুখৰ বায়ু উষ্ম, অৰ্থাৎ তপত হৈ ওলায়, সেই দেখি সিহঁতক উষ্মবৰ্ণ বোলে।

## উচ্চাৰণ অনুসাৰে বৰ্ণ ভাগ।

২৬। অ আ ক খ গ ঘ ঙ হ ঃ, এই কেইটা বৰ্ণ কণ্ঠৰ পৰা উচ্চাৰিত হয়, সেই দেখি সিহঁতক কণ্ঠ্যবৰ্ণ বোলে।

২৭। ই ঈ এ ঐ চ ছ জ ঝ ঞ য শ, এই কেইটা বৰ্ণ তালুৰ পৰা উচ্চাৰিত হয়, সেই দেখি সিহঁতক তালব্যবৰ্ণ বোলে।

২৮। ঋ ৠ ট ঠ ড ঢ ণ ৰ ষ, এই কেইটা বৰ্ণ মূৰৰ পৰা উচ্চাৰিত হয়, সেই দেখি সিহঁতক মূৰ্দ্ধন্যবৰ্ণ বোলে।

২৯। ত থ দ ধ ন ল ৯ স, এই কেইটা বৰ্ণ দাঁতৰ পৰা উচ্চাৰিত হয়, সেই দেখি সিহঁতক দন্ত্যবৰ্ণ বোলে।

৩০। উ ঊ ও ঔ প ফ ব ভ ম, এই কেইটা বৰ্ণ ওঠৰ পৰা উচ্চাৰিত হয়, সেই দেখি সিহঁতক ওষ্ঠ্যবৰ্ণ বোলে।

৩১। ঙ ঞ ণ ন ম ং, এই কেইটা বৰ্ণ কণ্ঠ তালু আদিৰ পৰা উচ্চাৰিত হলেও নাকী সুৰত উচ্চাৰিত হয়, সেই দেখি সিহঁতক অনুনাসিক বৰ্ণও বোলে।

৩২। বৰ্গীয় বৰ্ণবিলাকৰ ভিতৰত প্ৰত্যেক বৰ্গৰ প্ৰথম, তৃতীয় আৰু পঞ্চম বৰ্ণৰ উচ্চাৰণ কোমল, সেই দেখি সিহঁতক

অল্পপ্ৰাণ বৰ্ণ বোলে। দ্বিতীয় আৰু চতুৰ্থ বৰ্ণৰ উচ্চাৰণ কৰ্কশ, সেই দেখি সিহঁতক মহাপ্ৰাণ বৰ্ণ বোলে।

৩৩। মহাপ্ৰাণ বৰ্ণৰ দ্বিত্ব হলে, প্ৰথম বৰ্ণটো অল্পপ্ৰাণ হয়। যেনে, গৰ্ব্ভ। ইয়াত, ভ-ত ৰেফ্ যোগ হৈছে। ব্যাকৰণৰ নিয়ম মতে ৰেফ্ যোগ হলে, আখৰৰ দ্বিত্ব হয়, অৰ্থাৎ সেই আখৰ দুটা হয়। ইয়াতো ভ দুটা হব লাগিছিল, কিন্তু ভ মহাপ্ৰাণ বৰ্ণ, সেই দেখি তাৰ আগৰটো ব হল; ব সেই বৰ্গৰ অল্পপ্ৰাণ বৰ্ণ। সেই দৰে, মূৰ্চ্ছিত, বৰ্দ্ধন, ইত্যাদি।

## বৰ্ণৰ উচ্চাৰণ।

আদিতে আৰ্য্যসকলে বৰ্ণবিলাক যি দৰে উচ্চাৰণ কৰিছিল, সেই দৰেই সিহঁতক ভাগ কৰিছিল। ওপৰত দিয়া ভাগবিলাক সেই কালৰ ভাগ। আজিকালিও সংস্কৃত কওঁতে বা পঢ়োঁতে বৰ্ণবিলাক সেই দৰে উচ্চাৰণ কৰিব লাগে। বেদৰ মন্ত্ৰ গাওঁতে উচ্চাৰণৰ লৰচৰ হলে, মন্ত্ৰৰ ফল নধৰে বুলি কয়। বেদৰ মন্ত্ৰৰ উচ্চাৰণ সম্বন্ধে সংস্কৃত শাস্ত্ৰত নিয়ম প্ৰণালী বন্ধা আছে। কিন্তু কালৰ পৰিবৰ্ত্তনত এতিয়াৰ মানুহৰ জিভা সেই দৰে দোৰোল নাখায়। এতিয়া উচ্চাৰণৰ বৰ বেমেজালি। হিন্দুস্থান খণ্ডত এই বেমেজালি কম। হিন্দুস্থানৰ মানুহে শ ষ স ৱ ক্ষ আদি আখৰ নিয়ম মতে উচ্চাৰণ কৰিব পাৰে, কথা কওঁতে কৰেও। তেওঁবিলাকে কথা কৈ গলে কোন শব্দত শ, কোন শব্দত ষ, কোন শব্দত স, শুনোতাই তাক উচ্চাৰণৰ পৰাই বুজিব পাৰে। ক্ষ আখৰ উচ্চাৰণ কৰোঁতে তেওঁবিলাকে ক আৰু ষ, দুয়োটা

স্পষ্টকৈ উচ্চাৰণ কৰে। যেনে, ভিক্ষা, দক্ষিণা। সেই দৰে, ৱ আখৰটোকো তেওঁলোকে স্পষ্টকৈ উচ্চাৰণ কৰে। বঙ্গদেশত শ, ষ আৰু স-ৰ ভিন ভিন উচ্চাৰণ নাই। তাৰ মানুহে তিনিওটাকে শ উচ্চাৰণ কৰে। আসামত সিহঁতৰ আদিৰ উচ্চাৰণ একেবাৰে লোপ হৈছে। অসমীয়া মানুহে সিহঁতক কোমল হ-ৰ নিচিনা উচ্চাৰণ কৰে। অসমীয়াত স্বৰ্ণমালাৰ বৰ্ণবিলাক কেনেকৈ উচ্চাৰিত হয়, তাক তলত ব্যাখ্যা কৰা হল।

৩৪। অসমীয়া ভাষাত অ দুই প্ৰকাৰে উচ্চাৰিত হয়। এক প্ৰকাৰে কণ্ঠৰ পৰা। যেনে, অকলৈ, অকামিলা, অলপ। আন প্ৰকাৰে মূৰৰ পৰা। যেনে, অগুণ, অতীজত, অচিনাকি।

৩৫। অসমীয়াত শব্দৰ অন্তত থকা ব্যঞ্জনবৰ্ণৰ অ-কাৰ উচ্চাৰিত নহয়। যেনে, ঘৰ্, আম্, কঠাল্, মানুহ্, লোচন্, নাৰায়ণ্।

ওপৰত দিয়া উদাহৰণৰ লোচন শব্দত সংস্কৃত উচ্চাৰণ মতে ছটা বৰ্ণ আছে, ল্+ও+চ্+অ+ন্+অ, কিন্তু অসমীয়া উচ্চাৰণ মতে পাঁচোটাহে আছে, ল্+ও+চ্+অ+ন্। সাধাৰণতঃ শব্দৰ শেষ বৰ্ণত অ নাথাকিলেও, হসন্ত চিন্ দিয়া নহয়, তাক উচ্চাৰণৰ পৰা জানিব লাগে।

৩৬। কেতবিলাক শব্দৰ অন্তৰ ব্যঞ্জনৰ অ-কাৰ উচ্চাৰিত হয়। যেনে, পাৰ, নাৰ, বাট, গাধ, এঘাৰ, বাৰ, তেৰ, পোন্ধৰ, ষোল, সোতৰ, ওঠৰ।

৩৭। শব্দৰ অন্তত যুক্তাক্ষৰ থাকিলে, তাৰ অ-কাৰ

উচ্চাৰিত হয়। যেনে, কৃষ্ণ, তুষ্ট, কষ্ট, চৈধ্য, বৈদ্য, ভদ্র, সন্ত, মহন্ত।

৩৮। শব্দৰ অন্তত ৱ থাকিলে, তাৰ অ-কাৰ উচ্চাৰিত হয়। যেনে, জীৱ, দেৱ।

৩৯। শব্দৰ অন্তৰ ব্যঞ্জনৰ আগত যদি অনুস্বাৰ বা বিসর্গ থাকে, তেনেহলেও অন্তৰ ব্যঞ্জনৰ অ-কাৰ উচ্চাৰিত হয়। যেনে, বংশ, কংশ, ধ্বংস, দুঃখ।

৪০। ঈ আৰু ঊ-ৰ উচ্চাৰণ ই আৰু উ-ৰ নিচিনা হয়।

৪১। এ দুই প্ৰকাৰে উচ্চাৰিত হয়। এক প্ৰকাৰে কণ্ঠৰ পৰা। যেনে, এক, এওঁ, এঙ্গাৰ। আন প্ৰকাৰে মূৰৰ পৰা। যেনে, এই, এতিয়া।

৪২। চ ছ সংস্কৃত ভাষাত স যেনেকৈ উচ্চাৰিত হয়, সেই দৰে উচ্চাৰিত হয়।

৪৩। জ ঝ-ৰ উচ্চাৰণৰ ভিতৰতো একো প্ৰভেদ নাই, দুয়ো জ-ৰ দৰে উচ্চাৰিত হয়।

৪৪। ন ণ একে দৰে উচ্চাৰিত হয়

৪৫। য আখৰ শব্দৰ আদিত থাকিলে, জ-ৰ দৰে উচ্চাৰিত হয়। যেনে, যম, যত্ন, যদি। শব্দৰ মাজত বা অন্তত থাকিলে সি অ-ৰ দৰে উচ্চাৰিত হয়। যেনে, জয়, পয়োভৰ, প্ৰয়োজন।

৪৬। ৱ আখৰৰ পৰা অ ওলাই গলে, সি উ উচ্চাৰিত হয়। যেনে, দেৱ—দেউ, জীৱ—জীউ, দাৱনি—দাউনি,

ছাৱনি—ছাউনি, খাৱৰীয়া—খাউৰীয়া। কেতিয়াবা সি ও উচ্চাৰিত হয়। যেনে, নাৱৰীয়া—নাওৰীয়া, স্বভাৱ—স্বভাও, পাৱ—পাও।

৪৭। শ, ষ, স কোমল হ-ৰ দৰে উচ্চাৰিত হয়; কিন্তু (৫) খণ্ড তৰ পাচত থাকিলে, সংস্কৃত ভাষাত উচ্চাৰিত হোৱাৰ দৰে উচ্চাৰিত হয়। যেনে, উৎসৱ, বৎস, ভৎ র্সনা।

৪৮। ক্ষ আখৰ শব্দৰ আদিত থাকিলে খ উচ্চাৰিত হয়। যেনে, ক্ষয়—খয়, ক্ষন্তেক—খন্তেক।

## যুক্তাক্ষৰৰ উচ্চাৰণ।

৪৯। অসমীয়া ভাষাত যুক্তাক্ষৰৰ প্ৰত্যেকটো আখৰ বেলেগে উচ্চাৰিত হয়। যেনে, বিস্ময়—বিস্‌ময়, অকস্মাৎ—অকস্‌মাৎ, লক্ষ্মী—লক্ষ্‌মী, কৃষ্ণ—কৃষ্‌ণ, বিষ্ণু—বিষ্‌ণু।

এনেবিলাক শব্দৰ এনেকুৱা উচ্চাৰণ জতুৱা উচ্চাৰণ। এই উচ্চাৰণ এতিয়াও বুঢ়া শ্ৰেণীৰ মানুহৰ ভিতৰত আৰু মাইকী মানুহৰ ভিতৰত আছে। কিন্তু ডেকা শ্ৰেণীৰ ভিতৰত বিশেষকৈ শিক্ষিত শ্ৰেণীৰ ভিতৰত এনে উচ্চাৰণ অনুক্ৰমে লোপ পাবলৈ ধৰিছে। তেওঁবিলাকে আজিকালি কৃষ্ণক কৃষ্ট, বিষ্ণুক বিষ্টু বুলিবলৈ ধৰিছে। ইয়াক ভাষাৰ অৱনতিহে বুলিব পাৰি, উন্নতি বুলিব নোৱাৰি।

৫০। গ ঙ-ৰ পাচত যোগ হলে, তাৰ উচ্চাৰণ নাথাকে। যেনে, ভাঙ্গিলে—ভাঙিলে, ছিঙ্গিলে—ছিঙিলে, সঙ্গ—সঙ, বঙ্গ—বঙ্ বা বং।

৫১। ঞ জ-ৰ পাচত যোগ হলে, দুয়ো মিলি গ্‌্য উচ্চাৰিত হয়। যেনে, জ্ঞান, যজ্ঞ। কিন্তু সি জ-ৰ আগত যোগ হলে ন উচ্চাৰিত হয়। যেনে, আঞ্জা, ব্যঞ্জন।

৫২। চ বা ছ-ৰ আগত যোগ হলেও ঞ ন উচ্চাৰিত হয়। যেনে, কিঞ্চিৎ, কাঞ্চন, বাঞ্ছা, লাঞ্ছনা।

৫৩। য আন ব্যঞ্জনৰ পাচত যোগ হলে ই-অ উচ্চাৰিত হয়। যেনে, অন্য, ধন্য, মধ্যম। কেতিয়াবা সি যি আখৰত যোগ হয়, তাৰ আগলৈ গৈ ই উচ্চাৰিত হয়। যেনে, অন্য—অইন, ধন্য—ধইন।

৫৪। শ, ষ, স আন কোনো ব্যঞ্জনত যোগ হলে, সিহঁতৰ সংস্কৃত উচ্চাৰণ নলবে। যেনে, বিশ্বাস, অষ্টমী, বিস্তীর্ণ। কিন্তু (ʼ) ৰেফৰ যোগত সিহঁতৰ সংস্কৃত উচ্চাৰণ গুচে। যেনে, স্পৰ্শ, হৰ্ষ, বিমৰ্ষ।

৫৫। হ আখৰত য যোগ হলে, ঝ আখৰ সংস্কৃতত যি দৰে উচ্চাৰিত হয়, সিও সেই দৰে উচ্চাৰিত হয়। যেনে, সহ্য উচ্চাৰণত সঝ্য, গ্ৰাহ্য উচ্চাৰণত গ্ৰাঝ্য।

## বৰ্ণবিন্যাস।

বৰ্ণবিলাকৰ সংস্কৃত উচ্চাৰণ আৰু অসমীয়া উচ্চাৰণ ইমান বেলেগ হলেও, গুৰি ঠিক ৰাখিবলৈ আৰু অৰ্থৰ বেমেজালি এৰাবলৈ সংস্কৃতৰ পৰা অহা শব্দবিলাক সংস্কৃতত লিখা দৰে লিখা হয়। সংস্কৃতত সমূহ শব্দ উ-কাৰ দি লিখা হয়। অসমীয়াত লিখিবলৈ হলেও, তাক সেই

দৰেই লিখা হয়, নাইবা পাচত গৈ তাৰ গুৰি বিচাৰি পাবলৈ টান হব। সংস্কৃত শব্দৰ সংস্কৃত বৰ্ণবিন্যাস নাৰাখিলে, কেতিয়াবা তাৰ অৰ্থ বুজিবলৈকো টান হব পাৰে। নীড় এটা সংস্কৃত শব্দ, তাৰ অৰ্থ চৰাইৰ বাহ; নীৰ শব্দও এটা সংস্কৃত শব্দ, তাৰ অৰ্থ পানী। ড় অসমীয়াত ৰ উচ্চাৰিত হয়। যদি শব্দ দুটা অসমীয়াত ব্যৱহাৰ কৰোঁতে সিহঁতৰ সংস্কৃত বৰ্ণবিন্যাস এৰি সিহঁতক অসমীয়া উচ্চাৰণ অনুসাৰে নীৰ বা নিৰ লিখা হয়, তেন্তে কোনটো শব্দ কি অৰ্থত ব্যৱহাৰ হৈছে, তাক বুজিবলৈ বহুত সময়ত টান হব। সেই দেখি উচ্চাৰণত যেনেই কি বা নহওক, লিখোঁতে তেনেবিলাক শব্দ সংস্কৃতত লিখাৰ দৰে লিখা হয়।

৫৬। সংস্কৃতমূলক ভাৰতীয় আন কোনো ভাষাৰ শব্দ অসমীয়াত লিখিব লাগিলে, তাক সেই ভাষাত লিখা দৰে লিখা হয়। যেনে, হিন্দুস্থানী কথা ‘এসা বাত’ অসমীয়াত লিখিবলৈ হলে এচা বাত লিখা নহয়। হিন্দুস্থানীত লিখোঁতে তাৰ যেনে দৰে বৰ্ণবিন্যাস কৰে, অসমীয়াতো তেনে দৰে বৰ্ণবিন্যাস কৰা হয়, অৰ্থাৎ অসমীয়াতো চ নিলিখি স লিখা হয়।

৫৭। যিবোৰ শব্দ মূলত অসমীয়া, সংস্কৃতৰ পৰা লোৱা নহয়, সিহঁতক উচ্চাৰণ অনুসাৰে লিখা হয়। যেনে, চৰু, চয়, চফল, চেৰেকী, শিকিয়া, সিয়নি।

৫৮। সংস্কৃত শব্দৰ ভিতৰত যিবিলাকে অসমীয়াত আহি ৰূপ সলাইছে, সিহঁতকো উচ্চাৰণ অনুসাৰে লিখা হয়। যেনে, স্নেহ—চেনেহ, উৎসৰ্গ—উচৰ্গা। কিন্তু কেতবিলাক

ৰূপ সলোৱা সংস্কৃত শব্দকো সিহঁতৰ গুৰিলৈ চাই লিখা যায়। যেনে, স্বৰ্ণ—সোণ, কৰ্ণ—কাণ, হস্তী—হাতী, ছত্ৰ—ছাতি বা ছাতা।

৫৯। অসম বা আসাম নাম যদিও অচম বা আচাম বুলি উচ্চাৰণ কৰা হয়, তাক বহুত কালৰ পৰা স দি লিখা হৈছে, সেই দেখি এতিয়াও স দি লিখা হয়।

৬০। বিদেশী ভাষাৰ শব্দ উচ্চাৰণ মতে লিখা হয়। যেনে, চাহাব, গিলাচ, মিচিচিপি ( নৈ )।

৬১। কোনো কোনো শব্দৰ আদিত থকা নহয় বুজোৱা অ-কাৰ আ-কাৰ হয়। যেনে, অলাগী—আলাগী, অকাজী—আকাজী, অজোখ—আজোখ, অবতৰীয়া—আবতৰীয়া, অথাউনি—আথাউনি, অগঢ়ী—আগঢ়ী, অবন্তুৰা—আবন্তুৰা।

৬২। শব্দৰ প্ৰথমত থকা দুয়োটা স্বৰ যদি আ-কাৰ হয়, তেনেহলে সিহঁতৰ প্ৰথমটো প্ৰায় এ-কাৰ হয়। যেনে, আন্ধাৰ—এন্ধাৰ, আছাৰি—এছাৰি, আলান্ধু—এলান্ধু, আলাহ—এলাহ, আটাইবোৰ—এটাইবোৰ, আপাহ—এপাহ, আটাহ—এটাহ। কেতিয়াবা প্ৰথম আ-কাৰটো অ-কাৰ হয়। যেনে, ৰাজা—ৰজা, তাৰা—তৰা, মালা—মলা, বিধাতা—বিধতা। বিধাতা শব্দৰ প্ৰথম স্বৰ ই-কাৰ, কিন্তু বি উপসৰ্গ দেখি তাৰ স্বৰটো লেখত ধৰা হোৱা নাই।

৬৩। কোনো ক্ৰিয়া পদৰ আদি স্বৰ যদি আ-কাৰ হয়, আৰু তাৰ আগত যদি নহয় বুজোৱা নাথাকে, তেনেহলে সেই

না প্ৰায় নে হয়, নহৈও থাকে। যেনে, নাজানে—নেজানে, নাখায়—নেখায়, নাযায়—নেযায়।

---

# দ্বিতীয় অধ্যায়।

## ণত্ব বিধি।

১। এটা পদৰ ভিতৰত ঋ, ৰ আৰু ষ-ৰ পাচত দন্ত্য ন থাকিলে সি মূৰ্দ্ধন্য হয়। যেনে—ঋণ, তৃণ, কাৰণ, অৰুণ, কৃষাণ, বৰষণ।

ওপৰত উদাহৰণ দিয়া শব্দবিলাকৰ ণ বিলাকত অসমীয়া উচ্চাৰণ মতে কোনো স্বৰ যোগ নাই, কিন্তু সংস্কৃত উচ্চাৰণ মতে অ যোগ আছে। ণত্ব বিধিত শব্দৰ সংস্কৃত উচ্চাৰণ ধৰা হয়।

২। ঋ, ৰ, ষ আৰু ন-ৰ মাজত কোনো স্বৰবৰ্ণ, বা ক আৰু প বৰ্গৰ কোনো বৰ্ণ, বা য, ৱ, হ, বা ং অনুস্বাৰ থাকিলেও ন মূৰ্দ্ধন্য হয়। যেনে, কৃপণ, গ্ৰহণ, ব্ৰাহ্মণ, বাৰণ, নাৰায়ণ।

৩। এই নিয়মটো কেৱল সংস্কৃত শব্দত আৰু সংস্কৃতৰ অপভ্ৰংশ শব্দত মাথোন খাটে। অসমীয়া শব্দত ঋ, ৰ, ষ-ৰ মাজত কোনো ব্যঞ্জনবৰ্ণ বা অ-ৰ বাজে আন স্বৰবৰ্ণ

থাকিলে দন্ত্য ন মূৰ্দ্ধন্য নহয়। যেনে, ৰইনা, বৰিয়নি, ফেৰেঙ্গনি, গেৰেকনি, ৰৰীয়ানী।

৪। অসমীয়া স্ত্রীপ্রত্যয় নী-ৰ ন মূৰ্দ্ধন্য নহয়। যেনে, ৰৱানী, বৰুৱানী, কমাৰণী, কুমাৰনী, গৰাকিয়নী।

৫। দুটা ভিন ভিন শব্দ গোট খাই এটা হলে, আগৰ শব্দটোত ঋ, ৰ, ষ থাকিলেও পাচৰ শব্দৰ ন মূৰ্দ্ধন্য নহয়। যেনে, দুৰ্নাম, হৰিনাম, ত্রিনয়ন, সৰ্ব্বনাম, হৰিনাৰায়ণ, হৰিনাথ।

৬। উত্তৰ, চান্দ্র, পৰ আদি শব্দ আগত থাকিলে পাচৰ শব্দৰ দন্ত্য ন মূৰ্দ্ধন্য হয়। যেনে, উত্তৰ + অয়ন = উত্তৰায়ণ, চান্দ্র + অয়ন = চান্দ্রায়ণ, পৰ + অয়ন = পৰায়ণ।

৭। দুটা শব্দ গোট খাই এটা প্রসিদ্ধ নাম হলে, আগৰ শব্দত ঋ, ৰ, বা ষ থাকিলে, পাচৰ শব্দৰ ন মূৰ্দ্ধন্য হয়। যেনে, শূৰ্পণখা, অক্ষৌহিণী।

৮। আম্র আদি শব্দ আগত থাকিলে বন শব্দৰ ন মূৰ্দ্ধন্য হয়। যেনে, আম্রবণ।

৯। পদৰ শেষত থকা হসন্ত ন্ ঋ, ৰ, ষ-ৰ পাচত থাকিলেও মূৰ্দ্ধন্য ন হয়। যেনে, নৰান্, ব্রহ্মচাৰিন্।

১০। ত বৰ্গৰ কোনো আখৰৰ লগত যোগ হলে, ঋ, ৰ, ষ-ৰ পাচত থাকিলেও ন মূৰ্দ্ধন্য নহয়। যেনে, বান্ধন, বৃন্দাবন।

১১। ট বৰ্গৰ আখৰৰ লগত যোগ হলে ন সদায় মূৰ্দ্ধন্য হয়। যেনে, কণ্টক, পিণ্ড, মুণ্ড।

১২। পূৰ্ব্ব, পৰ, অপৰ আদি শব্দ আগত থাকিলে, পাচৰ অহ্ন শব্দৰ ন মূৰ্দ্ধন্য হয়। যেনে, পূৰ্ব্ব+অহ্ন= পূৰ্ব্বাহ্ণ, পৰ+অহ্ন=পৰাহ্ণ, অপৰ+অহ্ন= অপৰাহ্ণ।

১৩। দুৰ্ উপসৰ্গৰ বাজে আন উপসৰ্গৰ ৰ-ৰ পাচত থকা নম্ আৰু নী ধাতুৰ ন মূৰ্দ্ধন্য হয়। যেনে, প্ৰ–নম্+ঘঞ্= প্ৰণাম, প্ৰ–নী+অল=প্ৰণয়।

১৪। বিদেশী শব্দত বা নামত ণত্ব বিধিৰ নিয়মবিলাক নাখাটে। যেনে, ফোৰকান, কোৰান, ৰোৱেনা, ইউৰেনাচ।

১৫। কেতবিলাক শব্দৰ ণ স্বভাৱতে মূৰ্দ্ধন্য। সেই-বিলাক শব্দৰ প্ৰচলিত কিছুমান তলত ছন্দত বান্ধি দিয়া হল।

বাণিজ্য, বণিক, ঘুণ, কণ, পণ, পাণি।
শোণিত, চিক্কণ, গুণ, গণ, শণ, ৰাণী॥
কণিকা, কঙ্কণ, অণু, বেণী, বেণু, বাণ।
গৌণ, তূণ, ফণা, বীণা, নিপুণ, কল্যাণ॥
লৱণ, মাণিক্য, কোণ, মণি আৰু পুণ্য।
এই শব্দবিলাকৰ ণবোৰ মূৰ্দ্ধন্য॥

## ষত্ব বিধি।

১৬। অ সবৰ্ণৰ বাজে আন স্বৰবৰ্ণ, বা ক বা ৰ আগত থাকিলে, প্ৰত্যয়ৰ দন্ত্য স মূৰ্দ্ধন্য ষ হয়। যেনে, জি+সন্+আ=জিগীষা, মৃ+সন্+উ=মুমূৰ্ষু, শ্ৰীচৰণ+সু=শ্ৰীচৰণেষু

( ৭মী বহুবচন ) ইয়াত সন্ প্রত্যয়ৰ দন্ত্য স মূৰ্দ্ধন্য ষ হৈছে। সাৎ প্রত্যয়ৰ স মূৰ্দ্ধন্য ষ নহয়। যেনে, ভূমিসাৎ, অগ্নিসাৎ, জনসাৎ।

১৭। ই বা উ অন্তত থকা উপসৰ্গৰ পাচত সদ্, সিচ্, সিধ্, নম্ আৰু স্থা আদি ধাতুৰ স মূৰ্দ্ধন্য ষ হয়। যেনে, বি—সদ্+ঘঞ্=বিষাদ, অভি—সিচ্+ঘঞ্=অভিষেক, নি—সিধ্+অল=নিষেধ, অভি—লস্+ঘঞ্=অভিলাষ, প্রতি—স্থা+ঙ=প্রতিষ্ঠা, অনু—স্থা+ক্ত=অনুষ্ঠিত।

ইয়াত ধাতুবিলাকৰ স মূৰ্দ্ধন্য ষ হৈছে।

১৮। ভূমি, গো, অঙ্গু শব্দৰ পাচত থকা স্থ শব্দৰ স, আৰু যুধি শব্দৰ পাচত থকা স্থিৰ শব্দৰ স মূৰ্দ্ধন্য ষ হয়। যেনে, ভূমি+স্থ=ভূমিষ্ঠ, গো+স্থ=গোষ্ঠ, অঙ্গু+স্থ=অঙ্গুষ্ঠ, যুধি+স্থিৰ=যুধিষ্ঠিৰ।

১৯। প্রত্যয় যোগ হলে, হবিস্ আৰু চক্ষুস্ শব্দৰ স মূৰ্দ্ধন্য ষ হয়। যেনে, হবিস্+য=হবিষ্য, চক্ষুস্+ষ্ণ=চাক্ষুষ।

২০। কেতবিলাক শব্দৰ ষ স্বভাৱতে মূৰ্দ্ধন্য। সেই-বিলাক শব্দৰ প্রচলিত কিছুমান তলত ছন্দত বান্ধি দিয়া হল।

ভাষা, বৰ্ষা, হৰ্ষ, ৰোষ, মহিষ, প্রত্যূষ।
কৰ্ষণ, প্রদোষ, ঈৰ্ষা, তুষাৰ, গণ্ডুষ॥
ষোড়শ, পুৰুষ, মেষ, ওষধি, ভূষণ।
আষাঢ়, মুষিক, পুষ্প, কোষ, ষড়ানন॥

ঈষৎ, বিষ, গ্ৰীষ্ম, উষ্ম, ঔষধ, পোষণ।
বিশেষ, বিশেষ্য, ভীষ্ম, পৌষ, বিশেষণ॥
পাষাণ, ভিষক আৰু ঘৰ্ষণ, নিঃশেষ।
সকলোৰে মূৰ্দ্ধন্য ষ জানিবা বিশেষ॥

---

# তৃতীয় অধ্যায়।

## সন্ধি প্ৰকৰণ।

১। এটা শব্দৰ শেষ বৰ্ণ আন এটাৰ আদি বৰ্ণেৰে সৈতে জোৰা লাগি শব্দ দুটা এটা হলে, সিহঁতৰ ভিতৰত সন্ধি হোৱা বোলা যায়।

২। সংস্কৃতত যি দুটা শব্দৰ সমাস হয়, সিহঁতৰ সদায় সন্ধি হয়।

৩। ধাতুৰ আগত উপসৰ্গ বা আন কোনো শব্দ থাকিলে, সিহঁতৰ ভিতৰত সদায় সন্ধি হয়।

৪। ধাতু আৰু প্ৰত্যয়ৰ ভিতৰতো সদায় সন্ধি হয়।

শুনিবলৈ কথা ললিত কৰিবৰ নিমিত্তে আন আন নানা বিধ শব্দৰ ভিতৰতো সন্ধি হয়। কিন্তু সেই সন্ধি লিখকৰ ইচ্ছাধীন, অৰ্থাৎ তেনে সন্ধি লিখকে কৰিলে কৰিব পাৰে, নকৰিলে নকৰিবও পাৰে।

সন্ধি হলে শব্দৰ ৰূপ অলপ পৰিবৰ্ত্তন হয়, কিন্তু অৰ্থৰ পৰিবৰ্ত্তন নহয়।

৫। সন্ধি তিনি বিধঃ—স্বৰসন্ধি, ব্যঞ্জনসন্ধি আৰু অনুস্বাৰ আৰু বিসৰ্গ সন্ধি।

# স্বৰসন্ধি।

৬। স্বৰবৰ্ণৰ লগত স্বৰবৰ্ণৰ যি সন্ধি হয়, তাক স্বৰসন্ধি বোলে।

৭। এবিধ সবৰ্ণৰ এটা বৰ্ণ আগত আৰু এটা বৰ্ণ পাচত থাকিলে, দুয়ো মিলি দীৰ্ঘ হয়। আৰু সেই দীৰ্ঘ বৰ্ণ আগৰ আখৰত যোগ হয়। যেনে,—

অ সবৰ্ণৰ সন্ধি :—(অ + অ) মৃগ + অঙ্ক = মৃগাঙ্ক, বদ্ধ + অঞ্জলি = বদ্ধাঞ্জলি, দীপ + অন্বিতা = দীপান্বিতা, বস্ত্ৰ + অলঙ্কাৰ = বস্ত্ৰালঙ্কাৰ, হিম + অচল = হিমাচল, নীল + অচল = নীলাচল, গৌৰ + অঙ্গ = গৌৰাঙ্গ, দেব + অসুৰ = দেবাসুৰ, মুৰ + অৰি = মুৰাৰি, চৰ + অচৰ = চৰাচৰ, ভস্ম + অচল = ভস্মাচল, চিত্ৰ + অচল = চিত্ৰাচল।

আৰু (অ + আ) কুশ + আসন = কুশাসন, হিম + আলয় = হিমালয়, দেব + আলয় = দেবালয়, দীপ + আৱলী = দীপাবলী, দশ + আনন = দশানন, ভয় + আতুৰ = ভয়াতুৰ, শোক + আকুল = শোকাকুল, লোক + আলয় = লোকালয়, মেঘ = আচ্ছন্ন = মেঘাচ্ছন্ন, চন্দ্ৰ + আলোক = চন্দ্ৰালোক, ছত্ৰ + আকাৰ = ছত্ৰাকাৰ।

আৰু (আ + অ) মহা + অৰ্ঘ = মহাৰ্ঘ, মহা + অৰ্ণৱ = মহাৰ্ণব, বিদ্যা + অলঙ্কাৰ = বিদ্যালঙ্কাৰ, আশা + অতীত = আশাতীত, সীমা + অন্ত = সীমান্ত, আশা + অনুৰূপ = আশানুৰূপ।

আৰু ( আ+আ ) মহা+আশয়=মহাশয়, বিদ্যা+আলয়=বিদ্যালয়, ক্ষুধা+আতুৰ=ক্ষুধাতুৰ, ধৰা+আসন=ধৰাসন, দয়া+আৰ্দ্ৰ=দয়াৰ্দ্ৰ, উমা+আনন্দ=উমানন্দ, সদা+আনন্দ=সদানন্দ।

ওপৰত দিয়া উদাহৰণবিলাকত মন কৰিব লগীয়া কথা এই যে, অসমীয়া উচ্চাৰণ মতে নীলাচল, কুশাসন আদি সন্ধি সঙ্গত হব নোৱাৰে। অসমীয়া উচ্চাৰণ মতে নীল নহয় নীল্, কুশ নহয় কুশ্, গতিকে পাচৰ পদৰ অ-কাৰ বা আ-কাৰত যোগ হবলৈ একো নাই। কিন্তু নীল্ শব্দৰ ল্ হসন্ত হোৱা বাবে আৰু অচলৰ অ তাৰ পাচতে থকা বাবে, শব্দ দুটা উচ্চাৰণ কৰোঁতে, অচলৰ অ নীল্ শব্দৰ ল্ আখৰৰ লগত স্বভাৱতে গোট খায়। সি স্বৰসন্ধি নহয়। সেই দৰে, কুশাসন শব্দকো এটা স্বৰসন্ধি বুলিব নোৱাৰি।

ই সবৰ্ণৰ সন্ধি :—( ই+ই ) প্ৰতি+ইতি=প্ৰতীতি, অভি+ইষ্ট=অভীষ্ট, মণি+ইন্দ্ৰ=মণীন্দ্ৰ, গিৰি+ইন্দ্ৰ=গিৰীন্দ্ৰ, অতি+ইত=অতীত।

আৰু ( ই+ঈ ) ক্ষিতি+ঈশ=ক্ষিতীশ, প্ৰতি+ঈক্ষা=প্ৰতীক্ষা, গিৰি+ঈশ=গিৰীশ, পৰি+ঈক্ষা=পৰীক্ষা।

আৰু ( ঈ+ই ) মহী+ইন্দ্ৰ=মহীন্দ্ৰ, বলী+ইন্দ্ৰ=বলীন্দ্ৰ, মহতী+ইচ্ছা=মহতীচ্ছা।

আৰু ( ঈ+ঈ ) পৃথিবী+ঈশ্বৰ=পৃথিবীশ্বৰ, গৌৰী+ঈশ্বৰ=গৌৰীশ্বৰ।

উ সবৰ্ণৰ সন্ধি :—( উ+উ ) কটু+উক্তি=কটূক্তি, সাধু

+উক্তি = সাধূক্তি, মধু+উৎসৱ = মধূৎসৱ, গুৰু+উপদেশ = গুৰূপদেশ, ভানু+উত্তাপ = ভানূত্তাপ।

আৰু ( উ+ঊ ) তৰু+ঊৰ্দ্ধ = তৰূৰ্দ্ধ, বায়ু+ঊৰ্ম্মি = বায়ূৰ্ম্মি।

আৰু ( ঊ+উ ) বধূ+উন্নতি = বধূন্নতি, বধূ+উৎসৱ = বধূৎসৱ, স্বয়ম্ভূ+উদয় = স্বয়ম্ভূদয়।

আৰু ( ঊ+ঊ ) ভূ+ঊৰ্দ্ধ = ভূৰ্দ্ধ।

৮। ঋ-কাৰৰ পাচত ঋ-কাৰ থাকিলে, দুয়ো মিলি দীৰ্ঘ ৠ হয়, আৰু সেই দীৰ্ঘ ৠ আগৰ আখৰত যোগ হয়। যেনে, পিতৃ+ঋণ = পিতৄণ, ভ্ৰাতৃ+ঋদ্ধি = ভ্ৰাতৄদ্ধি।

দীৰ্ঘ ৠ-কাৰ আদিত বা অন্তত থকা শব্দ অতি বিৰল।

৯। ই সবৰ্ণৰ পাচত অন্য স্বৰবৰ্ণ থাকিলে, ই সবৰ্ণৰ আখৰ মৰি য হয়, সেই য আগৰ আখৰত যোগ হয়, আৰু পাচৰ স্বৰবৰ্ণ য-তে যোগ হয়। যেনে, যদি+অপি = যদ্যপি, নদী+অম্বু = নদ্যম্বু, ইতি+আদি = ইত্যাদি, অতি+উত্তম = অত্যুত্তম, অতি+অধিক = অত্যধিক, প্ৰতি+আশা = প্ৰত্যাশা, নাস্তি+ঔষধ = নাস্ত্যৌষধ, অতি+আচাৰ = অত্যাচাৰ, প্ৰতি+উপকাৰ = প্ৰত্যুপকাৰ, প্ৰতি+এক = প্ৰত্যেক।

১০। উ সবৰ্ণৰ পাচত অন্য স্বৰবৰ্ণ থাকিলে, উ সবৰ্ণৰ আখৰ মৰি ৱ হয়, সেই ৱ আগৰ আখৰত যোগ হয়, আৰু পাচত থকা স্বৰবৰ্ণ ৱ-তে যোগ হয়। যেনে, অনু+এষণ =

অন্বেষণ, অনু+অয় = অন্বয়, পশু+আদি = পশ্বাদি, অনু+ইত = অন্বিত, ভূ+আদি = ভ্বাদি, সু+অস্তি = স্বস্তি।

১১। ঋ-কাৰৰ পাচত অন্য স্বৰবর্ণ থাকিলে ঋ মৰি ৰ হয়, সেই ৰ আগৰ আখৰত যোগ হয়, আৰু পাচত থকা স্বৰবর্ণ সেই ৰ-তে যোগ হয়। যেনে, পিতৃ+অনুমতি = পিত্ৰনুমতি, মাতৃ+আদেশ = মাত্ৰাদেশ, পিতৃ+আলয় = পিত্ৰালয়।

১২। অ সবর্ণৰ পাচত ই সবর্ণ থাকিলে দুয়ো মিলি এ হয়, আৰু সেই এ আগৰ আখৰত যোগ হয়। যেনে, গণ+ঈশ = গণেশ, মহা+ঈশ্বৰ = মহেশ্বৰ, পৰম+ঈশ্বৰ = পৰমেশ্বৰ, নৰ+ইন্দ্ৰ = নৰেন্দ্ৰ, যথা+ইষ্ট = যথেষ্ট, লঙ্কা+ঈশ্বৰ = লঙ্কেশ্বৰ, মহা+ইন্দ্ৰ = মহেন্দ্ৰ, ৰমা+ঈশ = ৰমেশ, শুক্ৰ+ঈশ্বৰ = শুক্ৰেশ্বৰ, বাণ+ঈশ্বৰ = বাণেশ্বৰ, ৰুদ্ৰ+ঈশ্বৰ = ৰুদ্ৰেশ্বৰ, কাম+ঈশ্বৰ = কামেশ্বৰ।

১৩। অ সবর্ণৰ পাচত উ সবর্ণ থাকিলে, দুয়ো মিলি ও হয়, আৰু সেই ও আগৰ আখৰত যোগ হয়। যেনে, ফল+উদয় = ফলোদয়, পাদ+উদক = পাদোদক, গঙ্গা+উদক = গঙ্গোদক, চন্দ্ৰ+উদয় = চন্দ্ৰোদয়, বোধ+উদয় = বোধোদয়, যথা+উপযুক্ত = যথোপযুক্ত, মহা+ঊর্ম্মি = মহোর্ম্মি।

১৪। অ সবর্ণৰ পাচত ঋ থাকিলে, দুয়ো মিলি অৰ্ হয়, তাৰ অ আগৰ আখৰত যোগ হয়, আৰু ৰ্ ৰেফ হৈ পাচৰ আখৰৰ শিৰলৈ যায়। যেনে, দেব+ঋষি = দেবর্ষি, মহা+ঋষি = মহর্ষি, ৰাজা+ঋষি = ৰাজর্ষি, অধম+ঋণ = অধমর্ণ।

১৫। কিন্তু দুই পদৰ তৃতীয় তৎপুৰুষ সমাস হলে, ঋ আৰু অ বৰ্ণৰ আখৰ দুয়ো মিলি আৰ্ হয়, তাৰ আ আগৰ আখৰত যোগ হয়, আৰু ৰ্ ৰেফ হৈ পাচৰ আখৰৰ শিৰলৈ যায়। যেনে, শোক+ঋত=শোকাৰ্ত্ত, ক্ষুধা+ঋত=ক্ষুধাৰ্ত্ত।

১৬। অ সবৰ্ণৰ পাচত এ বা ঐ থাকিলে, দুয়ো মিলি ঐ হয়, আৰু সেই ঐ আগৰ আখৰত যোগ হয়। যেনে, জন+এক=জনৈক, তথা+এবচ=তথৈবচ, মহা+ঐশ্বৰ্য্য=মহৈশ্বৰ্য্য, মহা+ঐৰাৱত=মহৈৰাৱত।

১৭। অ সবৰ্ণৰ পাচত ও বা ঔ থাকিলে, দুয়ো মিলি ঔ হয়, আৰু সেই ঔ আগৰ আখৰত যোগ হয়। যেনে, মহা+ঔষধ=মহৌষধ, মহা+ওষধি=মহৌষধি, চিত্ত+ঔদাৰ্য্য=চিত্তৌদাৰ্য্য, জল+ওকা=জলৌকা।

১৮। এ-কাৰৰ পাচত স্বৰবৰ্ণ থাকিলে, এ মৰি অয় হয়, তাৰ অ আগৰ আখৰত যোগ হয়, আৰু পাচত থকা স্বৰবৰ্ণ য়-ত যোগ হয়। যেনে, নে+অন=নয়ন, শে+অন=শয়ন, চে+অন=চয়ন।

১৯। ঐ-কাৰৰ পাচত স্বৰবৰ্ণ থাকিলে, ঐ মৰি আয় হয়, তাৰ আ আগৰ আখৰত যোগ হয়, আৰু পাচত থকা স্বৰ য়-ত যোগ হয়। যেনে, গৈ+অন=গায়ন, নৈ+অক=নায়ক।

২০। ও-কাৰৰ পাচত স্বৰবৰ্ণ থাকিলে, ও মৰি অব্ হয়,

তাৰ অ আগৰ আখৰত যোগ হয়, আৰু পাচত থকা স্বৰ ব্-ত যোগ হয়। যেনে, পো + অন = পবন, ভো + অন = ভবন, শ্ৰো + অন = শ্ৰবণ।

২১। ঔ-কাৰৰ পাচত স্বৰবৰ্ণ থাকিলে, ঔ মৰি আব্ হয়, তাৰ আ আগৰ আখৰত যোগ হয়, আৰু পাচত থকা স্বৰ ব-ত যোগ হয়। যেনে, পৌ + অক = পাবক, ভৌ + উক = ভাবুক, নৌ + ইক = নাবিক।

ওপৰত দিয়া সন্ধিবিলাক, অ সবৰ্ণৰ সন্ধিৰ নিচিনাকৈ কোনটো কোন বিধৰ তাক ভাঙ্গি বিধে বিধে দেখুউৱা নাই। তেনেকৈ দেখুৱালে পুথিৰ আকাৰ বাঢ়ে। উদাহৰণবিলাক মন দি চালেই কোনটো কোন বিধৰ বুজা যাব।

অস বৰ্ণৰ সন্ধিৰ নিচিনা স্বৰসন্ধি প্ৰায় এটাইবিলাকেই অসমীয়া উচ্চাৰণ মতে অসঙ্গত। অসমীয়া উচ্চাৰণ মতে পৰমেশ্বৰ – পৰমীশ্বৰ, নীলাচল – নীলচল, দেবৰ্ষি – দেবৃষি হব লাগে। কেৱল সংস্কৃত উচ্চাৰণ মতেহে এইবিলাক সন্ধি হব পাৰে।

২২। সংস্কৃত ভাষাত কেতবিলাক সন্ধি চলিত আছে, যাক ওপৰত দিয়া নিয়মবিলাকেৰে সাধিব নোৱাৰি। সেই সন্ধিবিলাকক নিপাতনত সিদ্ধ, অৰ্থাৎ অনিয়মিত ৰূপে সিদ্ধ হোৱা সন্ধি বুলি কয়। যেনে, স্ব + ইৰিণী = স্বৈৰিণী, অক্ষ + ঊহিণী = অক্ষৌহিণী, প্ৰ + ঊঢ়ি = প্ৰৌঢ়ি, গো + য = গব্য, ভো + য = ভব্য, গো + অক্ষ = গবাক্ষ, গো + ইন্দ্ৰ = গবেন্দ্ৰ, কুল + অটা = কুলটা, শাৰ + অঙ্গ = শাৰঙ্গ, সীম + অন্ত = সীমন্ত।

## ব্যঞ্জন সন্ধি।

২৩। ব্যঞ্জনবৰ্ণৰ লগত ব্যঞ্জনৰ বা স্বৰবৰ্ণৰ যি সন্ধি হয়, তাক ব্যঞ্জন সন্ধি বোলে।

২৪। চ বা ছ পাচত থাকিলে ত্ আৰু দ্ মৰি চ্ হয়। যেনে, উৎ + চাৰণ = উচ্চাৰণ, সৎ + চিন্তা = সচ্চিন্তা, সৎ + চৰিত্ৰ = সচ্চৰিত্ৰ, উৎ + ছেদ = উচ্ছেদ, উৎ + ছন্ন = উচ্ছন্ন, বিপদ্ + চিন্তা = বিপচ্চিন্তা।

২৫। জ বা ঝ পাচত থাকিলে, ত্ আৰু দ্ মৰি জ্ হয়। যেনে, উৎ + জ্বল = উজ্জ্বল, জগৎ + জননী = জগজ্জননী, মহৎ + ঝনৎকাৰ = মহজ্ঝনৎকাৰ, সৎ + জন = সজ্জন, বিপদ্ + জাল = বিপজ্জাল, তদ্ + জন্ম = তজ্জন্ম, তদ্ + জন্য = তজ্জন্য।

২৬। ট বা ঠ পাচত থাকিলে ত আৰু দ্ মৰি ট্ হয়। যেনে, মহৎ + টঙ্কাৰ = মহট্টঙ্কাৰ, ভবৎ + ঠক্কুৰ = ভবট্ঠক্কুৰ।

২৭। ড বা ঢ পাচত থাকিলে ত্ আৰু দ্ মৰি ড্ হয়। উৎ + ডীন = উড্ডীন, মহৎ + ঢাল = মহড্ঢাল।

২৮। ল পাচত থাকিলে ত্ আৰু দ্ মৰি ল হয়। যেনে, উৎ + লিখিত = উল্লিখিত, উৎ + লাস = উল্লাস, বিপদ্ + লয় = বিপল্লয়।

২৯। শ পাচত থাকিলে ত্ আৰু দ্ মৰি চ্ হয়, আৰু পাচত থকা শ মৰি ছ হয়। যেনে, শৰৎ + শশী = শৰচ্ছশী, মহৎ + শঙ্কট = মহচ্ছঙ্কট, বিপদ্ শান্তি = বিপচ্ছান্তি।

৩০। ছ পাচত থাকিলে আগৰ পদৰ শেষত এটা চ হয়। যেনে, গৃহ + ছিদ্ৰ = গৃহচ্ছিদ্ৰ।

৩১। চ্ বা জ্ আগত, থাকিলে পাচৰ ন মৰি ঞ হয়। যেনে, যাচ্ + না = যাচ্ঞা, যজ্ + ন = যজ্ঞ।

৩২। হ পাচত থাকি ত্ মৰি দ্ হয়, আৰু পাচৰ হ মৰি ধ হয়। যেনে, উৎ + হাৰ = উদ্ধাৰ, উৎ + হত = উদ্ধত।

৩৩। দ্ পাচত থাকিলে হ মৰি ধ হয়। যেনে, বিপদ্ + হেতু = বিপদ্ধেতু, তদ্ + হিত = তদ্ধিত।

৩৪। ষ্ আগত থাকিলে ত আৰু থ মূৰ্দ্ধন্য হয়। যেনে, উৎকৃষ্ + ত = উৎকৃষ্ট, প্ৰবিষ + ত = প্ৰবিষ্ট, ষষ্ + থ = ষষ্ঠ।

৩৫। স্বৰবৰ্ণ বা বৰ্গৰ তৃতীয় চতুৰ্থ বৰ্ণ, বা য্ ৰ্ ল্ ৱ্ হ্ পাচত থাকিলে বৰ্গৰ প্ৰথম বৰ্ণ মৰি সেই বৰ্গৰ তৃতীয় বৰ্ণ হয়। যেনে, দিক্ + অন্ত = দিগন্ত, বাক্ + আড়ম্বৰ = বাগাড়ম্বৰ, বাক্ + ঈশ = বাগীশ, জগৎ + ঈশ্বৰ = জগদীশ্বৰ, তৎ + উপৰি = তদুপৰি, ষট্ + আনন = ষড়ানন, দিক্ + গজ = দিগ্‌গজ, অপ্ + দ = অব্দ, বৃহৎ + ৰথ = বৃহদ্ৰথ, নিচ্ + অন্ত = নিজন্ত, জগৎ + অম্বা = জগদম্বা, সৎ + উপদেশ = সদুপদেশ।

৩৬। ন বা ম পাচত থাকিলে ক্ মৰি ঙ্ আৰু ত্ মৰি ন্ হয়। যেনে, বাক্ + ময় = বাঙ্ময়, প্ৰাক্ + মুখ = প্ৰাঙ্মুখ, জগৎ + নাথ = জগন্নাথ, উৎ + নতি = উন্নতি, উৎ + মত্ত = উন্মত্ত, তৎ + ময় = তন্ময়।

৩৭। ঢ পাচত থাকিলে আগৰ ঢ লোপ হয়। যেনে, মূঢ়+ঢ়=মূঢ়।

৩৮। উৎ শব্দ আগত থাকিলে স্থা আৰু স্তন্ভ ধাতুৰ স্ লোপ হয়। যেনে, উৎ+স্থান=উত্থান, উৎ+স্তন্ভ= উত্তন্ভ।

৩৯। ব্যঞ্জনবৰ্ণ আদিত থকা কোনো পদ পাচত থাকিলে, দিব্ শব্দৰ ঠাইত দ্যু হয়। যেনে, দিব্+লোক= দ্যুলোক।

৪০। কাম শব্দ পাচত থাকি সমাস হলে, তুম্ প্ৰত্যয়ৰ ম আৰু সম্ শব্দৰ ম লোপ হয়। যেনে, গন্তুম্+কাম= গন্তুকাম, সম্+কাম=সকাম।

৪১। কৃ ধাতুৰ আগত সম্ বা পৰি উপসৰ্গ থাকিলে, সেই ধাতুৰ আগত এটা স্ হয়। যেনে, সম্+কৃত=সংস্কৃত, পৰিঃ+কাৰ=পৰিষ্কাৰ।

৪২। আগৰ স্বৰযুক্ত নোহোৱা ব্যঞ্জনবৰ্ণ পাচৰ স্বৰ-বৰ্ণত বা স্বৰযুক্ত ব্যঞ্জনত সদায় যোগ হয়। যেনে, বছৰ্+ এক=বছৰেক, মাহ্+এক=মাহেক, পয্+এক=পযেক, শত্+এক=শতেক, সম্+পত্তি=সম্পত্তি, সম্+বাদ= সম্বাদ, তম্+বল=তম্বল, মানুহ্+ও=মানুহো, মন্+ও= মনো, হাত্+এৰে=হাতেৰে, হাত্+এদি=হাতেদি, ঘৰ্+ অৰ=ঘৰৰ, গছ্+অত=গছত, মানুহ্+অক=মানুহক, মানুহ্+এ=মানুহে।

৪৩। কেতবিলাক সন্ধি আছে, যাক ওপৰত দিয়া নিয়মেৰে সাধিব নোৱাৰি। সেইবিলাক সন্ধি নিপাতনত, অৰ্থাৎ অনিয়মিতৰূপে সিদ্ধ। সন্ধিবিলাক সেই দৰে সিদ্ধ হওঁতে কোনোটোত বৰ্ণাগম, কোনোটোত বৰ্ণ বিপৰ্য্যয়, কোনোটোত বৰ্ণবিকাৰ, কোনোটোত বা বৰ্ণবিনাশ হৈছে। যেনে, বৰ্ণাগম—গো+পদ=গোষ্পদ; বৰ্ণবিপৰ্য্যয়—হিন্স্+অ=সিংহ; বৰ্ণবিকাৰ—তৎ+কৰ=তস্কৰ; বৰ্ণবিনাশ—মনস্+ঈষা=মনীষা।

## অনুস্বাৰ আৰু বিসৰ্গ সন্ধি।

৪৪। অন্তঃস্থ বা উষ্মবৰ্ণ পাচত থাকিলে, আগৰ ম্ মৰি ং অনুস্বাৰ হয়। যেনে, সম্+সৰ্গ=সংসৰ্গ, সম্+যম=সংযম, সম্+যোগ=সংযোগ, সম্+লগ্ন=সংলগ্ন, বশম্+বদ=বশংবদ। কিন্তু সিদ্ধ পদে ৰজা বুজালে ম্ অনুস্বাৰ নহয়। যেনে, সম্+ৰাট=সম্ৰাট।

৪৫। অনুস্বাৰৰ পাচত যি বৰ্গৰ বৰ্ণ থাকে, অনুস্বাৰ মৰি সেই বৰ্গৰ পঞ্চম বৰ্ণ হয়। যেনে, সং+গতি=সঙ্গতি, সং+চয়=সঞ্চয়, শং+খ=শঙ্খ, সং+পৰ্ক=সম্পৰ্ক, কিং+কৰ=কিঙ্কৰ।

৪৬। চ, ছ পাচত থাকিলে আগৰ বিসৰ্গ মৰি শ্ হয়, ট, ঠ পাচত থাকিলে ষ্ হয়, আৰু ত, থ থাকিলে স্ হয়। যেনে, নিঃ+চয়=নিশ্চয়, শিৰঃ+ছেদন=শিৰশ্ছেদন, ধনুঃ+

টঙ্কাৰ = ধনুষ্টঙ্কাৰ, নিঃ+তেজ=নিস্তেজ, মনঃ+তাপ = মনস্তাপ।

৪৭। অ, বা বৰ্গৰ তৃতীয়, চতুৰ্থ, পঞ্চম বৰ্ণ, বা য, ৰ, ল, ৱ, হ পাচত থাকিলে, অ-কাৰৰ পাচত থকা সজাত বিসৰ্গ আৰু সেই অ-কাৰ দুয়ো মিলি ও হয়, পাচত যদি অ-কাৰ থাকে, সি লোপ হয়। যেনে, মনঃ+অভিমত=মনোভিমত, মনঃ+অভিলাষ=মনোভিলাষ, বয়ঃ+অধিক=বায়োধিক, অধঃ+গতি=অধোগতি, শিৰঃ+ভূষণ=শিৰোভূষণ, মনঃ+যোগ=মনোযোগ, মনঃ+মত=মনোমত, সৰঃ+বৰ=সৰোবৰ, মনঃ+হৰ=মনোহৰ, অতঃ+নষ্ট=অতোনষ্ট, ততঃ+ভ্ৰষ্ট=ততোভ্ৰষ্ট।

৪৮। স-কাৰান্ত শব্দৰ সংস্কৃতত প্ৰথমা বিভক্তিৰ এক-বচনত স্ মৰি বিসৰ্গ হয়। সেই বিসৰ্গ স-ৰ পৰা জন্মে দেখি তাক সজাত বিসৰ্গ বোলে। যেনে, মনস্—মনঃ, বয়স্—বয়ঃ, শিৰস্—শিৰঃ, তেজস্—তেজঃ, যশস্—যশঃ, সৰস্—সৰঃ। সেই দৰে, কিছুমান অব্যয় শব্দৰ অন্ততো স্ থাকে। যেনে, অধস্, অতস্, ততস্। এই স-বিলাকো বিসৰ্গৰ আকাৰত থাকে। যেনে, অধঃ, অতঃ, ততঃ। এই বিসৰ্গবিলাকো সজাত বিসৰ্গ।

৪৯। অ-কাৰত বাজে আন স্বৰবৰ্ণ পাচত থাকিলে, অ-কাৰৰ পাচত থকা সজাত বিসৰ্গ লোপ হয়, লোপৰ পাচত আৰু শব্দ দুটাৰ সন্ধি নহয়। যেনে, অতঃ+এব=অতএব।

৫০। স্বৰবৰ্ণ বা বৰ্গৰ তৃতীয়, চতুৰ্থ, পঞ্চম বৰ্ণ বা য, ব, ল, ৱ, হ পাচত থাকিলে ৰজাত বিসৰ্গ মৰি ৰ হয়। যেনে, পুনঃ+অপি=পুনৰপি, প্ৰাতঃ+উত্থান=প্ৰাতৰুত্থান, পুনঃ+জন্ম=পুনৰ্জন্ম, দুঃ+মূল্য=দুৰ্মূল্য, দুঃ+ভাবনা=দুৰ্ভাবনা, দুঃ+ঘোৰ=দুৰ্ঘোৰ, অন্তঃ+আত্মা=অন্তৰাত্মা।

৫১। কোনো কোনো পদৰ আৰু কোনো কোনো উপসৰ্গৰ অন্তত ৰ্ আছে। সেই ৰ্ সাধাৰণতঃ বিসৰ্গৰ আকাৰত থাকে। যেনে, প্ৰাতৰ্—প্ৰাতঃ, পুনৰ্—পুনঃ, অন্তৰ্—অন্তঃ, দুৰ্—দুঃ, নিৰ্—নিঃ। এই বিসৰ্গবিলাক যথাৰ্থত ৰ-ৰ পৰা জন্মিছে, সেই দেখি সিহঁতক ৰজাত বিসৰ্গ বোলা হয়।

৫২। স্বৰবৰ্ণ বা বৰ্গৰ তৃতীয়, চতুৰ্থ বা পঞ্চম বৰ্ণ বা য, ব, ল, ৱ, হ পাচত থাকিলে, অ সবৰ্ণৰ বাজে আন স্বৰবৰ্ণৰ পাচত থকা সকলো বিধৰ বিসৰ্গ মৰি ৰ্ হয়। যেনে, নিঃ+আকাৰ=নিৰাকাৰ, আশীঃ+বাদ=আশীৰ্ব্বাদ, নিঃ+মূল=নিৰ্ম্মূল, দুঃ+আকাঙ্খা=দুৰাকাঙ্খা।

৫৩। ক খ প ফ পাচত থাকিলে, আগৰ বিসৰ্গ মৰি স হয়, কিন্তু সেই বিসৰ্গ অ সবৰ্ণৰ বাজে আন স্বৰ বৰ্ণৰ পাচত থাকিলে, ষ্ হয়। যেনে, মনঃ+কামনা=মনস্কামনা, মনঃ+খেদ=মনস্খেদ, নিঃ+পাপ=নিষ্পাপ, নিঃ+ফল=নিষ্ফল।

কিন্তু অন্তঃকৰণ অন্তস্কৰণ, বা শিৰঃপীড়া শিৰস্পীড়া নহয়।

৫৪ ৰ পাচত থাকিলে আগৰ বিসৰ্গ মৰি যি ৰ্ হয়, সেই ৰ্ লোপ হয়, আৰু তাৰ আগৰ হ্ৰস্ব স্বৰ দীৰ্ঘ হয়। যেনে, নিঃ+ৰস=নীৰস, নিঃ+ৰব=নীৰব, নিঃ+ৰোগ= নীৰোগ।

## সন্ধিৰ বিষয়ে বিশেষ কথা।

ওপৰত দিয়া সন্ধিৰ সূত্ৰবিলাকৰ ভিতৰত এটাৰ বাজে সকলোবিলাক সংস্কৃত ব্যাকৰণৰ সূত্ৰ। অসমীয়া ভাষাত সন্ধিৰ প্ৰচলন নাই। কেঁচা+আম=কেঁচাম, পকা+অমৃতা=পকামৃতা, ৰঙা+আলু=ৰঙালু, চেৰেকি+উঘা=চেৰেক্যুঘা, এনেদৰে অসমীয়াত শব্দ জোৰা নালাগে। দৰাচল পক্ষত অসমীয়া ব্যাকৰণত সন্ধিৰ সূত্ৰ নিদিলেও চলিব পাৰে। কিন্তু অসমীয়া ভাষাত সংস্কৃত শব্দ প্ৰচুৰ পৰিমাণে ব্যৱহাৰ হয়, আৰু সেই শব্দবিলাকৰ ভিতৰত অনেক সন্ধি আছে। তেনেবিলাক শব্দৰ ব্যাখ্যাৰ নিমিত্তে সন্ধিৰ নিয়ম প্ৰয়োজন। সেই কাৰণে ইয়াত সংস্কৃত ব্যাকৰণৰ পৰা সন্ধিৰ প্ৰধান প্ৰধান সূত্ৰবিলাক দিয়া হৈছে।

সন্ধি সংস্কৃত ভাষাৰ এটা বিশেষ অঙ্গ, কিন্তু অসমীয়া ভাষাৰ নহয়। ভাষা সুললিত বা গহীন কৰিবলৈ যেনে কেতিয়াবা অসমীয়াত সংস্কৃত শব্দ ব্যৱহাৰ কৰা হয়, সন্ধিও সেই নিমিত্তে ব্যৱহাৰ কৰা হয়। চমু কথা, অসমীয়াত সন্ধি এবিধ অলঙ্কাৰ মাথোন। এতেকে যত অলঙ্কাৰৰ প্ৰয়োজন, তাতহে সন্ধি ব্যৱহাৰ কৰা যুগুত। সাধাৰণতঃ সংস্কৃত শব্দকো অসমীয়াত সন্ধি ভাঙ্গি ব্যৱহাৰ কৰিব লাগে, তেহে অসমীয়া লনি আৰু ললিত হয়।

সন্ধিৰ ভিতৰত স্বৰসন্ধি সকলোবিলাক ভাঙ্গি লিখিব পাৰি। চন্দ্ৰোদয় হল নুবুলি চন্দ্ৰ উদয় হল বুলিলে কথাষাৰ অসমীয়াত ললিত

হয়। সেই দৰে, মাত্ৰাদেশ বুলি মাতৃৰ আদেশ, পৃথিবীশ্বৰ বুলি পৃথিবীৰ ঈশ্বৰ বুলিলে ভাষা ললিত হয়, আৰু জতুৱা ঠাচত উঠে।

ব্যঞ্জন সন্ধি এই সম্বন্ধে দুবিধ। এবিধ সন্ধি ভাঙ্গি লিখিব পাৰি, এবিধ নোৱাৰি। যি বিধৰ সন্ধি ভাঙ্গিলে, দুয়োটা শব্দৰ অৰ্থ থাকে, তাক সন্ধিৰ বিশেষ প্ৰয়োজন নাথাকিলে ভাঙ্গি লিখা উচিত। যেনে, সচ্চৰিত্ৰ, এই সন্ধিটোত যি দুটা শব্দ আছে, সিহঁতৰ প্ৰত্যেকৰে একোটা স্বকীয়া অৰ্থ আছে, আৰু শব্দ দুটা সেই স্বকীয়া অৰ্থত বেলেগে ব্যৱহাৰ কৰাও যায়। এতেকে এই সন্ধিটো ভাঙ্গি সৎ চৰিত্ৰ বা সজ চৰিত্ৰ লিখিলে স্বললিত অসমীয়া হয়।

কোনোবিলাক ব্যঞ্জন সন্ধি ভাঙ্গিব নোৱাৰি, ভাঙ্গিলে শব্দটোৰ আচল অৰ্থ নাথাকে। যেনে, বাগীশ সন্ধি ভাঙ্গি বাক্যৰ ঈশ, বা বাক্যৰ ঈশ্বৰ বুলি লিখিলে শব্দটোৰ অৰ্থ নাথাকে। এতেকে, এনেবিলাক সন্ধি ভাঙ্গি লিখা উচিত নহয়।

উপসৰ্গেৰে সৈতে পদৰ যি সন্ধি হয়, আৰু প্ৰত্যয়েৰে সৈতে প্ৰকৃতিৰ যি সন্ধি হয়, তাকো ভাঙ্গিব নোৱাৰি। অনুস্বাৰ আৰু বিসৰ্গ সন্ধিও প্ৰায় ভঙ্গা নাযায়।

কিছুমান সংস্কৃত সন্ধি অসমীয়া ভাষাত সোমাই গুটীয়া শব্দ যেন হৈ পৰিছে। সিহঁতৰো সন্ধি ভাঙ্গিব নোৱাৰি। যেনে, পৰমেশ্বৰ, জগদীশ্বৰ, কথমপি, যদ্যপি, তদপি, তথাপি, তদুপৰি, ইত্যাদি, কলোদয়, জলাঞ্জলি, আশীৰ্ব্বাদ, মনোহৰ, দুষ্কৰ, পঞ্চামৃত, পাদোদক, জগন্নাথ।

---

# চতুৰ্থ অধ্যায়।

## শব্দ প্ৰকৰণ।

১। অৰ্থযুক্ত বৰ্ণ বা বৰ্ণসমষ্টিক শব্দ বোলা যায়। জুই, পানী, ঘৰ, মানুহ, অৰ্থযুক্ত বৰ্ণসমষ্টি, এতেকে সিহঁত শব্দ। দ, ৰ, ব অৰ্থযুক্ত বৰ্ণ, এতেকে সিহঁতো শব্দ।

২। আহ, যা, খা, পঢ় আদি কথাই কোনো এটা কাৰ্য্য কৰা বুজায়, সেই দেখি তেনেকুৱা বিধৰ কথাক ক্ৰিয়া বা ধাতু বোলে।

৩। শব্দ আৰু ক্ৰিয়া, দুয়োকো প্ৰকৃতি বোলা যায়।

৪। প্ৰকৃতিৰ লগত ভিন ভিন অৰ্থত কিছুমান নিৰৰ্থক বৰ্ণ বা বৰ্ণসমষ্টি যোগ দিয়া হয়, সিহঁতক প্ৰত্যয় বোলে।

৫। প্ৰত্যয় চাৰি বিধ :—বিভক্তি, স্ত্ৰীপ্ৰত্যয়, তদ্ধিত প্ৰত্যয়, আৰু কৃৎপ্ৰত্যয়।

৬। যিবিলাক প্ৰত্যয়ে শব্দ প্ৰকৃতিত যোগ হৈ বাক্যৰ ভিতৰত তাৰ স্থান নিৰ্দ্ধাৰণ কৰে, সিহঁতক শব্দ-বিভক্তি বোলে।

৭। যিবিলাক প্ৰত্যয়ে ক্ৰিয়াত যোগ হৈ তাৰ কাল আৰু পুৰুষ নিৰ্দ্ধাৰণ কৰে, সিহঁতক ক্ৰিয়া-বিভক্তি বোলে।

ক্ৰিয়া-বিভক্তিৰ কথা পাচত কোৱা যাব।

## শব্দ-বিভক্তি।

৮। শব্দ-বিভক্তি সাত বিধ ঃ—প্ৰথমা, দ্বিতীয়া, তৃতীয়া, চতুৰ্থী, পঞ্চমী, ষষ্ঠী, আৰু সপ্তমী।

প্ৰথমা—এ

দ্বিতীয়া—অক

তৃতীয়া—এৰে, এদি, দ্বাৰা বা দ্বাৰায়

চতুৰ্থী—অলৈ, অক

পঞ্চমী—পৰা

ষষ্ঠী—অৰ

সপ্তমী—অত

৯। শব্দত বিভক্তি যোগ দিবৰ সাধাৰণ নিয়ম।

(ক) ব্যঞ্জনান্ত শব্দত বিভক্তিৰ আদিৰ অকলশৰীয়া স্বৰ শব্দৰ শেষ ব্যঞ্জনত যোগ হয়। যেনে, মানুহ্ + এ= মানুহে, মানুহ্ + অক = মানুহক, মানুহ্ + এৰে= মানুহেৰে, ইত্যাদি।

(খ) স্বৰান্ত শব্দৰ পাচত প্ৰথমা বিভক্তিৰ বাজে আন বিভক্তিৰ আদিৰ অকলশৰীয়া স্বৰ লোপ হয়। যেনে, লৰা+

অক=লৰাক, লৰা+এৰে=লৰাৰে, লৰা+অলৈ=লৰালৈ, ইত্যাদি।

(গ) তৃতীয়াৰ এৰে বিভক্তিৰ এ অ-কাৰান্ত আৰু আ-কাৰান্ত শব্দৰ পাচত লোপ হয়, ই ঈ ঋ এ ঐ-কাৰাদি স্বৰ অন্তত থকা শব্দৰ পাচতো লোপ হয় বা য়ে হয়, উ ঊ ও ঔ-কাৰাদি স্বৰ অন্তত থকা শব্দৰ পাচত লোপ হয় বা ৱে হয়।

তৃতীয়াৰ এদি বিভক্তিৰ এ সকলো স্বৰান্ত শব্দৰ পাচত লোপ হয় বা অ-কাৰান্ত আৰু আ-কাৰান্ত শব্দৰ পাচত ই হয়, ই ঈ ঋ এ আৰু ঐ-কাৰান্ত শব্দৰ পাচত য়ে হয়, আৰু উ ঊ ও আৰু ঔ-কাৰান্ত শব্দৰ পাচত ৱে হয়। যেনে, পাৰ+এৰে=পাৰৰে, লৰা+এৰে=লৰাৰে, বালি+এৰে= বালিৰে বা বালিয়েৰে, চকু+এৰে=চকুৰে বা চকুৱেৰে, ইত্যাদি।

আৰু যেনে, পাৰ+এদি=পাৰদি বা পাৰইদি, ঘোৰা+এদি=ঘোৰাদি বা ঘোৰাইদি, চকু+এদি=চকুদি বা চকুৱেদি, ইত্যাদি।

(ঘ) তৃতীয়া বিভক্তিৰ দ্বাৰা বা দ্বাৰায়, আৰু পঞ্চমী বিভক্তিৰ পৰা যোগ হলে, শব্দৰ শেষত অৰ হয়, আৰু সেই অৰ বিভক্তি যোগৰ সকলো নিয়মৰ অধীন হয়। যেনে, মানুহ+অৰ+দ্বাৰা বা দ্বাৰায়=মানুহৰদ্বাৰা বা দ্বাৰায়, লৰা+অৰ+দ্বাৰা বা দ্বাৰায়=লৰাৰদ্বাৰা বা দ্বাৰায়। সেই

দৰে, মানুহ+অৰ+পৰা=মানুহৰপৰা, লৰা+অৰ+পৰা= লৰাৰপৰা।

(ঙ) অ-কাৰান্ত আৰু আ-কাৰান্ত শব্দৰ পাচত প্ৰথমা বিভক্তিৰ এ গুচি ই হয়, ই ঈ এ ঐ বা ঋ-কাৰান্ত শব্দৰ পাচত য়ে হয়, উ ঊ ও বা ঔ-কাৰান্ত শব্দৰ পাচত ৱে হয়। শব্দৰ শেষত অকলশৰীয়া ই থাকিলে, আৰু তাত প্ৰথমা বিভক্তি হলে, সেই ই লোপ হয়, কিন্তু অকলশৰীয়া ঈ থাকিলে, সি লোপ নহয়। যেনে, গাধ+এ=গাধই, লৰা+ এ=লৰাই।

আৰু যেনে, মুনি+এ=মুনিয়ে, নদী+এ=নদীয়ে, গোখ্লে+এ=গোখ্লেয়ে, তাৰৈ+এ=তাৰৈয়ে, পিতৃ+ এ=পিতৃয়ে।

আৰু যেনে, সাধু+এ=সাধুৱে, বধূ+এ=বধূৱে, মলো +এ=মলোৱে, হলৌ+এ=হলৌৱে।

আৰু যেনে, বাই+এ=বায়ে, ককাই+এ=ককায়ে। কিন্তু দীঘল মুঈ+এ=দীঘল মুঈয়ে।

(চ) শব্দৰ শেষত অ-কাৰান্ত যুক্তাক্ষৰ থাকিলে, তাত প্ৰথমা বিভক্তিৰ এ কেতিয়াবা ই নহৈও থাকে, কিন্তু তেতিয়া যুক্তাক্ষৰৰ অ লোপ হয়। যেনে, কৃষ্ণ+এ=কৃষ্ণে বা কৃষ্ণই।

(ছ) যি শব্দৰ শেষ ব্যঞ্জনৰ আগত অনুস্বাৰ থাকে, তাৰ শেষ ব্যঞ্জন যুক্তাক্ষৰৰ স্বভাৱ প্ৰাপ্ত হয়। তাতো প্ৰথমা বিভক্তিৰ এ কেতিয়াবা ই নহৈ থাকে, কিন্তু তেতিয়া শব্দৰ

অন্তৰ অ লোপ হয়। যেনে, কংশ+এ=কংশই বা কংশে, বংশ+এ=বংশই বা বংশে।

(জ) শব্দৰ শেষত অকলশৰীয়া ও থাকিলে আৰু তাত আদিত অকলশৰীয়া স্বৰ থকা বিভক্তি যোগ হলে, সেই ও-কাৰ ৱ হয়। যেনে, গাওঁ+এ=গাৱেঁ, গাওঁ+অক= গাৱঁক, গাওঁ+এৰে=গাৱেঁৰে।

(ঝ) শব্দৰ শেষত (ং) অনুস্বাৰ থাকিলে, আৰু তাত আদিত স্বৰ থকা বিভক্তি যোগ হলে, সেই অনুস্বাৰ ঙ বা ঙ্গ হয়। যেনে, ডাং+এ=ডাঙে বা ডাঙ্গে, ডাং+এৰে= ডাঙেৰে বা ডাঙ্গেৰে, চাং+অত=চাঙত বা চাঙ্গত।

## পদ প্ৰকৰণ।

১০। প্ৰকৃতিত বিভক্তি যোগ হলে তাক পদ বোলা যায়।

১১। পদ চাৰিবিধ :—বিশেষ্য, সৰ্ব্বনাম, বিশেষণ আৰু ক্ৰিয়া।

১২। কোনো কোনো প্ৰকৃতিত বিভক্তি যোগ নহয়। সিহঁতক অব্যয় শব্দ বোলে।

১৩। যি পদে কোনো প্ৰাণীৰ বা বস্তুৰ বা গুণৰ নাম বা কোনো কাৰ্য্য বুজায়, তাক বিশেষ্য পদ বোলে।

১৪। বিশেষ্য পদ তিনি বিধ :—সংজ্ঞাবোধক বিশেষ্য, গুণবোধক বিশেষ্য আৰু ক্ৰিয়াবোধক বিশেষ্য।

১৫। যি বিশেষ্য পদে সংজ্ঞা, অর্থাৎ কোনো প্রাণীৰ বা বস্তুৰ নাম বুজায়, তাক সংজ্ঞাবোধক বিশেষ্য বোলে।

১৬। সংজ্ঞাবোধক বিশেষ্য দুবিধ:—সাধাৰণ সংজ্ঞাবোধক বিশেষ্য আৰু বিশেষ সংজ্ঞাবোধক বিশেষ্য।

১৭। যি বিশেষ্য পদে সাধাৰণ সংজ্ঞা, অর্থাৎ প্রাণীৰ বা বস্তুৰ সাধাৰণ নাম বুজায়, তাক সাধাৰণ সংজ্ঞাবোধক বিশেষ্য বোলে। যেনে, জুই, পানী, নদী, পৰ্ব্বত, গছ, লতা, গৰু, ঘোৰা, চন্দ্ৰ, সূৰ্য্য, আকাশ, পৃথিবী, মানুহ, ইত্যাদি।

১৮। যি বিশেষ্য পদে কোনো এক বিশেষ সংজ্ঞা, অর্থাৎ কোনো এক বিশেষ প্রাণীৰ বা বস্তুৰ নাম বুজায়, তাক বিশেষ সংজ্ঞাবোধক বিশেষ্য বোলে। যেনে, আসাম, ব্ৰহ্মপুত্ৰ, নীলাচল, গোপাল, ইত্যাদি।

১৯। যি বিশেষ্য পদে কোনো গুণ বুজায়, তাক গুণবোধক বিশেষ্য বোলে। যেনে, সৌন্দৰ্য্য, মাধুৰী, লৰালি, পণ্ডিতালি, বেজালি ইত্যাদি।

২০। যি বিশেষ্য পদে কোনো কাৰ্য্য বুজায়, তাক ক্রিয়াবোধক বিশেষ্য বোলে। যেনে, শয়ন, ভোজন, পিন্ধন, উৰণ, ফুৰণি, ঘূৰণি, খজুৱতি, ইত্যাদি।

কোনো কোনো বৈয়াকৰণৰ মতে শব্দ দুবিধ:—অব্যয় আৰু সব্যয়। যি শব্দত বিভক্তি যোগ নহয়, সি অব্যয় আৰু যি শব্দত বিভক্তি যোগ হয়, সি সব্যয় শব্দ। সব্যয় শব্দ আকৌ তিনি বিধ:—ৰূঢ়, যোগৰূঢ় আৰু যৌগিক। যি শব্দে ধাতু প্রত্যয়ৰ পৰা উৎপন্ন

হোৱা অৰ্থ নুবুজাই অন্য এক অৰ্থ বুজায়, সি ৰূঢ় শব্দ। যেনে, প্ৰহাৰ= প্ৰ–হৃ+ঘঞ্। প্ৰ উপসৰ্গৰ অৰ্থ উত্তমৰূপে, হৃ ধাতুৰ অৰ্থ হৰণ কৰা, ঘঞ্ ভাববাচ্যৰ প্ৰত্যয়। ধাতু প্ৰত্যয় অনুসাৰে প্ৰহাৰ শব্দৰ অৰ্থ উত্তমৰূপে হৰণ কৰা, অৰ্থাৎ চুৰ কৰা বা ডকা দিয়া, কিন্তু তাৰ সেই অৰ্থ নহয়। প্ৰহাৰ বুলিলে মাৰ অৰ্থাৎ আঘাত বুজায়, আৰু সেই অৰ্থত শব্দটো ৰূঢ়, অৰ্থাৎ প্ৰসিদ্ধ, সি আৰু আন অৰ্থত ব্যৱহাৰ নহয়। যি শব্দে ধাতু প্ৰত্যয় মতে অনেক বস্তুক বুজাব লাগে, কিন্তু বুজায় কেৱল এটাক, তাক যোগৰূঢ় শব্দ বোলে। যেনে, পঙ্কজ শব্দৰ অৰ্থ হৈছে, বোকাত জন্ম। এই তাৰ ধাতু প্ৰত্যয় মতে হোৱা অৰ্থ। এই অৰ্থ মতে পঙ্কজ বুলিলে বোকাত হোৱা ভেঁট, উৎপল, পদুম, শেলুক, মোলান, চকা, মকুৰা আদি সকলোকে বুজাব লাগিছিল, কিন্তু শব্দটোৱে বুজায় মাথোন পদ্ম। সি এই অৰ্থতে ৰূঢ়। যি শব্দে কেৱল ধাতু প্ৰত্যয় মতে হোৱা অৰ্থকেহে বুজায়, সি যৌগিক শব্দ। যেনে, দাতা। দাতা=দা+তৃন্। দা ধাতুৰ অৰ্থ দিয়া, তৃন্ কৰ্ত্তৃবাচ্যৰ প্ৰত্যয়। ধাতু প্ৰত্যয় অনুসাৰেই দাতা শব্দৰ অৰ্থ দিওঁতা, আৰু শব্দটোও সেই অৰ্থতে ব্যৱহাৰ হয়।

## সংজ্ঞাবোধক বিশেষ্য পদৰ বচন।

২১। সংজ্ঞাবোধক বিশেষ্য পদৰ দুই বচন:—একবচন আৰু বহুবচন।

২২। এটাক বুজালে একবচন আৰু এটাতকৈ অধিকক বুজালে বহুবচন বোলে।

২৩। পদৰ বহুবচন বুজাবলৈ কেতবিলাক শব্দ বা

প্ৰত্যয় ব্যৱহাৰ হয়। যেনে, বোৰ, বিলাক, হঁত সকল, লোক আৰু মখা। বহুবচনৰ প্ৰত্যয় পদৰ শেষত যোগ হয়। যেনে, লৰাহঁত, মানুহবিলাক।

২৪। বহুবচনৰ পদত, বিভক্তি বহুবচনৰ প্ৰত্যয়ৰ পাচত যোগ হয়। যেনে, লৰাহঁতে, লৰাহঁতক, মানুহবিলাকে, মানুহবিলাকক ইত্যাদি।

২৫। বস্তুৰ পৰিমাণ আৰু সংখ্যা, দুয়োকো বুজাবলৈ বহুবচনত বোৰ আৰু বিলাক ব্যৱহাৰ হয়। যেনে, ( পৰিমাণত ) পানীবোৰ বা পানীবিলাক, চাউলবোৰ বা চাউলবিলাক; ( সংখ্যাত ) লৰাবোৰ বা লৰাবিলাক, ঘৰবোৰ বা ঘৰবিলাক।

২৬। মানুহ বুজুৱা শব্দৰ বহুবচনত, অনাদৰত, অৰ্থাৎ তুচ্ছ ভাৱ থকাত বা নথকাত বোৰ ব্যৱহাৰ হয়, আদৰত, অৰ্থাৎ তুচ্ছ কৰা ভাব নাথাকিলে, বিলাক ব্যৱহাৰ হয়। যেনে, চোৰবোৰ, ডকাইতবোৰ, কুলিবোৰ, লৰাবোৰ, মানুহবোৰ; কিন্তু (আদৰত) লৰাবিলাক, মানুহবিলাক, কুলিবিলাক, বামুণবিলাক, পণ্ডিতবিলাক। চোৰ বা ডকাইতবিলাক অসঙ্গত।

২৭। হঁত কেৱল মানুহ বুজুৱা শব্দৰ বহুবচনত, অনাদৰত ব্যৱহাৰ হয়, আৰু তেতিয়া বিশেষ কেইটামান মানুহক বুজায়। যেনে, লৰাহঁত, ছোৱালীহঁত, কুলিহঁত। ইয়াত কিছুমান বিশেষ লৰা, ছোৱালী বা কুলিক বুজাইছে বা সিহঁ-

তক সম্বোধন কৰা বুজাইছে। মানুহহঁত, সম্বোধনত বাজে, অন্য সময়ত অসঙ্গত।

২৮। গালি স্বৰূপে জন্তুৰ নাম মানুহত ব্যৱহাৰ কৰিলে, সেই জন্তুৰ নামতো বহুবচনত হঁত ব্যৱহাৰ হয়। যেনে, গৰুহঁত, কুকুৰহঁত।

২৯। সম্বন্ধ বুজুৱা শব্দৰ বহুবচনত সম্ভ্ৰমাৰ্থতো হঁত ব্যৱহাৰ হয়। যেনে, দেউতাহঁত, ককাইদেউহঁত, ককাইহঁত।

৩০। সকল কেৱল মানুহ বুজুৱা শব্দৰ বহুবচনত সম্ভ্ৰমত ব্যৱহাৰ হয়। যেনে, দেউতাসকল, ডাঙৰীয়াসকল, গোসাঁইসকল।

৩১। লোক, সকলৰ নিচিনা সম্ভ্ৰমত মাথোন ব্যৱহাৰ হয়। যেনে, চাহাবলোক।

বিশেষ্য পদৰ বহুবচনৰ চিন স্বৰূপে লোক শব্দৰ ব্যৱহাৰ অতি বিৰল।

৩২। বস্তুৰ সংখ্যা বা পৰিমাণ বুজাবলৈ বহুবচনত কেতিয়াবা মখা শব্দ ব্যৱহাৰ হয়। যেনে, লৰামখা, পানীমখা।

বহুবচনৰ চিন স্বৰূপে মখা শব্দৰ ব্যৱহাৰ মৌখিক, লিখিত পৰিমাৰ্জ্জিত ভাষাত ব্যৱহাৰ নাই। কিন্তু মাউখ অৰ্থত মাৰ্জ্জিত ভাষাতো মখা ব্যৱহাৰ হয়। যেনে, সান্দহৰ মখা।

৩৩। বিভক্তি অনুসাৰে সংজ্ঞাবোধক বিশেষ্যৰ ৰূপ।

## ব্যঞ্জনান্ত শব্দ—মানুহ্।

| বিভক্তি | একবচন | বহুবচন |
|---|---|---|
| প্ৰথমা | মানুহে | মানুহবিলাকে |
| দ্বিতীয়া | মানুহক | মানুহবিলাকক |
| তৃতীয়া | মানুহেৰে | মানুহবিলাকেৰে |
| | মানুহেদি | মানুহবিলাকেদি |
| | মানুহৰ দ্বাৰা | মানুহবিলাকৰ দ্বাৰা |
| | বা | বা |
| | মানুহৰ দ্বাৰায় | মানুহবিলাকৰ দ্বাৰায় |
| চতুৰ্থী | মানুহলৈ | মানুহবিলাকলৈ |
| | মানুহক | মানুহবিলাকক |
| পঞ্চমী | মানুহৰ পৰা | মানুহবিলাকৰ পৰা |
| ষষ্ঠী | মানুহৰ | মানুহবিলাকৰ |
| সপ্তমী | মানুহত | মানুহবিলাকত |

## অ-কাৰান্ত শব্দ—পাৰ।

| বিভক্তি | একবচন | বহুবচন |
|---|---|---|
| প্ৰথমা | পাৰই | পাৰবিলাকে |
| দ্বিতীয়া | পাৰক | পাৰবিলাকক |
| তৃতীয়া | পাৰৰে | পাৰবিলাকেৰে |
| | পাৰদি, পাৰইদি | পাৰবিলাকেদি |

| বিভক্তি | একবচন | বহুবচন |
|---|---|---|
| তৃতীয়া | পাৰৰ দ্বাৰা<br>বা<br>পাৰৰ দ্বাৰায় | পাৰবিলাকৰ দ্বাৰা<br>বা<br>পাৰবিলাকৰ দ্বাৰায় |
| চতুৰ্থী | পাৰলৈ<br>পাৰক | পাৰবিলাকলৈ<br>পাৰবিলাকক |
| পঞ্চমী | পাৰৰ পৰা | পাৰবিলাকৰ পৰা |
| ষষ্ঠী | পাৰৰ | পাৰবিলাকৰ |
| সপ্তমী | পাৰত | পাৰবিলাকত |

## আ-কাৰান্ত শব্দ—লৰা।

| বিভক্তি | একবচন | বহুবচন |
|---|---|---|
| প্ৰথমা | লৰাই | লৰাবিলাকে |
| দ্বিতীয়া | লৰাক | লৰাবিলাকক |
| তৃতীয়া | লৰাৰে<br>লৰাদি, লৰাইদি<br>লৰাৰ দ্বাৰা<br>বা<br>লৰাৰ দ্বাৰায় | লৰাবিলাকেৰে<br>লৰাবিলাকেদি<br>লৰাবিলাকৰ দ্বাৰা<br>বা<br>লৰাবিলাকৰ দ্বাৰায় |
| চতুৰ্থী | লৰালৈ<br>লৰাক | লৰাবিলাকলৈ<br>লৰাবিলাকক |
| পঞ্চমী | লৰাৰ পৰা | লৰাবিলাকৰ পৰা |

| বিভক্তি | একবচন | বহুবচন |
|---|---|---|
| ষষ্ঠী | লৰাৰ | লৰাবিলাকৰ |
| সপ্তমী | লৰাত | লৰাবিলাকত |

## ই-কাৰান্ত শব্দ—বালি।

| বিভক্তি | একবচন | বহুবচন |
|---|---|---|
| প্ৰথমা | বালিয়ে | বালিবিলাকে |
| দ্বিতীয়া | বালিক | বালিবিলাকক |
| তৃতীয়া | বালিৰে, বালিয়েৰে | বালিবিলাকেৰে |
| | বালিদি বালিয়েদি | বালিবিলাকেদি |
| | বালিৰ দ্বাৰা | বালিবিলাকৰ দ্বাৰা |
| | বা | বা |
| | বালিৰ দ্বাৰায় | বালিবিলাকৰ দ্বাৰায় |
| চতুৰ্থী | বালিলৈ | বালিবিলাকলৈ |
| | বালিক | বালিবিলাকক |
| পঞ্চমী | বালিৰ পৰা | বালিবিলাকৰ পৰা |
| ষষ্ঠী | বালিৰ | বালিবিলাকৰ |
| সপ্তমী | বালিত | বালিবিলাকত |

ঈ-কাৰান্ত আৰু ঋ-কাৰান্ত শব্দৰ ৰূপো ই-কাৰান্ত শব্দৰ নিচিনা হয়।

## উ-কাৰান্ত শব্দ—পহু।

| বিভক্তি | একবচন | বহুবচন |
|---|---|---|
| প্ৰথমা | পহুৱে | পহুবিলাকে |
| দ্বিতীয়া | পহুক | পহুবিলাকক |
| তৃতীয়া | পহুৱে, পহুৱেৰে | পহুবিলাকেৰে |
| | পহুদি, পহুৱেদি | পহুবিলাকেদি |
| | পহুৰ দ্বাৰা | পহুবিলাকৰ দ্বাৰা |
| | বা | বা |
| | পহুৰ দ্বাৰায় | পহুবিলাকৰ দ্বাৰায় |
| চতুৰ্থী | পহুলৈ | পহুবিলাকলৈ |
| | পহুক | পহুবিলাকক |
| পঞ্চমী | পহুৰ পৰা | পহুবিলাকৰ পৰা |
| ষষ্ঠী | পহুৰ | পহুবিলাকৰ |
| সপ্তমী | পহুত | পহুবিলাকত |

উ-কাৰান্ত শব্দৰ ৰূপো উ-কাৰান্ত শব্দৰ নিচিনা হয়। এ-কাৰান্ত শব্দ অসমীয়াত নাই, থাকিলেও তাৰ ৰূপ ই-কাৰান্ত শব্দৰ নিচিনা হয়।

## ঐ-কাৰান্ত শব্দ—মুদৈ।

| বিভক্তি | একবচন | বহুবচন |
|---|---|---|
| প্ৰথমা | মুদৈয়ে | মুদৈবিলাকে |
| দ্বিতীয়া | মুদৈক | মুদৈবিলাকক |

| বিভক্তি | | একবচন | বহুবচন |
|---|---|---|---|
| তৃতীয়া | { | মুদৈৰে, মুদৈয়েৰে | মুদৈবিলাকেৰে |
| | | মুদৈদি, মুদৈয়েদি | মুদৈবিলাকেদি |
| | | মুদৈৰ দ্বাৰা | মুদৈবিলাকৰ দ্বাৰা |
| | | বা | বা |
| | | মুদৈৰ দ্বাৰায় | মুদৈবিলাকৰ দ্বাৰায় |
| চতুৰ্থী | { | মুদৈলৈ | মুদৈবিলাকলৈ |
| | | মুদৈক | মুদৈবিলাকক |
| পঞ্চমী | | মুদৈৰ পৰা | মুদৈবিলাকৰ পৰা |
| ষষ্ঠী | | মুদৈৰ | মুদৈবিলাকৰ |
| সপ্তমী | | মুদৈত | মুদৈবিলাকত |

## ও-কাৰান্ত শব্দ—পো।

| বিভক্তি | | একবচন | বহুবচন |
|---|---|---|---|
| প্ৰথমা | | পোৱে | পোৱিলাকে |
| দ্বিতীয়া | | পোক | পোবিলাকক |
| তৃতীয়া | { | পোৰে, পোৱেৰে | পোবিলাকেৰে |
| | | পোদি, পোৱেদি | পোবিলাকেদি |
| | | পোৰ দ্বাৰা | পোবিলাকৰ দ্বাৰা |
| | | বা | বা |
| | | পোৰ দ্বাৰায় | পোবিলাকৰ দ্বাৰায় |

| বিভক্তি | একবচন | বহুবচন |
|---|---|---|
| চতুৰ্থী | পোলৈ | পোবিলাকলৈ |
| | পোক | পোবিলাকক |
| পঞ্চমী | পোৰ পৰা | পোবিলাকৰ পৰা |
| ষষ্ঠী | পোৰ | পোবিলাকৰ |
| সপ্তমী | পোত | পোবিলাকত |

## ঔ-কাৰান্ত শব্দ—মৌ।

| বিভক্তি | একবচন | বহুবচন |
|---|---|---|
| প্ৰথমা | মৌৱে | মৌবিলাকে |
| দ্বিতীয়া | মৌক | মৌবিলাকক |
| তৃতীয়া | মৌৰে, মৌৱেৰে | মৌবিলাকেৰে |
| | মৌদি, মৌৱেদি | মৌবিলাকেদি |
| | মৌৰ দ্বাৰা | মৌবিলাকৰ দ্বাৰা |
| | বা | বা |
| | মৌৰ দ্বাৰায় | মৌবিলাকৰ দ্বাৰায় |
| চতুৰ্থী | মৌলৈ | মৌবিলাকলৈ |
| | মৌক | মৌবিলাকক |
| পঞ্চমী | মৌৰ পৰা | মৌবিলাকৰ পৰা |
| ষষ্ঠী | মৌৰ | মৌবিলাকৰ |
| সপ্তমী | মৌত | মৌবিলাকত |

## (ং) অনুস্বাৰান্ত শব্দ—ডাং।

| বিভক্তি | একবচন | বহুবচন |
|---|---|---|
| প্ৰথমা | ডাঙে | ডাংবিলাকে |
| দ্বিতীয়া | ডাঙক | ডাংবিলাকক |
| তৃতীয়া | ডাঙেৰে | ডাংবিলাকেৰে |
| | ডাঙেদি | ডাংবিলাকেদি |
| | ডাঙৰ দ্বাৰা | ডাংবিলাকৰ দ্বাৰা |
| | বা | বা |
| | ডাঙৰ দ্বাৰায় | ডাংবিলাকৰ দ্বাৰায় |
| চতুৰ্থী | ডাঙলৈ | ডাংবিলাকলৈ |
| | ডাঙক | ডাংবিলাকক |
| পঞ্চমী | ডাঙৰ পৰা | ডাংবিলাকৰ পৰা |
| ষষ্ঠী | ডাঙৰ | ডাংবিলাকৰ |
| সপ্তমী | ডাঙত | ডাংবিলাকত |

---

## সংজ্ঞাবোধক বিশেষ্য আৰু বিশেষ্যৰূপে ব্যৱহাৰ হোৱা পদৰ লিঙ্গ।

৩৪। যিহৰ দ্বাৰায় স্ত্ৰী পুৰুষ ভেদ বুজা যায়, তাক লিঙ্গ বোলে।

৩৫। সংজ্ঞাবোধক বিশেষ্যৰ তিনি লিঙ্গ :—পুংলিঙ্গ, স্ত্রীলিঙ্গ, ক্লীৱলিঙ্গ। পুৰুষ বুজালে পুংলিঙ্গ, স্ত্রী বুজালে স্ত্রীলিঙ্গ, আৰু স্ত্রী, পুৰুষ একো নুবুজালে ক্লীবলিঙ্গ।

কিছুমান সংজ্ঞা শব্দৰ লিঙ্গ অনুসাৰে ভিন্ ভিন্ ৰূপ হয়, কিন্তু অনেক পুংলিঙ্গবোধক শব্দক প্রত্যয় যোগ দি স্ত্রীলিঙ্গ কৰা যায়।

৩৬। যিবিলাক প্রত্যয় যোগ দি পুংলিঙ্গৰ শব্দক স্ত্রীলিঙ্গ কৰা হয়, সিহঁতক স্ত্রী প্রত্যয় বোলে। সংস্কৃতত স্ত্রী প্রত্যয় তিনটা :—আ, ঈ, আনী।

৩৭। জাতি আৰু গুণ বুজুৱা কেতবিলাক অ-কাৰান্ত শব্দত, স্ত্রীলিঙ্গত আ প্রত্যয় হয়। যেনে, শূদ্র—শূদ্রা, বৈশ্য—বৈশ্যা, কৃশ—কৃশা, ভদ্র—ভদ্রা, কৃষ্ণ—কৃষ্ণা, কোকিল—কোকিলা।

৩৮। অক শেষত থকা শব্দত স্ত্রীলিঙ্গত আ প্রত্যয় হলে, অ-ক মৰি ইক হয়। যেনে, বালক—বালিকা, নায়ক—নায়িকা, গায়ক—গায়িকা, পাঠক—পাঠিকা, পাচক—পাচিকা ইত্যাদি।

৩৯। জাতি আৰু গুণ বুজুৱা কেতবিলাক অ-কাৰান্ত শব্দত, স্ত্রীলিঙ্গত ঈ প্রত্যয় হয়। যেনে, হংস—হংসী, সিংহ—সিংহী, ব্যাঘ্র—ব্যাঘ্রী, পাত্র—পাত্রী, মৃগ—মৃগী, নদ—নদী, শৃগাল—শৃগালী, বৈষ্ণৱ—বৈষ্ণৱী, ব্রাহ্মণ—ব্রাহ্মণী, কুমাৰ—কুমাৰী, সুন্দৰ—সুন্দৰী, তৰুণ—তৰুণী, ইত্যাদি।

৪০। গুণ বা পদ বুজুৱা উ-কাৰান্ত শব্দত, স্ত্রীলিঙ্গত ঈ

প্ৰত্যয় হয়। যেনে, সাধু—সাধ্বী, গুৰু—গুৰ্ব্বী, তনু—তন্বী।
কিন্তু তনু আৰু চঞ্চু শব্দত স্ত্ৰীলিঙ্গত ঊ প্ৰত্যয়ো হয়। যেনে, তনু—তনূ, চঞ্চু—চঞ্চূ।

৪১। ইন্ শেষত থকা শব্দত, স্ত্ৰীলিঙ্গত ঈ প্ৰত্যয় হয়। যেনে, হস্তিন্—হস্তিনী, উপকাৰিন্—উপকাৰিণী, তপস্বিন্—তপস্বিনী, মায়াবিন্—মায়াবিনী, মানিন্—মানিনী, মালিন্—মালিনী।

৪২। অস্ শেষত থকা শব্দত, স্ত্ৰীলিঙ্গত ঈ প্ৰত্যয় হয়। যেনে, প্ৰেয়স্-প্ৰেয়সী, গৰীয়স্—গৰীয়সী, মহীয়স্—মহীয়সী। কিন্তু বিদ্বস্—বিদুষী।

৪৩। অন্ শেষত থকা শব্দত, স্ত্ৰীলিঙ্গত ঈ প্ৰত্যয় হয়, ঈ প্ৰত্যয় হলে, অনৰ অ গুচে। যেনে, খ্যাতনামন্—খ্যাতনাম্নী, অজ্ঞাতনামন্—অজ্ঞাতনাম্নী, সুনামন্—সুনাম্নী। কিন্তু ৰাজন্ শব্দৰ ৰূপ স্ত্ৰীলিঙ্গত ৰাজ্ঞী।

৪৪। অৎ, বৎ, মৎ শেষত থকা শব্দত, স্ত্ৰীলিঙ্গত ঈ প্ৰত্যয় হয়। যেনে, সৎ—সতী, ৰূপৱৎ—ৰূপৱতী, গুণৱৎ—গুণৱতী, বুদ্ধিমৎ—বুদ্ধিমতী, শ্ৰীমৎ—শ্ৰীমতী ইত্যাদি।

৪৫। ঋ-কাৰান্ত শব্দত, স্ত্ৰীলিঙ্গত ঈ প্ৰত্যয় হয়। যেনে, দাতৃ—দাত্ৰী, কৰ্ত্তৃ—কৰ্ত্ৰী, শিক্ষয়িতৃ—শিক্ষয়িত্ৰী ইত্যাদি।

৪৬। কেতবিলাক শব্দত, পত্নী অৰ্থত আনী প্ৰত্যয় হয়। যেনে, ইন্দ্ৰ—ইন্দ্ৰাণী, ৰুদ্ৰ—ৰুদ্ৰাণী, ভব—ভবানী, শিৱ—শিৱানী, বৰুণ—বৰুণানী, মাতুল—মাতুলানী, ক্ষত্ৰিয়

—ক্ষত্রিয়ানী ইত্যাদি। কিন্তু মাতুল—মাতুলা, মাতুলী, আচাৰ্য্য—আচাৰ্য্যা, আচাৰ্য্যানী, ক্ষত্রিয়—ক্ষত্রিয়া এনেকুৱাও হয়।

৪৭। বহুব্ৰীহি সমাস হলে, শৰীৰৰ অঙ্গ বুজুৱা শব্দত, স্ত্রীলিঙ্গত আ বা ঈ প্ৰত্যয় হয়। যেনে, কোকিলকণ্ঠা বা কোকিলকণ্ঠী, দীৰ্ঘকেশা বা দীৰ্ঘকেশী, কৃশোদৰা বা কৃশোদৰী। কিন্তু তেনে সমাস কোনো লোকৰ নাম হলে, কেৱল আ প্ৰত্যয় হয়। যেনে, শূৰ্পনখা।

৪৮। নয়ন, বদন আদি শব্দৰ বহুব্ৰীহি সমাস হলে, সিহঁতত স্ত্রীলিঙ্গত আ প্ৰত্যয় হয়। যেনে, মৃগনয়না, কমললোচনা, চন্দ্ৰবদনা, সুলোচনা ইত্যাদি।

৪৯। স্বৰান্ত শব্দত স্ত্রী প্ৰত্যয় যোগ হলে, শব্দৰ অন্তৰ স্বৰ লোপ হয়।

৫০। সংস্কৃত ভাষাত কিছুমান শব্দ স্বভাৱতে স্ত্রীলিঙ্গ বুলি ধৰা হয়। যেনে, কথা, বিদ্যা, বুদ্ধি, ভাষা, সভা, শক্তি, মতি, গঙ্গা, যমুনা, সৰস্বতী, পৃথিবী, ভূমি, ৰেখা, শৰৎ, বিদ্যুৎ, জ্যোৎস্না, বীণা, লজ্জা, তিথি, ৰাত্রি, ৰজনী, শ্রেণী, আপদ্, বিপদ্, পূজা, ভাবনা, চিকিৎসা, নীলিমা, গৰিমা ইত্যাদি।

৫১। কিছুমান শব্দ স্বভাৱতে পুংলিঙ্গ বুলি ধৰা হয়। যেনে, চন্দ্ৰ, সূৰ্য্য, শুক্ৰ, শনি, বৃক্ষ, সৰোবৰ, দাৰ, ব্ৰহ্মপুত্ৰ, সিন্ধু, শোণ ইত্যাদি।

সংক্ষেপত—ভাববাচ্যত হোৱা ও আৰু তদ্ধিতৰ ইমন্ প্ৰত্যয়ান্ত

শব্দ, আৰু তা আৰু ক্তি প্ৰত্যয়ান্ত শব্দ সংস্কৃতত স্ত্ৰীলিঙ্গ বুলি ধৰা হয়। ঋ-কাৰান্ত শব্দৰ ভিতৰত মাতৃ, দুহিতৃ, ননন্দৃ আদি শব্দ স্ত্ৰীলিঙ্গ।

ঘঞ্, কি, ন আদি প্ৰত্যয়ান্ত শব্দ পুংলিঙ্গ।

ভাববাচ্যত হোৱা ঘ্যন্, অনট্ আদি প্ৰত্যয়ান্ত শব্দ ক্লীৱলিঙ্গ।

৫২। কিছুমান পুংলিঙ্গ শব্দৰ স্ত্ৰীলিঙ্গৰ ৰূপ একেবাৰে ভিন্। যেনে, পিতা—স্ত্ৰী মাতা, ভ্ৰাতা—স্ত্ৰী ভগিনী, পুত্ৰ—স্ত্ৰী কন্যা, পতি—স্ত্ৰী পত্নী, যুবা—স্ত্ৰী যুবতী, পুৰুষ—স্ত্ৰী স্ত্ৰী, স্বামী—স্ত্ৰী ভাৰ্য্যা, বৰ—স্ত্ৰী কন্যা ইত্যাদি।

লিঙ্গ সম্বন্ধে ওপৰত যিবিলাক নিয়ম দিয়া হৈছে, সেইবিলাক সংস্কৃত ব্যাকৰণৰ নিয়ম। সংস্কৃত ভাষাত শব্দৰ অৰ্থ অনুসাৰে লিঙ্গ ভেদ কৰা নহয়, শব্দৰ ৰূপ বা ব্যুৎপত্তি অনুসাৰেহে লিঙ্গ ভেদ কৰা হয়। কিছুমান শব্দৰ আকৌ কেনেকৈ লিঙ্গ ঠাৱৰোৱা হৈছে বুজাই নাযায়। সেইবিলাক শব্দ অভিধানত যি লিঙ্গ বুলি ধৰি থৈছে, সিহঁতক সদায় সেই লিঙ্গ বুলিয়ে ধৰা যায়। এতেকে সংস্কৃতত কেতিয়াবা পুৰুষ বুজুৱা শব্দ স্ত্ৰীলিঙ্গ, আৰু স্ত্ৰী বুজুৱা শব্দ পুংলিঙ্গ হয়। দেৱতা এটা সংস্কৃত শব্দ, ই অৰ্থ অনুসাৰে পুংলিঙ্গ হব লাগে, কিন্তু সংস্কৃত অভিধান আৰু ব্যাকৰণ মতে ই স্ত্ৰীলিঙ্গ। দাৰ এটা সংস্কৃত শব্দ, ইয়াৰ অৰ্থ ভাৰ্য্যা। এতেকে ই স্ত্ৰীলিঙ্গ হব লাগে, কিন্তু ই স্ত্ৰীলিঙ্গ নহয়, পুংলিঙ্গ। বৃক্ষ শব্দ অৰ্থ অনুসাৰে ক্লীৱলিঙ্গ, কিন্তু ব্যাকৰণ বা অভিধান অনুসাৰে পুংলিঙ্গ। এই দৰে, চন্দ্ৰ, সূৰ্য্য, মেঘ, বায়ু আদি শব্দ সংস্কৃতত পুংলিঙ্গ, আৰু লতা, ধেনু, ভ্ৰূ আদি শব্দ স্ত্ৰীলিঙ্গ হয়। অসমীয়া ভাষাত এই দৰে লিঙ্গ ভেদ কৰা নহয়। তাত অৰ্থ অনুসাৰে শব্দ পুং, স্ত্ৰী, বা ক্লীৱলিঙ্গ হয়। কিন্তু গভীৰ বিষয়ৰ গহীন ৰচনাত

ভাষাৰ সৌষ্ঠৱ বঢ়াবলৈ কেতিয়াবা ক্বচিৎ সংস্কৃত ব্যাকৰণৰ নিয়ম অনুসৰি অসমীয়াতো নিৰ্জীব বস্তুৰ ওপৰত লিঙ্গ আৰোপ কৰা হয়। যেনে, নিষ্ফলা আশা, শস্যশালিনী ধৰিত্ৰী, কৃশাঙ্গী লতা ইত্যাদি। এই দৰে নিৰ্জীব বস্তুৰ লিঙ্গ ভেদ কৰা উদাহৰণ সাধাৰণ অসমীয়া কথাত কিছুমান চলিত আছে। যেনে, পুৰতী নিশা, বোৱতী নৈ, কানী সন্ধ্যা বা কানী গধূলি। ওপৰৰ কথাৰ পৰা বুজা যায় যে, অসমীয়া ভাষাত পুৰুষ বুজুৱা শব্দ পুংলিঙ্গ, স্ত্ৰী বুজুৱা শব্দ স্ত্ৰীলিঙ্গ আৰু যি শব্দে পুং স্ত্ৰী একো নুবুজায়, অৰ্থাৎ নিৰ্জীব বস্তুৰ নাম, ক্লীব লিঙ্গ হয়। কিন্তু সংস্কৃত ভাষাৰ নিচিনা অসমীয়াতো পুংলিঙ্গৰ শব্দত স্ত্ৰীপ্ৰত্যয় যোগ দি স্ত্ৰীলিঙ্গ কৰা হয়।

৫৩। **অসমীয়াত স্ত্ৰী-প্ৰত্যয় দুটা, ঈ আৰু অনি।**

৫৪। গুণ বুজুৱা আ-কাৰান্ত শব্দত, স্ত্ৰীলিঙ্গত প্ৰায় ঈ প্ৰত্যয় হয়, ঈ প্ৰত্যয় হলে, শব্দৰ অন্তত থকা স্বৰ লোপ হয়। যেনে, কলা—কলী, বগা—বগী, মেনা—মেনী, ফেঁটা—ফেঁটী, বুঢ়া—বুঢ়ী, পেটুলা—পেটুলী, ঠেহুলা—ঠেহুলী, কান্দুৰা—কান্দুৰী, হাগুৰা—হাগুৰী, মুতুৰা—মুতুৰী, দন্দুৰা—দন্দুৰী, কেটেঙ্গা—কেটেঙ্গী, নিছলা—নিছলী, মেমেৰা—মেমেৰী।

৫৫। ঈ প্ৰত্যয় হলে কোনো কোনো শব্দৰ শেষ ব্যঞ্জনৰ আগৰ ও মৰি উ হয়। যেনে, খোৰা—খুৰী, খোনা—খুনী, লোদোৰা—লুদুৰী, লোধোমা—লুধুমী।

৫৬। ঈ প্ৰত্যয় হলে কোনো কোনো শব্দৰ আদিৰ অ মৰি আ হয়। যেনে, অজলা—আজলী, অঁকৰা—আঁকৰী, বগৰা—বাগৰী, অন্ধলা—আন্ধলী, পগলা—পাগলী, ডফলা—ডাফলী।

৫৭। জাতি বা সম্বন্ধ বুজুৱা কেতবিলাক শব্দত স্ত্রীলিঙ্গত ঈ প্রত্যয় হয়। ঈ প্রত্যয় হলে, ইয়াতো ওপৰৰ সূত্র মতে কোনো কোনো শব্দৰ অ আৰু ও মৰি আ আৰু উ হয়। যেনে, ঘোৰা—ঘুৰী, মহা—মাহী, খুৰা—খুৰী, পেহা—পেহী, ধেমেনা—ধেমেনী, শালিকা—শালিকী, ভেকোলা—ভেকুলী, বগুলা (বগ)—বগুলী। গুণ বুজুৱা কোনো কোনো শব্দতো তেনেকুৱা পৰিবৰ্ত্তন হয়। যেনে, কনা—কানী, খোনা—খুনী।

৫৮। কিছুমান ব্যঞ্জনান্ত শব্দত, স্ত্রীলিঙ্গত ঈ প্রত্যয় হয়, ঈ শব্দৰ শেষ ব্যঞ্জনত যোগ হয়। যেনে, বান্দৰ্—বান্দৰী, ছাগল্ (ছাগ)—ছাগলী, কাউৰ্ (কোৱা)—কাউৰী, টেঙ্গৰ্—টেঙ্গৰী, ধৈয়াল্—ধৈয়ালী, নিলাজ্—নিলাজী।

৫৯। জাতি, কুল বা পত্নী বুজুৱা প্রায় শব্দত, স্ত্রীলিঙ্গত অনী প্রত্যয় হয়। অনী প্রত্যয় হলে, ব্যঞ্জনান্ত শব্দত, প্রত্যয়ৰ অ শব্দৰ শেষ ব্যঞ্জনত যোগ হয়; আ-কাৰান্ত শব্দৰ পাচত প্রত্যয়ৰ অ লোপ হয়, ই, ঈ, এ আৰু ঐ-কাৰান্ত শব্দৰ পাচত প্রত্যয়ৰ অ মৰি য় হয়, উ, ঊ, ও আৰু ঔ-কাৰান্ত শব্দৰ পাচত প্রত্যয়ৰ অ মৰি ৱ হয় আৰু ঈ-কাৰন্ত শব্দৰ ঈ হ্রস্ব হয়। যেনে,

জাতি——হিন্দু—হিন্দুৱনী, বন্ধু—বন্ধুৱনী, গাৰো—গাৰোৱনী, কপৌ—কপৌৱনী, মিৰি—মিৰিয়নী, খাচিয়া—খাচিয়ানী, অসমীয়া—অসমীয়ানী, শিয়াল—শিয়ালনী, কুকুৰ—কুকুৰণী (শিয়ালী আৰু কুকুৰীও হয়)।

কুল——নাপিত—নাপিতনী, কলিতা—কলিতানী, কুমাৰ—কুমাৰণী, কমাৰ—কমাৰণী, বৰিয়া—বৰিয়ানী, মৰিয়া—মৰিয়াণী।

পত্নী——ফুকন—ফুকননী, মন্‌চুপ—মন্‌চুপনী, বৰুৱা—বৰুৱানী, মুদৈ—মুদৈয়নী, বাৰৈ—বাৰৈয়নী, ভৰালী—ভৰালিয়নী, কাকতী—কাকতিয়নী।

৬০। নাতি আদি শব্দত স্ত্ৰীলিঙ্গত অনী প্ৰত্যয় হয়, অনী প্ৰত্যয় হলে, প্ৰত্যয়ৰ অ লোপ হয়। যেনে, নাতি—নাতিনী, হাৰি—হাৰিণী।

৬১। বাঘ আদি শব্দত স্ত্ৰীলিঙ্গত অনী প্ৰত্যয় হয়। অনী প্ৰত্যয় হলে, স্বৰান্ত শব্দৰ শেষৰ স্বৰ লোপ হয়, আৰু প্ৰত্যয়ৰ অ মৰি ই হয়। যেনে, বাঘ্—বাঘিনী, সিংহ—সিংহিনী, হাঁহ—হাঁহিনী, মিতা—মিতিনী।

৬২। কোঁচ, চোৰ আদি শব্দত, স্ত্ৰীলিঙ্গত অনী প্ৰত্যয় হয়। অনী প্ৰত্যয় হলে, প্ৰত্যয়ৰ অ মৰি উ হয়, আৰু শব্দৰ আদিৰ ও-কাৰ উ-কাৰ হয়। যেনে, কোঁচ্—কুচুনী, চোৰ্—চুৰুণী, ডোম্—ডুমুনী। ধোবা শব্দৰ শেষৰ আ-কাৰ লোপ হয়। যেনে, ধোবা - ধুবুনী।

৬৩। গৰাকী শব্দৰ স্ত্ৰীলিঙ্গত দুটা ৰূপ হয়। গৰাকীৰ ঘৈনীয়েকক বুজালে গৰাকিয়নী, আৰু কোনো বস্তুৰ অধিকাৰিণী বুজালে, গৰাকিনী হয়।

৬৪। বিড়াল শব্দৰ স্ত্রীলিঙ্গত দুটা ৰূপ, বিড়ালী আৰু বিড়লী।

৬৫। কোনো কোনো হ্রস্ব ই-কাৰান্ত শব্দ স্ত্রীলিঙ্গত কেৱল দীর্ঘ ঈ-কাৰান্ত হয়। যেনে, পুং সখি, ৰান্ধনি, মঙ্গলতি। স্ত্রী সখী, ৰান্ধনী, মঙ্গলতী।

৬৬। জাতি বুজুৱা শব্দৰ আগত মতা আৰু মাইকী শব্দ ব্যৱহাৰ কৰি বা পাচত টো আৰু জনী তদ্ধিত প্রত্যয় যোগ দি পুং স্ত্রী লিঙ্গ ভেদ কৰা যায়। যেনে, মতা মানুহ মাইকী মানুহ, মতা বাঘ মাইকী বাঘ, মতা ঘোৰা মাইকী ঘোৰা, মতা কুকুৰা মাইকী কুকুৰা, মতা মহ মাইকী মহ; বা মানুহটো মানুহজনী, ঘোৰাটো ঘোৰাজনী, কুকুৰাটো কুকুৰাজনী, মহটো মহজনী ইত্যাদি।

৬৭। ডাঙ্গৰ বলৱন্ত জন্তুৰ গোটেইটো জাতি বুজাবলৈ প্রায় পুংলিঙ্গৰ শব্দ ব্যৱহাৰ হয়। যেনে, মানুহ, হাতী, ঘোৰা, বাঘ, সিংহ ইত্যাদি। মানুহ মৰণশীল, চতুষ্পদী জন্তুৰ ভিতৰত হাতী ডাঙ্গৰ, বাঘৰ নিচিনা হিংসক আৰু সিংহৰ নিচিনা বলৱন্ত জন্তু নাই। এই উদাহৰণবিলাকত যদিও কেৱল পুংলিঙ্গৰ শব্দ ব্যৱহাৰ কৰা হৈছে, কিন্তু সেই শব্দে সিহঁতৰ গোটেইটো জাতিকে বুজাইছে।

৬৮। জন্তুটো মতা বা মাইকী বুলি প্রকাশ থাকিলে, সেই অনুসাৰে তাৰ পুং বা স্ত্রীলিঙ্গৰ ৰূপ ব্যৱহাৰ কৰা হয়।

যেনে, পোৱালি চুৰ কৰিলে বাঘিনীয়ে ( ইয়াত বাঘে নহয় ) চোৰক শুদাই নেৰে।

৬৯। সৰু নিৰ্ব্বলী জন্তুৰ গোটেইটো জাতি বুজাবলৈ প্ৰায় স্ত্ৰীলিঙ্গৰ শব্দ ব্যৱহাৰ হয়। যেনে, কাউৰী, চিলনী, বগলী, ছাগলী, বিড়ালী, ভেকুলী ইত্যাদি। চৰাইৰ ভিতৰত কাউৰী বৰ ধূৰ্ত্ত। ইয়াত কাউৰী স্ত্ৰীলিঙ্গৰ শব্দ হলেও সি গোটেই জাতিটোকে বুজাইছে।

৭০। ক্লীৱলিঙ্গৰ শব্দ মানুহৰ নাম স্বৰূপে ব্যৱহাৰ হলে, তাৰো লিঙ্গ ভেদ কৰা হয়। যেনে, গোলাপ—গোলাপী, কদম—কদমী ইত্যাদি।

৭১। লৰা শব্দ দুয়ো লিঙ্গত ব্যৱহাৰ হয়। যেনে, কেচুৱা লৰাৰ উভতি কেৱল মাকেহে সহিব পাৰে, লৰাটোৰ বা লৰাজনীৰ অলপ মাত ফুটিছে।

৭২। অসমীয়াত কিছুমান স্ত্ৰীলিঙ্গৰ শব্দ আছে, যাৰ পুংলিঙ্গ নাই। যেনে, নামতী, ফুলতী, লাহতী, বোৱনী, শিপিনী, ৰাংঢালী, ৰচকী ইত্যাদি।

৭৩। কিছুমান শব্দৰ স্ত্ৰীলিঙ্গত ৰূপ একেবাৰে ভিন্ হয়। সেই ৰূপবিলাক তলত দিয়া গল।

| পুংলিঙ্গ | স্ত্ৰীলিঙ্গ | পুংলিঙ্গ | স্ত্ৰীলিঙ্গ |
|---|---|---|---|
| ককাই | বাই, বৌ, (ভাৰ্য্যা) | কোঁৱৰ | আইদেউ, কুঁৱৰী |
| ককা | বুঢ়ী আই | গোলাম | বান্দী |
| কোৱা | কাউৰী | গৃহস্থ | ঘৈনী |

| পুংলিঙ্গ | স্ত্রীলিঙ্গ | পুংলিঙ্গ | স্ত্রীলিঙ্গ |
|---|---|---|---|
| গিৰী | ঘৈনী | পিতা | মাতা |
| গোহাঁই | আইচু | পৈ | ঘৈনী |
| গোসাঁই | গোসাঁনী | বোপাই | আই |
| গণৈ | আইচু | বাপ | আইটী, আইদেউ |
| চপনীয়া | চাপনী | বলদ | গাই |
| ছাগ | ছাগলী | বগ | বগলী |
| ছাগল | ছাগলী | বোন্দা | জাঁই |
| জেঠা | জেঠাই | বন্দী | বেটী |
| ডেকা | ডেকেৰী, গাভৰু | ভাই | ভনী |
| তাৱৈ | আমৈ | ভেঙ্গুৱা | ভাঙ্গুৰী, |
| দেওৰ | জা | মামাই | মাই |
| দৰা | কন্যা | মুনিহ | তিৰী, তিৰোতা |
| দঁতুৱা | দাঁতিনী | মখনা | মাখুন্দী |
| দমৰা | কাঢ়লী | মতা | মাইকী |
| দঁতাল | মাখুন্দী | মগনিয়াৰ | মাগনী |
| দদাই | খুৰী | ৰজা | ৰাণী, কুৱঁৰী |
| নগা | নাগিনী | লৰা | ছোৱালী |
| নাচনিয়াৰ | নাচনী | শহুৰ | শাহু |
| পো | জী | শৰ | ভেলেঙ্গী |

# পঞ্চম অধ্যায়।

## সৰ্ব্বনাম।

১। বিশেষ্য পদ ঘনেপতি ব্যৱহাৰ নকৰিবৰ নিমিত্তে তাৰ সলনি যি শব্দ ব্যৱহাৰ হয়, তাক সৰ্ব্বনাম বোলে।

২। সৰ্ব্বনাম চাৰিবিধ ঃ—ব্যক্তিবোধক সৰ্ব্বনাম, বিশেষণ সৰ্ব্বনাম, কালবোধক সৰ্ব্বনাম আৰু স্থানবোধক সৰ্ব্বনাম।

৩। ব্যক্তিবোধক সৰ্ব্বনামৰ তিনি পুৰুষ ঃ—প্ৰথম পুৰুষ, দ্বিতীয় পুৰুষ আৰু তৃতীয় পুৰুষ।

৪। যি কয়; সি প্ৰথম পুৰুষ। মই প্ৰথম পুৰুষৰ সৰ্ব্বনাম।

৫। যাক কোৱা যায় সি দ্বিতীয় পুৰুষ। তই আৰু তুমি দ্বিতীয় পুৰুষৰ সৰ্ব্বনাম।

৬। তই সৰ্ব্বনাম অনাদৰত ব্যৱহাৰ হয়, আৰু তুমি সৰ্ব্বনাম আদৰত ব্যৱহাৰ হয়।

৭। যাৰ কথা বা যাৰ বিষয়ে কোৱা যায়, সি তৃতীয় পুৰুষৰ সৰ্ব্বনাম। সি, তেওঁ, ই, এওঁ, যি, কোন, কোনো, কোনোবা, যিহ্, কিহ্, আৰু কেওঁ তৃতীয় পুৰুষৰ সৰ্ব্বনাম।

৮। অনাদৰত তৃতীয় পুৰুষৰ সি আৰু ই ব্যৱহাৰ হয়, আদৰত তেওঁ আৰু এওঁ ব্যৱহাৰ হয়।

৯। সি আৰু ই, এই দুই সৰ্ব্বনামৰ লিঙ্গ আছে। পুং আৰু ক্লীৱলিঙ্গত সি, স্ত্রীলিঙ্গত তাই হয়। সেই দৰে, ই পুং আৰু ক্লীৱলিঙ্গত ব্যৱহাৰ হয়; স্ত্রীলিঙ্গত এই হয়।

১০। বিশেষ্যৰ নিচিনা ব্যক্তিবোধক সৰ্ব্বনামৰো বচন আছে। হঁত, লোক, বোৰ, বিলাক আদি বহুবচনৰ চিন্ যোগ দি সিহঁতৰ বহুবচন কৰা হয়। যেনে, সিহঁত, ইহঁত, তেওঁলোক, এওঁলোক বা তেওঁবিলাক এওঁবিলাক ইত্যাদি।

### বিভক্তি অনুসাৰে ব্যক্তিবোধক সৰ্ব্বনামৰ ৰূপ।

১১। শব্দত বিভক্তি যোগ দিবৰ যি নিয়ম, প্রায় সেই নিয়ম মতেই সৰ্ব্বনামতো বিভক্তি যোগ হয়।

প্রথম পুৰুষৰ সৰ্ব্বনাম—মই।

পুং স্ত্রী দুয়ো লিঙ্গত।

১২। প্রথমা বিভক্তিৰ একবচনত বাজে আন ঠাইত মই একবচনত মো আৰু বহুবচনত আমা হয়। ইয়াৰ বহুবচন

কৰিবলৈ কেতিয়াবা লোক চিন্ যোগ দিয়া হয়। এই চিন্ যোগ নিদিয়াকৈও ইয়াৰ বহুবচন হয়।

| বিভক্তি | একবচন | বহুবচন |
|---|---|---|
| প্ৰথমা | মই | আমি, আমালোকে |
| দ্বিতীয়া | মোক | আমাক, আমালোকক |
| তৃতীয়া | মোৰে | আমাৰে, আমালোকেৰে |
| | মোকদি | আমাকদি, আমালোকেদি |
| | মোৰ দ্বাৰা বা মোৰ দ্বাৰায় | আমাৰ দ্বাৰা, আমালোকৰ দ্বাৰা বা আমাৰ দ্বাৰায়, আমালোকৰ দ্বাৰায় |
| চতুৰ্থী | মোলৈ | আমালৈ, আমালোকলৈ |
| | মোক | আমাক, আমালোকক |
| পঞ্চমী | মোৰ পৰা | আমাৰ পৰা, আমালোকৰ পৰা |
| ষষ্ঠী | মোৰ | আমাৰ, আমালোকৰ |
| সপ্তমী | মোত | আমাত, আমালোকত |

## দ্বিতীয় পুৰুষৰ সৰ্ব্বনাম—তই।

পুং স্ত্রী, দুয়ো লিঙ্গত।

১৩। প্ৰথমা বিভক্তিৰ একবচনত বাজে আন ঠাইত তই একবচনত তো আৰু বহুবচনত ত হয়। ইয়াৰ বহুবচন কৰিবলৈ হঁত যোগ দিয়া হয়।

| বিভক্তি | একবচন | বহুবচন |
|---|---|---|
| প্ৰথমা | তই | তহঁতে |
| দ্বিতীয়া | তোক | তহঁতক |
| তৃতীয়া | তোৰে | তহঁতেৰে |
| | তোকদি | তহঁতকদি, তহঁতেদি |
| | তোৰ দ্বাৰা বা দ্বাৰায় | তহঁতৰ দ্বাৰা বা দ্বাৰায় |
| চতুৰ্থী | তোলৈ | তহঁতলৈ |
| | তোক | তহঁতক |
| পঞ্চমী | তোৰ পৰা | তহঁতৰ পৰা |
| ষষ্ঠী | তোৰ | তহঁতৰ |
| সপ্তমী | তোত | তহঁতত |

## দ্বিতীয় পুৰুষৰ সৰ্ব্বনাম—তুমি।

পুং স্ত্রী, দুয়ো লিঙ্গত।

১৪। প্ৰথমা বিভক্তিৰ বহুবচনত আৰু আন বিভক্তিৰ

দুয়ো বচনত তুমি তোমা হয়, আৰু লোক যোগ দি ইয়াৰ বহুবচন কৰা হয়।

| বিভক্তি | একবচন | বহুবচন |
|---|---|---|
| প্ৰথমা | তুমি | তোমালোকে |
| দ্বিতীয়া | তোমাক | তোমালোকক |
| তৃতীয়া | তোমাৰে | তোমালোকেৰে |
| | তোমাকদি | তোমালোককদি, তোমালোকেদি |
| | তোমাৰ দ্বাৰা বা দ্বাৰায় | তোমালোকৰ দ্বাৰা বা দ্বাৰায় |
| চতুৰ্থী | তোমালৈ | তোমালোকলৈ |
| | তোমাক | তোমালোকক |
| পঞ্চমী | তোমাৰ পৰা | তোমালোকৰ পৰা |
| ষষ্ঠী | তোমাৰ | তোমালোকৰ |
| সপ্তমী | তোমাত | তোমালোকত |

তৃতীয় পুৰুষৰ সৰ্ব্বনাম—সি।

পুং আৰু ক্লীবলিঙ্গত।

১৫। প্ৰথমা বিভক্তিৰ বাজে আন বিভক্তিৰ একবচনত সি তা হয়, বহুবচনত সকলো বিভক্তিত সি তা হয়, নহৈও থাকে। হঁত যোগ দি ইয়াৰ বহুবচন কৰা হয়।

| বিভক্তি | একবচন | বহুবচন |
|---|---|---|
| প্ৰথমা | সি | সিহঁতে, তাহঁতে |
| দ্বিতীয়া | তাক | সিহঁতক, তাহঁতক |
| তৃতীয়া | তাৰে | সিহঁতেৰে, তাহঁতেৰে |
| | তাকদি | সিহঁতকদি, সিহঁতেদি তাহঁতকদি, তাহঁতেদি |
| | তাৰ দ্বাৰা বা দ্বাৰায় | সিহঁতৰ দ্বাৰা বা দ্বাৰায়, তাহঁতৰ দ্বাৰা বা দ্বাৰায় |
| চতুৰ্থী | তালৈ | সিহঁতলৈ, তাহঁতলৈ |
| | তাক | সিহঁতক, তাহঁতক |
| পঞ্চমী | তাৰ পৰা | সিহঁতৰপৰা, তাহঁতৰপৰা |
| ষষ্ঠী | তাৰ | সিহঁতৰ, তাহঁতৰ |
| সপ্তমী | তাত | সিহঁতত, তাহঁতত |

তৃতীয় পুৰুষৰ সৰ্ব্বনাম—তাই।

স্ত্ৰীলিঙ্গ।

১৬। হঁত যোগ দি ইয়াৰ বহুবচন কৰা হয়।

| বিভক্তি | একবচন | বহুবচন |
|---|---|---|
| প্ৰথমা | তাই | তাইহঁতে |
| দ্বিতীয়া | তাইক | তাইহঁতক |
| তৃতীয়া | তাইৰে | তাইহঁতেৰে |
| | তাইকদি | তাইহঁতকদি, তাইহঁতেদি |

| বিভক্তি | একবচন | বহুবচন |
|---|---|---|
| তৃতীয়া | তাইৰ দ্বাৰা বা দ্বাৰায় | তাইহঁতৰ দ্বাৰা বা দ্বাৰায় |
| চতুৰ্থী | তাইলৈ<br>তাইক | তাইহঁতলৈ<br>তাইহঁতক |
| পঞ্চমী | তাইৰ পৰা | তাইহঁতৰ পৰা |
| ষষ্ঠী | তাইৰ | তাইহঁতৰ |
| সপ্তমী | তাইত | তাইহঁতত |

তৃতীয় পুৰুষৰ সৰ্ব্বনাম—তেওঁ।

পুং স্ত্ৰী, দুয়ো লিঙ্গত।

১৭। বিলাক বা লোক যোগ দি ইয়াৰ বহুবচন কৰা হয়।

| বিভক্তি | একবচন | বহুবচন |
|---|---|---|
| প্ৰথমা | তেওঁ | তেওঁবিলাকে |
| দ্বিতীয়া | তেওঁক | তেওঁবিলাকক |
| তৃতীয়া | তেওঁৰে<br>তেওঁকদি<br><br>তেওঁৰ দ্বাৰা বা দ্বাৰায় | তেওঁবিলাকেৰে<br>তেওঁবিলাককদি, তেওঁবিলাকেদি<br>তেওঁবিলাকৰ দ্বাৰা বা দ্বাৰায় |

| বিভক্তি | একবচন | বহুবচন |
|---|---|---|
| প্ৰথমা | সি | সিহঁতে, তাহঁতে |
| দ্বিতীয়া | তাক | সিহঁতক, তাহঁতক |
| তৃতীয়া | তাৰে | সিহঁতেৰে, তাহঁতেৰে |
| | তাকদি | সিহঁতকদি, সিহঁতেদি তাহঁতকদি, তাহঁতেদি |
| | তাৰ দ্বাৰা বা দ্বাৰায় | সিহঁতৰ দ্বাৰা বা দ্বাৰায়, তাহঁতৰ দ্বাৰা বা দ্বাৰায় |
| চতুৰ্থী | তালৈ | সিহঁতলৈ, তাহঁতলৈ |
| | তাক | সিহঁতক, তাহঁতক |
| পঞ্চমী | তাৰ পৰা | সিহঁতৰপৰা, তাহঁতৰপৰা |
| ষষ্ঠী | তাৰ | সিহঁতৰ, তাহঁতৰ |
| সপ্তমী | তাত | সিহঁতত, তাহঁতত |

তৃতীয় পুৰুষৰ সৰ্ব্বনাম—তাই।

স্ত্রীলিঙ্গ।

১৬। হঁত যোগ দি ইয়াৰ বহুবচন কৰা হয়।

| বিভক্তি | একবচন | বহুবচন |
|---|---|---|
| প্ৰথমা | তাই | তাইহঁতে |
| দ্বিতীয়া | তাইক | তাইহঁতক |
| তৃতীয়া | তাইৰে | তাইহঁতেৰে |
| | তাইকদি | তাইহঁতকদি, তাইহঁতেদি |

| বিভক্তি | একবচন | বহুবচন |
|---|---|---|
| তৃতীয়া | তাইৰ দ্বাৰা বা দ্বাৰায় | তাইহঁতৰ দ্বাৰা বা দ্বাৰায় |
| চতুর্থী | তাইলৈ<br>তাইক | তাইহঁতলৈ<br>তাইহঁতক |
| পঞ্চমী | তাইৰ পৰা | তাইহঁতৰ পৰা |
| ষষ্ঠী | তাইৰ | তাইহঁতৰ |
| সপ্তমী | তাইত | তাইহঁতত |

তৃতীয় পুৰুষৰ সৰ্ব্বনাম—তেওঁ।

পুং স্ত্ৰী, দুয়ো লিঙ্গত।

১৭। বিলাক বা লোক যোগ দি ইয়াৰ বহুবচন কৰা হয়।

| বিভক্তি | একবচন | বহুবচন |
|---|---|---|
| প্ৰথমা | তেওঁ | তেওঁবিলাকে |
| দ্বিতীয়া | তেওঁক | তেওঁবিলাকক |
| তৃতীয়া | তেওঁৰে<br>তেওঁকদি<br><br>তেওঁৰ দ্বাৰা বা দ্বাৰায় | তেওঁবিলাকেৰে<br>তেওঁবিলাককদি,<br>তেওঁবিলাকেদি<br>তেওঁবিলাকৰ দ্বাৰা বা দ্বাৰায় |

| | | |
|---|---|---|
| চতুৰ্থী | তেওঁলৈ<br>তেওঁক | তেওঁবিলাকলৈ<br>তেওঁবিলাকক |
| পঞ্চমী | তেওঁৰ পৰা | তেওঁবিলাকৰ পৰা |
| ষষ্ঠী | তেওঁৰ | তেওঁবিলাকৰ |
| সপ্তমী | তেওঁত | তেওঁবিলাকত |

তৃতীয় পুৰুষৰ সৰ্ব্বনাম—ই।

পুং আৰু ক্লীবলিঙ্গত।

১৮। প্ৰথমা বিভক্তিত বাজে আন বিভক্তিত ই এক বচনত ইয়া হয়, আৰু হঁত যোগ দি ইয়াৰ বহুবচন কৰা হয়।

| বিভক্তি | একবচন | বহুবচন |
|---|---|---|
| প্ৰথমা | ই | ইহঁতে |
| দ্বিতীয়া | ইয়াক | ইহঁতক |
| তৃতীয়া | ইয়াৰে<br>(আনবিলাক ওপৰৰ দৰে) | ইহঁতেৰে<br>(আনবিলাক ওপৰৰ দৰে) |
| চতুৰ্থী | ইয়ালৈ<br>ইয়াক | ইহঁতলৈ<br>ইহঁতক |
| পঞ্চমী | ইয়াৰ পৰা | ইহঁতৰ পৰা |
| ষষ্ঠী | ইয়াৰ | ইহঁতৰ |
| সপ্তমী | ইয়াত | ইহঁতত |

### তৃতীয় পুৰুষৰ সৰ্ব্বনাম—এই।

স্ত্ৰীলিঙ্গ।

১৯। হঁত যোগ দি ইয়াৰ বহুবচন কৰা হয়।

| বিভক্তি | একবচন | বহুবচন |
|---|---|---|
| প্ৰথমা | এই | এইহঁতে |
| দ্বিতীয়া | এইক | এইহঁতক |
| তৃতীয়া | এইৰে<br>(আনবিলাক ওপৰৰ দৰে) | এইহঁতেৰে<br>(আনবিলাক ওপৰৰ দৰে) |
| চতুৰ্থী | এইলৈ<br>এইক | এইহঁতলৈ<br>এইহঁতক |
| পঞ্চমী | এইৰ পৰা | এইহঁতৰ পৰা |
| ষষ্ঠী | এইৰ | এইহঁতৰ |
| সপ্তমী | এইত | এইহঁতত |

### তৃতীয় পুৰুষৰ সৰ্ব্বনাম—এওঁ।

পুং আৰু স্ত্ৰীলিঙ্গত।

২০। লোক বা বিলাক যোগ দি ইয়াৰ বহুবচন কৰা হয়।

| বিভক্তি | একবচন | বহুবচন |
|---|---|---|
| প্ৰথমা | এওঁ | এওঁবিলাকে |
| দ্বিতীয়া | এওঁক | এওঁবিলাকক |
| তৃতীয়া | এওঁৰে<br>(আনবিলাক ওপৰৰ দৰে) | এওঁবিলাকেৰে<br>(আনবিলাক ওপৰৰ দৰে) |

| বিভক্তি | একবচন | বহুবচন |
|---|---|---|
| চতুৰ্থী | এওঁলৈ | এওঁবিলাকলৈ |
| | এওঁক | এওঁবিলাকক |
| পঞ্চমী | এওঁৰ পৰা | এওঁবিলাকৰ পৰা |
| ষষ্ঠী | এওঁৰ | এওঁবিলাকৰ |
| সপ্তমী | এওঁত | এওঁবিলাকত |

তৃতীয় পুৰুষৰ সৰ্ব্বনাম—যি।

তিনিও লিঙ্গত।

২১। প্ৰথমাত বাজে আন বিভক্তিৰ একবচনত যি যা হয়। ইয়াৰ বহুবচন কৰিবলৈ অনাদৰত বোৰ বা বিলাক, আদৰত বিলাক আৰু সম্ভ্ৰমত সকল যোগ দিয়া হয়। কোনো কোনো ঠাইত প্ৰথমা বিভক্তিৰ দুয়ো বচনত, আৰু আন বিভক্তিৰ বহুবচনত যি সৰ্ব্বনামৰ সলনি যোন ব্যৱহাৰ হয়।

| বিভক্তি | একবচন | বহুবচন |
|---|---|---|
| প্ৰথমা | যি, যোনে | যিবিলাকে, যোনবিলাকে |
| দ্বিতীয়া | যাক | যিবিলাকক, যোনবিলাকক |
| তৃতীয়া | যাৰে | যিবিলাকেৰে, যোনবিলাকেৰে |
| | ( আনবিলাক ওপৰৰ দৰে ) | (আনবিলাক ওপৰৰ দৰে) |
| চতুৰ্থী | যালৈ | যিবিলাকলৈ, যোনবিলাকলৈ |
| | যাক | যিবিলাকক, যোনবিলাকক |
| পঞ্চমী | যাৰ পৰা | যিবিলাকৰ পৰা, যোনবিলাকৰ পৰা |

| বিভক্তি | একবচন | বহুবচন |
|---|---|---|
| ষষ্ঠী | যাৰ | যিবিলাকৰ, যোনবিলাকৰ |
| সপ্তমী | যাত | যিবিলাকত, যোনবিলাকত |

তৃতীয় পুৰুষৰ সৰ্ব্বনাম—কোন।

তিনিও লিঙ্গত।

২২। প্ৰথমাত বাজে আন বিভক্তিৰ একবচনত কোন কা হয়। ইয়াৰ বহুবচন কৰিবলৈ অনাদৰত বোৰ বা বিলাক, আদৰত আৰু সম্ভ্ৰমত বিলাক যোগ দিয়া হয়।

| বিভক্তি | একবচন | বহুবচন |
|---|---|---|
| প্ৰথমা | কোনে | কোনবিলাকে |
| দ্বিতীয়া | কাক | কোনবিলাকক |
| তৃতীয়া | কাৰে | কোনবিলাকেৰে |
| | ( আনবিলাক ওপৰৰ দৰে ) | ( আনবিলাক ওপৰৰ দৰে) |
| চতুৰ্থী | কালৈ | কোনবিলাকলৈ |
| | কাক | কোনবিলাকক |
| পঞ্চমী | কাৰ পৰা | কোনবিলাকৰ পৰা |
| ষষ্ঠী | কাৰ | কোনবিলাকৰ |
| সপ্তমী | কাত | কোনবিলাকত |

তৃতীয় পুৰুষৰ সৰ্ব্বনাম—কোনো।

তিনিও লিঙ্গত।

২৩। ইয়াৰ বহুবচন কৰিবলৈ অনাদৰত বোৰ আৰু বিলাক, আৰু আদৰত বা সম্ভ্ৰমত বিলাক যোগ দিয়া হয়।

| বিভক্তি | একবচন | বহুবচন |
|---|---|---|
| প্ৰথমা | কোনোৱে | কোনোবিলাকে |
| দ্বিতীয়া | কোনোক | কোনোবিলাকক |
| তৃতীয়া | কোনোৰে | কোনোবিলাকেৰে |
| | (আনবিলাক ওপৰৰ দৰে) | (আনবিলাক ওপৰৰ দৰে) |
| চতুৰ্থী | কোনোলৈ | কোনোবিলাকলৈ |
| | কোনোক | কোনোবিলাকক |
| পঞ্চমী | কোনোৰ পৰা | কোনোবিলাকৰ পৰা |
| ষষ্ঠী | কোনোৰ | কোনোবিলাকৰ |
| সপ্তমী | কোনোত | কোনোবিলাকত |

তৃতীয় পুৰুষৰ সৰ্ব্বনাম—কোনোবা।

তিনিও লিঙ্গত।

২৪। ইয়াৰ বহুবচন কৰিবলৈ অনাদৰত বোৰ আৰু বিলাক, আদৰত আৰু সম্ভ্ৰমত বিলাক যোগ দিয়া হয়।

| বিভক্তি | একবচন | বহুবচন |
|---|---|---|
| প্ৰথমা | কোনোবাই | কোনোবাবিলাকে |
| দ্বিতীয়া | কোনোবাক | কোনোবাবিলাকক |
| তৃতীয়া | কোনোবাৰে | কোনোবাবিলাকেৰে |
| | (আনবিলাক ওপৰৰ দৰে) | (আনবিলাক ওপৰৰ দৰে) |
| চতুৰ্থী | কোনোবালৈ | কোনোবাবিলাকলৈ |
| | কোনোবাক | কোনোবাবিলাকক |
| পঞ্চমী | কোনোবাৰ পৰা | কোনোবাবিলাকৰ পৰা |

| বিভক্তি | একবচন | বহুবচন |
|---|---|---|
| ষষ্ঠী | কোনোবাৰ | কোনোবাবিলাকৰ |
| সপ্তমী | কোনোবাত | কোনোবাবিলাকত |

তৃতীয় পুৰুষৰ সৰ্ব্বনাম—কিহ্ আৰু যিহ্।

ক্লীবলিঙ্গত।

২৫। এই দুই সৰ্ব্বনামৰ বহুবচন নাই, ইহঁত কেৱল একবচনত ব্যৱহাৰ হয়।

| বিভক্তি | কিহ্ | যিহ্ |
|---|---|---|
| প্ৰথমা | কিহে | যিহে |
| দ্বিতীয়া | কিহক | যিহক |
| তৃতীয়া | কিহেৰে | যিহেৰে |
| | (আনবিলাক ওপৰৰ দৰে) | (আনবিলাক ওপৰৰ দৰে. |
| চতুৰ্থী | কিহলৈ<br>কিহক | যিহলৈ<br>যিহক |
| পঞ্চমী | কিহৰ পৰা | যিহৰ পৰা |
| ষষ্ঠী | কিহৰ | যিহৰ |
| সপ্তমী | কিহত | যিহত |

তৃতীয় পুৰুষৰ সৰ্ব্বনাম—কেওঁ।

পুং আৰু স্ত্ৰীলিঙ্গত।

২৬। কেওঁ সৰ্ব্বনাম কেৱল মানুহ বুজুৱা বিশেষ্যৰ সলনি প্ৰথমা বিভক্তিৰ একবচনত ব্যৱহাৰ হয়। ইয়াৰ বহুবচন নাই।

২৭। **সম্ভ্ৰম বুজাবলৈ বিশেষণ-সৰ্ব্বনাম, আপোন, আৰু স্থানবোধক সৰ্ব্বনাম, এখেত, তেখেত, অত, আৰু তত ব্যক্তি-বোধক সৰ্ব্বনাম স্বৰূপে ব্যৱহাৰ হয়।**

অসমীয়া ভাষাত সম্ভ্ৰমৰ হীন-ডেঢ়ি কৰা হয়। সাধাৰণতঃ সম্ভ্ৰমেৰে সম্বোধন কৰিবলৈ বা উল্লেখ কৰিবলৈ হলে আপোন সৰ্ব্বনাম ব্যৱহাৰ হয়। আপোন এটা তৃতীয় পুৰুষৰ সৰ্ব্বনাম, ইয়াৰ ক্ৰিয়াও তৃতীয় পুৰুষৰ হয়। কিন্তু ব্যৱহাৰত ই দ্বিতীয় পুৰুষ যেন। যি মানুহক সম্বোধন কৰা যায়, সেই মানুহেৰে সৈতে মুখা-মুখি হৈ কথা কওঁতেও তেওঁক আপুনি বুলি সম্বোধন কৰিব পাৰি, অৰ্থাৎ যি ঠাইত কেৱল আদৰত তুমি সৰ্ব্বনাম ব্যৱহাৰ হয়, সেই ঠাইত সম্ভ্ৰমত আপুনি ব্যৱহাৰ কৰিব পাৰি। কিন্তু বিশেষ সম্ভ্ৰমেৰে কাৰো কথা উল্লেখ কৰিব লাগিলে, আপুনি ব্যৱহাৰ নহয়। তেতিয়া এখেত, তেখেত বা অত, তত ব্যৱহাৰ হয়। অৰ্থাৎ তেতিয়া কথা কওঁতাই তেওঁৰ সম্ভ্ৰমৰ মানুহ জনলৈ পোনে নোটোঁৱায়, তেওঁ থকা ঠাইখনলৈ মাথোন টোঁৱায়। তেনেকুৱা কৰিলে, ঠিক চকুলৈ নাচায় ভৰিলৈ চাই কথা কোৱা যেন হয়। ই অতি সম্ভ্ৰমৰ চিন। এই সৰ্ব্বনাম কেইটা ব্যক্তিবোধক-সৰ্ব্বনাম স্বৰূপে ব্যৱহাৰ হলে, ভিন ভিন বিভক্তিত সিহঁতৰ ভিন ভিন ৰূপ হয়। সেই ৰূপবিলাক তলত দেখুৱা হল।

### তৃতীয় পুৰুষৰ সৰ্ব্বনাম—আপোন।

### পুং আৰু স্ত্ৰীলিঙ্গত।

২৮। **প্ৰথমাৰ বহুবচনত আৰু আন বিভক্তিত আপোন আপোনা হয়, আৰু ইয়াৰ বহুবচন কৰিবলৈ লোক বা সকল যোগ দিয়া হয়।**

| বিভক্তি | একবচন | বহুবচন |
|---|---|---|
| প্ৰথমা | আপুনি | আপোনালোকে |
| দ্বিতীয়া | আপোনাক | আপোনালোকক |
| তৃতীয়া | আপোনাৰে | আপোনালোকেৰে |
| | (আনবিলাক ওপৰৰ দৰে) | (আনবিলাক ওপৰৰ দৰে) |
| চতুৰ্থী | আপোনালৈ | আপোনালোকলৈ |
| | আপোনাক | আপোনালোকক |
| পঞ্চমী | আপোনাৰ পৰা | আপোনালোকৰ পৰা |
| ষষ্ঠী | আপোনাৰ | আপোনালোকৰ |
| সপ্তমী | আপোনাত | আপোনালোকত |

তৃতীয় পুৰুষৰ সৰ্ব্বনাম—এখেত।

পুং আৰু স্ত্ৰীলিঙ্গত।

২৯। প্ৰথমা আৰু দ্বিতীয়া বিভক্তিত বাজে আন বিভক্তিৰ একবচনত এখেত এখে হয়, নহৈও থাকে। ইয়াৰ বহুবচনত সকল যোগ হয়।

| বিভক্তি | একবচন | বহুবচন |
|---|---|---|
| প্ৰথমা | এখেত, এখেতে | এখেতসকলে |
| দ্বিতীয়া | এখেতক | এখেতসকলক |
| তৃতীয়া | এখেৰে, এখেতেৰে | এখেতসকলেৰে |
| | এখেতকদি | এখেত সকলকদি |
| | এখেৰ বা এখেতৰ দ্বাৰা বা দ্বাৰায় | এখেতসকলৰ দ্বাৰা বা দ্বাৰায় |

| | | |
|---|---|---|
| চতুৰ্থী | এখেলৈ, এখেতলৈ | এখেতসকললৈ |
| | এখেতক | এখেতসকলক |
| পঞ্চমী | এখেৰপৰা, এখেতৰপৰা | এখেতসকলৰ পৰা |
| ষষ্ঠী | এখেৰ, এখেতৰ | এখেতসকলৰ |
| সপ্তমী | এখেত, এখেতত | এখেতসকলত |

তৃতীয় পুৰুষৰ সৰ্ব্বনাম—তেখেত।

পুং আৰু স্ত্ৰীলিঙ্গত।

৩০। ইয়াৰ বহুবচন কৰিবলৈ সকল যোগ দিয়া হয়।

| বিভক্তি | একবচন | বহুবচন |
|---|---|---|
| প্ৰথমা | তেখেত, তেখেতে | তেখেতসকলে |
| দ্বিতীয়া | তেখেতক | তেখেতসকলক |
| তৃতীয়া | তেখেতেৰে | তেখেতসকলেৰে |
| | (আনবিলাক ওপৰৰ দৰে) | (আনবিলাক ওপৰৰ দৰে) |
| চতুৰ্থী | তেখেতলৈ | তেখেতসকললৈ |
| | তেখেতক | তেখেতসকলক |
| পঞ্চমী | তেখেতৰ পৰা | তেখেতসকলৰ পৰা |
| ষষ্ঠী | তেখেতৰ | তেখেতসকলৰ |
| সপ্তমী | তেখেত, তেখেতত | তেখেতসকলত |

তৃতীয় পুৰুষৰ সৰ্ব্বনাম—অত, তত।

পুং আৰু স্ত্ৰীলিঙ্গত।

৩১। দ্বিতীয়া বিভক্তিত ইহঁতৰ ব্যৱহাৰ নাই। তৃতীয়াদি বিভক্তিত ইহঁতৰ ত লোপ হয়, কিন্তু চতুৰ্থীৰ অক বিভক্তি

হলে, ৰূপ নলৱে। ইহঁত কেৱল একবচনত মাথোন ব্যৱহাৰ হয়।

| বিভক্তি | | অত | তত |
|---|---|---|---|
| প্ৰথমা | | অত | তত |
| দ্বিতীয়া | | নাই | নাই |
| তৃতীয়া | | অৰে | তৰে |
| | | এদি বিভক্তি যোগ নহয় | |
| | | অৰ দ্বাৰা বা দ্বাৰায় | তৰ দ্বাৰা বা দ্বাৰায় |
| চতুৰ্থী | { | অলৈ | তলৈ |
| | | অত | তত |
| পঞ্চমী | | অৰ পৰা | তৰ পৰা |
| ষষ্ঠী | | অৰ | তৰ |
| সপ্তমী | | অত | তত |

# কাৰক।

৩২। ক্ৰিয়াৰ লগত সম্বন্ধ হলে সৰ্ব্বনাম আৰু বিশেষ্য পদক কাৰক বোলা যায়।

৩৩। কাৰক ছবিধঃ—কৰ্ত্তা, কৰ্ম্ম, কৰণ, সম্প্ৰদান, অপাদান আৰু অধিকৰণ।

## কৰ্ত্তাকাৰক।

৩৪। যি ক্ৰিয়া কৰে সি কৰ্ত্তা। কৰ্ত্তাকাৰকত প্ৰথমা বিভক্তি হয়। যেনে, লৰাই পঢ়িছে, মেঘে গাজিছে, সি

শুইছে। ইয়াত পঢ়ন ক্রিয়া লৰাই, গাজন ক্রিয়া মেঘে, আৰু শোৱন ক্রিয়া সি কৰিছে, এতেকে লৰা, মেঘ আৰু সি কৰ্ত্তা-কাৰক, আৰু সিহঁতত প্ৰথমা বিভক্তি হৈছে।

## কৰ্ম্মকাৰক।

৩৫। যাৰ ওপৰত ক্রিয়া হয়, তাক কৰ্ম্ম কাৰক বোলে। কৰ্ম্ম কাৰকত দ্বিতীয়া বিভক্তি হয়। যেনে, গোপালে হৰিক মাৰিলে। ইয়াত, মাৰণ ক্রিয়াটো হৰিৰ ওপৰত হৈছে, এতেকে হৰি কৰ্ম্ম কাৰক, আৰু তাত দ্বিতীয়া বিভক্তি হৈছে।

## কৰণকাৰক।

৩৬। যাৰ বা যিহৰ দ্বাৰায় কৰ্ত্তাই ক্রিয়া সম্পন্ন কৰে তাক কৰণকাৰক বোলে। কৰণকাৰকত তৃতীয়া বিভক্তি হয়। যেনে, সি কুঠাৰেৰে কাঠডোখৰ ছেও কৰিলে। ইয়াত ছেও দিয়া ক্রিয়া কুঠাৰৰ দ্বাৰায় সম্পন্ন কৰা হৈছে, এতেকে কুঠাৰ কৰণকাৰক, আৰু সেই কাৰণে তাত তৃতীয়া বিভক্তি যোগ হৈছে।

## সম্প্ৰদানকাৰক।

৩৭। যাক দান কৰা যায়, তাক সম্প্ৰদানকাৰক বোলে। সম্প্ৰদানকাৰকত চতুৰ্থী বিভক্তি হয়। যেনে, দক্ষিণাৰ সলনি তেওঁ পুৰোহিতক এজনী গাই দিছে। ইয়াত গাইজনী পুৰোহিতক দিয়া হৈছে, এতেকে পুৰোহিত সম্প্ৰদানকাৰক, আৰু সেই কাৰণে তাত চতুৰ্থী বিভক্তি যোগ হৈছে।

এই সূত্ৰ মতে গৰাকীয়ে নিজৰ স্বত্ব পৰিত্যাগ কৰি বস্তু দান কৰিলেহে দান কৰা হয়, তেতিয়াহে দানৰ পাত্ৰত চতুৰ্থী বিভক্তি হয়। আগলৈ ঘূৰাই লম বুলি দিলে, বা দিবলগীয়া বস্তু দিলে দান কৰা নহয়। এতেকে ধোবাক কাপোৰ দিলে, বা ৰজাক কৰ দিলে বা আনক কোনো বস্তু ধাৰলৈ দিলে, দান কৰা নহয়, আৰু সেই নিমিত্তে ধোবাত, ৰজাত বা ধৰুৱাত চতুৰ্থী বিভক্তিও যোগ নহয়।

## অপাদানকাৰক।

৩৮। যাৰ পৰা বা যিহৰ পৰা উৎপন্ন হোৱা, আৰম্ভ হোৱা বা নিৰস্ত হোৱা বুজায় বা ভয় খোৱা, ৰক্ষা পোৱা বা আঁতৰ হোৱা বুজায়, তাক অপাদানকাৰক বোলে। অপাদানকাৰকত পঞ্চমী বিভক্তি হয়। যেনে, গাখীৰৰ পৰা ঘিঁউ হয়, আৰুতেওজ বছৰৰ পৰা সি ফাৰ্চি পঢ়িবলৈ ধৰিছে, যোৱা বছৰৰ পৰা সি স্কুল এৰিছে, এইবাৰ মই মৃত্যুৰ পৰা ৰক্ষা পালোঁ, ঢোঁৰা সাপৰ পৰা কোনো ভয় নাই, গছৰ পৰা বহুত আম সৰিছে, সি খণ্ডতে ঘৰৰ পৰা ওলাই গল, সি ফাটকৰ পৰা ওলাই আহিছে।

৩৯। সপ্তম্যন্ত পদত তুলনাত কৈ যোগ হলে, সি অপাদানকাৰক হয়। যেনে, ৰামতকৈ হৰি ডাঙৰ। অবধি আৰু অপেক্ষা শব্দৰ যোগতো অপাদানকাৰক হয়। যেনে, অদ্যাবধি, এনে মানুহ জীয়াই থকা অপেক্ষা।

## অধিকৰণকাৰক।

৪০। যত বা যিহত ক্ৰিয়া সম্পাদিত হয় তাক অধিকৰণ, কাৰক বোলে। অধিকৰণকাৰকত সপ্তমী বিভক্তি হয়। যেনে, পাটীত শুই আছে। ইয়াত শোৱন ক্ৰিয়া পাটীত সম্পাদিত হৈছে, এতেকে পাটী অধিকৰণকাৰক, আৰু সেই দেখি তাত সপ্তমী বিভক্তি হৈছে।

৪১। অধিকৰণ দুবিধ হব পাৰে, কাল আৰু ঠাই। কোন কালত বা সময়ত ক্ৰিয়া সম্পাদিত হৈছে, সেই কথা অধিকৰণত প্ৰকাশ হলে, সি কালবোধক অধিকৰণ আৰু কোন ঠাইত ক্ৰিয়া সম্পাদিত হৈছে, সেই কথা অধিকৰণত প্ৰকাশ হলে, সি স্থানবোধক অধিকৰণ। তাৰ বাপেক ভাদ মাহত মৰিছে; ভাদ মাহত কালবোধক অধিকৰণ। সি শিৱসাগৰত উপজিছিল; শিৱসাগৰত স্থানবোধক অধিকৰণ।

কোনো কোনো ব্যাকৰণত ষষ্ঠী বিভক্তিযুক্ত পদক সম্বন্ধকাৰক বুলিছে। আমি তেনেকুৱা পদক কাৰক বোলা নাই। বিভক্তি সাতোটা হলেও আমাৰ বিবেচনাত কাৰক ছটাহে। ক্ৰিয়াৰ লগত সম্বন্ধ নহলে বিশেষ্য বা সৰ্ব্বনামক কাৰক বুলিব নোৱাৰি। সম্বন্ধ পদৰ লগত কোনো ক্ৰিয়াৰ সম্বন্ধ নহয়। ৰজাৰ ঘৰ বুলিলে 'ৰজাৰ' এই পদৰ লগত কোনো ক্ৰিয়াৰ সম্বন্ধ প্ৰকাশ নাই। এতেকে তাক কাৰক নুবুলি কেৱল সম্বন্ধ পদ বোলা যুগুত। সম্বন্ধ বুজাবলৈ মাথোন শব্দত ষষ্ঠী বিভক্তি যোগ দিয়া হয়।

---

# আন হেতুত বা বিশেষ শব্দৰ যোগত বিশেষ বিশেষ বিভক্তি।

## প্ৰথমা বিভক্তি।

৪২। কোনো ক্ৰিয়াৰ লগত সম্বন্ধ নেদেখুউৱাকৈ কোনো বস্তুৰ নাম মাত্ৰ উল্লেখ কৰিবলৈ হলে, তাত প্ৰথমা বিভক্তি হয়; কিন্তু বিভক্তিৰ চিন নাথাকে। যেনে, ঘৰ, বাৰী, পশু, পক্ষী, মানুহ, ইত্যাদি।

৪৩। দুজন বা অধিকৰ ভিতৰত পৰস্পৰৰ প্ৰতি পৰস্পৰে কাৰ্য্য কৰা বুজালে, প্ৰথমা বিভক্তি হয়। যেনে, লৰাই লৰাই দ্বন্দ্ব লাগিছে, গৰুৱে গৰুৱে যুজ লাগিছে।

৪৪। সম্বোধনত প্ৰথমা বিভক্তি হয়, কিন্তু বিভক্তিৰ চিন নাথাকে। যেনে, হে হৰি, হেৰি ডাঙৰীয়া, হেৰ ধনবৰ, ইত্যাদি।

৪৫। সংস্কৃত ব্যাকৰণৰ নিয়ম মতে সম্বোধনত আকাৰান্ত শব্দৰ আ মৰি এ হয়। যেনে, ৰাধা—ৰাধে, দুৰ্গা—দুৰ্গে।

ই-কাৰান্ত শব্দৰ ই মৰি এ হয়। যেনে, মুনি—মুনে।

ঈ-কাৰান্ত শব্দৰ ঈ মৰি ই হয়। যেনে, কালী—কালি।

উ-কাৰান্ত শব্দৰ উ মৰি ও হয়। যেনে, প্ৰভু—প্ৰভো।

ঊ-কাৰান্ত শব্দৰ ঊ মৰি উ হয়। যেনে, বধূ—বধু।

ঋ-কাৰান্ত শব্দৰ ঋ মৰি বিসৰ্গ হয়। যেনে, ভ্ৰাতৃ—ভ্ৰাতঃ।

এই দৰে ব্যঞ্জনান্ত শব্দৰো সম্বোধনত ভিন ভিন ৰূপ হয়, কিন্তু অসমীয়া ভাষাত নহয়। সংস্কৃত ব্যাকৰণৰ একেটা নিয়ম মাথোন অসমীয়া ভাষাত গ্ৰহণ কৰা দেখা যায়। সেই নিয়ম মতে অসমীয়াতো ঈ-কাৰান্ত স্ত্ৰীলিঙ্গ শব্দ সম্বোধনত ই-কাৰান্ত হয়। যেনে, আই সৰস্বতি! মোক বিদ্যা দান কৰক, হঞে আহিনি, ইত্যাদি। কিন্তু এইটো নিয়মো সৰ্ব্বত্ৰ চলা নাই। অনেক প্ৰসিদ্ধ লিখকৰ পুথিত ঈ-কাৰান্ত স্ত্ৰীলিঙ্গ শব্দৰ ঈ সম্বোধনতো ৰাখা দেখা যায়; আমাৰ মতেও ৰখা উচিত। কিয়নো, এই সম্বন্ধে অসমীয়াত সংস্কৃত ব্যাকৰণৰ কোনোটো নিয়মেই নচলে, এনে স্থলত এটা নিয়ম চলাবৰ কাৰণ দেখা নাযায়।

৪৬। ধন্য শব্দৰ যোগত বিশেষ্যত প্ৰথমা বিভক্তি হয়। যেনে, ধন্য তুমি, তুমি ধন্য, ধন্য তোমাৰ বুদ্ধি, তোমাৰ বুদ্ধি ধন্য।

দ্বিতীয়া বিভক্তি।

৪৭। আদি, অনুসৰি, পৰ্য্যন্ত শব্দৰ যোগত শব্দত দ্বিতীয়া বিভক্তি হয়। কিন্তু অনেক ঠাইত বিভক্তিৰ চিন নাথাকে। যেনে, ফুকনকে আদি কৰি সকলোৱে তাৰ কথা শুনি বিস্ময় মানিছিল, আজি (আজিক) পৰ্য্যন্ত গৌৰী-শিখৰলৈ, কেওঁ যাব পৰা নাই, আহিঁ (আহিঁক) অনুসৰি কাম কৰিলে কামত আউল নালাগে।

৪৮। ধিক্ শব্দৰ যোগত বিশেষ্যত দ্বিতীয়া বিভক্তি হয়। যেনে, তোৰ জীৱনক ধিক্! কিন্তু ধিক্ শব্দ আগত থাকিলে বিভক্তিৰ চিন লোপ হয়। যেনে, ধিক্ তোৰ জীৱন, ধিক্ তোৰ বিদ্যা।

যেতিয়া তেওঁক নেদেখা হল —
যেতিয়া তেওঁ নেদেখা হল —

৪৯। কেতিয়াবা ধন্য শব্দৰ যোগতো দ্বিতীয়া বিভক্তি হয়। যেনে, তোমাক ধন্য, তোমাৰ বুদ্ধিক ধন্য ( বিৰল )।

## তৃতীয়া বিভক্তি।

৫০। সৈতে শব্দৰ যোগত শব্দত তৃতীয়া বিভক্তি হয়। যেনে, মই গোপালেৰে সৈতে গৈছিলোঁ।

৫১। বিশেষ কৰি দেখুৱাবলৈ নাম শব্দ ব্যৱহাৰ হলে, তাতো তৃতীয়া বিভক্তি হয়। যেনে, হাহ-হূহূ নামে ( নামেৰে ) এজন গন্ধৰ্ব্ব আছিল।

## চতুৰ্থী বিভক্তি।

৫২। নমস্কাৰ, প্ৰণাম আৰু দণ্ডবৎ শব্দৰ যোগত শব্দত চতুৰ্থী বিভক্তি হয়। যেনে, আপোনাক নমস্কাৰ, সূৰ্য্যক প্ৰণাম, গুৰুক দণ্ডবৎ। এই এটাইবিলাকত চতুৰ্থীৰ অক বিভক্তি যোগ হৈছে। গুৰুলৈ দণ্ডবৎ, দেৱতালৈ প্ৰণাম, এনেকুৱাও হয়।

৫৩। যা, চা, পাহৰ আদি ধাতুৰ পৰা হোৱা ক্ৰিয়াৰ যোগতো চতুৰ্থী বিভক্তি হয়। যেনে, ঘৰলৈ গৈছে, মোলৈ পাহৰিলা, তোৰ মুখলৈ চাই পুতেৰক এইবাৰ ক্ষমা কৰিলোঁ।

৫৪। নিমিত্ত অৰ্থ বুজালেও চতুৰ্থী বিভক্তি হয়। যেনে, মোলৈ ( অৰ্থাৎ মোৰ নিমিত্তে ) ভাবিব নালাগে, তালৈ ভাত ৰান্ধিবা, ইত্যাদি।

## পঞ্চমী বিভক্তি।

৫৫। সীমা বুজালে শব্দত পঞ্চমী বিভক্তি হয়। যেনে, গুৱাহাটীৰ পৰা নগাৱঁলৈ ৭৫ মাইল। সি লৰাকালৰ পৰা বুধিয়ক।

৫৬। শুন আদি ক্রিয়াৰ যোগত পঞ্চমী বিভক্তি হয়। যেনে, তাৰ মুখৰ পৰা শুনিলোঁ।

৫৭। সিদ্ধা ক্রিয়া লোপ হলে শব্দত পঞ্চমী বিভক্তি হয়। যেনে, পৰ্ব্বতৰ টিঙৰ পৰা গোটেইখন দেশ দেখা যায়, অর্থাৎ পৰ্ব্বতৰ টিঙত উঠিলে। পৰ্ব্বতৰ পৰা চালোঁ, অর্থাৎ পৰ্ব্বতত উঠি চালোঁ।

৫৮। আৰম্ভণ বুজালেও পঞ্চমী বিভক্তি হয়। যেনে, সোমবাৰৰ পৰা পৰীক্ষা হব, অর্থাৎ আৰম্ভ হব।

## ষষ্ঠী বিভক্তি।

৫৯। কোনো বস্তুৰ লগত সম্বন্ধ বুজালে শব্দত ষষ্ঠী বিভক্তি হয়। যেনে, ঈশ্বৰৰ সৃষ্টি, গছৰ পাঁত, মোৰ হাত। ষষ্ঠী বিভক্তি হলে শব্দক সম্বন্ধ পদ বোলা যায়।

৬০। প্রতি, নিমিত্তে, কাৰণে, অর্থে, মতে, হতুৱাই, নিচিনা, দৰে, বাজে, বাহিৰ, ভিতৰ, অনুসাৰে, ইত্যাদি শব্দৰ যোগত শব্দত ষষ্ঠী বিভক্তি হয়। যেনে, দুখীয়াৰ প্রতি দয়ালু হবা, জ্ঞানৰ নিমিত্তে বিদ্যা আর্জিবা, তাৰ কাৰণে মই বিপদত পৰিলোঁ, ধনৰ অর্থে শ্রম কৰিলেহে ধন হয়, ৰামৰ

হতুৱাই চিঠি লিখালোঁ, গোপাল ৰামৰ নিচিনা নহয়, ঈশ্বৰৰ বাজে বিপদত তাৰোঁতা নাই, বৰষুণত ঘৰৰ বাহিৰ হব নোৱাৰি, গুণৰ ভিতৰত বিনয় ডাঙৰ, মধুৰ দৰে মানুহ পাবলৈ টান, বিধিৰ অনুসাৰে অনুষ্ঠান হোৱা উচিত।

৬১। বাজে শব্দৰ যোগত কেতিয়াবা সপ্তমী বিভক্তিও হয়। যেনে, এই মোৰ সৰ্ব্বস্ব, ইয়াত বাজে মোৰ আৰু একো নাই।

৬২। অনুসাৰে শব্দ পাচত থাকিলে শব্দত বিভক্তিৰ চিন প্ৰায় নাথাকে। যেনে, বিধি অনুসাৰে অনুষ্ঠান।

৬৩। অনুৰূপ অৰ্থতো শব্দত ষষ্ঠী বিভক্তি হয়। যেনে, বিদ্যাৰ সাগৰ, শোকৰ অগ্নি।

৬৪। পাচে, পাচত, পাচে পাচে, ওপৰত, আৰু উপৰি শব্দৰ যোগতো ষষ্ঠী বিভক্তি হয়। যেনে, তাৰ পাচত কি হল? তাৰ পাচে? গোপালৰ পাচে পাচে হৰি গৈছিল, কোনো কথাত আনৰ ওপৰত নিৰ্ভৰ কৰা উচিত নহয়, এই-বোৰ বস্তুৰ উপৰিও দুহেজাৰ ৰূপ দিছিল।

## সপ্তমী বিভক্তি।

৬৫। দুটা বস্তুৰ ভিতৰত এটা আনটোতকৈ ভাল বা বেয়া দেখুৱাবলৈ সপ্তমী বিভক্তি হয়। সপ্তমী বিভক্তি হোৱাৰ পাচত তাত এটা কৈ শব্দ যোগ হয়। যেনে, ৰামতকৈ হৰি ভাল, হৰিতকৈ কৃষ্ণ বিদ্যাৱন্ত, পাৰতকৈ হাঁহ লেতেৰা বস্তু।

৬৬। বিনে আৰু বিনা শব্দৰ যোগত শব্দত সপ্তমী বিভক্তি হয়। যেনে, ঈশ্বৰত বিনে তাৰোঁতা নাই। বিনা ধনে কোনো কাম নিসিজে, (সপ্তমীৰ অত কেতিয়াবা এ হয়)।

৬৭। উঠ, পৰ, বহ, ধৰ, কোবা আদি ক্রিয়াৰ যোগত শব্দত সপ্তমী বিভক্তি হয়। যেনে, গছত উঠ, হাতীত উঠ, মাটিত পৰিল, পানীত পৰিল, পিৰাত বহিছে, হাতত ধৰ, চুলিত ধৰ, মূৰত কোবা।

হাতত সাৰে ভৰিত সাৰে, দোপত দোপে, দিনক দিনে, কথাক কথাই, তিৰীক তিৰী, এইবিলাক খণ্ড বাক্যত থকা শব্দবিলাকৰ বিভক্তি মনত ৰাখা উচিত।

বিশেষণ—সৰ্ব্বনাম।

৬৮। যিবিলাক সৰ্ব্বনাম শব্দে সংজ্ঞা শব্দবিলাকৰ ভিতৰত প্ৰভেদ দেখুৱায়, সিহঁতক বিশেষণ সৰ্ব্বনাম বোলে।

৬৯। বিশেষণ সৰ্ব্বনাম প্ৰায়বিলাকেই, ই, সি, যি, আৰু কোন ব্যক্তিবোধক সৰ্ব্বনামৰ ৰূপভেদ, অৰ্থাৎ সেই-বিলাক সৰ্ব্বনামৰ পৰা উৎপন্ন হোৱা শব্দ।

৭০। ই সৰ্ব্বনামৰ পৰা উৎপন্ন :—ই, এই, এইয়া, এনে, এনেকুৱা, ইমান, এতেক।

৭১। সি সৰ্ব্বনামৰ পৰা উৎপন্ন :—সি, সেই, সেইয়া, সৌ, সৌৱা, তেনে, তেনেকুৱা, সিমান, তিমান, তেতেক।

৭২। যি সৰ্ব্বনামৰ পৰা উৎপন্ন :—যি, যোন, যেই, যেনে, যেনেবা, যেনেকুৱা, যিমান, যেতেক।

৭৩। কোন সৰ্ব্বনামৰ পৰা উৎপন্ন :—কোন, কোনো, কোনোবা, কি, কেই, কেনে, কেনেবা, কেনেকুৱা, কিমান, কেতেক।

৭৪। এইবিলাকৰ বাজে আৰু বিশেষণ সৰ্ব্বনাম :—অকল, স্বয়ং, আপোন, অন্য, আন, সকলো, আটাই বা এটাই, কিছু, কিছুমান, কিঞ্চিৎ, কিঞ্চিৎমান।

৭৫। বিশেষণ সৰ্ব্বনাম সদায় এটা সংজ্ঞা শব্দৰ আগত থাকে। সেই সংজ্ঞা শব্দ বাক্যত প্ৰায় প্ৰকাশ থাকে, কেতিয়াবা উহ্যও থাকিব পাৰে।

৭৬। স্বয়ং আৰু আপোন সৰ্ব্বনামত বাজে আনবিলাক সৰ্ব্বনাম সদায় তৃতীয় পুৰুষ। স্বয়ং আৰু আপোন যি সংজ্ঞা শব্দৰ আগত থাকে, সেই সংজ্ঞা শব্দৰ পুৰুযেই সিহঁতৰ পুৰুষ হয়। বিশেষণ সৰ্ব্বনামৰ লিঙ্গ নাই।

৭৭। এইয়া, সেইয়া, সোৱা, যেই, কেই, যেনেবা, অকল, স্বয়ং, কিছু, কিছুমান, কিঞ্চিৎ, কিঞ্চিৎমান, এই কেইটাত বাজে বাকীবিলাক বিশেষণ সৰ্ব্বনাম হুয়ো বচনত ব্যৱহাৰ হয়।

৭৮। বিশেষণ সৰ্ব্বনাম বহুবচন হলে, তাৰ সংজ্ঞা শব্দ একবচনৰ ৰূপত থাকে। যেনে, এনে লৰা, এনেবিলাক লৰা, যি লৰাই, যিবিলাক লৰাই।

৭৯। কিছু আৰু কিছুমান সদায় বহুবচন, আৰু সিহঁত

সংখ্যা আৰু পৰিমাণ বুজুৱা দুয়োবিধ সংজ্ঞা শব্দৰ লগত থাকে। যেনে, কিছু বা কিছুমান মানুহ, কিছু বা কিছুমান লোণ।

৮০। কিঞ্চিৎ আৰু কিঞ্চিৎমান সদায় বহুবচন, কিন্তু সিহঁত কেৱল পৰিমাণ বুজুৱা সংজ্ঞা শব্দৰ লগত থাকে। যেনে, কিঞ্চিৎ বা কিঞ্চিৎমান লোণ।

৮১। আটাই বা এটাই সৰ্ব্বনামত বহুবচনৰ চিন যোগ নহলেও সংজ্ঞা শব্দ ভাবত বহুবচন হয়। যেনে, আটাই মানুহে, অৰ্থাৎ মানুহ জাতিয়ে। আটাইবিলাক মানুহে বুলিলে, প্ৰায় বিশেষ দেশৰ বা জাতিৰ মানুহে বুজায়।

৮২। কোন, কি, কেই, কেনে, কেনেকুৱা, আৰু কিমান সৰ্ব্বনাম প্ৰশ্ন বাক্যত বা প্ৰশ্নৰ ভাব থকা বাক্যত মাথোন ব্যৱহাৰ হয়। যেনে, কোন মানুহ? কি কথা? কেনেকুৱা ৰূপ? কিমান দিন?

৮৩। কেই সৰ্ব্বনামত টা, জন, ডাল আদি তদ্ধিত প্ৰত্যয় যোগ হয়, আৰু অন্তত কেতিয়াবা মান শব্দ লগোৱা হয়। যেনে, কেইটা বা কেইজন মানুহ? কেইডাল গছ? কেইজনমান মানুহ আছিল?

৮৪। কেই সৰ্ব্বনাম প্ৰশ্ন বা প্ৰশ্নৰ ভাব নথকা বাক্যতো ব্যৱহাৰ হব পাৰে, কিন্তু তেতিয়া অন্তত মান শব্দ যোগ নহৈ নাথাকে। যেনে, তাত কেইটামান লৰাও দেখিছিলোঁ।

৮৫। ই, সি, যি, কোন, কোনো, কোনোবা, সকলো,

এইবিলাক সৰ্ব্বনামৰ পাচত সংজ্ঞা শব্দ নাথাকিলে, সিহঁত ব্যক্তিবোধক সৰ্ব্বনাম হয়।

৮৬। ই আৰু সি একবচনত কেৱল নিৰ্জীৱ বস্তুতহে ব্যৱহাৰ হয়, বহুবচনত সজীৱ নিৰ্জীৱ দুয়োতে ব্যৱহাৰ হব পাৰে। যেনে, ই পুৰি, সি পুৰি, কিন্তু ইবোৰ গাখীৰ, ইবোৰ লৰা, সিবোৰ পানী, সিবোৰ মানুহ।

৮৭। আপোন বিশেষণ-সৰ্ব্বনামৰ বহুবচনৰ ৰূপ নাই। বহুবচনতো তাৰ ব্যক্তিবোধক-সৰ্ব্বনাম আপোনৰ একবচনৰ ৰূপৰ নিচিনা ৰূপ হয়। কিন্তু সংজ্ঞা শব্দৰ যি কাৰক, তাৰো সেই কাৰক হয়। যেনে, মই আপুনি দিছিলোঁ, মোৰ আপোনাৰ ভাই, সিহঁতে আপুনি যাব, তোমালোকৰ আপোনাৰ ঘৰ।

৮৮। এইয়া, সেইয়া, সৌৱা, এই কেইটা বিশেষণ-সৰ্ব্বনামৰ লগত সংজ্ঞা শব্দ প্ৰকাশ নাথাকে।

৮৯। প্ৰায় বিশেষণ-সৰ্ব্বনামৰ পাচত একবচনত টো, জন, ডাল আদি তদ্ধিত প্ৰত্যয় যোগ হয়, কিন্তু এইয়া, সেইয়া, সৌৱা, অকল, স্বয়ং, কিছু, কিছুমান, কিঞ্চিৎ, কিঞ্চিৎ-মান এই কেইটা সৰ্ব্বনামত যোগ নহয়।

৯০। এটা বিশেষণ-সৰ্ব্বনাম দুবাৰ উক্ত হলে, তাৰ সংজ্ঞা শব্দ ভাবত বহুবচন হয়। যেনে, কোনো কোনো পণ্ডিতে বিধৱাৰ বিবাহ শাস্ত্ৰসঙ্গত বুলি কয়, অৰ্থাৎ কিছুমান পণ্ডিতে।

৯১। টি, খিনি, ফেৰি আদি তদ্ধিত প্ৰত্যয়, বা বহু-বচনৰ চিন, বা বেলি বা পৰ শব্দ পাচত থাকিলে, এতেক, তেতেক, কেতেক, আৰু যেতেক সৰ্ব্বনামৰ শেষৰ ক লোপ হয়। যেনে, এতেটি চাউল, এতে বেলি, এতে পৰ, কেতে বেলি, কেতে পৰ, যেতে ফেৰি, এতেবোৰ, তেতেবিলাক, ইত্যাদি।

৯২। বহুবচনৰ চিন বোৰ, বিলাক যোগ হলে কেতেক শব্দ কেত্ হয়। যেনে, কেত্বোৰ, কেত্বিলাক।

## কালবোধক—সৰ্ব্বনাম।

৯৩। যিবিলাক সৰ্ব্বনাম শব্দে সময় বুজায় সিহঁতক কালবোধক-সৰ্ব্বনাম বোলে।

৯৪। কালবোধক সৰ্ব্বনামঃ—এতিয়া, তেতিয়া, কেতিয়া, যেতিয়া, কাহানি, তাহানি, অথনি, আজি, কালি, পৰশুই বা পৰহি।

৯৫। কালবোধক সৰ্ব্বনাম দ্বিতীয়া, তৃতীয়া, চতুৰ্থী, পঞ্চমী, আৰু ষষ্ঠী বিভক্তিত ব্যৱহাৰ হয়। যেনে, এতিয়াৰে সৈতে আগৰ দিন একে নহয়, এতিয়াৰ পৰা লিখিলেহে লিখি অঁতাব পাৰিবা, তাহানিৰ কথা মনত আছে নে? এতিয়াক তেতিয়া যেন নাভাবিবা। তেতিয়ালৈ সি যাবই।

৯৬। বিভক্তি যোগ নহলে কালবোধক-সৰ্ব্বনাম ক্রিয়া-বিশেষণ হয়। যেনে, সি কালি গল, কাহানি আহিলা?

## স্থানবোধক—সৰ্ব্বনাম।

৯৭। যিবিলাক সৰ্ব্বনাম শব্দে ঠাই বুজায়, সিহঁতক স্থানবোধক-সৰ্ব্বনাম বোলে।

৯৮। স্থানবোধক-সৰ্ব্বনাম ঃ—ইয়ালৈ, ইয়াৰ পৰা, ইয়াৰ, ইয়াত, তালৈ, তাৰপৰা, তাৰ, তাত, তলৈ, তৰপৰা, তৰ, তত, কলৈ, কৰপৰা, কৰ, কত, যলৈ, যৰপৰা, যৰ, যত, অলৈ, অৰপৰা, অৰ, অত।

৯৯। প্ৰথমা, দ্বিতীয়া, আৰু তৃতীয়া বিভক্তিত স্থান-বোধক-সৰ্ব্বনামৰ ব্যৱহাৰ নাই।

১০০। স্থানবোধক আৰু কালবোধক-সৰ্ব্বনামত চতুৰ্থীৰ লৈ বিভক্তিৰ পাচত কে যোগ দিলে, পৰ্য্যন্ত অৰ্থ হয়। যেনে, ইয়ালৈকে=এই ঠাই পৰ্য্যন্ত, তালৈকে=সেই ঠাই পৰ্য্যন্ত, তেতিয়ালৈকে=সেই সময় পৰ্য্যন্ত, যেতিয়ালৈকে=যি সময় পৰ্য্যন্ত।

# ষষ্ঠ অধ্যায়।

# বিশেষণ।

১। যিবিলাক শব্দে বিশেষ্যৰ গুণ প্ৰকাশ কৰে, সিহঁতক বিশেষণ বোলে। যেনে, তপত পানী। ইয়াত তপত শব্দ-টোৱে পানীৰ এটা বিশেষ গুণ প্ৰকাশ কৰিছে, এতেকে সি পানী বিশেষ্যৰ বিশেষণ।

২। বিশেষণত বিভক্তি যোগ নহয়, বিশেষ্যটোৰ যি বিভক্তি, তাৰো সেই বিভক্তি বুলি ধৰা হয়।

৩। পুংলিঙ্গত আৰু স্ত্ৰীলিঙ্গত বিশেষণৰ ৰূপ ভিন ভিন হয়, ক্লীবলিঙ্গত নহয়, তাৰ পুংলিঙ্গৰ ৰূপেই ক্লীবলিঙ্গৰ ৰূপ। যেনে, সুন্দৰ লৰা, সুন্দৰী ছোৱালী, সুন্দৰ পৰ্ব্বত।

সংজ্ঞা শব্দৰ লিঙ্গ পৰিবৰ্ত্তনৰ বিষয়ে যিবিলাক নিয়ম আগত দিয়া হৈছে, সেইবিলাক নিয়মেই সম্ভৱমতে বিশেষণতো খাটে। এতেকে সিহঁতক তুনাই ইয়াত উক্তি কৰিবৰ প্ৰয়োজন নাই। নিয়ম সম্বন্ধে কেৱল এটা কথা মাথোন উল্লেখৰ যোগ্য।

৪। অসমীয়া পুংলিঙ্গ শব্দ স্ত্ৰীলিঙ্গ কৰিবলৈ হলে, তাৰ অন্তত প্ৰায়েই ঈ-কাৰ যোগ হয়। ঈ-কাৰ যোগ হলে শব্দৰ

শেষৰ স্বৰ লোপ হয়, আৰু শব্দৰ আদিত অ-কাৰ থাকিলে সি আ-কাৰ হয়, আৰু ও কাৰ থাকিলে উ-কাৰ হয়। যেনে,

| পুংলিঙ্গ | স্ত্ৰীলিঙ্গ | পুংলিঙ্গ | স্ত্ৰীলিঙ্গ |
|---|---|---|---|
| বগা | বগী | অজলা | আজলী |
| মুগা | মুগী | অঁকৰা | আঁকৰী |
| বুঢ়া | বুঢ়ী | পৰলা | পাৰলী |
| মেচা | মেচী | কঁজলা | কাঁজলী |
| কুঁজা | কুঁজী | কনা | কানী |
| মেনা | মেনী | খঁৰা | খাঁৰী |
| কলা | কলী | খোনা | খুনী |
| টেঙ্গৰ | টেঙ্গৰী | লোধোমা | লুধুমী |
| | | লোদোৰা | লুদুৰী |

এই উদাহৰণবিলাকৰ কিছুমান সংজ্ঞা শব্দৰ লিঙ্গ পৰিবৰ্ত্তনৰ উদাহৰণৰ ভিতৰত পৰিছে। অনেক সময়ত বিশেষণ শব্দ বাক্যত বিশেষ্যৰূপে ব্যৱহাৰ হয়। সেইবিলাক শব্দ যদিও আচলত বিশেষণ, তাত সিইতক বিশেষ্য পদ বুলি ধৰিব লাগে।

৫। কোনো কোনো বিশেষণ শব্দৰ স্ত্ৰীলিঙ্গত ৰূপ একেবাৰে বেলেগ হয়। যেনে, পুং ৰঙ্গা স্ত্ৰী ৰাঙ্গলী, পুং কলা স্ত্ৰী কালৰী, পুং বেঙা স্ত্ৰী বেঙেৰী ইত্যাদি।

৬। কোনো কোনো বিশেষণ শব্দৰ স্ত্ৰীলিঙ্গত ৰূপ ভিন নহয়। যেনে, ভাল, বেয়া, ওখ, চাপৰ, সৰু, ডাঙৰ ইত্যাদি।

৭। সংখ্যাবোধক বা বিশেষণ শব্দ আগত যোগ হলে

বিশেষ্যও বিশেষণ হয়। যেনে, একলহ পানী, এজাক গৰু, এঘৰ মানুহ, মহাপ্ৰাণ বৰ্ণ, অলপ ভাগ সম্পত্তি ইত্যাদি। স্ত্ৰীলিঙ্গত ইহঁতৰ ৰূপ ভিন নহয়।

৮। কেতিয়াবা বিশেষ্য শব্দও বিশেষণ স্বৰূপে ব্যৱহাৰ হয়। যেনে, পানী কেচুৱা, গাধ লৰা, লাতুৰ চৰণ ইত্যাদি।

৯। বাক্যত বিশেষণ বিশেষ্য পদৰ পাচত ব্যৱহাৰ হলে, তাত স্ত্ৰীলিঙ্গৰ চিন প্ৰায় নাথাকে। যেনে, ছাগলীজনী কলা, ছোৱালীজনী আঁকৰা। কিন্তু কলী ছাগলী; আঁকৰী ছোৱালী।

১০। বস্তুৰ গুণৰ হীনডেঢ়ি বুজাবলৈ সংস্কৃত ভাষাত, দুটাৰ ভিতৰত হলে বিশেষণৰ পাচত তৰ আৰু সৰহৰ ভিতৰত হলে তম যোগ কৰা হয়। যেনে, গুৰুতৰ গুৰুতম, উচ্চতৰ উচ্চতম, শুভ্ৰতৰ শুভ্ৰতম ইত্যাদি।

অসমীয়া ভাষাত সাধাৰণতঃ বস্তুৰ গুণৰ হীনডেঢ়ি প্ৰকাশ কৰিবলৈ বিশেষণত তৰ আৰু তম যোগ নহয়। তাত হীন বস্তুটোৰ নামত কৈ যোগ দি তেনেকুৱা ভাব প্ৰকাশ কৰা হয়। যেনে, ৰাঙত্‌কৈ সোণ গধুৰ, লো সকলো ধাতুতকৈ গধুৰ ধাতু। কিন্তু গহীন ভাবৰ অসমীয়াত কেতিয়াবা তৰ, তম বিশেষণত যোগ হয়। যেনে, এইটো সিটোতকৈ গুৰুতৰ বিষয়, পৃথিবীৰ ভিতৰত হিমালয় উচ্চতম গিৰি।

## বিশেষণীয় বিশেষণ।

১১। বিশেষণৰ গুণৰ হীনডেঢ়ি বুজাবলৈ যি বিশেষণ ব্যৱহাৰ কৰা হয়, তাক বিশেষণীয় বিশেষণ বোলে। যেনে,

লৰাটো নিচেই চেৰেলা, মানুহ গৰাকী বৰ কট্‌কিনা। ইয়াত নিচেই আৰু বৰ বিশেষণীয় বিশেষণ, কাৰণ নিচেই শব্দ চেৰেলা বিশেষণৰ, আৰু বৰ শব্দ কট্‌কিনা বিশেষণৰ আগত থাকি সিহঁতৰ হীনডেঢ়ি প্ৰকাশ কৰিছে।

১২। এনে, তেনে, কেনে, যেনে, এনেকুৱা, তেনেকুৱা আদি কিছুমান বিশেষণ-সৰ্ব্বনাম শব্দকো বিশেষণীয় বিশেষণ স্বৰূপে ব্যৱহাৰ কৰা হয়। যেনে, এনে বেয়া কথা, এনেকুৱা টান পুথি।

## ক্ৰিয়া বিশেষণ।

১৩। ক্ৰিয়াৰ গুণ, সময় বা ঠাই বুজাবলৈ যি শব্দ ব্যৱহাৰ কৰা যায়, তাক ক্ৰিয়া বিশেষণ বোলে। যেনে, খৰকৈ বুলিবা, সোনকালে আহিবা, তালৈ নাযাবা। ইয়াত খৰকৈ শব্দে বুলিবা ক্ৰিয়াৰ গুণ, সোনকালে শব্দে আহিবা ক্ৰিয়াৰ সময় আৰু তালৈ শব্দে নাযাবা ক্ৰিয়াৰ ঠাই বুজাইছে, এতেকে খৰকৈ, সোনকালে আৰু তালৈ ক্ৰিয়া বিশেষণ।

১৪। আন এটা ক্ৰিয়াবিশেষণৰ গুণ বুজাবলৈ যি শব্দ ব্যৱহাৰ কৰা যায় তাকো ক্ৰিয়া বিশেষণ বোলে। যেনে, বৰ খৰকৈ নপঢ়িবা। ইয়াত বৰ শব্দে খৰকৈ ক্ৰিয়া বিশেষণৰ গুণ বুজাইছে। এতেকে সি ক্ৰিয়া বিশেষণ।

১৫। প্ৰচলিত ক্ৰিয়া বিশেষণঃ—পুনৰ, পুনৰায়, আকৌ, তুনাই, অকস্মাৎ, হঠাৎ, আচম্বিতে, আগে, আগেয়ে, আগৈ,

To this page 30.9.26

পাচে, সোনকালে, ততালিকে, অথনি, হবলা, অতি, অতিশয়, অতিপাত, মাথোন, ন, নৌ, সদায়, নিতৌ, দিনৌ, দিনা, কেনৈ, কিয়, কতবা, যেনি, কেনি, তেনি, কেনিবা, কদাচিত, কাচিত, তেন্তে, বৰং, আজি, কালি, পৰশুই বা পৰহি, ইত্যাদি।

১৬। পুৰণি অসমীয়া পদ্যত ব্যৱহাৰ হোৱা ক্রিয়া বিশেষণ ঃ—যাৱত, তাৱত, যাৱতে, তাৱতে, যৈসানি, তৈসানি, ইত্যাদি।

১৭। বিশেষণত আৰু কোনো কোনো বিশেষণ-সৰ্ব্ব-নামত কৈ, ভাবে, ৰূপে, দৰে, আদি শব্দ যোগ দিলে সি ক্রিয়া বিশেষণ হয়। যেনে, ভাল—ভালকৈ, ভালভাবে, ভালৰূপে, ভালদৰে ; এনে—এনেকৈ, এনেভাবে, এনেৰূপে, এনেদৰে ইত্যাদি।

১৮। বিশেষণ শব্দত একাৰ যোগ দিলে সি ক্রিয়া বিশেষণ হয়। যেনে, ভাল—ভালে আছিল, কুশল—কুশলে আছে, অকলশৰ—অকলশৰে নাযাবা, ইত্যাদি।

১৯। কেতিয়াবা ক্রিয়া বিশেষণ দুবাৰ উক্ত কৰা হয়। যেনে, ভালে ভালে, মনে মনে, শীঘ্রে শীঘ্রে, ইত্যাদি।

২০। কেতিয়াবা বিশেষ্য শব্দত একাৰ যোগ দিও ক্রিয়া বিশেষণ কৰা হয়। এনেকুৱা ক্রিয়া বিশেষণ প্রায় দুবাৰ উক্ত হয়। যেনে, দিন—দিনে দিনে, বাৰ—বাৰে বাৰে, মন—মনে মনে, কাণ—কাণে কাণে, ইত্যাদি।

২১। অনুকাৰ ( অনুকাৰ শব্দৰ সূত্ৰ চোৱাঁ ) শব্দত আই যোগ দিলে সি ক্ৰিয়া বিশেষণ হয়। যেনে, গিৰিস্—গিৰিসাই, টপৰ—টপৰাই, টঙৰ—টঙৰাই।

২২। অথনি আৰু কালি কেৱল অতীত কালৰ ক্ৰিয়াৰ লগত ব্যৱহাৰ হয়। ভবিষ্যৎ কালৰ ক্ৰিয়াৰ লগত ব্যৱহাৰ কৰিলে অথনি অথনিকৈ, আৰু কালি কালিলৈ হয়। যেনে, অথনি আহিল, অথনিকৈ আহিবা, কালি গৈছিলোঁ, কালিলৈ যাম।

২৩। পৰিমিত শব্দ এই বা সেই বিশেষণ-সৰ্ব্বনামৰ পাচত থাকিলে ক্ৰিয়া বিশেষণ হয়। যেনে, সি এই পৰিমিত কামত হাত দিয়া নাই।

# সপ্তম অধ্যায়।

——:*:——

## সংখ্যাবোধক শব্দ।

১। যিবিলাক শব্দে বস্তুৰ লেখ বুজাই, সিহঁতক সংখ্যাবোধক শব্দ বোলে। যেনে, এক, দুই, তিনি, চাৰি, প্ৰথম, দ্বিতীয়, তৃতীয়, চতুৰ্থ, ইত্যাদি। সংখ্যাবোধক শব্দৰ লিঙ্গ ভেদ কৰা নহয় আৰু সিহঁতত বিভক্তি যোগ নহয়।

২। আদিত ব্যঞ্জনবৰ্ণ থকা শব্দৰ আগত বহিলে এক, দুই আৰু ছয় সংখ্যাবোধক শব্দৰ শেষৰ আখৰ প্ৰায়েই লোপ হয়। যেনে, এটকা, দুটকা, ছটকা। সেই আদিত থকা ব্যঞ্জনবৰ্ণত ও-কাৰ যোগ থাকিলে দুৰ উ-কাৰ ও-কাৰ হয়; যেনে, দোতোলা, দোমোনা, দোদোন, দোমোন, দোপোণ।

৩। আদিত স্বৰবৰ্ণ থকা শব্দৰ আগত বহিলে এক শব্দৰ ক লোপ নহয়; যেনে, এক অনা, এক উপায়। কিন্তু দু-অনা, ছ-অনা, ছ-অঁৰা।

৪। ট, ড, ত আৰু দ আদিত থকা শব্দৰ আগত বহিলে তিনি সংখ্যাবোধক শব্দৰ শেষৰ ই-কাৰ লোপ হয়; যেনে, তিনটা, তিন টকা, তিন ডাল, তিন ডলা, তিন তলা, তিন দিন।

৫। আষাৰ শব্দৰ আগত এক বহিলে একৰ ক আৰু আষাৰৰ আ কেতিয়াবা লোপ হয়। যেনে, এক আষাৰ কথা কৈ যাওঁ বা এ'যাৰ কথা কৈ যাওঁ।

## অব্যয় শব্দ।

৬। যিবিলাক শব্দৰ ৰূপ নলৰে আৰু বিভক্তি বচন বা লিঙ্গ নাই, সিহঁতক অব্যয় শব্দ বোলে। অব্যয় শব্দ আঠ বিধ :—যোজক, পৃথকবোধক, সন্দেহবোধক, ভাববোধক, আনুষঙ্গিক, সম্বোধনার্থক, প্রশ্নার্থক আৰু সমিধানবোধক।

(১) যোজক অব্যয়।

৭। যিবিলাক অব্যয় শব্দে এটা বা সৰহ পদ বা বাক্য যোগ লগায়, সিহঁতক যোজক অব্যয় বোলে। যোজক অব্যয় :—আৰু, এবং, ও, অথচ, যেনে, কাৰণ, কাৰণে, নিমিত্তে, হেতু, হেতুকে, এতেকে, অতএব, কিয়নো, দেখি, তেন্তে, তেনেহলে, গতিকে, ইত্যাদি।

৮। কাৰণে, নিমিত্তে, হেতু, হেতুকে আৰু দেখি অব্যয় শব্দৰ আগত সদায় এই, সেই, কি, যি বিশেষণ-সৰ্ব্বনাম ব্যৱহাৰ হয়। যেনে, এই কাৰণে মই নগলোঁ, সেই নিমিত্তে সি নাহিল, কি হেতু নাহিল কব নোৱাৰোঁ, সেই দেখি সি নগল, ইত্যাদি।

আৰু, এবং, ও অব্যয় শব্দৰ অৰ্থ একে হলেও সিহঁতৰ ব্যৱহাৰৰ নিয়ম বেলেগ। ও ওপৰঞ্চি ভাবত ব্যৱহাৰ হয়। আৰু, বা এবং, তেনে

ভাবত ব্যৱহাৰ নহয়। আৰু বা এবং শব্দে যি দুটা পদ বা বাক্যক লগ লগায়, সিহঁত দুয়োকো বিশেষৰূপে প্ৰকাশ কৰে, কিন্তু ও শব্দে এটাক মাথোন প্ৰকাশ কৰে। যেনে, সি আৰু মই গৈছিলোঁ। ইয়াত সি আৰু মই দুয়ো পদ বিশেষৰূপে প্ৰকাশ পাইছে। কিন্তু ময়ো গৈছিলোঁ, এই বাক্যত মই পদ মাথোন প্ৰকাশ পাইছে, অৰ্থাৎ আন কোনোবাও গৈছিল, তাৰ ওপৰঞ্চিও মই গৈছিলোঁ। দুটা বা সৰহ পদ প্ৰকাশ কৰিবলৈ হলে, সিহঁতৰ প্ৰত্যেকটোতে ও যোগ দিব লাগে আৰু ক্ৰিয়া পদ বাৰে বাৰে উক্ত কৰিব লাগে। যেনে, সিও গৈছিল, ময়ো গৈছিলোঁ ; গোপালো গৈছিল, হৰিও গৈছিল ; সি তাকো মাৰিলে, মোকো মাৰিলে ; ইত্যাদি। সি ও মই গৈছিলোঁ, গোপাল ও হৰি গৈছিল, গোপালক ও হৰিক মাৰিলে, এনে বাক্য অসমীয়াত নহয়। এইবিলাক ও শব্দৰ ঠাইত এবং বা আৰু ব্যৱহাৰ হয়।

৯। ও অব্যয় শব্দ বাক্যত গুটীয়া শব্দ হৈ নবহে। সি যি পদক প্ৰকাশ কৰে, সেই পদত যোগ হৈ বহে। ব্যঞ্জনান্ত শব্দৰ পাচত বহিলে ও শব্দটোৰ শেষ ব্যঞ্জনত যোগ হয়। যেনে, মানুহ্ + ও, মানুহো ; বান্দৰ + ও, বান্দৰো। মানুহও বা বান্দৰও নহয়।

১০। স্বৰান্ত শব্দৰ পাচত বহিলে ও শব্দটোৰ শেষ বৰ্ণ হৈ থাকে। যেনে, গাধ + ও, গাধও ; পাৰ + ও, পাৰও ; লৰা + ও, লৰাও ; পুথি + ও, পুথিও ; বন্ধু + ও, বন্ধুও ; পিতৃ + ও, পিতৃও ; মানুহে + ও, মানুহেও ; তাৰৈ + ও, তাৰৈও ; মনো + ও, মনোও।

১১। ও অব্যয় যোগ হলে শব্দৰ শেষৰ অকলশৰীয়া ই, ঈ মৰি য় হয়, আৰু ও মৰি ৱ হয় আৰু অব্যয় ও সেই 'য়'ত বা 'ৱ'ত যোগ হয়, যেনে, মই+ও, ময়ো; তই+ও, তয়ো; দুই+ও, দুয়ো; লৰাই+ও, লৰায়ো; গাওঁ+ও, গাৱোঁ; নাও+ও, নাৱো; তেওঁ+ও, তেৱোঁ; ইত্যাদি।

ও এটা স্বৰবৰ্ণ, ইয়াক আন এটা স্বৰবৰ্ণৰ লগত যোগ দিব নোৱাৰি। সেই দেখি শব্দৰ শেষত গুটীয়া স্বৰবৰ্ণ থাকিলে তাক তাৰ নি চনা উচ্চাৰণ হোৱা কোনো ব্যঞ্জনবৰ্ণত পৰিণত কৰি লৈ সেই ব্যঞ্জনবৰ্ণত ও যোগ দিয়া হয়। মই তই এইবোৰ শব্দৰ শেষত গুটীয়া ই আছে, তাত ও-কাৰ যোগ দিব নোৱাৰি। সেই দেখি ই-কাৰটোক তাৰ অনুৰূপ ব্যঞ্জনবৰ্ণ 'য়'ত পৰিণত কৰি তাত ও-কাৰ যোগ দি ময়ো তয়ো কৰা হয়। সেই দৰে শব্দৰ শেষত ও থাকিলেও তাক তাৰ অনুৰূপ ব্যঞ্জনবৰ্ণ ৱত পৰিণত কৰি লৈ তাত ও-কাৰ যোগ দিয়া হয়। তেৱোঁ, গাৱোঁ শব্দ এই দৰেই সিদ্ধ হৈছে। এতেকে মইও, তইও লিখা উচিত নহয়। কিন্তু ই কোনো শব্দৰ অংশ নহৈ নিজে এটা শব্দ হলে, সেই ই 'য়'ত পৰিণত নহয়; যেনে (ব্যক্তিবোধক সৰ্ব্বনাম) ই+ও, ইও অৰ্থাৎ এই বস্তু বা মানুহটোও।

## (২) পৃথক্‌বোধক অব্যয়।

১২। যিবিলাক অব্যয় শব্দে দুটা বা সৰহ পদ বা বাক্যৰ অৰ্থ পৃথক্ কৰি দেখুৱায়, সিহঁতক পৃথক্‌বোধক অব্যয় বোলে। পৃথক্‌বোধক অব্যয়ঃ—বা, নাইবা, অথবা, কিম্বা, নতুবা, কি, কিন্তু, তদপি, তথাপি, তেও, বিশেষ,

বিশেষত, বিশেষতঃ। দুটা বা তিনটা লৰা আহিলেই হব। ইয়াত বা অব্যয় শব্দে দুটা লৰা আৰু তিনটা লৰা, এই দুই কথাক ভিন ভিন কৰি দেখুৱাইছে, অৰ্থাৎ হয় দুটা লৰা নহয় তিনটা লৰা আহিলেই হব। এই দৰে দুটা কি তিনটা লৰা আহিব, মই ইমানকৈ মাতিছিলো তেও তুমি নাহিলা। এই দুই বাক্যৰ কি আৰু তেও পৃথক্‌বোধক অব্যয়।

( ৩ ) সন্দেহবোধক অব্যয়।

১৩। যিবিলাক অব্যয় শব্দে কোনো কথাৰ অনিশ্চয়তা দেখুৱায়, সিহঁতক সন্দেহবোধক অব্যয় বোলে। সন্দেহ-বোধক অব্যয়ঃ—যদি, যদ্যপি, যদিস্যাৎ, কিজানি, জানোচা, ইত্যাদি। যদি মই যাওঁ তেন্তে তোমাকো লগত নিম। ইয়াত যদি অব্যয় শব্দে মই যোৱা কথাৰ অনিশ্চয়তা দেখুৱাইছে, অৰ্থাৎ মই যাওঁ নে নাযাওঁ ঠিকনা নাই। এতেকে যদি সন্দেহবোধক অব্যয়। সেই দৰে, কিজানি সি আহে, বা জানোচা সি আহে। এই দুই বাক্যত সি অহা কথা অনিশ্চিত হৈছে।

( ৪ ) ভাববোধক অব্যয়।

১৪। যিবিলাক অব্যয় শব্দে সুখ, দুখ, আশ্চৰ্য্য আদি মনৰ ভাব প্ৰকাশ কৰে, সিহঁতক ভাববোধক অব্যয় বোলে। ভাববোধক অব্যয়ঃ—হাঁয়, হাঁয় হাঁয়, আহ্, ইঃ, ইচ্, উঃ, উস্, ঔ, আও, হাও, ছিঃ, ছিছি ইত্যাদি। আঃ! কি সুন্দৰ

ফুল, হাঁয়! মাউৰা ছোৱালীকণক এতিয়া কোনে তুলিব। আও! কি ধঞ্জয় সাপ। ইয়াত আঃ শব্দে সুখৰ, হাঁয় শব্দে দুখৰ, আৰু আও শব্দে আশ্চৰ্য্যৰ ভাব প্ৰকাশ কৰিছে। এতেকে সিহঁত ভাববোধক অব্যয়।

১৫। কেতিয়াবা সংজ্ঞা শব্দও ভাববোধক অব্যয় স্বৰূপে ব্যৱহাৰ হয়। যেনে, হৰি হৰি! ভেলৰ কি বিলাই, শ্ৰীবিষ্ণু! এনে কথা শুনিব নাপায়।

১৬। কেতিয়াৱা এফাঁকি কথাও ভাববোধক অব্যয় স্বৰূপে ব্যবহাৰ হয়। যেনে, আই ঔ দেহি! লৰাটি পৰিল, দেহি ঐ! তই কলৈ গলি!

( ৫ ) আনুষঙ্গিক অব্যয়।

১৬। যিবিলাক অব্যয় শব্দে সংজ্ঞা বা সৰ্ব্বনাম শব্দৰ পাচত থাকি সিহঁতৰ অৰ্থ ভিন কৰে, সিহঁতক আনুষঙ্গিক অব্যয় বোলে। আনুষঙ্গিক অব্যয়ঃ—সৈতে, হতুৱাই, বাজে, বাহিৰে, বাবে, দৰে, কাৰণ, কাৰণে, নিমিত্তে, নিচিনা, আদি, অৰ্থে, প্ৰতি, বিনা, বিনে, হে, হি, তো, এ, এই, মতে, যেনে, হেতু, অনুসাৰে, অনুসৰি, দেই।

১৮। কাৰণ, কাৰণে, নিমিত্তে, দৰে, বাবে, হেতু ইত্যাদি অব্যয় শব্দ এই বা সেই বিশেষণ-সৰ্ব্বনামৰ পাচত থাকিলে যোজক অব্যয় হয়, আৰু সংজ্ঞা শব্দ বা ব্যক্তিবোধক সৰ্ব্বনাম শব্দৰ পাচত থাকিলে আনুষঙ্গিক অব্যয় হয়। যেনে, এই কাৰণে, সেই নিমিত্তে। ইয়াত কাৰণে আৰু

নিমিত্তে যোজক অব্যয়। কিন্তু তোৰ নিমিত্তে, ৰামৰ কাৰণে। ইয়াত কাৰণে আৰু নিমিত্তে আনুষঙ্গিক অব্যয়।

১৯। তো আৰু হে অব্যয় সংজ্ঞা শব্দ, ব্যক্তিবোধক সৰ্ব্বনাম শব্দ, আৰু ক্রিয়াৰ লগত ব্যৱহাৰ হয়; আৰু সিহঁত শব্দৰ পাচত তাৰ অংশ হৈ বহে। যেনে, ৰামহে গৈছিল, সিহে যাব, সিতো যাবই, সি গৈছিল তো, ইত্যাদি।

২০। এটা ক্রিয়া দুবাৰ উক্ত কৰি আগৰটোত হে যোগ দিলে, সেই ক্রিয়া অনেকবাৰ হোৱা বুজায়। যেনে, সি পঢ়িলেহে পঢ়িলে, তেওঁ পৰীক্ষাত উঠিব নোৱাৰিলে।

২১। বিশেষৰূপে দেখুৱাবলৈ কেতিয়াবা সংজ্ঞা শব্দ, কেতিয়াবা ব্যক্তিবোধক সৰ্ব্বনাম শব্দ, আৰু কেতিয়াবা ক্রিয়াৰ পাচত এ আৰু এই ব্যৱহাৰ হয়। তেতিয়া বিভক্তি যোগৰ নিয়ম অনুসাৰে কেতিয়াবা শব্দৰ ৰূপ লৰচৰ হয়, আৰু এ, এই অব্যয়বো ৰূপ লৰি য়ে আৰু য়েই হয়। যেনে, ময়েই গৈছিলোঁ, সিয়েই পঢ়িছিল, গোপালে বা গোপালেই দিছিল, সি শুলেই, সি শুয়ে আছে, ইত্যাদি।

২২। হি অব্যয় আহি ক্রিয়াৰ অংশ মাথোন। সি কেৱল ক্রিয়াৰ লগত হে অব্যয় স্বৰূপে ব্যৱহাৰ হয়। যেনে, পঢ়হি, শোহি, অৰ্থাৎ পঢ় আহি, শো আহি।

২৩। ক্রিয়াৰ লগত হি ব্যৱহাৰ কৰিলে সেই বাক্যত আৰু আহি ক্রিয়া ব্যৱহাৰ নহয়। যেনে, তই আহি শোহি, এনে বাক্য হব নোৱাৰে।

২৪। অনুৰোধ বুজাবলৈ ক্ৰিয়াৰ লগত দেই অব্যয় ব্যৱহাৰ হয়। যেনে, তুমি আহিবা দেই, তই যাবি দেই, ইত্যাদি।

(৬) সম্বোধনাৰ্থক অব্যয়।

২৫। যিবিলাক অব্যয় শব্দ আন লোকক সম্বোধন কৰিবলৈ ব্যৱহাৰ কৰা হয়, সিহঁতক সম্বোধনাৰ্থক অব্যয় বোলে। সম্বোধনাৰ্থক অব্যয় ঃ—

এ, ঐ, ঔ, হে, অ, হেৰ, হেৰা, হেৰি, হঁয়ে, হঁয়েৰা, ইত্যাদি।

২৬। এ, হে অব্যয় শব্দৰ অপভ্ৰংশ মাথোন। এ, হে দুয়োটা শব্দৰ আগত বা পাচত ব্যৱহাৰ হয়। যেনে, হে হৰি, হৰি হে, এ হৰি, হৰি এ।

২৭। দূৰৈৰ মানুহক মাতোঁতে আৰু ৰিং পাৰোঁতে অ আৰু ঔ ব্যৱহাৰ হয়। অ প্ৰায়েই শব্দৰ আগত থাকে, আৰু ঔ পাচত থাকে। যেনে, অ ধনীৰাম, ধনীৰাম ঔ।

২৮। ঐ সদায় শব্দৰ আগত থাকে। যেনে, ঐ লৰা। কেতিয়াবা গিৰিয়েকে ঘৈণীয়েকক মাতিবলৈ হলেও ঐ ব্যৱহাৰ হয়।

২৯। অনাদৰত বা তুচ্ছাৰ্থত সম্বোধনত হেৰ ব্যৱহাৰ হয়। সমনীয়া লোকক সম্বোধন কৰোঁতে আৰু লৰাক সাদৰেৰে মাতোঁতে হেৰা ব্যৱহাৰ হয় আৰু সম্ভ্ৰম দেখুৱাই সম্বোধন কৰোঁতে হেৰি ব্যৱহাৰ হয়। যেনে, হেৰ! ধনীৰাম, হেৰা! সখি, হেৰা! বোপাটি, হেৰি! ডাঙৰীয়া।

চমু ব্যাখ্যা ঃ—যাৰ সলনি তই সৰ্ব্বনাম ব্যৱহাৰ হব পাৰে, তেনে মানুহক মাতোঁতে হেৰ, যাৰ সলনি তুমি সৰ্ব্বনাম ব্যৱহাৰ হব পাৰে, তেনে মানুহক মাতোঁতে হেৰা, আৰু যাৰ সলনি আপুনি ব্যৱহাৰ হয়, তেনে মানুহক মাতোঁতে হেৰি অব্যয় ব্যৱহাৰ হয়।

৩০। সাধাৰণতঃ অব্যয় শব্দৰ লিঙ্গ নাথাকিলেও হেৰ অব্যয়ৰ লিঙ্গ আছে। ই স্ত্রীলিঙ্গত হঁয়ে, হঁয় বা হঁয়েৰা হয়। যেনে, হঁয়ে বা হঁয় আহিনি।

৩১। হঁয়েৰা অব্যয় নিন্দাসূচক, তাত নিন্দাৰ ভাব থাকে। যেনে, হঁয়েৰা ৰচকি, হঁয়েৰা নিলাজি।

(৭) প্রশ্নার্থক অব্যয়।

৩২। যিবিলাক অব্যয় শব্দে প্রশ্ন কৰা বুজায়, সিহঁতক প্রশ্নার্থক অব্যয় বোলে। প্রশ্নার্থক অব্যয় ঃ—নে, নো, জানো।

৩৩। নে প্রশ্নার্থক অব্যয় প্রায় ক্রিয়াৰ শেষত বহে। যেনে, সি যাব নে? সি পঢ়িব জানে নে? তই গৈছিলি নে?

৩৪। নো প্রশ্নার্থক অব্যয় প্রায় কৰ্ত্তাৰ পাচতে বহে। যেনে, সি নো কি কয়? সি নো কত থাকে।

৩৫। কেতিয়াবা একেটা বাক্যতে নে আৰু নো দুয়ো ব্যৱহাৰ হয়। তেতিয়া কথাটোত প্রশ্নকৰ্ত্তাৰ বিশ্বাস নথকা বুজায়। যেনে, সি নো যাব নে? ইয়াত সি যে যাব এই কথাত প্রশ্নকৰ্ত্তাৰ বিশ্বাস নোহোৱা বুজাইছে অর্থাৎ প্রশ্নকৰ্ত্তাই সি নাযাব বলিহে বিশ্বাস কৰে।

৩৬। জানো প্ৰশ্নাৰ্থক অব্যয় কৰ্ত্তাৰ পাচত বা ক্ৰিয়াৰ পাচত ব্যৱহাৰ হয়। যেনে, সি জানো জাপানলৈ যাব বা সি জাপানলৈ যাব জানো ?

(৮) সমিধানবোধক অব্যয়।

৩৭। যিবিলাক অব্যয় শব্দে আন মানুহৰ কথাৰ সমিধান অৰ্থাৎ উত্তৰ দিয়া বুজায়, সিহঁতক সমিধানবোধক অব্যয় বোলে। সমিধানবোধক অব্যয়ঃ—ওঁ, বাৰু, ভাল, এৰা, হয়, হৈছে, ওঁহ্।

৩৮। ওঁ, এৰা, হয়. হৈছে এই কেইটা অব্যয় কেৱল শলাগনিত ব্যৱহাৰ হয়। সমনীয়া বা সাধাৰণ মানুহৰ কথা শলাগোঁতে ওঁ, এৰা আৰু মান্যৱন্ত মানুহৰ কথা শলাগোঁতে হয়, হৈছে ব্যৱহাৰ কৰা যায়। যেনে, সমনীয়া বা সাধাৰণ মানুহে সুধিলে, তুমি গৈছিলানে ? উত্তৰত, ওঁ গৈছিলোঁ বা এৰা গৈছিলোঁ। মান্যৱন্ত মানুহে সুধিলে, তই গৈছিলিনে ? বা তুমি গৈছিলানে ? উত্তৰত, হয় গৈছিলোঁ।

হৈছে অব্যয়ৰ সিমান প্ৰচলন নাই, কেৱল সাধাৰণ মানুহৰ ভিতৰতহে ইয়াৰ ব্যৱহাৰ হয়।

৩৯। বাৰু আৰু ভাল অব্যয় আন মানুহৰ অনুৰোধত মান্তি হোৱা বুজাবলৈ ব্যৱহাৰ হয়। সাধাৰণ বা সমনীয়া মানুহৰ অনুৰোধৰ উত্তৰত বাৰু, আৰু মান্যৱন্ত মানুহৰ অনুৰোধৰ উত্তৰত ভাল ব্যৱহাৰ কৰা যায়। যেনে, সাধাৰণ

বা সমনীয়াই অনুৰোধ কৰিলে—আপুনি এবাৰ যাব, বা তুমি এবাৰ যাবা, বা তই এবাৰ যাবি ; উত্তৰত, বাৰু মই যাম। মান্যৱন্ত মানুহে অনুৰোধ কৰিলে—তুমি এবাৰ যাবা বা তই এবাৰ যাবি ; উত্তৰত, ভাল মই যাম।

৪০। ওঁহ্ সাধাৰণ বা সমনীয়া মানুহৰ কথাত অমান্তি বুজাবলৈ ব্যৱহাৰ হয়। যেনে, সমনীয়া বা সাধাৰণ মানুহে সুধিলে, আপুনি যাবনে ? বা তুমি যাবানে ? বা তই যাবিনে ? উত্তৰত, ওঁহ্ মই নেযাওঁ।

### গুণবোধক শব্দ।

৪১। যিবিলাক শব্দে সংজ্ঞা বা বিশেষণ শব্দৰ পৰা উৎপন্ন হৈ গুণ, স্বভাৱ বা ব্যৱসায় বুজায়, সিহঁতক গুণবোধক অব্যয় বোলে। যেনে, গুণ বুজুৱা :—দুষ্ট, দুষ্টালি ; পণ্ডিত, পণ্ডিতালি ; টেঙ্গৰ, টেঙ্গৰালি ; অঁজলা, অঁজলালি ; আমঠ, আমঠালি ; আজল-মঠ, আজল-মঠালি ; আঁকোৰ-গোজা, আঁকোৰ-গজালি ; মুনিহ, মুনিহালি বা মুনিযাই ; বৰ, বৰাই ; ইত্যাদি।

স্বভাৱ বুজুৱা—বহুৱা, বহুৱালি ; বলিয়া বলিয়ালি ; লৰা, লৰালি ; গৰু, গৰুৱালি ; ছাগল, ছাগলালি ; বান্দৰ, বান্দ-ৰালি ; ইত্যাদি।

ব্যৱসায় বুজোৱা—বেজ, বেজালি ; ওজা, ওজালি ; পুৰোহিত, পুৰোহিতালি ; ইত্যাদি।

ব্যৱসায় বুজোৱা গুণবোধক শব্দ কিছুমান আন ভাষাৰ পৰা আহি সম্প্ৰতি অসমীয়া ভাষাত ব্যৱহাৰ হবলৈ ধৰিছে। যেনে, উকিল, ওকালতি; হাকিম, হাকিমি; কেৰাণী, কেৰাণীগিৰি। সেইদৰে মহৰীগিৰি, গোলাদাৰী, মৌজাদাৰী, ইত্যাদি।

৪২। গুণবোধক শব্দত বিভক্তি যোগ হয়, কিন্তু সিহঁতৰ লিঙ্গ বা বচন নাই।

অনুকাৰ শব্দ।

৪৩। বস্তু মাটিত পৰা শব্দ বা জন্তুৰ মাতৰ নিচিনা যিবিলাক শব্দ ব্যৱহাৰ কৰা যায়, সিহঁতক অনুকাৰ শব্দ বোলে। যেনে, কেঁচুৰ চিঁ চিঁ, কাউৰীৰ কা কা, ঘৰিৰ টং টং শব্দ, হিলৈৰ ধুমুৰ শব্দ, বস্তু মাটিত পৰা গিৰিস্ শব্দ। সেইদৰে চৌ চৌ, হুম্, হুম্, কেৰ কেৰ, মেৰ্ মেৰ্, চেন্ চেন্, ইত্যাদি।

অনুৰূপ শব্দ।

৪৪। আচল শব্দৰ বল বৃদ্ধি কৰিবলৈ তাৰ লগত কেতিয়াবা তাৰ অনুৰূপ অৰ্থশূন্য শব্দ ব্যৱহাৰ হয়। এনেকুৱা শব্দবিলাকক অনুৰূপ শব্দ বোলে।

৪৫। অনুৰূপ শব্দ তিনি বিধ, অনুকাৰ, একশেষ আৰু অনিয়মিত। অনুকাৰ অনুৰূপ শব্দ আচল শব্দৰ নিচিনা, কেৱল তাৰ আদি বৰ্ণটো মাথোন বেলেগ হয়। যেনে, ঘৰ-চৰ, ইনাই বিনাই।

(১) অনুকাৰ—অনুৰূপ শব্দ।

৪৫। অনুকাৰ অনুৰূপ শব্দবিলাকৰ ভিতৰত যিবিলাক আচল শব্দৰ পাচত থাকে, সিহঁত প্ৰায় চৰে আৰম্ভ হয়; কেতিয়াবা টৰেও আৰম্ভ হয়। কিন্তু আচল শব্দৰ আদিত চ বা ছ থাকিলে অনুৰূপ শব্দ সদায় টৰে আৰম্ভ হয়। যেনে, ঘৰচৰ বা ঘৰটৰ; কিন্তু চাউল টাউল, ছাগলী টাগলী।

৪৭। অনুকাৰ—অনুৰূপ শব্দ আচল শব্দৰ আগত থাকিলে, আচল শব্দৰ আদিত যি স্বৰ থাকে, অনুৰূপ শব্দ সেই স্বৰেৰে আৰম্ভ হয়। যেনে, ইনাই বিনাই, অকাই পকাই, আকলি বাকলি, ইত্যাদি।

(২) একশেষ অনুৰূপ শব্দ।

৪৮। আচল শব্দৰ আদি ব্যঞ্জনবৰ্ণটোৱেই তাৰ একশেষ অনুৰূপ শব্দ হয়। সেই বৰ্ণত প্ৰায় আ-কাৰ যোগ হয়। কেতিয়াবা অন্য স্বৰবৰ্ণও যোগ হোৱা দেখা যায়। অনুৰূপ শব্দটোত আচল শব্দটোৰ এটা আখৰ মাথোন লোৱা হয়, সেই দেখি এই বিধ অনুৰূপ শব্দক একশেষ অনুৰূপ শব্দ বোলা হৈছে। একশেষ অনুৰূপ শব্দ আৰু আচল শব্দ, ইহঁত দুইৰো মাজত এটা একদেশ চিন থাকে। যেনে, বা-বাতৰি, ডা-ডাঙৰীয়া, জা-জলপান, লা-লিগিৰী, পা-পইচা।

(৩) অনিয়মিত বা যুৰীয়া অনুৰূপ শব্দ।

৪৯। যিবিলাক অনুৰূপ শব্দ গঠন কৰিবৰ কোনো নিয়ম নাই, সিহঁতক অনিয়মিত অনুৰূপ শব্দ বোলে। বিশেষ

বিশেষ আচল শব্দত বিশেষ বিশেষ অনিয়মিত অনুৰূপ শব্দ ব্যৱহাৰ হয়। এই বিধ অনুৰূপ শব্দক যোৰ ভাঙ্গি ব্যৱহাৰ কৰিব নোৱাৰি, যি আচল শব্দৰ লগত যি অনুৰূপ শব্দ প্ৰচলিত আছে, তাকেহে ব্যৱহাৰ কৰিব পাৰি। সেই দেখি ইহঁতক যুৰীয়া অনুৰূপ শব্দও বোলে। যেনে, তেল কুৰ, ৰূপ বান, ৰাজহ ততহ, ইত্যাদি।

কৃদন্ত শব্দ।

৫০। ধাতুৰ পাচত কৃৎ প্ৰত্যয় যোগ হৈ যিবিলাক শব্দ হয়, সিহঁতক কৃদন্ত শব্দ বোলে। যেনে, খাৱন, নাচন, শোৱন, ভোজন, গমন, শয়ন, ইত্যাদি।

কৃদন্ত শব্দৰ বিশেষ বিবৰণ ক্ৰিয়া প্ৰকৰণত চোৱাঁ।

উপসৰ্গ।

৫১। উপসৰ্গ এবিধ অব্যয় শব্দ মাথোন। এই উপসৰ্গ কুৰিটা:—প্ৰ, পৰা, অপ, সং, নি, অৱ, অনু, নিৰ্, ডুৰ্, বি, অধি, সু, উৎ, পৰি, প্ৰতি, অভি, অপি, অতি, উপ, আ।

৫২। নিৰ্, ডুৰ্ উপসৰ্গৰ অন্তত থকা ৰ সদায় বিসৰ্গৰ আকাৰত থাকে। যেনে, নিঃ, ডুঃ।

সংস্কৃত ব্যাকৰণত এই উপসৰ্গবিলাক শ্লোকত বান্ধি থৈছে। শিকাৰুৰ সুবিধাৰ নিমিত্তে সেই শ্লোকটো ইয়াত তুলি দিয়া হল।

প্ৰপৰাপ সমন্বব নিদূৰ্বভিব্যধিসূদতি নিপ্ৰতি পৰ্য্যপয়ঃ।

উপ আঙিতি বিংশতিৰেব সখে উপসৰ্গবিধিঃ কথিতঃ কৱিনা॥

এটা ধাতুৰ ভিন ভিন অৰ্থ কৰিবৰ নিমিত্তে উপসৰ্গ ব্যৱহাৰ কৰা

হয়। কৃ ধাতুৰ আচল অৰ্থ কৰা, কিন্তু তাত নানা উপসৰ্গ যোগ দি নানা অৰ্থ কৰা হয়। যেনে, প্ৰতি+কৃ, প্ৰতিকাৰ ; অপ+কৃ, অপকাৰ ; উপ+কৃ, উপকাৰ ; বি+কৃ, বিকাৰ ; নি+কৃ, নিকাৰ। এই শব্দবিলাক এটা ধাতুৰ পৰা উৎপন্ন হলেও সিহঁতৰ অৰ্থ একে নহয়।

৫৩। উপসৰ্গবিলাক সংস্কৃত, সেই দেখি সিহঁত সংস্কৃত ধাতুৰ আগতহে ব্যৱহাৰ হয়। কেৱল নি, বি, অৱ, এই তিনটা মাথোন অসমীয়া ভাষাত চলিত আছে। অসমীয়াত ইহঁত বিশেষ্য, বিশেষণ আদি পদৰ আগত বহে, ধাতুৰ আগত নবহে। যেনে, নি :—নিলাজ, নিমাত, নিপাণী, নিধাতু, নিনাও, নিজান, নিমৰমিয়াল, ইত্যাদি।

বি :—বিবুদ্ধি, বিমোৰ, বিজোৰ, বিজোখ, বিলগ, ইত্যাদি।

অৱ ( অসমীয়াত প্ৰায় আও হয় ) :—অৱহেলা, আওহেলা, আওপাক, আওহাত, আওবাট, আওবাৰ, আওকথকী, আওমৰণ, ইত্যাদি।

৫৪। কেতবিলাক সংস্কৃত শব্দ আঁদিৰ পৰা অসমীয়া ভাষাত চলি আছে। সিহঁতক অসমীয়া শব্দ বুলি ধৰা হয়। এতেকে সিহঁতৰ আগত কেতিয়াবা সংস্কৃত উপসৰ্গ, কেতিয়াবা অসমীয়া উপসৰ্গ ব্যৱহাৰ হয়। যেনে, নিধনী বা নিৰ্ধনী, নিজন ( অপভ্ৰংশ নিজান ) বা নিৰ্জ্জন, ইত্যাদি।

৫৫। উপসৰ্গবিলাক নানা অৰ্থত ব্যৱহাৰ হয়। কোনটো উপসৰ্গ কি কি অৰ্থত ব্যৱহাৰ তাক তলত দিয়া হল।—

প্র—অতিশয়, উত্তম, আগত যোৱা ইত্যাদি।

পৰা—শ্রেষ্ঠ হোৱা, অপমান দিয়া, ভঙ্গ ইত্যাদি।

অপ—বেয়া, নিকৃষ্ট, বিরুদ্ধ, ভিন ইত্যাদি।

সং—সকলো, একেলগ, উত্তম ইত্যাদি।

নি—অভাৱ, ভিতৰ, ওপৰ, নিশ্চয় ইত্যাদি।

অব্—বেয়া, দূৰ্, কম, অধোগতি ইত্যাদি।

অনু—নীহ, পাচ, সমান ইত্যাদি।

নিৰ্—নি৾চয়, বাহিৰ, অভাৱ, বিনে ইত্যাদি।

দুৰ্—বেয়া, বাধা, দুখ ইত্যাদি।

বি—উত্তম, বেয়া, হীন, অন্য ইত্যাদি।

অধি—ঘাই, ওপৰ ইত্যাদি।

সু—ভাল, উজু, অতিশয় ইত্যাদি।

উৎ—শ্রেষ্ঠ. ঊর্দ্ধ ইত্যাদি।

পৰি—সৰ্ব্বত্র, কেউপোনে, অতিশয় ইত্যাদি।

প্রতি—সমান, সমুখ, বিরুদ্ধে, গাই গাই ইত্যাদি।

অপি—ওপৰ, সন্দেহ ইত্যাদি।

অভি—সমুখ, ঘাই ওচৰ ইত্যাদি।

অতি—অধিক, ঘাই ইত্যাদি।

উপ—সামান্য, ওচৰ, প্রায় তুল্য ইত্যাদি।

আ—অলপ, পৰ্য্যন্ত, অবধি, পুনৰ, সরু ইত্যাদি।

কোন কোন ধাতুৰ আগত কোন কোন উপসর্গ ব্যৱহাৰ হয়, তাৰ একো নির্দ্ধাৰিত নিয়ম নাই, তাক কেৱল ব্যৱহাৰ চাইহে জানিব

পাৰি। সেই দেখি উপসৰ্গৰ কিছুমান শব্দ উদাহৰণ স্বৰূপে তলত দিয়া হল।

প্ৰ—প্ৰকাৰ, প্ৰমাণ, প্ৰচলিত, প্ৰবীণ, প্ৰণালী, প্ৰক্ৰিয়া, প্ৰণয়, প্ৰণীত, প্ৰধান।

পৰা—পৰাভব, পৰাজয়, পৰামৰ্শ, পৰাক্ৰম, পৰাধীন।

অপ—অপকাৰ, অপমান, অপবাদ, অপচয়, অপব্যয়, অপৰূপ।

সং—সংসৃষ্ট, সংসৰ্গ, সংস্কৃত, সংযোগ, সংলগ্ন, সংস্কাৰ।

নি—নিদাৰুণ, নিকৰুণ, নিধি, নিহিত, নিধান, নিলয়।

অব—অবধান, অবহিত, অবমননা, অবসৰ, অবতৰণ।

অনু—অনুসাৰে, অনুচৰ, অনুগামী, অনুমান, অনুশীলন, অনুগত, অনুৰোধ।

নিৰ্—নিৰ্দয়, নিৰ্ম্মাণ, নিৰ্ম্মল, নিগুৰ্ণ, নিৰ্ব্বাণ, নিৰ্ণয়, নিৰ্ব্বলী।

দুৰ্—দুৰ্ম্মতি, দুৰ্গতি, দুৰ্লভ, দুৰ্দ্ধৰ্ষ, দুৰ্ণাম, দুৰ্যশ, দুৰ্ব্বলী, দুৰ্জ্জয়।

বি—বিপদ, বিনাশ, বিদায়, বিকাৰ, বিলয়, বিনয়, বিপৰীত, বিকশিত।

অধি—অধিকাৰ, অধ্যয়ন, অধ্যবসায়, অধিবাস।

সু—সুদৰ্শন, সুনীতি, সুকৰ্ম্ম, সুযোগ, সুলভ, সুগম, সুকৰ।

উৎ—উন্নতি, উদ্ধাৰ, উদ্ভৱ, উচ্চাৰণ, উৎকৃষ্ট, উৎপাত, উদ্ধত, উদ্গাৰ।

পৰি—পৰিমাণ, পৰিতাপ, পৰিণাম, পৰিধান, পৰিচয়, পৰিণয়, পৰিপাটী।

প্ৰতি—প্ৰতিকাৰ, প্ৰতিপন্ন, প্ৰত্যয়, প্ৰতিপদ, প্ৰতিবাদী, প্ৰত্যাগমন।

অভি—অভিশাপ, অভিমান, অভিবাদন, অভিলাস, অভিৰুচি, অভ্যুদয়, অভিজ্ঞ।

অপি—অপিচ, অপিধান।

অতি—অতিশয়, অতিক্রম, অতিথি, অতিৰিক্ত, অতীত।

উপ—উপসাৰ, উপসৰ্গ, উপমা, উপযুক্ত, উপন্যাস, উপদেশ, উপক্রম।

আ—আপত্তি, আপদ, আপাততঃ, আপ্যায়িত, আভৰণ, আভা, আবদ্ধ।

---

# অষ্টম অধ্যায়।

——:*:——

## সমাস প্ৰকৰণ।

১। দুটা বা অধিক পদ গোট খাই এটা হোৱাকে সমাস বোলা যায়।

সমাস আৰু সন্ধি এই দুই উপায়েৰে দুটা বা অধিক পদক গোট খুৱাব পাৰি। অসমীয়া ভাষাত প্ৰকৃত পক্ষত সন্ধি নাই, এই কথা আগত কোৱা হৈছে, কিন্তু সন্ধি নহলেও, সমাসৰ প্ৰচলন আছে। সন্ধি আৰু সমাসৰ ভিতৰত বিশেষ প্ৰভেদ এই যে, দুটা শব্দৰ সন্ধি হলে, সিহঁতৰ অৰ্থৰ লৰচৰ নহয়, আৰু বিভক্তিযুক্ত পদৰ ভিতৰতো সন্ধি হয়। কিন্তু সমাস হলে, আগৰ পদবিলাকৰ বিভক্তি নাথাকে, নতুন পদটোত মাথোন বিভক্তি যোগ হয়। আৰু সমাস হোৱা পদবিলাকৰ অৰ্থৰ লৰচৰ হয়, কেতিয়াবা সিহঁতৰ অৰ্থ নাথাকেই, এটা নতুন অৰ্থ হয়। চমু কথা, ভিন ভিন পদৰ বিভক্তি গুচাই দিয়াই সমাসৰ কাৰ্য্য। সন্ধিয়ে কেৱল পদবিলাকক যেনে আছে তেনেই জোৰাই থয় মাথোন, সমাসে সিহঁতক সানমিহলি কৰি এটা কৰে। সন্ধি আৰু সমাস কথা চুটি কৰিবৰ উপায়। কিন্তু অসমীয়া মানুহে প্ৰায় সেই দৰে কথা চুটি নকৰে। সেই দেখি অসমীয়া ভাষাত সকলো সময়ত সকলো পদৰ সমাস নহয়। কেতবিলাক প্ৰচলিত সমাস আছে, সেয়েই মাথোন অসমীয়া সাহিত্যত ব্যৱহাৰ হয়।

২। সমাস মুঠত ছবিধ ঃ—দ্বন্দ্ব, বহুব্ৰীহি, কৰ্ম্মধাৰয়, তৎপুৰুষ, দ্বিগু আৰু অব্যয়ীভাব। ইয়াৰ বাজেও নঞ বোলা এবিধ সমাস আছে, সি তৎপুৰুষ সমাসৰ অন্তৰ্গত।

৩। যি যি পদবিলাকৰ সমাস হয়, সিহঁতক ব্যস্ত পদ, আৰু সমাস হৈ উৎপন্ন হোৱা পদটোক সমস্ত পদ বোলে। আৰু যি বাক্যৰ পদবিলাকৰ সমাস হয়, সেই বাক্যটোক ব্যাস বাক্য বোলা যায়।

শূলপাণি এটা সমাস, ইয়াৰ অৰ্থ হৈছে, শূল আছে যাৰ পাণিত (হাতত) সি। শূলপাণি বুলিলে এই গোটেইটো কথা প্ৰকাশ পায়। তেনেহলে শূলপাণি পদটো শূল আছে যাৰ পাণিত সি, এই বাক্যটোৰ সলনি বহিছে অৰ্থাৎ এই বাক্যটো সমাসটোৰ ভাঙ্গনি। সমাস সম্বন্ধে, ব্যাকৰণত এই বাক্যটোক ব্যাস বাক্য বোলে। সমাসটোত দুটা পদ, শূল আৰু পাণি। ইহঁতৰ প্ৰত্যেকটোকে ব্যস্ত পদ বোলে, আৰু সমাস হৈ যেতিয়া শূলপাণি পদ হল, তেতিয়া তাক সমস্ত পদ বোলে।

৪। সমাস হলে ব্যস্ত পদবিলাকৰ বিভক্তি লোপ হয়, কেৱল সমস্ত পদটোত মাথোন বিভক্তি থাকে।

## দ্বন্দ্ব সমাস।

৫। দুটা বা অধিক পদ গোট খাই এটা হলে, বা এটা পদেই অধিকক বুজালে, তাক দ্বন্দ্ব সমাস বোলে।

৬। দ্বন্দ্ব সমাস তিনি বিধ ঃ—ইতৰেতৰ, সমাহাৰ আৰু একশেষ দ্বন্দ্ব।

ইতৰেতৰ দ্বন্দ্ব।

৭। যি দ্বন্দ্ব সমাসত প্ৰত্যেক ব্যস্ত পদৰ অৰ্থ থাকে, তাক ইতৰেতৰ দ্বন্দ্ব বোলে। ইতৰেতৰ দ্বন্দ্বৰ সমস্ত পদটো সদায় বহুবচন হয়। যেনে, ৰাম আৰু লক্ষ্মণ = ৰামলক্ষ্মণ, ৰাম আৰু ৰাৱণ = ৰামৰাৱণ, লৱ আৰু কুশ = লৱকুশ, ভীম আৰু অৰ্জ্জুন = ভীমাৰ্জ্জুন, লাই আৰু লেচাই = লাইলেচাই, সেই দৰে ৰামকৃষ্ণ, হৰিহৰ, সুৰাসুৰ, আকাশ পাতাল, স্বৰ্গনৰ্ক, শিকিয়াবিৰিয়া, ধেনুশৰ, গাখীৰগুড়, ধানচাউল, টকাকড়ি, তিলকুশ, খাৰুমণি, ফোঁটৰেঘা, ঢাৰিপাটী, তেলপানী।

আৰু যেনে, আম আৰু কঁঠাল = আমকঁঠালবোৰ, হাঁহ আৰু পাৰ = হাঁহপাৰবোৰ, বেঙেনা আৰু জলকীয়া = বেঙেনা-জলকীয়াবোৰ, সেই দৰে ধানচাউলবোৰ, গৰুছাগলীবোৰ, ধনসম্পত্তিবোৰ, কাপোৰকানিবোৰ, পাচিখৰাহিবোৰ।

আৰু যেনে, কনা, কুজা, আৰু ভেঙ্গুৰা = কনাকুজাভেঙ্গুৰা বা কনাকুজাভেঙ্গুৰ ; লৰা, বুঢ়া, আৰু ডেকা = লৰাবুঢ়াডেকা ; দধি, দুগ্ধ, আৰু মধু = দধিদুগ্ধমধু ; মাহ, সৰিয়হ, আৰু ধান = মাহসৰিয়হধান।

আৰু যেনে, ধনবিত আৰু কাপোৰ কানি = ধনবিত-কাপোৰকানি, লৰা বুঢ়া আৰু মতামাইকী = লৰাবুঢ়ামতা-মাইকী, ঘৰবাৰী আৰু খেতিপথাৰ = ঘৰবাৰীখেতিপথাৰ।

৮। দ্বন্দ্ব সমাসত গোট খোৱা পদবিলাকৰ ভিতৰত মান্য বুজুৱা পদ প্ৰায় আগত বহে। যেনে, ৰামলক্ষ্মণ,

সুৰাসুৰ, দেৱদানৱ, কৃষ্ণবলৰাম, হৰিহৰ, বামুণশূদিৰ, গুৰু-শিষ্য, বাইভনী।

৯। দ্বন্দ্ব সমাসত দীঘল পদ প্রায় শেষত বহে। যেনে, নৰনাৰায়ণ, নৰবানৰ, চন্দ্রদিবাকৰ, কৃষ্ণার্জ্জুন, লক্ষ্মীসৰস্বতী, জয়পৰাজয়। ইয়াৰ ভিতৰত মান্যবোধক আৰু অমান্যবোধক পদৰ কোনো ভেদাভেদ নহয়, অর্থাৎ এই নিয়ম মতে মান্য-বোধক হলেও দীঘল পদ পাচলৈ যায়।

১০। এই নিয়মৰ আৰু উদাহৰণ যেনে, আলিপদূলি, দাকুঠাৰ, ঘৰচোতাল, কাপমৈলাম, টেমিকটাৰী, ঢেকিখুবলি, শাকপাচলি, পাতপচলা, বেঙেনাজলকীয়া, ফুলচন্দন, খেতি-পথাৰ, নৈনলা, খেৰখাগৰি, মাহসৰিয়হ, তিলতুলসী, তাম-তুলসী, কলকুঁহিয়াৰ, মাহচাউল, মাছমগৰ, বাঘভালুক।

১১। দুটা বা অধিক বিশেষণ পদ বিশেষ্য পদৰ দৰে ব্যৱহাৰ হলে, সিহঁতৰো ইতৰেতৰ দ্বন্দ্ব সমাস হয়। যেনে, ভালমন্দ, ভালবেয়া, শিষ্টশান্ত, সাধুসন্ত, সজ অসজ।

১২। দ্বন্দ্ব সমাসত পাচত থকা নিশা আৰু ৰাত্রি শব্দ অ-কাৰান্ত হয়। যেনে, দিবা আৰু ৰাত্রি = দিবাৰাত্র, অহঃ আৰু নিশা = অহর্নিশ ; অহঃ আৰু ৰাত্রি = অহোৰাত্র।

১৩। পুংলিঙ্গ আৰু স্ত্রীলিঙ্গ পদৰ সমাস হলে, স্ত্রীলিঙ্গ পদ প্রায় আগত বহে। যেনে, সাবিত্রীসত্যবান, ৰাধাকৃষ্ণ, লক্ষ্মীনাৰায়ণ, সীতাৰাম, তিৰীমুনিহ। অনেক সময়ত পুংলিঙ্গ পদ আগলৈ যায়। যেনে, হৰগৌৰী, মহাদেৱপাৰ্ব্বতী,

লৰাছোৱালী, দৰাকন্যা, গোপগোপিনী, নন্দযশোদা, কৃষ্ণ-ৰুক্মিণী।

১৪। দ্বন্দ্ব সমাস হোৱা পদবিলাক প্ৰায় গোট খুৱাই এটা কৰি লিখা হয়, কিন্তু পদবিলাক দীঘল হলে, সিহঁতৰ মাজত একদেশ চিন দিয়া যায়। যেনে, হাঁহপাৰ, টেমিকটাৰী, কলকুঁহিয়াৰ, কিন্তু সম্ভাব্য-ভূত কাল, বিশেষণ-সৰ্ব্বনাম। পদ-বিলাকৰ সন্ধি হলে অৱশ্য একদেশ চিন থাকিব নোৱাৰে।

সমাহাৰ দ্বন্দ্ব।

১৫। যি দ্বন্দ্ব সমাসত সমস্ত পদে ব্যস্ত পদবিলাকৰ অৰ্থৰ উপৰিও অন্য অৰ্থ বুজায়, তাক সমাহাৰ দ্বন্দ্ব বোলে। সমাহাৰ দ্বন্দ্বত সমস্ত পদ সদায় একবচন হয়। যেনে, নামৰ মাহচাউল, ঘৰৰ কাঁহীবাটি, বাৰীৰ আমকঠাল। ইয়াত মাহচাউল পদে মাহ, চাউল, কল, কুঁহিয়াৰ আদি সকলো উপসাৰ বস্তু বুজাইছে; কাঁহী বাটি পদে কাঁহি, বাটি, লোটা, ঘটি, চৰিয়া আদি সকলো সাজ বুজাইছে; আৰু আমকঠাল পদে আম, কঠাল, লেটুক, পনিয়াল, টেঙ্গা, জৰা আদি বাৰীত হোৱা সকলো ফল বুজাইছে, এতেকে সিহঁত সমাহাৰ দ্বন্দ্ব।

কোনটো সমাস ইতৰেতৰ আৰু কোনটো সমাহাৰ তাক ঠাৱৰাবলৈ হলে গোটেইটো বাক্যৰ ভাবটোলৈ মন কৰিব লাগিব। কোনোৱে যদি কয় বোলে এইখন গোপালৰ তামোল পাণৰ বাৰী আৰু সিখন আম কঠালৰ বাৰী, তেনেহলে বুজিব লাগিব যে, গোপালৰ এইখন বাৰীত

কেৱল তামোল আৰু পাণ আছে, আৰু সিখনত আম আৰু কঠাল আছে। গতিকে, ইয়াত তামোল পাণ আৰু আম কঠাল ইতৰেতৰ দ্বন্দ্ব হব। কিন্তু যদি কোৱা হয় যে, কালি নিশাৰ ধুমুহাই মানুহৰ তামোল পাণৰ বাৰী উপান্ত কৰিলে, তেনেহলে বুজিব লাগিব যে, মানুহৰ তামোল, পাণ, আম, কঠাল আদি বস্তুৰ বাৰী ধুমুহাই উপান্ত কৰিলে। ইয়াত তামোল পাণ অৱশ্য সমাহাৰ দ্বন্দ্ব হব। যথাৰ্থ পক্ষত বাক্যৰ ভাব অনুসাৰে ইতৰেতৰ দ্বন্দ্বও সমাহাৰ হব পাৰে। এই দুই সমাসৰ প্ৰভেদ সমস্ত পদৰ ৰূপৰ পৰা বুজা নাযায়, বাক্যৰ অৰ্থৰ পৰাহে বুজা যায়। সংস্কৃতত পদৰ ৰূপৰ পৰাও ইতৰেতৰ সমাহাৰ বুজা যায়, কিয়নো ইতৰেতৰত সমস্ত পদ বহুবচন আৰু সমাহাৰত সমস্ত পদ একবচন হয়। আৰু সংস্কৃতত বচন অনুসাৰে শব্দৰ ৰূপ ভিন হৈ পৰে। অসমীয়া ভাষাত তেনে নহয়, কেতিয়াবা কোনো শব্দত বহুবচনৰ চিন বোৰ, বিলাক যোগ হয়, কেতিয়াবা নহয়, তেও সি বহুবচন হয়। কিন্তু ৰাধাকৃষ্ণ, হৰিহৰ, চন্দ্ৰদিবাকৰ, এনেবিলাক পদ দেখোঁতেই ইতৰেতৰ, সিহঁত সমাহাৰ কেতিয়াও হব নোৱাৰে।

১৬। তা বা ত্ব অন্তত থকা ভাববোধক দুটা বা অধিক পদৰ সমাহাৰ দ্বন্দ্ব হলে, সিহঁতৰ আগৰ পদবিলাকৰ ত্ব তা গুচি শেষৰ পদত মাথোন থাকে। যেনে, দীৰ্ঘতা আৰু উচ্চতা = দীৰ্ঘউচ্চতা, ভদ্ৰতা আৰু অভদ্ৰতা = ভদ্ৰাভদ্ৰতা, লঘুত্ব আৰু গুৰুত্ব = লঘুগুৰুত্ব।

১৭। নাম ধাতুবো দুটা বা অধিক পদৰ সমাহাৰ দ্বন্দ্ব হয়। সমাহাৰ দ্বন্দ্ব হলে সিহঁতৰ আগৰ বিলাক পদৰ প্ৰত্যয় গুচি কেৱল শেষৰটোত মাথোন থাকে। যেনে, দিবৰ আৰু

থবৰ=দিবথবৰ, খাবৰ আৰু লবৰ=খাবলবৰ, খাবলৈ আৰু পিন্ধিবলৈ=খাবপিন্ধিবলৈ।

## একশেষ দ্বন্দ্ব।

১৮। যি দ্বন্দ্ব সমাসত ব্যস্ত পদবিলাকৰ প্ৰথমটো মাথোন থাকে, বাকীবিলাক লোপ হয়, আৰু সেই প্ৰথমটো বহুবচন হয়, তাক একশেষ দ্বন্দ্ব সমাস বোলে। যেনে, ৰামৰ, কৃষ্ণৰ আৰু গোপালৰ ঘৰ=ৰামহঁতৰ ঘৰ; দদাইদেৱে, জেঠাদেৱে, আৰু ককাইদেৱে কৈছিল=দদাইদেউহঁতে কৈছিল; পিতাদেউৰ আৰু দদাইদেউৰ হাক বচন—পিতা-দেউহঁতৰ হাক বচন।

## বহুব্ৰীহি সমাস।

১৯। যি সমাসত সমস্ত পদে ব্যস্ত পদবিলাকৰ অৰ্থ নুবুজাই আন এটা ভিন অৰ্থ বুজায়, তাক বহুব্ৰীহি সমাস বোলে। যেনে, নীলাম্বৰ এটা পদ, ইয়াৰ অৰ্থ হৈছে নীল কাপোৰ, কিন্তু বহুব্ৰীহি সমাস হলে, তাৰ সেই অৰ্থ নাথাকে। তেতিয়া নীলাম্বৰ বুলিলে নীল কাপোৰ পিন্ধা মানুহ গৰাকীক হে বুজায়। সেইদৰে, পীত অম্বৰ যাৰ সি পীতাম্বৰ (শ্ৰীকৃষ্ণ) দিক হৈছে অম্বৰ যাৰ সি দিগম্বৰ (মহাদেৱ), চক্ৰ আছে পাণিত যাৰ সি চক্ৰপাণি (বিষ্ণু), দীৰ্ঘ হৈছে বাহু যাৰ সি দীৰ্ঘবাহু, মহৎ হৈছে বাহু যাৰ সি মহাবাহু, অল্প হৈছে মতি যাৰ সি অল্পমতি, শিশুৰ নিচিনা মতি যাৰ সি শিশুমতি, ব্যঞ্জন

আছে অন্তত যাৰ সি ব্যঞ্জনান্ত, স্বৰ আছে অন্তত যাৰ সি স্বৰান্ত।

আৰু যেনে, চন্দ্র হৈছে শেখৰ যাৰ সি চন্দ্রশেখৰ (সদাশিৱ), নষ্ট হৈছে বুদ্ধি যাৰ সি নষ্টবুদ্ধি, স্থিৰ হৈছে বুদ্ধি যাৰ সি স্থিৰবুদ্ধি। সেই দৰে, গতকাল, গতায়ুস্ অল্পায়ুস্, মহামতি, মহাশয়, দুষ্টবুদ্ধি, হতভাগ্য, হতজ্ঞান, হতশ্রী।

২০। ব্যস্ত পদবিলাকৰ শেষ পদ আ-কাৰান্ত হলে বহুব্রীহি সমাসত সি অ-কাৰান্ত হয়। যেনে, স্থিৰ হৈছে প্রতিজ্ঞা যাৰ সি স্থিৰপ্রতিজ্ঞ, কৃত হৈছে বিদ্যা যাৰ দ্বাৰা সি কৃতবিদ্য, সেই দৰে, ক্ষীণকায়, ক্ষুদ্রকায়।

২১। ব্যস্ত পদবিলাকৰ শেষ পদ ঋ-কাৰান্ত বা ব্যঞ্জনান্ত হলে, সমস্ত পদৰ শেষত এটা ক হয়। যেনে, পূর্ণ হৈছে বয়স্ যাৰ সি পূর্ণবয়স্ক, অন্য পোনে মনস্ গৈছে যাৰ সি অন্যমনস্ক, নদী হৈছে মাতৃতুল্য যাৰ সি নদীমাতৃক।

২২। কর্ম্ম আৰু ধর্ম্ম শব্দ সমস্ত পদৰ শেষত থাকিলে, সিহঁত আ-কাৰান্ত হয়। যেনে, অকৃতকর্ম্মা, অকর্ম্মা, নিষ্কর্ম্মা, বিধর্ম্মা। অসমীয়াত ধর্ম্ম শব্দ ঈ-কাৰান্ত হয়। যেনে, বিধর্ম্মী, অধর্ম্মী।

২৩। অক্ষি আৰু নাভি শব্দ সমস্ত পদৰ শেষত থাকিলে, সিহঁত অ-কাৰান্ত হয়। যেনে, পুণ্ডৰীকৰ নিচিনা অক্ষি যাৰ সি পুণ্ডৰীকাক্ষ, পদ্মৰ নিচিনা নাভি যাৰ সি পদ্মনাভ।

২৪। জায়া শব্দ সমস্ত পদৰ শেষত থাকলে, সি জানি

হয়। যেনে, যুবতী জায়া যাৰ সি যুবজানি, সেই দৰে, সীতা-জানি ( ৰাম )।

২৫। সহ আৰু সমান শব্দ সমস্ত পদৰ আগত থাকিলে, সিহঁতৰ স মাথোন থাকে, আৰু সহ ( সহিত ) শব্দৰ যোগত হোৱা সমস্ত পদৰ শেষত প্ৰায় এটা ক হয়। যেনে, কৰ্ম্মৰ সহিত আছে যি সি সকৰ্ম্মক, স্ত্ৰীৰ সহিত আছে যি সি সস্ত্ৰীক, সমান গোত্ৰ যাৰ সি সগোত্ৰ, সমান পিণ্ড যাৰ সি সপিণ্ড, সমান ( একে ) উদৰৰ পৰা জন্ম যাৰ সি সোদৰ। কেতিয়াবা সহ শব্দ তেনেই থাকে। যেনে, সহোদৰ।

২৬। গন্ধ শব্দৰ আগত সু ( সুন্দৰ ) শব্দ দি সমাস কৰিলে, তাৰ দুটা ৰূপ হয়, সুগন্ধ আৰু সুগন্ধি। স্বভাৱতে যাৰ গন্ধ ভাল সি সুগন্ধি, আৰু আন বস্তুৰ যোগত যাৰ গন্ধ ভাল হৈছে সি সুগন্ধ। যেনে, সুগন্ধি ফুল, সুগন্ধ বায়ু, জ়ল ইত্যাদি।

২৭। বিশেষ্য আৰু বিশেষণ পদৰ বহুব্ৰীহি সমাস হলে, সংস্কৃতত বিশেষণ পদ আগত থাকে। তাৰ উদাহৰণ আগত দিয়া হৈছে। যেনে, স্থিৰ বুদ্ধি = স্থিৰবুদ্ধি, দুষ্ট মতি = দুষ্টমতি। কিন্তু অসমীয়াত বিশেষণ পদ পাচত বহে। যেনে, হিয়া যাৰ খাল সি হিয়াখাল, হাত যাৰ দীঘল সি হাতদীঘল, বদেই যত ঘাই সি বদঘাই। সেইদৰে, মাজডাঙৰ, কঁকাল-সৰু, জাৰঘাই, জহঘাই।

অসমীয়া ভাষাত বহুব্ৰীহি সমাসৰ নিয়ম যে অলপ

বেলেগ, তাৰ আভাস ওপৰত দিয়া হৈছে। এতিয়া সেই বেলেগ নিয়মবিলাক বিশেষৰূপে উল্লেখ কৰা হব।

২৮। কৰ্ত্তা আৰু ক্রিয়াৰ বহুব্ৰীহি সমাস হলে, ক্রিয়া ভাববাচক কৃদন্ত পদ হয়, আৰু সেই ক্রিয়া অকৰ্ম্মক হলে, কৰ্ত্তাৰ বিভক্তি লোপ হয়। যেনে, হাঁহি উঠে যি কথাত সি হাঁহি উঠা কথা, দুখ লাগে যি বিষয়ত সি দুখ লগা বিষয়, পাত সৰিছে যি গছৰ সি পাত সৰা গছ। সেই দৰে, মানুহ মৰা ঘৰ, লৰা শোৱা পাটী, গৰু চৰা চাপৰি, বাঘ থকা হাবি, সাপ থকা গাঁত, কঁকাল পৰা গিৰী। ক্রিয়া সকৰ্ম্মক হলে কৰ্ত্তাৰ বিভক্তি লোপ নহয়। যেনে, বাঘে খাইছে যি গৰুক সি বাঘে খোৱা গৰু, লৰাই পঢ়ে যি পুথি সি লৰাই পঢ়া পুথি, চোৰে নিছে যি গৰু সি চোৰে নিয়া গৰু, ভূতে পাইছে যাক সি ভূতে পোৱা। সেই দৰে, গৰুৱে লোটা বাৰী, ঘুনে ধৰা বাঁহ, পৰুৱাই পোৱা মানুহ।

২৯। তুল্য অৰ্থত দুটা সংজ্ঞা শব্দৰ বহুব্ৰীহি সমাস হলে, তাৰ শেষৰ শব্দ যদি ব্যঞ্জনান্ত হয়, তেনেহলে তাত ঈয়া প্রত্যয় হয়, যদি সেই শব্দ উ বা ও কাৰান্ত হয়, তেনেহলে তাত ৱা প্রত্যয় হয়, আৰু তাৰ শেষ বৰ্ণৰ আগৰ আ মৰি অ হয়, ও মৰি উ হয়। যেনে, বেঙেনাৰ নিচিনা বোল যাৰ সি বেঙেনা-বুলীয়া, লাৰ নিচিনা বোল যাৰ সি লাবুলীয়া, বাঘৰ নেজৰ নিচিনা বাঘনেজীয়া, বাঁহৰ নিচিনা পাত বাঁহপতীয়া। সেই দৰে, বটাপতীয়া, ধেন্তুভিৰীয়া, নলশিঙ্গীয়া, টাকুৰিশিঙ্গীয়া।

৩০। শৰীৰৰ অঙ্গ বুজুৱা শব্দেৰে সৈতে আন কোনো শব্দৰ বহুব্ৰীহি সমাস হলে, অঙ্গ বুজুৱা শব্দ শেষত বহে, আৰু সেই শব্দ ব্যঞ্জনান্ত হলে, তাত আ প্ৰত্যয় হয়, উ বা ও কাৰান্ত হলে ৱা প্ৰত্যয় হয়, আৰু তাৰ শেষ বৰ্ণৰ আগৰ আ মৰি অ হয়, ও মৰি উ হয়। যেনে, বৰ পেট যাৰ সি বৰপেটা, আপোনাৰ পেট মাথোন বুজে যি সি আপোনপেটা, কেৰা চকু যাৰ সি কেৰাচকুৱা, ওপৰলৈ চকু যাৰ সি ওপৰচকুৱা। সেইদৰে, উজলাদঁতা, খঁৰানকা, দীঘলনকা।

৩১। হাত, পিঠি, চুলি, নখ, কাণ, ঠেং, আঙ্গুলি আদি অঙ্গ বুজুৱা শব্দেৰে সৈতে আন কোনো শব্দৰ বহুব্ৰীহি সমাস হলে, অঙ্গ বুজুৱা শব্দ শেষত বহে, আৰু তাত ঈয়া প্ৰত্যয় হয়, সেই শব্দৰ শেষত ই বা ঈ-কাৰ থাকিলে সি লোপ হয়, আৰু তাৰ শেষ বৰ্ণৰ আগৰ আ মৰি অ হয়। যেনে, দীঘল হাত যাৰ সি দীঘলহতীয়া, তিনি পিঠি যাৰ সি তিনিপিঠীঁয়া, দীঘল চুলি যাৰ সি দীঘলচুলীয়া, সেই দৰে, পাঁচনখীয়া, হাতীকণীয়া, ছ-আঙ্গুলীয়া, দীঘলঠেঙীয়া।

৩২। মুখ শব্দেৰে সৈতে আন কোনো শব্দৰ বহুব্ৰীহি সমাস হলে, তাৰ খ লোপ হয়। যেনে, পশ্চিমমুৱা, নেউলমুৱা।

বহুব্ৰীহি সমাসৰ উদাহৰণ স্বৰূপে ইয়াত যিবিলাক অসমীয়া শব্দ দিয়া হৈছে, সেইবিলাক যথাৰ্থত বহুব্ৰীহি সমাস নহয় বুলি কোনো কোনো অসমীয়া পণ্ডিতে মত প্ৰকাশ কৰিছে। সিবিলাকে কয় বোলে

বেঙেনাবুলীয়া, দীঘলচুলীয়া আদি পদবিলাক অন্য ৰকমে সিদ্ধ হৈছে। যেনে, বেঙেনাৰ বোল=বেঙেনাবোল ষষ্ঠীতৎপুৰুষ, ইয়াত তদ্ধিতৰ ঈয়া প্ৰত্যয় যোগ হৈ, বেঙেনাবুলীয়া পদ সিদ্ধ হৈছে। সেইদৰে, দীঘল-চুলি, কৰ্ম্মধাৰয় সমাস, তাতে তদ্ধিতৰ ঈয়া প্ৰত্যয় কৰি, দীঘলচুলীয়া পদ সিদ্ধ হৈছে। এতেকে সিহঁত বহুব্ৰীহি সমাস নহয়। এই কথা হব পাৰে, কিন্তু এনে বিধৰ শব্দবিলাকক বহুব্ৰীহি সমাস বুলি বহুত ব্যাকৰণবিৎ পণ্ডিতে গ্ৰহণ কৰিছে।

## ব্যতিহাৰ বহুব্ৰীহি।

৩৩। পৰস্পৰ একে ৰকম কাৰ্য্য কৰা বুজাবলৈ দুই পদৰ যি সমাস হয়, তাক ব্যতিহাৰ বহুব্ৰীহি বোলে। এই সমাসত দুয়ো পদৰেই আদিৰ আ মৰি অ হয়, আৰু দ্বিতীয় পদৰ আদিৰ ও মৰি উ হয়, আৰু প্ৰথম পদ আ-কাৰান্ত আৰু দ্বিতীয় পদ ই-কাৰান্ত হয়। যেনে, হতাহতি, কণাকণি, কিলাকিলি, ধৰাধৰি, মৰামৰি, চুলিয়াচুলি, দবৰাদবৰি, বগৰা-গৰি, মুখামুখি, কোৱাকুই, মতামতি।

## কৰ্ম্মধাৰয় সমাস।

৩৪। বিশেষ্য আৰু বিশেষণ পদৰ যি সমাস হয়, তাক কৰ্ম্মধাৰয় সমাস বোলে।

অসমীয়া ভাষাত যথাৰ্থ পক্ষত বিশেষ্য আৰু বিশেষণৰ সমাস নহয়। সংস্কৃত ভাষাত বিশেষ্য পদত যি বিভক্তি বিশেষণ পদতো সেই বিভক্তি হয়। সেই দেখি বিশেষণ পদৰ বিভক্তি গুচাই তাক বিশেষ্য পদৰ লগ লগাই সমাস কৰা যায়। ব্যস্ত পদবিলাকৰ বিভক্তি লোপ কৰাই হৈছে

সমাসৰ ঘাই উদ্দেশ্য। অসমীয়াত বিশেষণত কোনো বিভক্তি যোগ নহয়, সমাস কৰি লোপ কৰিবলৈ তাত একো নাথাকে। এতেকে অসমীয়া ভাষাত বিশেষ্য আৰু বিশেষণৰ সমাসো হব নোৱাৰে। কিন্তু সেই বুলি যে অসমীয়াত কৰ্ম্মধাৰয় সমাসৰ ব্যৱহাৰ নাই, এনে নহয়। অনেক সময়ত বিশেষ্য আৰু বিশেষণ পদ গোট খাই এটা শব্দ যেন হয়, তেতিয়া তাক সমাস নুবুলি থাকিব নোৱাৰি। যেনে, পাচ দুৱাৰ, আগ চোতাল, উপৰি পুৰুষ, এনেবিলাক শব্দ সদায় এটা পদ যেন উচ্চাৰিত হয়। তেতিয়া, সমাসৰ সূত্ৰ অনুসাৰে সিহঁত সমাস নহলেও, ব্যৱহাৰত সমাস বুলি ধৰা হয়।

৩৫। **কৰ্ম্মধাৰয় সমাসত বিশেষণ পদ প্ৰায় আগত বহে।** যেনে, শুক্লবস্ত্ৰ, কৃষ্ণপক্ষ, মহানিদ্ৰা, মহাপুৰুষ, মহাজন, উচ্চগিৰি, আত্মীয়া নাট, জধামূৰ্খ, বিদগ্ধ পণ্ডিত, থুলন্তৰ পুৰুষ, ফেপা লৰা, পখৰা শিল, ৰাং কুকুৰ, ভীমকলা, ভুৰা মাছ, বোন্দা কাঁহ, মৰুভূমি, মৰচেঁওৰা।

৩৬। কৃদন্ত ক্ৰিয়া পদ বা সংখ্যাবোধক শব্দ বিশেষণ হলে, সি প্ৰায় শেষত বহে। যেনে, আলুপিটিকা, মাছভজা, সৰিয়হবটা, গামছা, কাণখোৱা, হটখোৱা, ঘৰপতা, গুৱাকটা, আলধৰা, বহিখোৱা, মৰংচোৱা, মাহ এক=মাহেক, সেইদৰে, বছেৰেক, পষেক, বাৰচেৰেক, হেজাৰেকৰ ভিতৰত গুটিয়েক, দিনচেৰেক।

৩৭। দুটা সংজ্ঞা শব্দৰ কৰ্ম্মধাৰয় সমাস হলে, এটাক আনটোৰ বিশেষণ পদ বা উপাধি বুলি ধৰা হয়। যেনে,

ঋষিব্যাস, গুৰুদ্ৰোণ, ব্ৰহ্মপুত্ৰনদ, কালীগোঁসানী, আইমাতৃ, পিতাদেউ, দদাইদেউ, বাপাদেও, ৰণশিঙ্গা।

আৰু যেনে, ফুকন ডাঙৰীয়া, কনকেশ্বৰ কাকতী, চিৰস্তাদাৰ ডাঙৰীয়া, চৰডিপুটি ডাঙৰীয়া, কেৰাণী বাবু, হলধৰ টেকেলা ; মহীৰাম দোকানী, কলিকতা নগৰ, সীতাহৰণ কাব্য, গজেন্দ্ৰ পুৰুষ, ৰায় বাহাদুৰ হিতেশ্বৰ বৰকটকী।

আৰু যেনে, মলামণি, মালতীফুল, খুটিগছা, বাহুলি গছা, বাহুলিসঁচাৰ, চোৰচাং, মাৰলঘৰ, পানীচাং, পানীদুৱাৰ, বাটচৰা, মেলচৰা, মাটিকঠাল, গোলাঘৰ, ঘাটমাউৰা, বনমানুহ, বনভোজ, বনবিৰলী, পোনামাছ, গৰৈচিৰিকা, শলঠাৰি, কাৰৈটিলিকা, বৰালিলেটা।

৩৮। এটা বিশেষ্য পদৰ কেইবাটাও বিশেষণ থাকিলে, সিহঁতৰো কৰ্ম্মধাৰয় সমাস হয়। যেনে, হৃষ্টপুষ্ট, দীঘলডাঙৰ, মৃদুমধুৰ।

৩৯। দুটা সংখ্যাবোধক শব্দৰো কৰ্ম্মধাৰয় সমাস হয়। যেনে, চতুৰ্দ্দশ, ত্ৰিবিংশতি, সাতপাঁচ।

৪০। অন্য শব্দেৰে সৈতে কৰ্ম্মধাৰয় সমাস হলে, অন্য অন্তৰ হয়। যেনে, অন্য দ্বীপ = দ্বীপান্তৰ, অন্য লোক = লোকান্তৰ, অন্য দেশ = দেশান্তৰ। কিন্তু অসমীয়াত দেশান্তৰী।

৪১। আধা শব্দেৰে সৈতে কৰ্ম্মধাৰয় সমাস হলে, আধা আদ্ হয়। যেনে, আদ্মোণ, আদ্সেৰ, ( মৌখিক

আধেৰ), আদ্‌তোলা (মৌখিক আতোলা), আদ্‌টি = আহুটি।

৪২। এটা বস্তুৰে সৈতে আন এটাক ৰিজালে, সিহঁতৰ কৰ্ম্মধাৰয় সমাস হয়, সমাস হলে ৰিজনি অব্যয় শব্দ লোপ হয়। সেই অব্যয় শব্দ দুই পদৰ মধ্যৰ পৰা লোপ হলে, তাক মধ্যপদলোপী কৰ্ম্মধাৰয়, আৰু দুই পদৰ অন্তৰ পৰা লোপ হলে, তাক অন্ত্যপদলোপী কৰ্ম্মধাৰয় বোলে। যেনে, পদ্মৰ নিচিনা লোচন = পদ্মলোচন, অগ্নিৰ নিচিনা বাণ = অগ্নিবাণ, পানীৰ নিচিনা থিৰ নমবা কেচুৱা = পানীকেচুৱা, সোণৰ নিচিনা তৰা = সোণতৰা। এইবিলাকৰ ৰিজনি অব্যয় নিচিনা পদৰ মাজৰপৰা লোপ হৈছে। এতেকে সিহঁত মধ্যপদলোপী কৰ্ম্মধাৰয়। আৰু মুখ চন্দ্ৰৰ নিচিনা = মুখচন্দ্ৰ, বিদ্যা সাগৰৰ নিচিনা = বিদ্যাসাগৰ, জ্ঞান ৰত্নৰ নিচিনা = জ্ঞানৰত্ন, চিন্তা অনলৰ নিচিনা = চিন্তানল। এইবিলাকৰ ৰিজনি অব্যয় নিচিনা পদ দুটাৰ শেষৰ পৰা লোপ হৈছে। এতেকে সিহঁত অন্ত্যপদলোপী কৰ্ম্মধাৰয়।

৪৩। দুটা বস্তু ৰিজালে যি কৰ্ম্মধাৰয় সমাস হয়, সি দুবিধ :—উপমিত কৰ্ম্মধাৰয় আৰু ৰূপক কৰ্ম্মধাৰয়।

৪৪। যি কৰ্ম্মধাৰয় সমাসত উপমাৰ পদটো আগত থাকে, তাক উপমিত কৰ্ম্মধাৰয় বোলা যায়। যেনে, চন্দ্ৰমুখ। ইয়াত চন্দ্ৰ হৈছে উপমাৰ পদ, সি আগত আছে।

৪৫। যি কৰ্ম্মধাৰয় সমাসত উপমাৰ পদটো পাচত

থাকে, আৰু তাকেই প্ৰধান কৰি ধৰা যায়, তাক ৰূপক কৰ্ম্মধাৰয় বোলে। যেনে, মুখচন্দ্ৰ। ইয়াত উপমাৰ পদ চন্দ্ৰ পাচত আছে। আৰু তাকেই প্ৰধান কৰি ধৰা হৈছে, অৰ্থাৎ মুখখনকেই চন্দ্ৰ বোলা হৈছে।

৪৬। কৰ্ম্মধাৰয় সমাসত সমস্ত পদৰ শেষত থকা ৰাজা শব্দ কেতিয়াবা ৰাজ হয়, নহৈও থাকে। যেনে, মহাৰাজ বা মহাৰাজা।

৪৭। কৰ্ম্মধাৰয় সমাসত পুৰুষ শব্দৰ আগত থকা কু শব্দ কা হয়, নহৈও থাকে। যেনে, কাপুৰুষ বা কুপুৰুষ।

৪৮। কৰ্ম্মধাৰয় সমাসত পূৰ্ব্ব, মধ্য আৰু অপৰ শব্দৰ পাচত থকা অহন্ শব্দ অহ্ন হয়। যেনে, পূৰ্ব্বাহ্ণ, মধ্যাহ্ন, অপৰাহ্ণ ( ন ণ হৈছে, ণত্ববিধি চোৱা )।

তৎপুৰুষ সমাস।

৪৯। যি সমাসত আদিৰ ব্যস্ত পদ প্ৰথমাৰ বাজে আন বিভক্তিত থাকে, আৰু শেষ ব্যস্ত পদৰ অৰ্থই প্ৰধান হয়, তাক তৎপুৰুষ সমাস বোলে। এই সমাস কেৱল দুটা পদৰ ভিতৰতহে হয়।

৫০। তৎপুৰুষ সমাস ছবিধ:—দ্বিতীয়া, তৃতীয়া, চতুৰ্থী, পঞ্চমী, ষষ্ঠী, আৰু সপ্তমী তৎপুৰুষ।

দ্বিতীয়া তৎপুৰুষ।

৫১। সমাস হোৱা ব্যস্ত পদৰ প্ৰথমটোত দ্বিতীয়া বিভক্তি থাকিলে, তাক দ্বিতীয়া তৎপুৰুষ বোলে। যেনে,

গঙ্গাক পায়=গঙ্গাপ্রাপ্তি, স্বর্গক পায়=স্বর্গপ্রাপ্তি, নৰক হত্যা কৰে=নৰহত্যা, লক্ষক ভেদ কৰে=লক্ষভেদ, প্রাণক পণ কৰে=প্রাণপণে, গুৰুক সেৱা কৰে=গুৰুসেৱা। সেইদৰে, ভকতসেৱা, ঠাকুৰসেৱা, বলিয়াসেৱা, সেৱাচুৰ, দৰাবৰণ, বিদ্যাৰম্ভ, মাতৃপূজা, ৰাৱণবধ, বলিছলন, মধুসূদন।

তৃতীয়া তৎপুৰুষ।

৫২। সমাস হোৱা ব্যস্ত পদৰ প্রথমটোত তৃতীয়া বিভক্তি থাকিলে, তাক তৃতীয়া তৎপুৰুষ বোলে। যেনে, ভৱভূতিৰ দ্বাৰা প্রণীত=ভৱভূতিপ্রণীত, অগ্নিৰ দ্বাৰা দগ্ধ= অগ্নিদগ্ধ, দাৰে কটা=দাকটা।

৫৩। অসমীয়াত অনেক সময়ত তৃতীয়াৰ এৰে বিভক্তিৰ ৰে মাথোন লোপ হয়, এ থাকে। যেনে, হাতেৰে বোৱা= হাতেবোৱা, নিজ কাণেৰে শুনা=নিজকাণে শুনা, চকুৱেৰে দেখা=চকুৱেদেখা।

চতুর্থী তৎপুৰুষ।

৫৪। সমাস হোৱা ব্যস্ত পদৰ প্রথমটোত চতুর্থী বিভক্তি থাকিলে, তাক চতুর্থী তৎপুৰুষ বোলে। যেনে, দেৱক দিয়া হৈছে=দেৱদত্ত।

পঞ্চমী তৎপুৰুষ।

৫৫। সমাস হোৱা ব্যস্ত পদৰ প্রথমটোত পঞ্চমী বিভক্তি থাকিলে, তাক পঞ্চমীতৎপুৰুষ বোলে। যেনে, যোগৰ পৰা ভ্রষ্ট=যোগভ্রষ্ট, পদৰ পৰা চ্যুত=পদচ্যুত,

ধৰ্ম্মৰ পৰা ভীৰু = ধৰ্ম্মভীৰু, গছৰ পৰা সৰা = গছসৰা, গজৰ পৰা হোৱা মুক্তা = গজমুক্তা।

### ষষ্ঠী তৎপুৰুষ।

৫৬। সমাস হোৱা ব্যস্ত পদৰ প্ৰথমটোত ষষ্ঠী বিভক্তি থাকিলে, তাক ষষ্ঠী তৎপুৰুষ বোলে। যেনে—দেৱৰ আলয় = দেৱালয়, গঙ্গাৰ জল = গঙ্গাজল, পৰৰ অধীন = পৰাধীন, নৰৰ পতি = নৰপতি বা নৃপতি। সেইদৰে, তালপাত, কলপাত বা কলাপাত, কলডিল, কলফুল বা কলাফুল, গুৱালগালি, বদকাঁচিয়লি, কন্থাবুলন, সোণচেকুৰা, কপাহ-জোলা, মাছখুতুৰা, নাওমান, ( মৌখিক নাউমান ) = নামৰ মান অৰ্থাৎ নামমাত্ৰ, ধনভঁৰালী, ধনগুলৈ, ডেকাচাং, হাতীদাঁত, কিন্তু হস্তিদন্ত।

সংস্কৃত ভাষাত যিবিলাক শব্দ তদ্ধিতৰ ইন্ বা কৃতৰ ণিন্ প্ৰত্যয় যোগ দি সিদ্ধ কৰা হয়, সেইবিলাক শব্দৰ প্ৰথমা বিভক্তিৰ এক বচনৰ ৰূপটোক অসমীয়া ভাষাত মূল শব্দ বুলি ধৰা যায়, আৰু তাৰ অসমীয়া প্ৰথমাদি বিভক্তি যোগ দিয়া যায়। যেনে, ধন + ইন্ = ধনিন্, প্ৰথমা বিভক্তিৰ এক বচনত ধনী। সেইদৰে, উপ – কৃ + ণিন্ = উপকাৰিন্, প্ৰথমা বিভক্তিৰ একবচনত উপকাৰী। কিন্তু অসমীয়াত ধনী আৰু উপকাৰী মূল শব্দ হয়, আৰু সিহঁতত অসমীয়া সকলো বিভক্তি যোগ হয়। যেনে, ধনীয়ে উপকাৰীয়ে, ধনীক উপকাৰীক। হস্তী শব্দও সংস্কৃত ব্যাকৰণমতে হস্ত শব্দত তদ্ধিতৰ ইন্ প্ৰত্যয় কৰি সিদ্ধ হৈছে। হস্ত + ইন্ = হস্তিন্, তাত প্ৰথমাৰ একবচনৰ বিভক্তি যোগ দিয়াত, পুংলিঙ্গত হস্তী হৈছে। এই পদক অসমীয়াত মূল শব্দ বুলি ধৰি, তাত

নানা অসমীয়া বিভক্তি যোগ দিয়া হয়। অসমীয়াত হস্তীক হাতী বোলা যায়। এতেকে হাতীৰ দাঁত সমাসত হাতীদাঁত হয়। কিন্তু সংস্কৃতত হস্তিনঃ দন্তঃ, সমাসত হস্তিদন্ত হয়। গভীৰ ভাবৰ অসমীয়া ৰচনাত সংস্কৃত শব্দ ব্যৱহাৰ কৰিব পাৰি। কিন্তু সংস্কৃত শব্দ ব্যবহাৰ কৰিলে তাৰ আখৰ যোটনি সংস্কৃত ব্যাকৰণৰ নিয়মমতে কৰা হয়। এতেকে হস্তিদন্ত লিখিলে হ্রস্ব ই-কাৰ আৰু হাতীদাঁত লিখিলে দীর্ঘ ঈ-কাৰ হয়।

৫৭। দাস শব্দেৰে সৈতে সমাস হলে, কালী, চণ্ডী, দেবী আদি শব্দৰ ঈ মৰি ই হয়। যেনে, কালিদাস, চণ্ডিদাস, দেবিদাস।

## সপ্তমী তৎপুৰুষ।

৫৮। সমাস হোৱা ব্যস্ত পদৰ প্ৰথমটোত সপ্তমী বিভক্তি থাকিলে, তাক সপ্তমী তৎপুৰুষ বোলে। যেনে, পিতৃত ভক্তি = পিতৃভক্তি, বনত বাস = বনবাস, ৰণত পণ্ডিত = ৰণপণ্ডিত। সেইদৰে. তলসৰা, গছপকা, জপাপূৰণি, ঘৰওপজা, দিনকণা, ধনহীন, থলবলী।

## দ্বিগু সমাস।

৫৯। যি সমাসৰ প্ৰথম ব্যস্ত পদ সংখ্যাবোধক তাক দ্বিগুসমাস বোলে।

প্ৰথমত সংখ্যাবোধক শব্দ থাকিলেই যে দ্বিগু সমাস হয়, তেনে নহয়। দুই, তিনি, চাৰি আদি সংখ্যাৰ সমাহাৰ হলেহে, অর্থাৎ সিহঁতক মুঠ কৰি এটা বুলি ধৰিলেহে, দ্বিগু সমাস হয়। তিনি বামুণ বা চাৰি শূদিৰ দ্বিগু সমাস নহয়। কাৰণ ইয়াত সংখ্যা কেইটাৰ

সমাহাৰ হোৱা নাই। সেইদৰে, তিনি ভুবন দ্বিগু সমাস নহয়। কাৰণ তিনি ভুবন শব্দে স্বৰ্গ, মৰ্ত্ত্য আৰু পাতাল, এই তিনি ভুবন বুজাইছে। কিন্তু ত্রিভুবন দ্বিগু সমাস। কিয়নো, সেই শব্দে তিনিও ভুবনক এক কৰি গোটেইখন বিশ্বক বুজাইছে, অর্থাৎ তাত তিনি সংখ্যাৰ সমাহাৰ হৈছে।

দ্বিগু সমাসৰ উদাহৰণ ঃ—ত্রিনয়ন, চতুর্ভুজ, তিনিমুনি (বাট), চৌপৰ (ৰাতি), দুপৰ, (বেলি), তিনিগধূলি, সাতবিহু, পঞ্চামৃত, সাতামপুৰুষ, বাৰেমতৰা, বাৰেতিকাল বা বাৰেওতিকাল। বাৰেপাচি (এইবিলাক শব্দত বাৰ বাৰে হয়), বাৰমিহলি, বাৰবাখৰ, চৌঠেঙ্গীয়া, সাতসৰী, দোমাহী, দোমোজা, সাতঘোঁকট।

৬০। কোনো কোনো দ্বিগু সমাসত শেষ শব্দত ঈ-কাৰ হয়। যেনে, পঞ্চবটী, ত্রিপদী, চতুষ্পদী, শতাব্দী, চৌৰাঙ্গী, সাতশাকী।

## নঞ্ সমাস।

৬১। অভাৱ, সদৃশ, ভিন্ন, অল্প, বিৰোধী আৰু অপ্রশস্ত, এইবিলাক ভাব বুজুৱা ন ৰে সৈতে আন পদৰ যি সমাস হয়, তাক নঞ্ সমাস বোলে। এই সমাস তৎপুৰুষ সমাসৰ অন্তর্গত।

৬২। নঞ্ সমাসত ন ৰ পাচত স্বৰবর্ণ থাকিলে ন অন্ হয় আৰু ব্যঞ্জনবর্ণ থাকিলে ন অ হয়। এই অ অসমীয়াত কেতিয়াবা আ, কেতিয়াবা এ হয়। যেনে, ন+উচিত=

অনুচিত, ন+ইচ্ছা=অনিচ্ছা, ন+ঈশ্বৰ=অনীশ্বৰ, কিন্তু ন+কাল=অকাল, ন+মানুহ=অমানুহ, ন+ধৰ্ম্ম=অধৰ্ম্ম, ন+কাজী=অকাজী, বা আকাজী বা একাজী ন+বতৰ= অবতৰ বা আবতৰ।

৬৩। দণ্ড শব্দৰ আগৰ ন উ হয়। যেনে, ন+দণ্ড= উদণ্ড।

নঞ্ সমাসত নৰ ভিন ভিন অৰ্থৰ উদাহৰণ। যেনে,
অভাব অৰ্থত ন :—অধৰ্ম্ম, অপাপ, অবিবেচনা, অহিত।
সদৃশ অৰ্থত ন :—অব্ৰাহ্মণ।
ভিন্ন অৰ্থত ন :—অলৌকিক, অসবৰ্ণ, অসময়।
অল্প অৰ্থত ন :—অকেশী।
বিৰোধী অৰ্থত ন :—অসুৰ, অৰীতি, অনীতি, অবিধি।
অপ্ৰশস্ত অৰ্থত ন :—অকাল, অজ্ঞান, অবাট।

অব্যয়ীভাব সমাস।

৬৪। সমীপ, অভাব, পশ্চাৎ, যোগ্যতা, অনতিক্ৰম, সদৃশ, পৰ্য্যন্ত আৰু বীপ্সা ( একে সময়তে হোৱা ), এইবিলাক ভাবৰ অব্যয় শব্দেৰে সৈতে আন শব্দৰ যি সমাস হয়, তাক অব্যয়ীভাব সমাস বোলে।

৬৫। এই সমাসত পদৰ পাচত থকা অব্যয় শব্দ তাৰ আগলৈ যায়। যেনে,

সমীপ অৰ্থৰ উপ অব্যয়েৰে হোৱা সমাস :—কুলৰ সমীপ, কুলৰ উপ=উপকুল, বনৰ সমীপ, বনৰ উপ=উপবন।

অভাব অৰ্থৰ ন, নিৰ্ আদি অব্যয়েৰে হোৱা সমাস। অব্যয় পদৰ আগত ঃ—সুখৰ অভাব = অসুখ, ৰোগৰ অভাব = নীৰোগ, দায়ৰ অভাব = নিৰ্দ্দায়। সেইদৰে, দুৰ্ভিক্ষ, নিৰ্ব্বিঘ্ন, বিনাধন।

পশ্চাৎ অৰ্থৰ অনু অব্যয়েৰে হোৱা সমাস। অব্যয় পদৰ আগত ঃ—পাচত যায় = অনুসৰণ, পাচত চাই কৰে = অনুকৰণ, পাচত যায় যি = অনুচৰ।

যোগ্য অৰ্থৰ প্ৰতি অব্যয়েৰে হোৱা সমাস। অব্যয় পদৰ আগত ঃ—ৰূপৰ যোগ্য = প্ৰতিৰূপ, আকৃতিৰ যোগ্য = প্ৰতিকৃতি, শব্দৰ যোগ্য = প্ৰতিশব্দ।

অনতিক্ৰম অৰ্থৰ যথা অব্যয়েৰে হোৱা সমাস। অব্যয় পদৰ আগত ঃ—শক্তিক অতিক্ৰম নকৰি = যথাশক্তি, বিধিক অতিক্ৰম নকৰি = যথাবিধি।

সদৃশ অৰ্থৰ অনু আৰু উপ অব্যয়েৰে হোৱা সমাস। অব্যয় পদৰ আগত ঃ—ৰূপৰ সদৃশ = অনুৰূপ, স্বৰৰ ( মাতৰ ) সদৃশ কৰা = অনুকাৰ, দ্বীপৰ সদৃশ = উপদ্বীপ।

পৰ্য্যন্ত অৰ্থৰ যাবৎ আৰু আ অব্যয়েৰে হোৱা সমাস। অব্যয় পদৰ আগত ঃ—জীৱন যাবৎ = যাবজ্জীৱন বা আজীৱন, কণ্ঠ পৰ্য্যন্ত = আকণ্ঠ, জানু ( আঠু ) পৰ্য্যন্ত = আজানু।

বীপ্সা অৰ্থৰ প্ৰতি, অনু আদি অব্যয়েৰে হোৱা সমাস। অব্যয় পদৰ আগত ঃ—দিনে দিনে = প্ৰতিদিন, ঘৰে ঘৰে = প্ৰতিঘৰে, ক্ষণে ক্ষণে = অনুক্ষণ, ক্ৰমে ক্ৰমে = অনুক্ৰমে।

৬৬। অব্যয়ীভাব সমাসত সহ শব্দৰ হ লোপ হয়, স মাথোন্ থাকে। যেনে, পুত্ৰ সহ=সপুত্ৰ, পৰিবাৰ সহ= সপৰিবাৰ, বান্ধৱ সহ=সবান্ধৱ, বংশ সহ=সবংশ।

৬৭। তলত দিয়া পদবিলাক অনিয়মিত, অৰ্থাৎ নিপাতনত সিদ্ধ হোৱা অব্যয়ীভাব সমাস ঃ—অক্ষিৰ অভিমুখ= প্ৰত্যক্ষ, অক্ষিৰ অগোচৰ=পৰোক্ষ, অক্ষিৰ সমীপ=সমক্ষ, প্ৰাপ্ত দক্ষিণক=পদক্ষিণ, ইত্যাদি।

## নিত্য সমাস।

৬৮। ওপৰত যিবিলাক সমাসৰ কথা উল্লেখ কৰা হৈছে, সেইবিলাক সমাস লিখকৰ ইচ্ছাধীন, অৰ্থাৎ তেওঁ সেই পদবিলাকৰ সমাস কৰিও ব্যৱহাৰ কৰিব পাৰে, বা সমাস নকৰাকৈও এৰিব পাৰে। কিন্তু কেতবিলাক যুটীয়া শব্দ আছে, যাক যোগ লগাই নিলিখিলে নহয়, অৰ্থাৎ সিহঁতক সমাস আকাৰত নথলেই নচলে। তেনেকুৱা যুটীয়া শব্দবিলাকক নিত্য সমাস বোলা হয়। যথাৰ্থ পক্ষত, সমাসৰ সূত্ৰ অনুসাৰে সিহঁতৰ সমাস নহয়, তথাপি দুটা শব্দ সদায় গোট খাই থকা বাবেই সিহঁতক সমাস বোলা যায়। আন এটা পদেৰে সৈতে কৃদন্ত পদৰ যি সমাস হয়, সি এই শ্ৰেণীৰ সমাস, আৰু উপসৰ্গেৰে সৈতে ধাতুৰ যি সমাস হয় সিও এই শ্ৰেণীৰ সমাস। যেনে, জলত চৰে=জলচৰ, কুম্ভ কৰে=কুম্ভকাৰ, ইত্যাদি। ইয়াত জল পদ চৰ কৃদন্ত পদেৰে সৈতে, আৰু কুম্ভ পদ কাৰ

কৃদন্ত পদেৰে সৈতে গোট খাই আছে, সেই দেখি সিহঁতক সমাস বোলা হয়। আৰু প্ৰ–হৃ+ঘঞ্=প্ৰহাৰ, উপ–কৃ+ণিন্=উপকাৰী। এই দুটা উপসৰ্গেৰে সৈতে হোৱা ধাতুৰ সমাস। ইহঁতক কেতিয়াও বিলগ কৰি থব নোৱাৰি। এতেকে সিহঁত নিত্য সমাস।

# নবম অধ্যায়।

## তদ্ধিত প্ৰকৰণ।

১। যি প্ৰণালীত এটা শব্দত নানাবিধ প্ৰত্যয় যোগ দি নতুন শব্দ প্ৰস্তুত কৰা হয়, তাক তদ্ধিত বোলে, আৰু প্ৰত্যয়-বিলাকক তদ্ধিত প্ৰত্যয় বোলা যায়।

২। অব্যয় শব্দ আৰু ক্ৰিয়াবিশেষণৰ বাজে প্ৰায় সকলো শব্দত তদ্ধিত প্ৰত্যয় যোগ হয়।

৩। তদ্ধিত প্ৰত্যয় দুবিধ:—সংস্কৃত তদ্ধিত প্ৰত্যয় আৰু অসমীয়া তদ্ধিত প্ৰত্যয়। সংস্কৃত প্ৰত্যয় সংস্কৃত শব্দত আৰু অসমীয়া প্ৰত্যয় অসমীয়া শব্দত যোগ হয়। কেত-বিলাক সংস্কৃত তদ্ধিত প্ৰত্যয় অসমীয়া ভাষাত গ্ৰহণ কৰা হৈছে, সেইবিলাক অসমীয়া শব্দত যোগ দিব পাৰি।

৪। ই ঈ ৰ ঠাইত এ, উ ঊ ৰ ঠাইত ও, ঋ ৠ ৰ ঠাইত অৰ হলে সিহঁতৰ গুণ হোৱা বোলে।

৫। অ ৰ ঠাইত আ, ই ঈ ৰ ঠাইত ঐ, উ ঊ ৰ ঠাইত ঔ, ঋ ৠ ৰ ঠাইত আৰ হলে সিহঁতৰ বৃদ্ধি হোৱা বোলে।

৬। প্ৰত্যয় শব্দত যোগ দিলে, প্ৰত্যয়ৰ যি অংশ লোপ হয়, তাক ইৎ যোৱা বোলে।

৭। শব্দৰ শেষ বৰ্ণৰ আগৰ বৰ্ণক উপধা বোলো।

## সংস্কৃত তদ্ধিত প্ৰত্যয়।

৮। শব্দত তদ্ধিত প্ৰত্যয় যোগ দিবৰ সাধাৰণ নিয়ম।

(ক) প্ৰত্যয়ৰ ণ ইৎ গলে, শব্দৰ আদি স্বৰ বৃদ্ধি হয়। কিন্তু সুভগা, দুৰ্ভগা, পৰলোক, সুহৃৎ আদি শব্দৰ দুয়ো পদৰ আদি স্বৰ বৃদ্ধি হয়।

(খ) প্ৰত্যয়ৰ স্বৰ বৰ্ণ আৰু য পাচত থাকিলে, শব্দৰ শেষৰ অ, আ, ই, ঈ লোপ হয়, কিন্তু উ ঊ গুণ হয়।

(গ) ঋ, ও, আৰু ঔ-কাৰৰ পাচত থকা প্ৰত্যয়ৰ য স্বৰ বৰ্ণ স্বৰূপ হয়।

(ঘ) প্ৰত্যয়ৰ ড ইৎ গলে, শব্দৰ শেষ বৰ্ণ লোপ হয়।

(ঙ) প্ৰত্যয়ৰ ণ ইৎ গলে, ব্যাকৰণ, ন্যায়, দ্বাৰ আদি শব্দৰ আদি স্বৰৰ পৰা হোৱা য আৰু ব মৰি ক্ৰমান্বয়ে ইয়্ আৰু উব্ হয়।

যিবিলাক প্ৰত্যয়ৰ দ্বাৰা সিদ্ধ পদ অসমীয়া সাহিত্যত পোৱা যায়, সেইবিলাক প্ৰত্যয় মাথোন ইয়াত দিয়া হল।

৯। অপত্য অৰ্থত, অৰ্থাৎ ই তাৰ সন্তান, এই অৰ্থাৎ শব্দত ষ্ণ, ষ্ণি, ষ্ণ্য, ষ্ণেয়, আৰু ষ্ণায়ণ প্ৰত্যয় হয়। ইহঁতৰ ষ আৰু ন ইৎ যায়, থাকে ক্ৰমে অ, ই, য, এয় আৰু আয়ন।

ষ্ণ প্ৰত্যয়ৰ যোগত সিদ্ধ:—মনুৰ সন্তান, মনু+ষ্ণ= মানব, পাণ্ডুৰ সন্তান, পাণ্ডু+ষ্ণ=পাণ্ডব। সেইদৰে, যদু— যাদব, কুৰু—কৌৰব, দনু—দানব, বসুদেব—বাসুদেব, কশ্যপ —কাশ্যপ, স্ত্ৰী কাশ্যপী, দুহিতৃ দৌহিত্ৰ, স্ত্ৰী দৌহিত্ৰী।

ষ্ণি প্ৰত্যয়ৰ যোগত সিদ্ধ:—দশৰথৰ সন্তান, দশৰথ+ ষ্ণি=দাশৰথি, ৰাৱণৰ সন্তান, ৰাৱণ+ষ্ণি=ৰাৱণি। সেইদৰে অৰ্জ্জুন—আৰ্জ্জুনি, সুমিত্ৰা—সৌমিত্ৰি, জনক—স্ত্ৰী জানকী, বল্মীক—বাল্মীকি।

ষ্ণ্য প্ৰত্যয়ৰ যোগত সিদ্ধ:—অদিতিৰ সন্তান, অদিতি +ষ্ণ্য=আদিত্য, জমদগ্নিৰ সন্তান, জমদগ্নি+ষ্ণ্য=জামদগ্ন্য। সেইদৰে, গৰ্গ—গাৰ্গ্য ইত্যাদি।

ষ্ণেয় প্ৰত্যয়ৰ যোগত সিদ্ধ:—ভগিনীৰ সন্তান, ভগিনী +ষ্ণেয়=ভাগিনেয় স্ত্ৰী ভাগিনেয়ী, বিমাতৃৰ সন্তান, বিমাতৃ +ষ্ণেয় = বৈমাত্ৰেয়, স্ত্ৰী বৈমাত্ৰেয়ী, কুন্তী—কৌন্তেয়, ইত্যাদি।

ষ্ণায়ন প্ৰত্যয়ৰ যোগত সিদ্ধ:—নৰৰ সন্তান, নৰ+ষ্ণায়ন =নাৰায়ণ স্ত্ৰী নাৰায়ণী, দক্ষৰ সন্তান, দক্ষ+ষ্ণায়ন=দাক্ষায়ণ স্ত্ৰী দাক্ষায়ণী। সেইদৰে, কত্য—কাত্যায়ন স্ত্ৰী কাত্যায়ণী।

১০। এই প্ৰত্যয়বিলাকৰ কেতবিলাক অপত্য অৰ্থৰ বাজে অন্য অৰ্থতো শব্দত যোগ হয়। যেনে,

ষ্ণ স্বাৰ্থত :—বন্ধু–বান্ধব, ইত্যাদি।

ষ্ণ ভাবাৰ্থত :—গুৰু–গৌৰৱ, লঘু–লাঘব, শিশু–শৈশৱ ইত্যাদি।

ষ্ণ সেৱক অৰ্থত :—বিষ্ণু–বৈষ্ণৱ, শিৱ–শৈৱ, শক্তি—শাক্ত, ইত্যাদি।

ষ্ণ সঙ্গত অৰ্থত :—বিধি—বৈধ, অবিধি—অবৈধ, ইত্যাদি।

ষ্ণ্য ভাবাৰ্থত :—কৰুণা–কাৰুণ্য, সমীপ–সামীপ্য, ধীৰ–ধৈৰ্য্য, গম্ভীৰ–গাম্ভীৰ্য্য। সেইদৰে, দৈৰ্ঘ্য, চাঞ্চল্য, তাৰতম্য, ইত্যাদি।

ষ্ণ্য উদ্ভৱ অৰ্থত, অৰ্থাৎ ইয়াত জন্মিছে, এই অৰ্থত :—গ্ৰাম—গ্ৰাম্য, বন–বন্য, ইত্যাদি।

সম্পৰ্ক বুজাবলৈ কোনো কোনো শব্দত ষ্ণিক প্ৰত্যয় যোগ হয়। ষ্ণিকৰ ষ্ণ ইৎ যায়। যেনে, দেহ সম্পৰ্কে, দেহ+ষ্ণিক=দৈহিক, শৰীৰ সম্পৰ্কে, শৰীৰ+ষ্ণিক=শাৰীৰিক। সেইদৰে, মনস্–মানসিক, বৰ্ষ–বাৰ্ষিক. দিন–দৈনিক, মাস–মাসিক, সমাজ–সামাজিক, অনুমান–আনুমানিক, লোক–লৌকিক, মুখ–মৌখিক, মূল–মৌলিক, যোগ–যৌগিক, ইত্যাদি।

১১। আছে অৰ্থত শব্দত বতু, মতু, ইন, বিন, আলু আদি প্ৰত্যয় যোগ হয়।

বতু, মতু।

১২। অ—কাৰান্ত, আ—কাৰান্ত, আৰু ব্যঞ্জনান্ত শব্দৰ পাচত আছে অৰ্থত বতু প্ৰত্যয় হয়, আন শব্দত মতু প্ৰত্যয় হয়। বতু আৰু মতুৰ উ ইৎ যায়, বৎ আৰু মৎ থাকে। যেনে, ধন আছে, ধন+বতু=ধনবৎ, প্ৰথমা বিভক্তিৰ এক বচনত ধনবান, বিদ্যা আছে, বিদ্যা+বতু=বিদ্যাবৎ, প্ৰথমা বিভক্তিৰ এক বচনত বিদ্যাবান। সেইদৰে, গুণ—গুণবান, ৰূপ—ৰূপবান, বল—বলবান, ক্ষমতা—ক্ষমতাবান, লাভ—লাভবান, পুত্ৰ—পুত্ৰবান, ক্ৰিয়াবান, বিদ্যুত্বান, তড়িত্বান, ইত্যাদি। কিন্তু বুদ্ধি আছে, বুদ্ধি+মতু বুদ্ধিমৎ, প্ৰথমা বিভক্তিৰ এক বচনত বুদ্ধিমান, শক্তি আছে, শক্তি+মতু= শক্তিমৎ, প্ৰথমা বিভক্তিৰ এক বচনত শক্তিমান। সেই দৰে, মধু—মধুমান, মতি—মতিমান, শ্ৰী—শ্ৰীমান, মূৰ্ত্তি—মূৰ্ত্তিমান, ভক্তি—ভক্তিমান, কীৰ্ত্তি—কীৰ্ত্তিমান, খ্যাতি—খ্যাতিমান, বসুমতী ( স্ত্ৰী ), হনুমান।

১৩। স্ত্ৰীলিঙ্গত বানৰ ঠাইত বতী আৰু মানৰ ঠাইত মতী হয়। যেনে, ধনবান ধনবতী, বিদ্যাবান বিদ্যাৱতী, গুণৱান গুণৱতী, ৰূপৱান ৰূপৱতী, ইত্যাদি,। সেইদৰে, বুদ্ধিমান বুদ্ধিমতী, শক্তিমান শক্তিমতী, শ্ৰীমান শ্ৰীমতী, খ্যাতিমান খ্যাতিমতী, ইত্যাদি।

১৪। যি শব্দৰ উপধা স্থলত, অর্থাৎ শব্দৰ শেষ বর্ণৰ আগত ম থাকে তাত মতুৰ ম মৰি ব হয়। যেনে, লক্ষ্মী+মতু=লক্ষ্মীবান, ইত্যাদি।

ইন্।

১৫। এটাতকৈ অধিক স্বৰবর্ণযুক্ত অ—কাৰান্ত আৰু আ—কাৰান্ত শব্দৰ পাচত, আছে অর্থত ইন প্রত্যয় হয়। ইন প্রত্যয় যোগ হলে, শব্দৰ শেষৰ স্বৰ লোপ হয়। যেনে, ধন আছে, ধন+ইন=ধনিন্, প্রথমা বিভক্তিৰ এক বচনত ধনী, গুণ আছে, গুণ+ইন=গুণিন্, প্রথমা বিভক্তিৰ এক বচনত গুণী, সেই দৰে, মান–মানী, জ্ঞান–জ্ঞানী, সুখ–সুখী, দুঃখ–দুঃখী, হস্ত—হস্তী, ইত্যাদি। মানী স্ত্রী মানিনী, হস্তী স্ত্রী হস্তিনী।

বিন্।

১৬। মায়া, মেধা, আৰু অস্ শেষত থকা শব্দৰ পাচত, আছে অর্থত, বিন্ প্রত্যয় হয়। যেনে, মেধা আছে, মেধা+বিন্=মেধাবিন, প্রথমা বিভক্তিৰ এক বচনত মেধাবী, স্ত্রী মেধাবিনী। সেইদৰে, মায়া—মায়াবী, স্ত্রী মায়াবিনী. তেজস্—তেজস্বী, স্ত্রী তেজস্বিনী, তপস্—তপস্বী, স্ত্রী তপস্বিনী, পয়স্—স্ত্রী পয়স্বিনী, যশস্—যশস্বী স্ত্রী যশস্বিনী, ইত্যাদি।

আলু।

১৭। দয়া, নিদ্রা, কৃপা, শ্রদ্ধা আদি কেতবিলাক শব্দৰ পাচত, আছে অর্থত আলু প্রত্যয় হয়। যেনে, দয়া—দয়ালু,

নিদ্ৰা—নিদ্ৰালু, তন্দ্ৰা–তন্দ্ৰালু, কৃপা—কৃপালু, শ্ৰদ্ধা—শ্ৰদ্ধালু, ইত্যাদি।

ইষ্ঠ, ঈয়স্।

১৮। বহুতৰ ভিতৰত এটাৰ উৎকৰ্ষ বুজাবলৈ শব্দৰ পাচত ইষ্ঠ প্ৰত্যয় হয়; ই সকলোতকৈ লঘু, লঘু+ইষ্ঠ=লঘিষ্ঠ, ই সকলোতকৈ গুৰু, গুৰু ইষ্ঠ=গৰিষ্ঠ, ইত্যাদি। ইষ্ঠ প্ৰত্যয় যোগ কৰাত লঘু আৰু গুৰু শব্দৰ কেনে পৰিবৰ্ত্তন হৈছে, তাক চোৱাঁ। লঘু গুচি লঘ আৰু গুৰু গুচি গৰ হৈছে। সেইদৰে, বল—বলিষ্ঠ, বলীয়ান্, ইত্যাদি।

১৯। দুটাৰ ভিতৰত এটাৰ উৎকৰ্ষ বুজাবলৈ শব্দৰ পাচত ঈয়স্ প্ৰত্যয় হয়। যেনে, ইয়াতকৈ ই লঘু, লঘু+ঈয়স্=লঘীয়স্, প্ৰথমা বিভক্তিৰ এক বচনত লঘীয়ান্, স্ত্ৰী লঘীয়সী, সেইদৰে, গুৰু—গৰীয়ান্, স্ত্ৰী গৰীয়সী।

২০। ইষ্ঠ, ঈয়স্ প্ৰত্যয় পাচত থাকিলে, প্ৰশস্য শব্দৰ ঠাইত প্ৰ আৰু জ্য হয়, আৰু বৃদ্ধ শব্দৰ ঠাইত বৰ্ষ আৰু জ্য হয়। জ্য হলে, ঈয়সৰ ঈ মৰি আ হয়। যেনে, প্ৰশস্য—শ্ৰেষ্ঠ, জ্যেষ্ঠ, শ্ৰেয়ান্, জ্যায়ান্, বৃদ্ধ—বৰ্ষিষ্ঠ, জ্যেষ্ঠ, বৰ্ষীয়ান্, জ্যায়ান্।

২১। ইষ্ঠ, ঈয়স্ প্ৰত্যয় পাচত থাকিলে, অল্প শব্দৰ ঠাইত কেতিয়াবা কন্ হয়, নহৈও থাকে। যেনে, অল্প—কনিষ্ঠ বা অল্পিষ্ঠ, কনীয়ান্ বা অল্পীয়ান্।

২২। ভূয়িষ্ঠ আৰু ভূয়ান্ শব্দ বহু শব্দত ইষ্ঠ আৰু

ঈয়স্ প্ৰত্যয় কৰি অনিয়মিত ৰূপে, অৰ্থাৎ নিপাতনত সিদ্ধ হৈছে।

২৩। দুটাৰ ভিতৰত এটাৰ উৎকৰ্ষ বুজাবলৈ শব্দৰ পাচত

তৰ, তম।

তৰ, আৰু বহুতৰ ভিতৰত এটাৰ উৎকৰ্ষ বুজাবলৈ তম প্ৰত্যয় হয়। যেনে, ই ইয়াতকৈ গুৰু—গুৰুতৰ, ই সকলোতকৈ গুৰু—গুৰুতম। সেইদৰে, লঘুতৰ লঘুতম, বৃহত্তৰ বৃহত্তম, ক্ষুদ্ৰতৰ ক্ষুদ্ৰতম, ইত্যাদি।

২৪। আছে অৰ্থত শব্দৰ পাচত ইল, শ, ৰ, ল, বল আদি প্ৰত্যয় যোগ হয়। যেনে,

ইল।

ফেন, পঙ্ক আদি শব্দৰ পাচত, আছে অৰ্থত ইল প্ৰত্যয় হয়। যেনে, ফেন—ফেনিল, পঙ্ক—পঙ্কিল, জটা—জটিল, কুট—কুটিল।

শ।

লোম, কৰ্ক আদি শব্দৰ পাচত, আছে অৰ্থত শ প্ৰত্যয় হয়। যেনে, লোম—লোমশ, কৰ্ক—কৰ্কশ।

ল।

আছে অৰ্থত, শব্দৰ পাচত ল প্ৰত্যয় হয়। যেনে, বৎস—বৎসল, মাংস—মাংসল, শীত—শীতল, শ্যাম—শ্যামল, শ্ৰী—শ্ৰীল।

বল।

ৰজস্ আদি শব্দৰ পাচত, আছে অৰ্থত বল প্ৰত্যয় হয়। যেনে, ৰজস্—ৰজস্বল, স্ত্ৰী ৰজস্বলা।

ৰ।

নখ, মুখ আদি শব্দৰ পাচত, আছে অৰ্থত ৰ প্ৰত্যয় হয়। যেনে, নখ—নখৰ, মুখ—মুখৰ, স্ত্ৰী মুখৰা, বন্ধু—বন্ধুৰ, পাণ্ডু—পাণ্ডুৰ।

ইত।

উৎপত্তি হৈছে, এই অৰ্থত শব্দৰ পাচত ইত প্ৰত্যয় হয়। যেনে, পুষ্প—পুষ্পিত, ফল—ফলিত, পল্লব—পল্লবিত, দুঃখ—দুঃখিত, কলঙ্ক—কলঙ্কিত, কণ্টক—কণ্টকিত, অঙ্কুৰ—অঙ্কুৰিত, মঞ্জৰি—মঞ্জৰিত, পুলক—পুলকিত, আনন্দ—আনন্দিত, পণ্ডা—পণ্ডিত।

মিন্।

পাৰ্গত অৰ্থত, বাচ্ শব্দত মিন প্ৰত্যয় হয়। যেনে, বাচ্—বাগ্মী। আছে অৰ্থত, স্ব (বিভূতি) শব্দত মিন প্ৰত্যয় হয়। যেনে, স্ব—স্বামী।

মাত্ৰ।

২৫। পৰিমাণ বুজাবলৈ শব্দৰ পাচত মাত্ৰ প্ৰত্যয় হয়। যেনে, কিঞ্চিৎ—কিঞ্চিন্মাত্ৰ, অণু—অণুমাত্ৰ, নাম—নামমাত্ৰ, ধনিষ্ঠা—ধনিষ্ঠামাত্ৰ।

ইমন্।

২৬। ভাবাৰ্থত শব্দৰ পাচত ইমন্ প্ৰত্যয় হয়। ইমন্ প্ৰত্যয় হলে, কেতিয়াবা আচল শব্দৰ ৰূপ লৰে ( উদাহৰণ চোৱাঁ )। উদাহৰণবিলাক প্ৰথমা বিভক্তিৰ এক বচনৰ। যেনে, মহৎ—মহিমা, গুৰু—গৰিমা, লঘু—লঘিমা, প্ৰিয়—প্ৰেম, দীৰ্ঘ—দ্ৰাঘিমা, ৰক্ত—ৰক্তিমা, নীল—নীলিমা।

বহু+ইমন্=ভূমা, এই শব্দ অনিয়মিত ৰূপে নিপাতনত সিদ্ধ।

ত্ব, তা।

২৭। ভাবাৰ্থত শব্দৰ পাচত ত্ব আৰু তা প্ৰত্যয় হয়। যেনে, প্ৰভুৰ ভাব প্ৰভুত্ব, গুৰুৰ ভাব গুৰুত্ব বা গুৰুতা। সেই দৰে, লঘুত্ব বা লঘুতা, উচ্চ—উচ্চতা, ভদ্ৰ—ভদ্ৰতা, অমৰ—অমৰত্ব, দেব—দেবত্ব, শিষ্ট—শিষ্টতা, নম্ৰ—নম্ৰতা, সবল—সবলতা, দুৰ্ব্বল—দুৰ্ব্বলতা, কৃশ—কৃশতা, মনুষ্য—মনুষ্যত্ব, পশু—পশুত্ব, দূৰ—দূৰতা, দীৰ্ঘ—দীৰ্ঘতা।

তীয়।

২৮। সংখ্যা পূৰ হোৱা বুজাবলৈ দ্বি আৰু ত্ৰি সংখ্যা বাচক শব্দৰ পাচত তীয় প্ৰত্যয় হয়। যেনে, দ্বি—দ্বিতীয়, ত্ৰি—তৃতীয় ( ইয়াত ত্ৰি তৃ হৈছে )।

থট্।

২৯। সেই অৰ্থ বুজাবলৈ চতুৰ্ আৰু ষষ্ সংখ্যা বাচক

শব্দৰ পাচত থট্ প্ৰত্যয় হয়। থটৰ ট ইৎ যায়। যেনে, চতুৰ—চতুৰ্থ, ষ ষ—ষষ্ঠ।

মট্।

৩০। সেই অৰ্থ বুজাবলৈ পঞ্চন্, সপ্তন্, অষ্টন্, নবন্, আৰু দশন্ সংখ্যা বাচক শব্দৰ পাচত মট্ প্ৰত্যয় হয়। মটৰ ট ইৎ যায়, আৰু শব্দৰ ন্ লোপ হয়। যেনে, পঞ্চন্—পঞ্চম, সপ্তন্—সপ্তম। সেইদৰে, অষ্টম, নবম, দশম।

ডট্।

৩১। সেই অৰ্থ বুজাবলৈ একাদশন্, দ্বাদশন্, ত্ৰয়োদশন্, চতুৰ্দ্দশন্ সংখ্যাবাচক শব্দত ডট্ প্ৰত্যয় হয়। ডটৰ ড, ট্ ইৎ যায়, আৰু শব্দৰ ন্ লোপ হয়। যেনে, একাদশন্—একাদশ। সেইদৰে, দ্বাদশ, ত্ৰয়োদশ, চতুৰ্দ্দশ।

তম, ডট্।

৩২। সেই অৰ্থত বিংশতি, ত্ৰিংশৎ আদি সংখ্যাবাচক শব্দত তম আৰু ডট্ প্ৰত্যয় হয়। ডটৰ ড, ট্ ইৎ যায়। যেনে, বিংশতি—বিংশতিতম বা বিংশ, ত্ৰিংশৎ—ত্ৰিংশত্তম বা ত্ৰিংশ।

ম।

৩৩। সেই কালত উৎপত্তি, এই অৰ্থত আদি, প্ৰথ, আৰু মধ্য শব্দৰ পাচত ম প্ৰত্যয় হয়। যেনে, আদি—আদিম, প্ৰথ—প্ৰথম, মধ্য—মধ্যম।

ত্যণ্।

৩৪। সেই ঠাইত উৎপত্তি, এই অৰ্থত দক্ষিণা আৰু পশ্চাৎ শব্দৰ পাচত ত্যণ্ প্ৰত্যয় হয়। ত্যণৰ ণ্ ইৎ যায়, শব্দৰ আদি স্বৰ বৃদ্ধি হয় আৰু অন্তৰ ব্যঞ্জন লোপ হয়। যেনে, দক্ষিণা—দাক্ষিণাত্য, পশ্চাৎ—পাশ্চাত্য।

ব্য, ডুল।

৩৫। ই ইয়াৰ ভ্ৰাতা, এই অৰ্থত পিতৃ শব্দৰ পাচত ব্য, আৰু মাতৃ শব্দৰ পাচত ডুল প্ৰত্যয় হয়। ডুলৰ ড ইৎ যায়, আৰু মাতৃ শব্দৰ ঋ—কাৰ লোপ হয়। যেনে, পিতৃৰ ভ্ৰাতা, পিতৃ—পিতৃব্য, মাতৃৰ ভ্ৰাতা, মাতৃ—মাতুল।

ডামহ।

৩৬। ই ইয়াৰ পিতৃ, এই অৰ্থত, পিতৃ আৰু মাতৃ শব্দৰ পাচত ডামহ প্ৰত্যয় হয়। ডামহৰ ড ইৎ যায়, আৰু শব্দৰ অন্তৰ ঋ—কাৰ লোপ হয়। যেনে, পিতৃ—পিতামহ, মাতৃ—মাতামহ।

ময়ট্।

৩৭। ইয়াৰে প্ৰস্তুত বা ইয়াৰ দ্বাৰা পৰিপূৰ্ণ, এই অৰ্থত শব্দৰ পাচত ময়ট্ প্ৰত্যয় হয়। ময়টৰ ট্ ইৎ যায়। যেনে, স্বৰ্ণেৰে প্ৰস্তুত, স্বৰ্ণময়, ৰত্নেৰে প্ৰস্তুত, ৰত্নময়, জলেৰে পূৰ্ণ, জলময়। সেইদৰে, দয়াময়, কৃপাময়, অগ্নিময়।

ধাচ্।

৩৮। সিমান বিধ; এই অৰ্থ বুজাবলৈ সংখ্যাবাচক শব্দৰ

পাচত ধাচ্ প্ৰত্যয় হয়। ধাচৰ চ্ ইং যায়। যেনে, বহু—বহুধা, শত—শতধা, দ্বি—দ্বিধা।

দা।

৩৯। কাল বুজাবলৈ সৰ্ব্বনাম শব্দৰ পাচত দা প্ৰত্যয় হয়। যেনে, সৰ্ব্ব—সৰ্ব্বদা, এক—একদা।

থা, দানীম্।

৪০। সৰ্ব্ব অন্য আদি শব্দৰ পাচত থা প্ৰত্যয় হয়, আৰু তদ্, ইদম্ আদি শব্দৰ পাচত দানীম্ প্ৰত্যয় হয়। যেনে, সৰ্ব্ব—সৰ্ব্বথা, অন্য—অন্যথা, তদ্—তদানীম্ ইত্যাদি।

অধুনা শব্দ ইদম্ শব্দৰ পৰা অনিয়মিতৰূপে নিপাতনত সিদ্ধ।

তন।

৪১। সেই কালত উৎপত্তি, এই অৰ্থত শব্দৰ পাচত তন প্ৰত্যয় হয়। যেনে, অদ্য—অদ্যতন, পুৰা—পুৰাতন, সদা—সনাতন ( ইয়াত সদাৰ দ মৰি ন হৈছে )।

ডিম।

৪২। অগ্ৰ, পশ্চাৎ, অন্ত শব্দৰ পাচত ডিম প্ৰত্যয় হয়। ডিমৰ ড ইৎ যায়, আৰু শব্দৰ শেষ স্বৰ আৰু তাৰ পাচত থকা ব্যঞ্জন লোপ হয়। যেনে, অগ্ৰ—অগ্ৰিম, পশ্চাৎ—পশ্চিম্, অন্ত—অন্তিম।

তস্।

৪৩। কোনো কোনো শব্দৰ সপ্তমী বিভক্তিৰ ঠাইত

তস্ প্ৰত্যয় হয়। যেনে, প্ৰথম—প্ৰথমতঃ, ফল—ফলতঃ, সাধাৰণ—সাধাৰণতঃ, স্বভাব—স্বভাবতঃ।

চসাৎ।

৪৪। পৰা বা হোৱা অৰ্থত শব্দৰ পাচত চসাৎ প্ৰত্যয় হয়। চসাতৰ চ ইৎ যায়। যেনে, উদৰ—উদৰসাৎ, ভস্ম—ভস্মসাৎ, অগ্নি—অগ্নিসাৎ, আত্মন্—আত্মসাৎ, ভূমি—ভূমিসাৎ (শেষ শব্দ দুটা কি পৰিবৰ্ত্তন হৈছে চোৱাঁ)।

আকিন্!

৪৫। নিৰাশ্ৰয় অৰ্থত এক শব্দৰ পাচত আকিন্ প্ৰত্যয় হয়। যেনে, এক—একাকিন্, প্ৰথমা বিভক্তিৰ এক বচনত একাকী, স্ত্ৰী একাকিনী।

চ্বি।

৪৬। আগে নাছিল এতিয়া হল, এই অৰ্থত, কৃ বা ভূ ধাতুৰ কৃদন্ত পদ কোনো শব্দৰ পাচত থাকিলে, সেই শব্দৰ পাচত চ্বি প্ৰত্যয় হয়। চ্বি ইৎ যায়, আৰু শব্দৰ শেষৰ অ-কাৰ মৰি ঈ-কাৰ হয়, আৰু অন্ত হ্ৰস্ব স্বৰ দীৰ্ঘ হয়। যেনে, দূৰ+চ্বি+ভূত=দূৰীভূত, বশ+চ্বি+ভূত=বশীভূত। সেইদৰে, মূলীভূত, লঘূকৰণ।

# অসমীয়া তদ্ধিত প্ৰত্যয়।

৪৭। শব্দত তদ্ধিত প্ৰত্যয় যোগ কৰিবৰ সাধাৰণ নিয়ম :—

(ক) ব্যঞ্জনান্ত শব্দত প্ৰত্যয়ৰ আদিৰ স্বৰ শব্দৰ শেষ ব্যঞ্জনত যোগ হয়। যেনে, তাম্ + ঈ = তামী, কপাহ + ঈ = কপাহী।

(খ) আদিত স্বৰবৰ্ণ থকা প্ৰত্যয় পাচত থাকিলে, অকাৰান্ত আৰু আকাৰন্ত শব্দৰ অ, আ লোপ হৈ শব্দ ব্যঞ্জনান্ত হয়। যেনে, যদুবংশ + ঈয়া = যদুবংশীয়া, দুটা + ঈয়া = দুটীয়া। কিন্তু অনি প্ৰত্যয় থাকিলে নহয়, কেৱল অনিৰ অ মাথোন লোপ হয়। যেনে, চপৰা + অনি = চপৰানি, বকৰা + অনি = বকৰানি।

(গ) প্ৰত্যয়ৰ আদিত যি স্বৰবৰ্ণ থাকে, শব্দৰ শেষত সেইবিধৰ স্বৰবৰ্ণ থাকিলে, সি লোপ হয়। যেনে, বালি + ঈয়া = বালীয়া।

(ঘ) ই, ঈ, উ বা ঐ-কাৰান্ত শব্দৰ পাচত প্ৰত্যয়ৰ অ য় আৰু আ য়া হয়। যেনে, চাপৰি + আল = চাপৰিয়াল, চাপৰি + অনি = চাপৰিয়নি, আফু + অনি = আফুয়নি, আখৈ + আ = আখৈয়া।

(ঙ) উ, ঊ, ও বা ঔ-কাৰান্ত শব্দৰ পাচত প্ৰত্যয়ৰ অ ৱ আৰু আ ৱা হয়। যেনে, কচু + অনি = কচুৱনি, ঔ + অনি = ঔৱনি।

এইবিলাক সালসলনিৰ বাজে শব্দত বা প্ৰত্যয়ত আৰু যি লবচৰ হয়, তাক উদাহৰণ চাই বুজিব লাগে।

ঈ।

৪৮। ইয়াৰে প্ৰস্তুত, এই অৰ্থত শব্দৰ পাচত ঈ প্ৰত্যয় হয়। ঈ প্ৰত্যয় হলে শব্দৰ শেষ বৰ্ণৰ আগৰ আ মৰি অ, আৰু ও মৰি উ হয়। যেনে, তামেৰে প্ৰস্তুত, তাম—তামী, বাঁহেৰে প্ৰস্তুত, বাঁহ—বাঁহী। সেইদৰে, পিতল—পিতলী, কপাহ—কপাহী।

৪৯। স্বাৰ্থত কোনো কোনো শব্দত ঈ প্ৰত্যয় হয়। যেনে, কঙ্গাল—কঙ্গালী, বঙ্গাল—বঙ্গালী, বেঙ্গুলী।

৫০। আছে আৰু তৎপৰ অৰ্থত শব্দত ঈ প্ৰত্যয় হয়। যেনে, ধন আছে, ধন—ধনী, জ্ঞান আছে, জ্ঞান—জ্ঞানী। সেইদৰে, মান—মানী, দান—দানী, সুখ—সুখী, দুখ—দুখী, ভোগ—ভুগী, ৰোগ—ৰুগী, কাজ—কাজী।

ধনী, মানী আদি শব্দ সংস্কৃত তদ্ধিৰ ইন্ প্ৰত্যয় কৰিও সিদ্ধ কৰা যায়। কিন্তু সেই শব্দবিলাকত বিভক্তি যোগ নিদিলে, সিহঁতৰ তেনে ৰূপ নহয়, ধনিন্, মানিন্ ৰূপত থাকিলহেঁতেন। ধনী, মানী সংস্কৃতৰ প্ৰথমা বিভক্তিৰ একবচনৰ পদ। সিহঁতক অসমীয়াত মূল শব্দ বুলি ধৰি লৈ অসমীয়া বিভক্তি যোগ দিলে, বিভক্তিৰ ওপৰত বিভক্তি যোগ দিয়া হয়। অৰ্থাৎ সিহঁতত এবাৰ সংস্কৃত শব্দ বিভক্তি যোগ দি আকৌ অসমীয়া বিভক্তি যোগ দিবলগীয়া হয়। এই কথা অসঙ্গত। সেই দেখি এনেবিলাক শব্দ অসমীয়া তদ্ধিতৰ ঈ প্ৰত্যয়ৰ দ্বাৰা সিদ্ধ হৈছে

বুলি ধৰা যুগুত। বিশেষতঃ সংস্কৃতত দুঃখ শব্দত ইন্ প্ৰত্যয় কৰি দুঃখী হৈছে, কিন্তু কোনো অসমীয়াই দুঃখী নোবোলে অসমীয়া শব্দ দুখ, তাত ঈ প্ৰতায় কৰি দুখী হৈছে। সেইদৰে সংস্কৃত ভোগী, অসমীয়া ভুগী, সংস্কৃত ৰোগী, অসমীয়া ৰুগী বা ৰুগীয়া।

৫১। ব্যৱসায় বা জীবিকা বুজাবলৈ শব্দত ঈ প্ৰত্যয় হয়। যেনে, মৌজাদাৰৰ ব্যৱসায়; মৌজাদাৰ—মৌজাদাৰী, সাধনিদাৰৰ ব্যৱসায়, সাধনিদাৰ—সাধনিদাৰী। সেই দৰে, গোলাদাৰ—গোলাদাৰী, মহলদাৰ—মহলদাৰী।

৫২। ইয়াত জন্ম বা বাস, এই অৰ্থত শব্দৰ পাচত ঈ প্ৰত্যয় হয়। যেনে, জাপানত জন্ম, জাপান—জাপানী, হিন্দুস্থানত বাস বা জন্ম, হিন্দুস্থান—হিন্দুস্থানী, সেই দৰে, পঞ্জাবী, নেপালী, মাদ্ৰাজী।

## ঈয়া।

৫৩। আছে অৰ্থত, শব্দৰ পাচত ঈয়া প্ৰত্যয় হয়। ঈয়া প্ৰত্যয় হলে, শব্দৰ শেষ বৰ্ণৰ আগৰ আ মৰি অ, আৰু ও মৰি উ হয়। যেনে, পানী আছে, পানী + ঈয়া = পনীয়া, মাটি আছে, মাটি + ঈয়া = মটীয়া। সেই দৰে, জঁট – জঁটীয়া, ডাঁৰি – ডঁৰীয়া, নাল – নলীয়া, বালি – বালীয়া, ডাব – ডবীয়া, আৰু যেনে, জোল – জুলীয়া, লোণ – লুণীয়া, যোৰ – যুৰীয়া, সমান – সমনীয়া, গোঁফ—গুঁফীয়া।

আৰু যেনে, ( ব্যৱসায় অৰ্থত ) ঢোল—ঢুলীয়া, খোল—

খুলীয়া, কালি—কালীয়া, তাল—তালীয়া, মলা—মলীয়া, তেল—তেলীয়া, নোমল—নুমলীয়া,

৫৪। ঈয়া প্ৰত্যয় যোগ দিলে বালি, আৰু কালি শব্দৰ শেষ স্বৰ বৰ্ণৰ আগৰ আ মৰি অ নহয়। যেনে, বালীয়া, কালীয়া।

৫৫। ঐ-কাৰান্ত শব্দৰ পাচত ঈয়া প্ৰত্যয়ৰ ঈ লোপ হয়। যেনে, কৰ্দ্দৈ+ঈয়া=কৰ্দ্দৈয়া, আখৈ+ঈয়া= আখৈয়া।

৫৬। নিজ গাৱঁত বাস, এই অৰ্থত গাওঁ শব্দত ঈয়া প্ৰত্যয় যোগ হৈ নিপাতনত গঞা শব্দ সিদ্ধ হৈছে।

৫৭। উৎপত্তি বা সম্বন্ধ অৰ্থত মাহৰ নামৰ পাচত মাহ শব্দ থাকিলে, তাত সদায় ঈয়া প্ৰত্যয় হয়। যেনে, বহাগ মাহৰ কাল, বহাগ মহীয়া, জেঠ মহীয়া, আষাঢ় মহীয়া। কেতিয়াবা মাহৰ নামতে ঈয়া প্ৰত্যয় হয়। যেনে, ভাদ— ভদীয়া।

৫৮। উৎপত্তি বা সম্বন্ধ অৰ্থত বাৰৰ নামৰ পাচত বাৰ শব্দ থাকিলে, তাতো সদায় ঈয়া প্ৰত্যয় হয়। যেনে, দেওবৰীয়া, সোমবৰীয়া, মঙ্গলবৰীয়া, ইত্যাদি।

৫৯। সংখ্যা বোধক শব্দৰ পাচত টা বা টি, বা কোনো সংজ্ঞা শব্দ থাকিলে, ব্যাপ্তি অৰ্থত, তাত সদায় ঈয়া প্ৰত্যয় হয়। যেনে, দুটা—দুটীয়া, এটি—এটীয়া, এঘৰ— এঘৰীয়া, দহজন—দহজনীয়া, এডাল—এডলীয়া, এবছৰ—

এবছৰীয়া। সেইদৰে, ছমহীয়া লৰা, চাৰিবছৰীয়া ছোৱালী, ইত্যাদি।

৬০। সময়বাচক শব্দৰ পাচত সংখ্যাবাচক শব্দ থাকিলে, সেই সময়ৰ শেষত, এই অৰ্থত, তাত ঈয়া প্ৰত্যয় হয়। যেনে, বছেৰেকৰ অন্তত—বছেৰেকীয়া। সেইদৰে, মাহেকীয়া, পষেকীয়া, ইত্যাদি।

মাহিলি বিশেষণ পদ নহয়, ক্ৰিয়া বিশেষণ। তাক বিশেষণ স্বৰূপে ব্যৱহাৰ কৰিব নোৱাৰি। এতেকে, মাহিলি কাকত অশুদ্ধ, মাহেকীয়া কাকত। মাহিলি দৰ্ম্মহা অশুদ্ধ, মাহেকীয়া দৰ্ম্মহা। কিন্তু সি মাহিলি এশ ৰূপ দৰ্ম্মহা পায়, শুদ্ধ। কিয়নো, মাহিলি ইয়াত পায় ক্ৰিয়াৰ বিশেষণ স্বৰূপে ব্যৱহাৰ হৈছে। এইখন কাকত মাহিলি ওলায়, এই বাক্যও শুদ্ধ। কিয়নো ইয়াতো মাহিলি ওলায় ক্ৰিয়াৰ বিশেষণ স্বৰূপে ব্যৱহাৰ হৈছে।

## উৱা।

৬১। আছে আৰু পাৰ্গত অৰ্থত, কেতবিলাক শব্দৰ পাচত উৱা প্ৰত্যয় হয়। উৱা প্ৰত্যয় হল, শব্দৰ শেষ বৰ্ণৰ আগৰ আ মৰি অ, আৰু ও মৰি উ হয়। যেনে, ৰণত পাৰ্গত, ৰণ—ৰণুৱা, বনত পাৰ্গত, বন—বনুৱা, ধাৰ আছে, ধাৰ—ধৰুৱা। সেইদৰে, সাৰুৱা, ঢলুৱা, মৰুৱা, তেলুৱা কাজুৱা, খনুৱা। পতুৱা, নটুৱা, বহুৱা, হজুৱা, নিকৰুৱা, জাবৰুৱা।

৬২। তাত থাকে বা পোৱা যায়, এই অৰ্থত, কেতবিলাক শব্দৰ পাচত উহা প্ৰত্যয় হয়। যেনে, ঘৰত আছে,

ঘৰ—ঘৰুৱা, পৰত পোৱা যায়, পৰ—পৰুৱা, ডালত থাকে, ডাল—ডলুৱা। সেইদৰে, বজৰুৱা, পথৰুৱা, বিহুৱা, জেঠুৱা, খেলুৱা।

৬৩। খোৱা বা সম্বন্ধ অৰ্থত, কেতবিলাক শব্দত উৱা প্ৰত্যয় হয়। যেনে, ভাত—ভতুৱা, মাছ—মছুৱা।

৬৪। সদৃশ অৰ্থত, কেতবিলাক শব্দত উৱা প্ৰত্যয় হয়। যেনে, কপাহৰ সদৃশ, কপাহ—কপহুৱা। সেইদৰে, পিতলুৱা, চকুৱা ( দীপচকু )।

৬৫। কাজ, সাৰ, হাড়, আৰু লাড়ু আদি শব্দত উৱা প্ৰত্যয় হলে, সিহঁতৰ শেষ বৰ্ণৰ আগৰ আ মৰি অ নহয়। যেনে, ( ওপৰত চোৱাঁ ) কাজুৱা, সাৰুৱা, হাড়ুৱা, লাড়ুৱা।

৬৬। আলাহ আৰু আলান্ধু শব্দত উৱা প্ৰত্যয় হলে, সিহঁতৰ ৰূপ লৰি আলাহ এলাহ হয়, আৰু আলান্ধু এলান্ধু হয়। যেনে, আলাহ এলেহুৱা, আলান্ধু—এলান্ধুৱা, আলান্ধুৱাও হয়।

ওৱা।

৬৭। চলায় অৰ্থত হাল, জাল আদি শব্দত ওৱা প্ৰত্যয় হয়। যেনে, হাল—হালোৱা, জাল—জালোৱা।

আল।

৬৮। আছে বা তাত বাস, এই অৰ্থত, শব্দত আল প্ৰত্যয় হয়। আল প্ৰত্যয় হলে, শব্দৰ শেষৰ অনুস্বাৰ ঙ বা ঞ হয়। যেনে, চাপৰিত বাস চাপৰি—চাপৰিয়াল, দাঁতিত

বাস, দাঁতি—দাঁতিয়াল। সেইদৰে, নদীয়াল, হাৰিয়াল, চকীয়াল, ফাঁকিয়াল।

আছে অৰ্থত ঃ—ৰাগীয়াল, মুখাল, নেজাল, মঙ্গহাল, নোমাল, পেটাল, দয়াল, কৃপাল, বিষাল, ধোন্দাল।

আৰু যেনে, (আছে অৰ্থত) খং—খঙাল বা খঙ্গাল, জোং—জোঙাল বা জোঙ্গাল, ৰং—ৰঙুৱাল বা ৰঙ্গুৱাল।

ইয়াল।

৬৯। আছে অৰ্থত, কোনো কোনো শব্দত ইয়াল্ প্ৰত্যয় হয়। ইয়াল প্ৰত্যয় হলে, শব্দৰ শেষৰ অনুস্বাৰ ঙ বা ঙ্গ হয়। যেনে, মৰম—মৰমিয়াল, সাহ—সাহিয়াল, ৰং—ৰঙিয়াল বা ৰঙ্গিয়াল।

উৱাল, ওৱাল।

৭০। আছে বা থাকে অৰ্থত, কোনো কোনো শব্দত উৱাল প্ৰত্যয় হয়। যেনে, পাহ আছে, পাহ—পাহুৱাল। সেইদৰে, ভিতৰুৱাল। কোনো শব্দত উৱাল ওৱাল হয়। যেনে, ফাঁট—ফাঁটোৱাল, গৌ—গুৱাল।

আলি, আই, অৰি।

৭১। ভাবাৰ্থত বা ব্যৱসায় বুজাবলৈ শব্দৰ পাচত আলি, আই, আৰু অৰি প্ৰত্যয় হয়। যেনে (ভাবাৰ্থত আলি), টেঙৰ—টেঙৰালি চতুৰ—চতুৰালি, দুষ্ট—দুষ্টালি, অজলা—অজলালি, নজনা—নজনালি, লৰা—লৰালি, আমঠ—আমঠালি, আজল্মঠ—আজল্মঠালি, আকোৰগোঁজা—

আকোৰগোজালি, মুনিহ—মুনিহালি, পুৰুষ—পুৰুষালি, বান্দৰ—বান্দৰালি, ছাগল—ছাগলালি, গৰু—গৰুৱালি।

আৰু যেনে (ব্যৱসায় বুজাবলৈ), বেজ—বেজালি, ওজা—ওজালি, পুৰুহিত—পুৰুহিতালি, ঘটক—ঘটকালি, নায়ক—নায়কালি।

৭২। ভাবাৰ্থত, বৰ আৰু মুনিহ শব্দত আই প্ৰত্যয় হয়। আই প্ৰত্যয় হলে, মুনিহ শব্দৰ হ মৰি ষ হয়। যেনে, বৰ—বৰাই, মুনিহ—মুনিষাই।

ভাবাৰ্থত ভাল শব্দত অৰি প্ৰত্যয় হয়। যেনে, ভাল—ভালৰি।

## অনি।

৭৩। জুৰি থকা অৰ্থত, শব্দৰ পাচত অনি প্ৰত্যয় হয়। যেনে, ধান—ধাননি, মাহ—মাহনি, বন—বননি, ফুল—ফুলনি, নৰা—নৰাণি, চুৱা—চুৱানি, চুৱাপাত—চুৱাপাতনি, বৰি—বৰিয়নি, বাকৰি—বাকৰিয়নি, চপৰা—চপৰাণি, উলু—উলুৱনি, ঔ—ঔৱনি, ইত্যাদি।

## তলী।

৭৪। ইয়াত ৰোৱা যায়, এই অৰ্থত ধান, মাহ আদি শব্দত তলী প্ৰত্যয় হয়। যেনে, ধান ইয়াত ৰোৱে, ধান—ধানতলী, সেইদৰে, মাহতলী, সৰিয়হতলী, কঠিয়াতলি, ইত্যাদি।

অতীয়া, অতী।

৭৫। উৎপত্তি অৰ্থত, আগ, পাচ আদি শব্দত অতীয়া প্ৰত্যয় হয়। যেনে, আগত জন্মিছে, আগ—আগতীয়া। সেইদৰে, পাচ—পাচতীয়া, শেষ—শেষতীয়া বা শেহতীয়া, তল—তলতীয়া।

৭৬। অধিকাৰী, এই অৰ্থত, বাপ শব্দৰ পাচত অতী বা অতীয়া প্ৰত্যয় হয়। যেনে, বাপতী বা বাপতীয়া। পাৰ্গত অৰ্থতো নাম শব্দত তী প্ৰত্যয় হয়। যেনে নামতী :

অক।

৭৭। আছে অৰ্থত বুদ্ধি আদি শব্দত, আৰু কৰে অৰ্থত, খেতি আদি শব্দত অক প্ৰত্যয় হয়। যেনে, বুদ্ধি—বুদ্ধিয়ক, খেতি—খেতিয়ক, ফন্দি—ফন্দিয়ক।

অলীয়া, অৰীয়া।

৭৮। উৎপত্তি বুজাবলৈ গাওঁ আৰু বাৰী শব্দত অলীয়া, আৰু চলোৱা বুজাবলৈ নাও আদি শব্দত অৰীয়া প্ৰত্যয় হয়। যেনে, গাওঁ—গাৱঁলীয়া, বাৰী—বাৰীয়লীয়া, নাও—নাৱৰীয়া বন—বনৰীয়া।

৭৯। তৎপৰ অৰ্থত মিছা শব্দত অলীয়া প্ৰত্যয় হয়। যেনে, মিছা কোৱাত তৎপৰ, মিছা—মিছলীয়া।

আ।

৮০। আছে অৰ্থত, কেতবিলাক শব্দত আ প্ৰত্যয় হয়।

যেনে, জাঁপৰ—জঁপৰা, ফাঁপৰ—ফঁপৰা, ভোবৰ—ভোবৰা বা ভোবোৰা।

## ইয়াৰ।

৮১। সদায় কৰে, এই অৰ্থত, কোনো কোনো শব্দত ইয়াৰ প্ৰত্যয় হয়। যেনে, সদায় যোগায়, যোগান—যোগনিয়াৰ, সদায় মাগে, মাগন—মগনিয়াৰ। সেইদৰে, খাটনি—খাটনিয়াৰ, ভগন—ভগনিয়াৰ, বন্দী—বন্দিয়াৰ, ফন্দি—ফন্দিয়াৰ, ফুট—ফুটিয়াৰ ( গুপ্ত কথাৰ বুজপোৱা লোক )।

৮২। ভোজনত তৎপৰ, এই অৰ্থত ভোজন শব্দত ইয়াৰ প্ৰত্যয় হয়। যেনে, ভোজন—ভোজনিয়াৰ।

৮৩। দেখিবলৈ শুৱনি, এই অৰ্থত, দেখন শব্দত ইয়াৰ প্ৰত্যয় হয়। যেনে, দেখন – দেখনিয়াৰ।

## ই, এ।

৮৪। ক্ৰিয়াৰ গুণ বুজাবলৈ বিশেষ্য আৰু বিশেষণ পদৰ আকাৰান্ত বিলাকত ই আৰু আনবিলাকত এ প্ৰত্যয় হয়। যেনে, ভালে আছে, শীঘ্ৰে যাম, সোনকালে আহিবা, বামে গল, পানীয়ে যাব, শুদাই খালে।

৮৫। এনেবিলাক শব্দ কেতিয়াবা দুবাৰ উক্ত হয়। যেনে, মনে মনে থাক, হাতে হাতে দিবি, লাহে লাহে যাবি, নাৱে নাৱে ফুৰিছে, গাৱে গাৱে জনাইছে, ধীৰে ধীৰে কৰ, ইত্যাদি।

৮৬। সম্বন্ধবাচক শব্দ দ্বিতীয় পুৰুষৰ ষষ্ঠী বিভক্তিযুক্ত পদৰ পাচত থাকিলে, অনাদৰত, সম্বন্ধবাচক পদৰ আ—কাৰান্তবিলাকত ৰ, আৰু আনবিলাকত এৰ প্ৰত্যয় হয়, আদৰত আ—কাৰান্তবিলাকত ৰা, আৰু আনবিলাকত এৰা প্ৰত্যয় হয়। কেতিয়াবা ৰা, এৰাৰ, সলনি আঁ প্ৰত্যয়ো হয়। তেতিয়া শব্দত যি লৰচৰ হয়, তাক উদাহৰণত চাই লোৱাঁ। যেনে—

অনাদৰত—তোৰ মাৰ, পেহাৰ, জেঠাৰ, কিন্তু তোৰ আয়েৰ, বাপেৰ, ভায়েৰ, ভনীয়েৰ, পুতেৰ, জীয়েৰ, ইত্যাদি।

আদৰত—তোমাৰ মাৰা, পেহাৰা, জেঠাৰা, আয়েৰা, বাপেৰা, ভায়েৰা বা ভাইয়াঁ, ভনীয়েৰা, পুতেৰা বা পোৱাঁ, জীয়েৰা বা জীয়াঁ, বৌৱেৰা বা বৌৱাঁ, বোৱাৰীয়েৰা বা বোৱাৰীয়াঁ ইত্যাদি।

৮৭। সম্বন্ধবাচক শব্দ তৃতীয় পুৰুষৰ ষষ্ঠী বিভক্তিযুক্ত পদৰ পাচত থাকিলে, সম্বন্ধবাচক শব্দৰ আ—কাৰান্তবিলাকত ক, আৰু আনবিলাকত এক প্ৰত্যয় হয়। তেতিয়া শব্দত লৰচৰ হয়, তাক উদাহৰণত চাই লোৱাঁ। যেনে, তাৰ মাক, পেহাক, জেঠাক, বাপেক, ভায়েক, ককায়েক, ভনীয়েক, পুতেক, জীয়েক ইত্যাদি। সম্ভ্ৰমতো এইবিলাক প্ৰত্যয়েই যোগ হয়। যেনে, আপোনাৰ বা তেখেতৰ ভায়েক, ভনীয়েক, দদায়েক ইত্যাদি।

৮৮। সংস্কৃত মূল শব্দ পিতৃ, মাতৃ, ভ্ৰাতৃ আদি শব্দত এনেবিলাক প্ৰত্যয় যোগ নহয়। যেনে, তোৰ পিতৃ, মাতৃ। তোমাৰ পিতৃ, মাতৃ, আপোনাৰ বা তেখেতৰ পিতৃ, মাতৃ। কিন্তু পিতা, মাতা শব্দ সংস্কৃত হলেও, অসমীয়া ভাষাত চিৰকাল ব্যৱহাৰ হোৱা বাবে, সিহঁত অসমীয়া জতুৱা শব্দ যেন হৈছে। সেই দেখি সিহঁতত ওপৰত উল্লেখ কৰা প্ৰত্যয়-বিলাক যোগ হয়।

# বিশেষ বিশেষ শব্দত বিশেষ বিশেষ প্ৰত্যয়।

৮৯। কোনো কোনো প্ৰত্যয় এটা বা দুটা বিশেষ শব্দত মাথোন যোগ হয়। সিহঁতক মুঠত দেখুউৱা হ'ল। প্ৰত্যয় যোগ দিলে শব্দবিলাকত যি লৰচৰ হয়, তাক উদাহৰণত চাই লোৱাঁ। যেনে—

| প্ৰত্যয়। | যি অৰ্থত প্ৰয়োগ। | সিদ্ধ পদ। |
|---|---|---|
| কি | পাৰ্গত বা অভিলাষ অৰ্থত | কথকি |
| উৰা | ” ” | দন্দুৰা, স্ত্ৰী দন্দুৰী |
| উৰৈ | ” ” | মাছুৰৈ, স্ত্ৰী মাছতী |
| ” | ” ” | গছুৰৈ |
| ” | ” ” | ঘাটুৰৈ, ঘাটৈ |
| অনীয়া | জোখ বুজাবলৈ | আঠুৱনীয়া |

| প্ৰত্যয়। | যি অৰ্থত প্ৰয়োগ। | সিদ্ধ পদ। |
|---|---|---|
| অচীয়া | স্বভাৱ বা জাত বুজাবলৈ | ঘৰচীয়া |
| অৰুৱা | তাত চলে, এই অৰ্থত | বাটৰুৱা |
| উকা | আছে অৰ্থত | লাজুকা, স্ত্ৰী লাজুকী |
| আক | আছে অৰ্থত | জোনাক |
| আলি | ,, ,, | জোনালী, সোণালী |
| ওৱালী | ,, ,, | সোণোৱালী |
| এতীয়া | ,, ,, | তেলেতীয়া |
| কী | সদৃশ অৰ্থত | জোনাকী |
| উলা | আছে অৰ্থত | পেটুলা, ঠেহুলা, স্ত্ৰী পেটুলী ঠেহুলী |
| অৰীয়া | তাক চলায় বা কৰে, এই অৰ্থত | নাৱৰীয়া, ভাৱৰীয়া |
| হী | তৎপৰ অৰ্থত | ছলাহী |
| অৰি | তাত থাকে অৰ্থত | তলিয়ৰি |
| চা | ,, | তলচা |

৯০। মাহৰ নামত তদ্ধিত প্ৰত্যয় যোগ দি কৰা প্ৰচলিত মানুহৰ নাম :—

| মাহ | পুং নাম | স্ত্ৰী নাম |
|---|---|---|
| বহাগ | বহাগু | বহাগী |
| জেঠ | নাই | নাই |
| আষাঢ়, আহাৰ | আহৰু | নাই |
| শাওণ | শাওণা | শাওণী |

| মাহ | পুং নাম | স্ত্ৰী নাম |
|---|---|---|
| ভাদ | ভদীয়া | ভাদৈ |
| আহিন | আহিনা | আহিনী |
| কাতি | কাতীয়া | নাই |
| আঘণ | আঘণা | আঘণী |
| পুহ | পুহা | পুহী |
| মাঘ | মাঘূৱা | মাঘী |
| ফাগুন | ফাগুনা | ফাগুনী |
| চত | চৈতা | নাই |

৯১। বাৰৰ নামত তদ্ধিত প্ৰত্যয় যোগ কৰা প্ৰচলিত মানুহৰ নাম ঃ—

| বাৰ | পুং নাম | স্ত্ৰী নাম |
|---|---|---|
| দেও | দেওবৰ | দেওবৰী বা দেওবাৰী |
| ৰবি | ৰবি বা ৰবীয়া | নাই |
| সোম | সোম্বৰ, সোমেশ্বৰ | সোম্বৰী বা সোমবাৰী |
| মঙ্গল | মঙ্গলা | মঙ্গলী |
| বুধ | বুদু বা বুদবৰ | বুদু বা বুদবৰী বা বুদবাৰী |
| বৃহস্পতি | বৃহস্পতীয়া | নাই |
| শুকুৰ | শুকুৰা | শুকুৰী |
| শনি | শনি বা শনীয়া | নাই |

কেইটামান সংস্কৃত তদ্ধিত প্ৰত্যয়ো অসমীয়াত ব্যৱহাৰ হয়, কিন্তু অসমীয়াত আহি সিহঁতৰ ৰূপ পৰিবৰ্ত্তন হৈছে। সংস্কৃত ময়ট্ প্ৰত্যয়

অসমীয়া ভাষাত ময় হৈছে। সংস্কৃত ভাষাতো শব্দত যোগ দিবৰ সময়ত ময়টৰ ট ইৎ যায়, কেবল ময় মাথোন শব্দত যোগ হয়। অসমীয়াত ইৎ যাবলৈ প্ৰত্যয়টোত ট নাথাকেই। অসমীয়া ময় প্ৰত্যয়টোক সংস্কৃতৰ পৰা অহা নুবুলি স্বকীয়া প্ৰত্যয় বুলিবও পাৰি। সি যেইবা নহওক, সংস্কৃতৰ পৰা অহা হলেও ই জাত অসমীয়া শব্দত যোগ হয়। যেনে, জুই—জুইময়, বোকা—বোকাময়, চুৰা—চুৰাময়, ঘৰ—ঘৰময়, গছ—গছময়, হাবিময়, ইত্যাদি।

সংস্কৃতৰ বতু আৰু মতু প্ৰত্যয়ৰ সলনি অসমীয়াত ৱন্ত আৰু মন্ত প্ৰত্যয় ব্যৱহাৰ হয়। সিহঁতৰ ব্যৱহাৰৰ নিয়মো একে, অৰ্থাৎ অ, আ, আৰু ব্যঞ্জন বৰ্ণ অন্তত থকা শব্দৰ পাচত ৱন্ত আৰু আনবিলাক শব্দৰ পাচত মন্ত প্ৰত্যয় হয়। যেনে, পুত্ৰৱন্ত, ধনৱন্ত, আঢ্যৱন্ত, বিদ্যাৱন্ত। কিন্তু মূৰ্ত্তিমন্ত, বুদ্ধিমন্ত, শ্ৰীমন্ত, হনুমন্ত, ইত্যাদি।

ৱন্ত আৰু মন্ত, এই প্ৰত্যয় দুটা সংস্কৃত বতু আৰু মতু প্ৰত্যয়ৰ ভিন ৰূপ, নে সিহঁত স্বকীয়া অসমীয়া প্ৰত্যয়, তাক ঠাৱৰাবলৈ টান। ৰূপত সিহঁত বৰ ভিন, কিন্তু ব্যৱহাৰৰ নিয়মলৈ চালে, সিহঁতক বতু মতুৰ আন ৰূপ যেন বোধ হয়।

## অন্য এবিধ তদ্ধিত প্ৰত্যয়।

জন, জনা, গৰাকী, টো টা টি, কণ কণি, ফেৰা ফেৰি, ডাল ডালি, খন খনি, গছ গছি, পাট পাটি, চটা চটি, এইবিলাক এবিধ শব্দ। সেই দেখি কোনো কোনো অসমীয়া বৈয়াকৰণে ইহঁতক উপশব্দ নাম দিছে। কিন্তু শব্দই হওক বা উপশব্দই হওক, ইহঁত সদায় তদ্ধিত প্ৰত্যয়ৰ নিচিনা ব্যৱহাৰ হয়। সেই নিমিত্তে ইহঁতক তদ্ধিত প্ৰত্যয়ৰ লগত ধৰা হয়।

৯২। জন—স্ত্রীলিঙ্গত জনী। ই মানুহ বুজুৱা সকলো বিধ শব্দৰ পাচত কোনো এজন মানুহক বিশেষকৈ বুজাবলৈ ব্যৱহাৰ হয়। যেনে, মানুহ জন মানুহ জনী এই জন এই জনী, ই জন সি জন, ই জনী সি জনী।

৯৩। জনা—ই পুং স্ত্রী দুয়ো লিঙ্গত, মানুহ বুজুৱা সকলো বিধ শব্দৰ পাচত কোনো এজন মানুহক বিশেষকৈ বুজাবলৈ অতি সম্ভ্রমত ব্যৱহাৰ হয়। যেনে, গোসাঁই জনা, গোসাঁনী জনা, বৰ জনা, ৰাণী জনা, ৰজা জনা।

৯৪। গৰাকী—ই পুং স্ত্রী দুয়ো লিঙ্গত মানুহ বুজুৱা সকলো বিধ শব্দৰ পাচত কোনো এজন মানুহক বিশেষকৈ বুজাবলৈ, সম্ভ্রমত বা স্নেহত ব্যৱহাৰ হয়। যেনে, মানুহ গৰাকী, ঘৈণী গৰাকী।

৯৫। টো—ই বস্তু জন্তু আৰু মানুহ বুজুৱা শব্দৰ পাচত, কোনো এটা বস্তু বা মানুহক বিশেষকৈ বুজাবলৈ, অনাদৰত ব্যৱহাৰ হয়। মানুহ বা জন্তু বুজুৱা শব্দৰ পাচত ব্যৱহাৰ হলে, ইয়াৰ স্ত্রী লিঙ্গত জনী হয়। যেনে, ঘৰটো, হাতীটো, লৰাটো, হাতীজনী, ছোৱালীজনী।

৯৬। সৰু বা আদৰ বুজাবলৈ টোৰ সলনি টি ব্যৱহাৰ হয়। স্ত্রীলিঙ্গত টি টী হয়। যেনে, ঘৰটি, লৰাটি, ছোৱালীটী, চৰাইটি, আইটী, বাইটী, বাপাটি।

৯৭। সংখ্যা বুজুৱা শব্দৰ পাচত টো টা হয়, আৰু সেই

সংখ্যাক তাকৰ বুজাবলৈ টা টি হয়। যেনে, বাৰটা, কুৰিটা, বাৰটি, কুৰিটি।

৯৮। পাঁচ, সাত, আঠ আৰু দহ সংখ্যাবোধক শব্দৰ পাচত টা থাকিলে, সিহঁতৰ শেষ বৰ্ণত ও-কাৰ যোগ হয়। যেনে, পাঁচোটা, সাতোটা, আঠোটা, দহোটা। কিন্তু পাচত টি থাকিলে, সিহঁতৰ শেষ বৰ্ণত উ-কাৰ যোগ হয়। যেনে, পাঁচুটি, সাতুটি, আঠুটি, দহুটি।

৯৯। টো আৰু টি ভাববোধক কৃদন্ত শব্দৰ পাচতো ব্যৱহাৰ হয়। যেনে, তাৰ পঢ়াটো নহল বা তাৰ পঢ়াটি নহল।

১০০। কণ—ই পুং স্ত্ৰী দুয়ো লিঙ্গত সৰু বা আদৰ বুজাবলৈ মানুহ বা জন্তু বুজুৱা শব্দৰ পাচত কোনো এটাক বিশেষকৈ বুজাবলৈ ব্যৱহাৰ হয়। যেনে, লৰাকণ, ছোৱালীকণ, দামুৰিকণ, পোৱালিকণ। তাকে আৰু সৰু বুজাবলৈ কণি ব্যৱহাৰ হয়। কণিৰ স্ত্ৰী লিঙ্গত কণী হয়। যেনে, লৰাকণি, ছোৱালীকণী।

১০১। অলপ বুজাবলৈ কণ আৰু কণি বস্তু বুজুৱা শব্দৰ পাচতো ব্যৱহাৰ হয়। যেনে, লোণকণ, তেলকণ, ঘিউকণি, চেনিকণি।

১০২। ফেৰা—ই সাধাৰণতঃ বস্তু বুজুৱা শব্দৰ পাচত, তাক বিশেষকৈ দেখুৱাবলৈ ব্যৱহাৰ হয়। যেনে, লোণ ফেৰা, চেনি ফেৰা। তাকে আৰু তাকৰ দেখুৱাবলৈ ফেৰি ব্যৱহাৰ হয়। যেনে, লোণ ফেৰি, চেনি ফেৰি।

১০৩। কেতিয়াবা সৰু আৰু আদৰ বুজাবলৈ, মানুহ বুজুৱা শব্দৰ পাচতো ফেৰা আৰু ফেৰি ব্যৱহাৰ হয়। তেতিয়া ফেৰি স্ত্রী লিঙ্গত ফেৰী হয়। যেনে, লৰা ফেৰা, ছোৱালী ফেৰা, লৰা ফেৰি, ছোৱালী ফেৰী।

১০৪। ডাল—ইও, সেইদৰে নির্দ্দেশ অর্থত গোটা আৰু দীঘল বস্তুৰ নামৰ পাচত ব্যৱহাৰ হয়। তাকে সৰু দেখুৱাবলৈ বা আদৰ বুজাবলৈ ডালি ব্যৱহাৰ কৰা হয়। যেনে, বাঁহডাল, কাঠডাল, শলিডাল, বাঁহডালি, কাঠডালি, শলিডালি।

১০৫। খন—ইও, সেইদৰে নির্দ্দেশ অর্থত বহল চেপেটা বস্তুৰ নামৰ পাচত ব্যৱহাৰ হয়। তাকে সৰু দেখুৱাবলৈ বা আদৰ বুজাবলৈ খনি ব্যৱহাৰ হয়। যেনে, ডলাখন, চালনীখন, ঢৰাখন, পাটীখন। সেই দৰে, চুৰিয়াখনি, চেলেংখনি, গামছাখনি।

আৰু যেনে, নৈখন, বিলখন, সাগৰখন, বজাৰখন, আফিচখন, নাওখন, জাহাজখন, মেলখন, সমাজখন, স্কুলখন। কিন্তু কচাৰিটো, পুখুৰিটো, স্কুলঘৰটো বুজালে স্কুলটোও হয়।

১০৬। গছ—সেই দৰে নির্দ্দেশ অর্থত, দীঘল লেহুকা বস্তুৰ নামৰ পাচত গছ ব্যৱহাৰ হয়। তাকে সৰু দেখুৱাবলৈ বা আদৰ বুজাবলৈ গছি ব্যৱহাৰ হয়। যেনে, ডোলগছ, জৰীগছ বা ডোলগছি, জৰীগছি, বটিয়াগছ, বটিয়াগছি। এইবিলাক শব্দৰ পাচত ডালো ব্যৱহাৰ কৰা যায়।

১০৭। পাট—সেই দৰে, নির্দ্দেশ অর্থত, চেপেটা ঠেক বস্তুৰ নামৰ পাচত পাট ব্যৱহাৰ হয়। তাকে সৰু দেখুৱাবলৈ বা আদৰ বুজাবলৈ পাটি ব্যৱহাৰ হয়। যেনে, বঠাপাট বা বঠাপাটি, খাপৰপাট বা খাপৰপাটি, শৰপাট বা শৰপাটি।

১০৮। চটা—ইও, সেইদৰে, নির্দ্দেশ অর্থত, চেপেটা ঠেক বস্তুৰ নামৰ পাচত ব্যৱহাৰ হয়। তাকে সৰু দেখুৱাবলৈ বা আদৰ বুজাবলৈ চটি ব্যৱহাৰ হয়। যেনে, চিৰিচটা বা চিৰিচটি, কামিচটা বা কামিচটি, পাটচটা বা পাটচটি। চটাৰ সলনি কেতিয়াবা চলা বা চলি ব্যৱহাৰ হয়। যেনে, পাটচলা ( কাঠৰ পাট ) বা পাটচলি।

১০৯। যি বস্তুৰ নামৰ পাচত পাট ব্যৱহাৰ হয়, সেই বস্তু বৰ ঠেক হলে প্রায় চটা ব্যৱহাৰ হয়। যেনে, বঠাপাট কিন্তু চিৰিচটা। বঠাতকৈ চিৰি বহুত গুণে ঠেক।

১১০। এইবিলাক শব্দ বা প্রত্যয় এক শব্দত যোগ হৈ কোনো সংজ্ঞা শব্দৰ আগত বা পাচত থাকিলে, সি তেতিয়া সেই বস্তুটোক বিশেষকৈ নির্দ্দেশ কৰা নুবুজায়, সেই বিধ বস্তুৰ যেই সেই এটাক বুজায়। যেনে, এটা লৰা বা লৰা এটা। ইয়াত যেই সেই এটা লৰাক বুজাইছে।

১১১। দুই বা অধিক বুজুৱা শব্দত এই বিলাক প্রত্যয় যোগ হৈ যদি সি কোনো সংজ্ঞা শব্দৰ আগত থাকে, তেনেহলে সি সেই বস্তুক বিশেষকৈ নির্দ্দেশ কৰা নুবুজায়, সেই বিধ বস্তুৰ, সেই সংখ্যাৰ যেই সেইবিলাকক বুজায়।

যেনে, ডুডাল বাঁহ। কিন্তু সি সংজ্ঞা শব্দৰ পাচত থাকিলে দুয়ো অর্থ বুজাব পাৰে। যেনে, বাঁহ ডুডাল। ইয়াত যেই সেই ডুডাল বাঁহো বুজাব পাৰে, বা আগে আনি থোৱা বা উল্লেখ কৰা বিশেষ বাহ ডুডালকো বুজাব পাৰে।

১১২। বিশেষ্য বিশেষণৰ ভিতৰত বিশেষ্য পদ উহ্য থাকিল, প্রত্যয়টো বিশেষণতে যোগ হয়। যেনে, সৰুটো দিয়া ডাঙৰটো ৰাখা, অর্থাৎ সৰু বস্তুটো দিয়া, ডাঙৰ বস্তুটো ৰাখা। ডুজনী ছাগলীৰ, কলীজনী বাঘে খালে, বগীজনী আছে, ইত্যাদি।

১১৩। ডাল, খন, গছ, পাট, আৰু চটা, সধাৰণতঃ মানুহ বুজুৱা শব্দৰ পাচত ব্যৱহাৰ নহয়, কিন্তু নিন্দার্থত কেতিয়াবা ডাল আৰু পাট ব্যৱহাৰ। যেনে, এই মানুহ-ডালক বা এই লৰাপাটক নেদেখিছ। মোৰ যি পাটহে লৰা, তেওঁ আমাক নিস্তাৰ কৰিব।

এ, এই।

১১৪। কোনো বস্তু, জন্তু, বা মানুহক ডড়াই দেখুৱাবলৈ অব্যয় শব্দৰ বাজে প্রায় সকলো বিধ শব্দত এ বা এই প্রত্যয় যোগ হয়। যেনে, গোপালেই গৈছিল, মযে বা মযেই দিছিলোঁ, ভালে ভালেই হল, অথনিয়ে বা অথনিয়েই গল। ভবিষ্যৎ কাল বুজালে কেতিয়াবা এই অর্থত এ বা এই প্রত্যয়ৰ সলনি কে প্রত্যয় হয়। যেনে, সি, কালিলৈকে বা কাইলৈকে যাব।

হে।

১১৫। ডাঠ দেখুৱাবলৈ বস্তু, জন্তু, বা মানুহ বুজুৱা শব্দৰ পাচত হে প্ৰত্যয় হয়। যেনে, মইহে গৈছিলোঁ, অৰ্থাৎ আন কোনো যোৱা নাই। সেইদৰে, গোপালহে ভাত আছিল, জিকাটো তিতাহে লাগিছিল, সি কেৱল ওখহে হৈছে, গা চেৰেলা ইত্যাদি।

# দশম অধ্যায়।

——:*:——

## ধাতু আৰু ক্রিয়া প্রকৰণ।

### ধাতু।

১। ক্রিয়াৰ মূলক ধাতু বোলা যায়।

২। ধাতু তিনি বিধ ঃ—মৌলিক, যৌগিক, আৰু নাম ধাতু।

৩। যি ধাতুৰ আদিৰ ৰূপ লৰচৰ হোৱা নাই, তাক মৌলিক ধাতু বোলে। যেনে, কৃ, ধৃ, জ্ঞা, পা, দা, ইত্যাদি।

৪। কোনো ধাতুত কোনো প্রত্যয় যোগ দি যি নতুন ধাতু প্রস্তুত কৰা হয়, তাক যৌগিক বা প্রত্যয়ান্ত ধাতু বোলে। যেনে, কৃ ধাতুৰ পৰা কাৰি ধাতু, ধৃ ধাতুৰ পৰা ধাৰি ধাতু, জ্ঞা ধাতুৰ পৰা জ্ঞাপি ধাতু। সেইদৰে, পা ধাতুৰ পৰা পিপাস, শ্রু ধাতুৰ পৰা শুশ্রূষ, দৃশ ধাতুৰ পৰা দিদৃক্ষ ধাতু। আৰু সেইদৰে ৰুদ ধাতুৰ পৰা ৰোৰুদ্য, জ্বল ধাতুৰ পৰা জাজ্বল্য, দুল ধাতুৰ পৰা দোদুল্য ধাতু। এই এটাইবিলাক নতুন ধাতু।

সংস্কৃত ভাষাত নিচ্, সন্, আৰু যঙ্, এই তিনি প্রত্যয় যোগ দি মূল বা মৌলিক ধাতুৰ পৰা নতুন ধাতু কৰা হয়। আৰু সেই নতুন ধাতুবিলাকত ক্রিয়া বিভক্তি বা অন্য প্রত্যয় যোগ দিয়া যায়।

আনক পাঁচি ক্রিয়া কৰোৱা অর্থত নিচ্ প্রত্যয় যোগ দিয়া হয়। নিচ্ প্রত্যয় যোগ দিলে, কৃ ধাতু কাৰি, ধৃ ধাতু ধাৰি। জ্ঞা ধাতু জ্ঞাপি হয়।

ইচ্ছা অর্থত সন প্রত্যয় যোগ দিয়া হয়। সন প্রত্যয় যোগ দিলে, কৃ ধাতু চিকীর্ষ, পা ধাতু পিপাস, শ্রু ধাতু শুশ্রূষ হয়।

ঘনে পতি কৰা অর্থত যঙ্ প্রত্যয় যোগ দিয়া হয়। যঙ প্রত্যয় যোগ দিলে, ৰুদ ধাতু ৰোৰুদ্য, জল ধাতু জাজ্বল্য, দুল ধাতু দোদুল্য হয়।

ক্যঙ্ প্রত্যয় যোগ দি বস্তুৰ নামৰ পৰাও ধাতু প্রস্তুত কৰা হয়। সেই ধাতুক নাম ধাতু বোলে। যেনে, বাষ্প নামৰ পৰা বাষ্পায়, ক্রম নামৰ পৰা ক্রমায়, দণ্ড নামৰ পৰা দণ্ডায়।

ওপৰত উল্লেখ কৰা সকলোবিলাক প্রত্যয় সংস্কৃত, আৰু সিহঁতক সংস্কৃত ধাতুতহে যোগ দিব পাৰি। অসমীয়াত তেনে প্রত্যয় নাই। কিন্তু ণিচ্ আৰু ক্যঙ্ প্রত্যয়ৰ নিচিনা অসমীয়া ভাষাত অন্য প্রত্যয় আছে। তাৰ বিবৰণ পাচত দিয়া যাব।

৫। সংস্কৃত ধাতুৰ ৰূপ আৰু অসমীয়া ধাতুৰ ৰূপ ভিন ভিন। অসমীয়া ধাতুতহে অসমীয়া ক্রিয়া বিভক্তি আৰু কৃৎ প্রত্যয় যোগ হয়। সংস্কৃত ধাতু অসমীয়াত কেনে ৰূপ লৈছে, তাৰ কেতবিলাক উদাহৰণ তলত দিয়া হল। যেনে:—

| সংস্কৃত ৰূপ | অসমীয়া ৰূপ | সংস্কৃত ৰূপ | অসমীয়া ৰূপ |
|---|---|---|---|
| কৃ | কৰ্ | ধৃ | ধৰ্ |
| মৃ | মৰ্ | পা | পি |
| দা | দি | নৃৎ | নাচ্ |
| পত | পৰ্ | হৃ | হৰ্ |

| সংস্কৃত ৰূপ | অসমীয়া ৰূপ | সংস্কৃত ৰূপ | অসমীয়া ৰূপ |
|---|---|---|---|
| স্থা | থাক্ | হস্ | হাঁহ |
| গম | যা | পঠ | পঢ়্ |
| শী | শো | ক্রন্দ্ | কান্দ্ |
| কৃত | কাট্ | দৃশ্ | দেখ |
| ৰন্জ | ৰজ্ | ভন্জ | ভাঙ্গ্ |
| ক্রি | কিন্ | শ্রু | শুন্ |
| নী | নি | উদ | উঠ্, ইত্যাদি |

## ক্রিয়া।

৬। ধাতুত বিভক্তি বা প্রত্যয় যোগ হলে, তাক ক্রিয়া বোলা যায়।

৭। ক্রিয়া দুবিধ :—সকৰ্ম্মক আৰু অকৰ্ম্মক।

৮। যি ক্রিয়াৰ কাৰ্য্য কোনো বস্তুৰ ওপৰত হয়, তাক সকৰ্ম্মক ক্রিয়া বোলে, আৰু বস্তুটোক সেই ক্রিয়াৰ কৰ্ম্ম বোলে।

৯। যি ক্রিয়াৰ কাৰ্য্য কোনো বস্তুৰ ওপৰত নহয়, তাক অকৰ্ম্মক ক্রিয়া বোলে।

কোনটো ক্রিয়া সকৰ্ম্মক, আৰু কোনটো অকৰ্ম্মক, তাক বুজিবলৈ বিশেষ টান নহয়। প্রত্যেক সকৰ্ম্মক ক্রিয়াত, ক্রিয়াটো উল্লেখ কৰা মাত্রে এটা প্রশ্ন ওলায়, অকৰ্ম্মক ক্রিয়াত তেনে কোনো প্রশ্ন নোলায়। যেনে,

কোনোবা এজনে যদি কয়, গোপালে নিশা পঢ়িছিল, তেনেহলে প্রশ্ন হব, কি পঢ়িছিল? অর্থাৎ পঢ়িছিল ক্রিয়াই সদায় এটা কৰ্ম্মৰ আকাজ্ক্ষা কৰে। এতেকে সি সকৰ্ম্মক। কিন্তু গোপাল শুইছিল, এনে বাক্যত সুধিবলৈ কোনো প্রশ্ন নোলায়। শুইছিল ক্রিয়াই কেৱল কৰ্ত্তাক আশ্রয় কৰি আছে, কোনো কৰ্ম্মৰ আকাজ্ক্ষা নকৰে। এতেকে সি অকৰ্ম্মক।

১০। কোনো কোনো সকৰ্ম্মক ক্রিয়াৰ দুটা কৰ্ম্ম থাকে। তেনে বিধৰ ক্রিয়াক দ্বিকৰ্ম্মক ক্রিয়া বোলে। যেনে, সি তাক কথাটো কৈছিল। ইয়াত কৈছিল ক্রিয়াৰ দুটা কৰ্ম্ম, তাক আৰু কথাটো। এতেকে কৈছিল ক্রিয়া দ্বিকৰ্ম্মক।

১১। কৰ্ম্মৰ ঠাইত ক্রিয়াৰ অনুৰূপ, অর্থাৎ ক্রিয়াৰ জাতীয় কোনো পদ থাকিলে, অকৰ্ম্মক ক্রিয়াও সকৰ্ম্মক হয়, আৰু সেই অনুৰূপ পদ সেই ক্রিয়াৰ কৰ্ম্ম হয়। যেনে, এঘুমটি শুলে, মিৰি নাচন নাচিলে, বিকট হাঁহি হাহিলে। ইয়াত ঘুমটি পদ শুলে, নাচন পদ নাচিলে, আৰু হাঁহি পদ হাহিলে ক্রিয়াৰ অনুৰূপ, অর্থাৎ সেই ক্রিয়াৰ সৈতে একে জাতীয়। এতেকে শুলে, নাচিলে, আৰু হাহিলে, যদিও আচলত অকৰ্ম্মক ক্রিয়া, ইয়াত সকৰ্ম্মক হৈছে।

১২। কোনো কোনো সকৰ্ম্মক ক্রিয়া অকৰ্ম্মক ক্রিয়াৰ ৰূপভেদ মাথোন। যেনে, অকৰ্ম্মক পৰ সকৰ্ম্মক পাৰ, অকৰ্ম্মক সোমা সকৰ্ম্মক সুমা, অঃ ফাট সঃ ফাল, অঃ ছিগ সঃ ছিঙ্গ, অঃ ভাগ সঃ ভাঙ্গ, অঃ ওলা সঃ উলিয়া, অঃ নাম সঃ নমা, অঃ থাক সঃ থ ইত্যাদি।

১৩। সকৰ্ম্মক আৰু অকৰ্ম্মক দুয়ো বিধ ক্ৰিয়াৰ ৰূপ দুটা ঃ—সাধ্যা বা সমাপিকা আৰু সিদ্ধা বা অসমাপিকা।

১৪। ক্ৰিয়াৰ যি ৰূপৰ দ্বাৰা কথাৰ ওৰ পৰা বুজায়, সি তাৰ সাধ্যা ৰূপ, আৰু যি ৰূপৰ দ্বাৰা বাকী থকা বুজায়, সি তাৰ সিদ্ধা ৰূপ। যেনে, গোপাল ঘৰলৈ গৈ শুলে। ইয়াত গৈ যা ক্ৰিয়াৰ সিদ্ধা ৰূপ। কিয়নো, গোপাল ঘৰলৈ গৈ বোলাত কথাৰ ওৰ নপৰিল, কবলৈ আৰু কিবা বাকী থাকিল। কিন্তু শুলে বোলাত কথাৰ ওৰ পৰিল, আৰু একো বাকী নৰল। এতেকে শুলে শো ক্ৰিয়াৰ সাধ্যা ৰূপ।

১৫। সাধ্যা ক্ৰিয়াৰ কাল, পুৰুষ, আৰু বচন আছে, সিদ্ধা ক্ৰিয়াৰ নাই। কৰ্ত্তাৰ পুৰুষ আৰু বচনেই সাধ্যা ক্ৰিয়াৰ পুৰুষ আৰু বচন হয়।

১৬। অসমীয়া ভাষাত বচন অনুসাৰে ক্ৰিয়াৰ ৰূপ নলৰে। একবচনৰ ৰূপেই বহুবচনত ব্যৱহাৰ হয়। কেৱল প্ৰথম আৰু দ্বিতীয় পুৰুষত, বহু বচনত সকলো কালত ক্ৰিয়াৰ শেষত হঁক যোগ হয়, নহৈও থাকিব পাৰে। যেনে, আমি খাওঁ বা খাওঁহক, খাইছোঁ বা খাইছোঁহঁক, খাইছিলোঁ বা খাইছিলোঁহঁক, খাম বা খামহঁক। তোমালোকে খোৱা বা খোৱাহঁক, খালা বা খালাহঁক, খাইছা বা খাইছাহঁক, খাইছিলা বা খাইছিলাহঁক, খাবা বা খাবাহঁক। সেই দৰে খালোঁহঁকহেঁতেন, খালাহঁকহেঁতেন ইত্যাদি।

## কাল।

১৭। যি সময়ত ক্রিয়া হয় তাক ক্রিয়াৰ কাল বোলে।

১৮। কাল মুঠত তিনটা ঃ—বৰ্ত্তমান কাল, ভূত কাল, আৰু ভবিষ্যত কাল।

১৯। বৰ্ত্তমান কাল দুবিধ ঃ—নিত্য বৰ্ত্তমান আৰু স্বৰূপ বৰ্ত্তমান কাল।

## নিত্য বৰ্ত্তমান কাল।

২০। নিয়ম, অভ্যাস, বা স্বভাৱ বুজাবলৈ নিত্য বৰ্ত্তমান কাল ব্যৱহাৰ হয়। যেনে, জাপানীবিলাকে ভাত খায়, অৰ্থাৎ ভাত খোৱা তেওঁবিলাকৰ অভ্যাস। মই গধূলি ফুৰোঁ, অৰ্থাৎ গধূলি ফুৰা মোৰ অভ্যাস। বসন্তকালত গছে ন পাত ধৰে অৰ্থাৎ বসন্তকালত ন পাত ধৰা গছৰ স্বভাৱ।

## স্বৰূপ বৰ্ত্তমান কাল।

২১। ক্রিয়া কৰি থকা বুজাবলৈ স্বৰূপ বৰ্ত্তমান কাল ব্যৱহাৰ হয়। যেনে, মই পঢ়িছোঁ, অৰ্থাৎ মই পঢ়ি আছোঁ। সি শুইছে, অৰ্থাৎ সি শুই আছে।

২২। ভূত কাল তিনি বিধ ঃ—স্বৰূপ ভূত, অপূৰ্ণ ভূত, আৰু সান্তব্য ভূত।

## স্বৰূপ ভূত কাল।

২৩। ক্রিয়া কৰা সম্প্রতি শেষ হৈছে, এই ভাব বুজাবলৈ

স্বৰূপ ভূত কাল ব্যৱহাৰ হয়। যেনে, সি গল, অর্থাৎ সি এইমাত্র গল। মই খালোঁ, অর্থাৎ মই এইমাত্র খাই উঠিলোঁ।

অপূর্ণ ভূত কাল।

২৪। অতীত হৈ যোৱা কোনো এটা বিশেষ কালত বা কোনো এটা অতীত কর্ম্মৰ আগৰ কালত ক্রিয়া হোৱা বুজাবলৈ অপূর্ণ ভূত কাল ব্যৱহাৰ হয়। যেনে, তুমি যেতিয়া আহিছিলা, মই তেতিয়া গুৰুসেৱা কৰিছিলোঁ। আমি লৰালি কালতে এই সাধুকথা শুনিছিলোঁ। মই তাক কথাটো থোৰ ভাঙ্গি কৈছিলোঁ, অর্থাৎ অতীত হৈ যোৱা কোনো এটা বিশেষ সময়ত কৈছিলোঁ। কোন বিশেষ সময়ত ক্রিয়া কৰা হৈছিল, সেই কথা বাক্যত প্রকাশ থাকিবও পাৰে, নাথাকিবও পাৰে, ইয়াত, আগৰ দুটা উদাহৰণত প্রকাশ আছে, শেষৰটোত নাই, উহ্য আছে।

সান্তব্য ভূত কাল।

২৫। কোনো অতীত কালত ক্রিয়া কৰিবৰ সম্ভৱ আছিল, কিন্তু সেই কাল উকলি গৈছে, ক্রিয়া কৰা নহল, এনে ভাব বুজাবলৈ সান্তব্য ভূত কাল ব্যৱহাৰ হয়। এই কালৰ ক্রিয়াৰ শেষত সদায় হেঁতেন প্রত্যয় যোগ হয়। যেনে, সি অহাহেঁতেন মই তাৰ লগতেই গলোঁহেঁতেন, অর্থাৎ কোনো অতীত হৈ যোৱা সময়ত সি আহিবৰ কথা আছিল,

সেই সময়ত সি অহাহেঁতেন মই তাৰ লগতেই গলোঁহেঁতেন কিন্তু সি নাহিল, গতিকে মোৰো যোৱা নহল।

## ভবিষ্যৎ কাল।

২৬। আগলৈ ক্রিয়া কৰা হব, এনে ভাব বুজাবলৈ ভবিষ্যৎ কাল ব্যৱহাৰ হয়। যেনে, কলি যুগৰ ওৰ পৰিলে, আকৌ সত্য যুগ হব। তেওঁ ছদিন পাচত আহিব।

## অনুজ্ঞা।

২৭। আদেশ বা অনুৰোধ বুজাবলৈ ক্রিয়াৰ যি ৰূপ ব্যৱহাৰ কৰা হয়, তাক অনুজ্ঞা বোলে।—অনুজ্ঞাৰ দুই পুৰুষ ঃ—দ্বিতীয় পুৰুষ আৰু তৃতীয় পুৰুষ। তাৰ কালো দুটা ঃ—নিত্য বৰ্ত্তমান কাল আৰু ভবিষ্যৎ কাল।

২৮। সকলো কালত দ্বিতীয় পুৰুষত ক্রিয়াৰ দুটা ৰূপ হয়, এটা অনাদৰ অৰ্থত ( তুচ্ছাৰ্থত ) আৰু এটা আদৰ অৰ্থত।

২৯। সম্ভ্রম অৰ্থত ক্রিয়াৰ ভিন ৰূপ নহয়। সম্ভ্রম বুজুৱা সংজ্ঞা শব্দ বা সৰ্ব্বনাম, সকলো তৃতীয় পুৰুষৰ। সেই দেখি ক্রিয়াৰ তৃতীয় পুৰুষৰ ৰূপেই সম্ভ্রমতো খাটে। যেনে, ডাঙৰীয়াই কৰে, গোসাঁয়ে কৰে, ৰজাই কৰে, আপুনি কৰে, তেখেতে কৰে, সি কৰে, তেওঁ কৰে।

৩০। কাল আৰু পুৰুষ অনুসাৰে ক্রিয়াত যিবিলাক বিভক্তি যোগ হয়, তাক তলত দিয়া হল।

## ক্রিয়া বিভক্তি।

| কাল | প্রথম পুৰুষ মই, আমি | দ্বিতীয় পুৰুষ। তুচ্ছার্থত বা অনাদৰ অর্থত তই, তহঁত | দ্বিতীয় পুৰুষ। আদৰ অর্থত তুমি, তোমা-লোক | তৃতীয় পুৰুষ সি, আপুনি, তেখেত |
|---|---|---|---|---|
| নিত্য বর্ত্তমান | ওঁ | অ | আ | এ |
| স্বৰূপ বর্ত্তমান | ইছোঁ | ইছ | ইছা | ইছে |
| স্বৰূপ ভূত | ইলোঁ | ইলি | ইলা | ইলে |
| অপূর্ণ ভূত | ইছিলোঁ | ইছিলি | ইছিলা | ইছিল |
| সান্তব্য ভূত | ইলোহেঁতেন | ইলিহেঁতেন | ইলাহেঁতেন | ইলেহেঁতেন |
| ভবিষ্যৎ | ইম | ইবি | ইবা | ইব |

## অনুজ্ঞাৰ বিভক্তি।

| কাল | দ্বিতীয় পুৰুষ তুচ্ছার্থত বা অনাদৰ অর্থত তই, তহঁত | দ্বিতীয় পুৰুষ আদৰ অর্থত তুমি, তোমালোক | তৃতীয় পুৰুষ |
|---|---|---|---|
| নিত্য বর্ত্তবান | অ | আঁ | অক বা ওক |
| ভবিষ্যৎ | ইবি | ইবা | ইব |

# ৩১। ধাতুত ক্ৰিয়া বিভক্তি যোগ দিবৰ নিয়ম।

(ক) ব্যঞ্জনান্ত ধাতুত বিভক্তিৰ আদি স্বৰ তাৰ শেষ ব্যঞ্জনত যোগ হয়। কিন্তু ধাতুৰ অন্তত ন ম আদি অনু-নাসিক বৰ্ণ থাকিলেওঁ বিভক্তিৰ ৺ লোপ হয়।

(খ) অ, আ, আৰু ও-কাৰান্ত ধাতুৰ পাচত স্বৰূপ ভূত সান্তব্য ভূত আৰু ভবিষ্যৎ কালৰ বিভক্তিৰ আদিৰ ই লোপ হয়।

(গ) ই-কাৰান্ত ধাতুৰ পাচত সকলো বিভক্তিৰ আদিৰ ই লোপ হয়।

(ঘ) অ, আ, আৰু ও—কাৰান্ত ধাতুৰ পাচত অ বিভক্তি ৱ, আ বিভক্তি ৱা হয়।

(ঙ) ই—কাৰান্ত ধাতুৰ পাচত অ বিভক্তি য়, আ বিভক্তি য়া, আৰু এ বিভক্তি য়ে হয়। কিন্তু ও—কাৰান্ত ধাতুৰ পাচত এ বিভক্তি ৱে হয়।

(চ) ও—কাৰান্ত ধাতুৰ পাচত ওঁ বিভক্তিৰ ও লোপ হয়, কেৱল ৺ ধাতুত যোগ হয়।

(ছ) সকলো বিধ ধাতুৰ পাচত অনুজ্ঞাৰ অ বিভক্তি লোপ হয়।

৩২। সকৰ্ম্মক আৰু অকৰ্ম্মক ধাতুৰ সকলো বিভক্তিত একে ৰূপ। কেৱল হাঁহ, কান্দ, কাহ, নাচ, হাগ, মুত, লৰ,

শো, ওমল আদি কেতবিলাক ধাতুৰ বাজে আনবিলাক অকৰ্ম্মক ধাতুত তৃতীয় পুৰুষৰ ইলে আৰু ইলেহেঁতেন এই দুই বিভক্তিৰ ল ৰ এ-কাৰ নাথাকে। যেনে, সকৰ্ম্মক ধাতু কৰ—সি কৰিলে, সি কৰিলেহেঁতেন ; অকৰ্ম্মক ধাতু পৰ্ সি পৰিল, সি পৰিলহেঁতেন। কিন্তু অকৰ্ম্মক ধাতু কান্দ্—সি কান্দিলে, সি কান্দিলেহেঁতেন। কাহ, নাচ আদি ধাতুৰো এনেকুৱা ৰূপ হয়।

৩৩। সোমা, ওলা, ওপং, ওলম আদি ধাতুৰ বাহিৰে আনবিলাক ও-কাৰ যুক্ত বা আদিত ও-কাৰ থকা ধাতুত বিভক্তি যোগ হলে, নিত্য বৰ্ত্তমান কালৰ বাহিৰে আন সকলো কালত তাৰ ও মৰি উ হয়। যেনে, ওপজে, কিন্তু উপজিছে, উপজিছিল, উপজিল, উপজিব ইত্যাদি।

৩৪। ই-কাৰ বা ঈ-কাৰান্ত ধাতুৰ ৰূপ, বিভক্তি যোগ হলে লৰচৰ নহয়।

৩৫। অ আৰু আ—কাৰান্ত ধাতুত দ্বিতীয় পুৰুষৰ আ বা অনুজ্ঞাৰ আ বিভক্তি যোগ হলে, সিহঁত ও—কাৰান্ত হয়। যেনে, ল ধাতু লোৱা বা লোৱাঁ, খা ধাতু খোৱা বা খোৱাঁ।

৩৬। স্বৰূপ বৰ্ত্তমান আৰু অপূৰ্ণ ভূত কালত অ-কাৰান্ত ধাতু ঐ-কাৰান্ত হয়। যেনে, ল-লৈছে, লৈছিল।

৩৭। অনুজ্ঞাৰ দ্বিতীয় পুৰুষত অনাদৰত দি ধাতু দে আৰু নি ধাতু নে হয়।

# ৩৮। মৌলিক ধাতুৰ ৰূপ।

## ব্যঞ্জনান্ত সকৰ্ম্মক ধৰ ধাতু।

| কাল | ১ম পুৰুষ | ২য় পুৰুষ অনাদৰত | ২য় পুৰুষ আদৰত | ৩য় পুৰুষ |
|---|---|---|---|---|
| নিত্য বৰ্ত্তমান | ধৰোঁ | ধৰ | ধৰা | ধৰে |
| স্বৰূপ বৰ্ত্তমান | ধৰিছোঁ | ধৰিছ | ধৰিছা | ধৰিছে |
| স্বৰূপ ভূত | ধৰিলোঁ | ধৰিলি | ধৰিলা | ধৰিলে |
| অপূৰ্ণ ভূত | ধৰিছিলোঁ | ধৰিছিলি | ধৰিছিলা | ধৰিছিল |
| সাম্ভব্য ভূত | ধৰিলোঁহেঁতেন | ধৰিলিহেঁতেন | ধৰিলাহেঁতেন | ধৰিলেহেঁতেন |
| ভবিষ্যৎ | ধৰিম | ধৰিবি | ধৰিবা | ধৰিব |

### অনুজ্ঞা।

| | | | | |
|---|---|---|---|---|
| নিত্য বৰ্ত্তমান | ১ম পুঃ নাই | ধৰ | ধৰাঁ | ধৰক, ধৰোক |
| ভবিষ্যৎ | নাই | ধৰিবি | ধৰিবা | ধৰিব |

## ব্যঞ্জনান্ত অকৰ্ম্মক পৰ্ ধাতু।

| কাল | ১ম পুৰুষ | ২য় পুৰুষ অনাদৰত | ২য় পুৰুষ আদৰত | ৩য় পুৰুষ |
|---|---|---|---|---|
| নিত্য বৰ্ত্তমান | পৰোঁ | পৰ | পৰা | পৰে |
| স্বৰূপ বৰ্ত্তমান | পৰিছোঁ | পৰিছ | পৰিছা | পৰিছে |

| কাল | ১ম পুৰুষ | ২য় পুৰুষ অনাদৰত | ২য় পুৰুষ আদৰত | ৩য় পুৰুষ |
|---|---|---|---|---|
| স্বৰূপ ভূত | পৰিলোঁ | পৰিলি | পৰিলা | পৰিল |
| অপূর্ণভূত | পৰিছিলোঁ | পৰিছিলি | পৰিছিলা | পৰিছিল |
| সান্তব্যভূত | পৰিলোঁহেঁতেন | পৰিলিহেঁতেন | পৰিলাহেঁতেন | পৰিলহেঁতেন |
| ভৱিষ্যৎ | পৰিম | পৰিবি | পৰিবা | পৰিব |

অনুজ্ঞা।

| | | | | |
|---|---|---|---|---|
| নিত্যবৰ্ত্তমান | ১ম পুঃ নাই | পৰ | পৰাঁ | পৰক, পৰোক |
| ভবিষ্যৎ | নাই | পৰিবি | পৰিবা | পৰিব |

অ-কাৰান্ত সকৰ্ম্মক ক ধাতু।

| কাল | ১ম পুৰুষ | ২য় পুৰষ অনাদৰত | ২য় পুৰষ আদৰত | ৩য় পুৰুষ |
|---|---|---|---|---|
| নিত্য বৰ্ত্তমান | কওঁ | কৱ | কোৱা | কয় |
| স্বৰূপ বৰ্ত্তমান | কৈছোঁ | কৈছ | কৈছা | কৈছে |
| স্বৰূপ ভূত | কলোঁ | কলি | কলা | কলে |
| অপূর্ণ ভূত | কৈছিলোঁ | কৈছিলি | কৈছিলা | কৈছিল |
| সান্তব্য ভূত | কলোঁহেঁতেন | কলিহেঁতেন | কলাহেঁতেন | কলেহেঁতেন |
| ভবিষ্যৎ | কম | কবি | কবা | কব |

অনুজ্ঞা।

| | | | | |
|---|---|---|---|---|
| নিত্যবৰ্ত্তমান | ১ম পুঃ নাই | ক | কোৱাঁ | কক, কওক |
| ভবিষ্যৎ | নাই | কবি | কবা | কব |

## অ-কাৰান্ত অকৰ্ম্মক ৰ ধাতু।

| কাল | ১ম পুৰুষ | ২য় পুৰুষ অনাদৰত | ২য় পুৰুষ আদৰত | ৩য় পুৰুষ |
|---|---|---|---|---|
| নিত্যবৰ্ত্তমান | ৰওঁ | ৰৱ | ৰোৱা | ৰয় |
| স্বৰূপ বৰ্ত্তমান | ৰৈছোঁ | ৰৈছ | ৰৈছা | ৰৈছে |
| স্বৰূপ ভূত | ৰলোঁ | ৰলি | ৰলা | ৰল |
| অপূৰ্ণ ভূত | ৰৈছিলোঁ | ৰৈছিলি | ৰৈছিলা | ৰৈছিল |
| সান্তব্য ভূত | ৰলোঁহেঁতেন | ৰলিহেঁতেন | ৰলাহেঁতেন | ৰলহেঁতেন |
| ভবিষ্যৎ | ৰম | ৰবি | ৰবা | ৰব |

অনুজ্ঞা।

| | | | | |
|---|---|---|---|---|
| নিত্যবৰ্ত্তমান | ১ম পুঃ নাই | ৰ | ৰোৱাঁ | ৰক, ৰওক |
| ভবিষ্যৎ | নাই | ৰবি | ৰবা | ৰব |

## আ—কাৰান্ত সকৰ্ম্মক গা ধাতু।

| কাল | ১ম পুঃ | ২য় পুঃ অনাদৰত | ২য় পুঃ আদৰত | ৩য় পুঃ |
|---|---|---|---|---|
| নিত্য বৰ্ত্তমান | গাওঁ | গাৱ | গোৱা | গায় |
| স্বৰূপ বৰ্ত্তমান | গাইছোঁ | গাইছ | গাইছা | গাইছে |
| স্বৰূপ ভূত | গালোঁ | গালি | গালা | গালে |
| অপূৰ্ণ ভূত | গাইছিলোঁ | গাইছিলি | গাইছিলা | গাইছিল |

| কাল | ১ম পুৰুষ | ২য় পুৰুষ | | ৩য় পুৰুষ |
|---|---|---|---|---|
| | | অনাদৰত | আদৰত | |
| সান্তব্য ভূত | গালোঁহেঁতেন | গালিহেঁতেন | গালাহেঁতেন | গালেহেঁতেন |
| ভবিষ্যৎ | গাম | গাবি | গাবা | গাব |

অনুজ্ঞা।

| | | | | |
|---|---|---|---|---|
| নিত্য বৰ্ত্তমান | ১ম পুঃ নাই | গা | গোৱাঁ | গক গাওক |
| ভবিষ্যৎ | নাই | গাবি | গাবা | গাব |

## আ—কাৰান্ত অকৰ্ম্মক যা ধাতু।

যা ধাতু স্বৰূপ বৰ্ত্তমান, পূৰ্ণ ভূত, আৰু অপূৰ্ণ ভূত কালত গৈ হয়, স্বৰূপ ভূত আৰু সান্তব্য ভূত কালত গ হয়, আৰু সেই বিভক্তি বিলাকৰ আদিৰ ই লোপ হয়।

| কাল | ১ম পুঃ | ২য় পুঃ | | ৩য় পুঃ |
|---|---|---|---|---|
| | | অনাদৰত | আদৰত | |
| নিত্য বৰ্ত্তমান | যাওঁ | যাব | যোৱা | যায় |
| স্বৰূপ বৰ্ত্তমান | গৈছোঁ | গৈছ | গৈছা | গৈছে |
| স্বৰূপ ভূত | গলোঁ | গলি | গলা | গল |
| অপূৰ্ণ ভূত | গৈছিলোঁ | গৈছিলি | গৈছিলা | গৈছিল |
| সান্তব্য ভূত | গলোঁহেঁতেন | গলিহেঁতেন | গলাহেঁতেন | গলহেঁতেন |
| ভবিষৎ | যাম | যাবি | যাবা | যাব |

অনুজ্ঞা।

| | | | | |
|---|---|---|---|---|
| নিত্য বৰ্ত্তমান | ১ম পুঃ নাই | যা | যোৱাঁ | যাক, যক, যাওক |
| ভবিষ্যৎ | নাই | যাবি | যাবা | যাব |

## অ-কাৰান্ত অকৰ্ম্মক ৰ ধাতু।

| কাল | ১ম পুৰুষ | ২য় পুৰুষ অনাদৰত | ২য় পুৰুষ আদৰত | ৩য় পুৰুষ |
|---|---|---|---|---|
| নিত্যবৰ্ত্তমান | ৰওঁ | ৰৱ | ৰোৱা | ৰয় |
| স্বৰূপ বৰ্ত্তমান | ৰৈছোঁ | ৰৈছ | ৰৈছা | ৰৈছে |
| স্বৰূপ ভূত | ৰলোঁ | ৰলি | ৰলা | ৰল |
| অপূৰ্ণ ভূত | ৰৈছিলোঁ | ৰৈছিলি | ৰৈছিলা | ৰৈছিল |
| সান্তব্য ভূত | ৰলোঁহেঁতেন | ৰলিহেঁতেন | ৰলাহেঁতেন | ৰলহেঁতেন |
| ভবিষ্যৎ | ৰম | ৰবি | ৰবা | ৰব |

অনুজ্ঞা।

| | | | | |
|---|---|---|---|---|
| নিত্যবৰ্ত্তমান | ১ম পুঃ নাই | ৰ | ৰোৱাঁ | ৰক, ৰওক |
| ভবিষ্যৎ | নাই | ৰবি | ৰবা | ৰব |

## আ—কাৰান্ত সকৰ্ম্মক গা ধাতু।

| কাল | ১ম পুঃ | ২য় পুঃ অনাদৰত | ২য় পুঃ আদৰত | ৩য় পুঃ |
|---|---|---|---|---|
| নিত্য বৰ্ত্তমান | গাওঁ | গাৱ | গোৱা | গায় |
| স্বৰূপ বৰ্ত্তমান | গাইছোঁ | গাইছ | গাইছা | গাইছে |
| স্বৰূপ ভূত | গালোঁ | গালি | গালা | গালে |
| অপূৰ্ণ ভূত | গাইছিলোঁ | গাইছিলি | গাইছিলা | গাইছিল |

| কাল | ১ম পুৰুষ | ২য় পুৰুষ অনাদৰত | ২য় পুৰুষ আদৰত | ৩য় পুৰুষ |
|---|---|---|---|---|
| সান্তব্য ভূত | গালোঁহেঁতেন | গালিহেঁতেন | গালাহেঁতেন | গালেহেঁতেন |
| ভবিষ্যৎ | গাম | গাবি | গাবা | গাব |

অনুজ্ঞা।

| | | | | |
|---|---|---|---|---|
| নিত্য বৰ্ত্তমান | ১ম পুঃ নাই | গা | গোৱাঁ | গক গাওক |
| ভবিষ্যৎ | নাই | গাবি | গাবা | গাব |

## আ—কাৰান্ত অকৰ্ম্মক যা ধাতু।

যা ধাতু স্বৰূপ বৰ্ত্তমান, পূৰ্ণ ভূত, আৰু অপূৰ্ণ ভূত কালত গৈ হয়, স্বৰূপ ভূত আৰু সান্তব্য ভূত কালত গ হয়, আৰু সেই বিভক্তি বিলাকৰ আদিৰ ই লোপ হয়।

| কাল | ১ম পুঃ | ২য় পুঃ অনাদৰত | ২য় পুঃ আদৰত | ৩য় পুঃ |
|---|---|---|---|---|
| নিত্য বৰ্ত্তমান | যাওঁ | যাৱ | যোৱা | যায় |
| স্বৰূপ বৰ্ত্তমান | গৈছোঁ | গৈছ | গৈছা | গৈছে |
| স্বৰূপ ভূত | গলোঁ | গলি | গলা | গল |
| অপূৰ্ণ ভূত | গৈছিলোঁ | গৈছিলি | গৈছিলা | গৈছিল |
| সান্তব্য ভূত | গলোঁহেঁতেন | গলিহেঁতেন | গলাহেঁতেন | গলহেঁতেন |
| ভবিষৎ | যাম | যাবি | যাবা | যাব |

অনুজ্ঞা।

| | | | | |
|---|---|---|---|---|
| নিত্য বৰ্ত্তমান | ১ম পুঃ নাই | যা | যোৱাঁ | যাক, যক, যাওক |
| ভবিষ্যৎ | নাই | যাবি | যাবা | যাব |

## ই—কাৰান্ত সকৰ্ম্মক দি ধাতু।

| কাল | ১ম পুঃ | ২য় পুঃ অনাদৰত | ২য় পুঃ আদৰত | ৩য় পুঃ |
|---|---|---|---|---|
| নিত্য বৰ্ত্তমান | দিওঁ | দিয় | দিয়া | দিয়ে |
| স্বৰূপ বৰ্ত্তমান | দিছোঁ | দিছ | দিছা | দিছে |
| স্বৰূপ ভূত | দিলোঁ | দিলি | দিলা | দিলে |
| অপূৰ্ণ ভূত | দিছিলোঁ | দিছিলি | দিছিলা | দিছিল |
| সান্তব্য ভূত | দিলোহেঁতেন | দিলিহেঁতেন | দিলাহেঁতেন | দিলেহেঁতেন |
| ভবিষ্যৎ | দিম | দিবি | দিবা | দিব |

অনুজ্ঞা।

| | | | | |
|---|---|---|---|---|
| নিত্য বৰ্ত্তমান | ১ম পুঃ নাই | দে | দিয়া | দিয়ক, দিওক |
| ভবিষ্যৎ | নাই | দিবি | দিবা | দিব |

## ঈ—কাৰান্ত অকৰ্ম্মক জী ধাতু।

| কাল | ১ম পুঃ | ২য় পুঃ অনাদৰত | ২য় পুঃ আদৰত | ৩য় পুঃ |
|---|---|---|---|---|
| নিত্য বৰ্ত্তমান | জীওঁ | জীয় | জীয়া | জীয়ে |
| স্বৰূপ বৰ্ত্তমান | জীছোঁ | জীছ | জীছা | জীছে |
| স্বৰূপ ভূত | জীলোঁ | জীলি | জীলা | জীল |
| অপূৰ্ণ ভূত | জীছিলোঁ | জীছিলি | জীছিলা | জীছিল |
| সান্তব্য ভূত | জীলোহেঁতেন | জীলিহেঁতেন | জীলাহেঁতেন | জীলহেঁতেন |
| ভবিষ্যৎ | জীম | জীবি | জীবা | জীব |

অনুজ্ঞা।

| কাল | ১ম পুরুষ | ২য় পুরুষ অনাদৰত | ২য় পুরুষ আদৰত | ৩য় পুরুষ |
|---|---|---|---|---|
| নিত্য বৰ্ত্তমান | ১ম পুঃ নাই | জী | জীয়াঁ | জীয়ক, জীওক |
| ভবিষ্যৎ | নাই | জীবি | জীবা | জীব |

## ও—কাৰান্ত সকৰ্ম্মক ৰো ধাতু।

| কাল | ১ম পুঃ | ২য় পুঃ অনাদৰত | ২য় পুঃ আদৰত | ৩য় পুঃ |
|---|---|---|---|---|
| নিত্য বৰ্ত্তমান | ৰোঁ | ৰোৱ | ৰোৱা | ৰোৱে |
| স্বৰূপ বৰ্ত্তমান | ৰুইছোঁ | ৰুইছ | ৰুইছা | ৰুইছে |
| স্বৰূপ ভূত | ৰুলোঁ | ৰুলি | ৰুলা | ৰুলে |
| পূৰ্ণ অভূত | ৰুইছিলোঁ | ৰুইছিলি | ৰুইছিলা | ৰুইছিল |
| সাম্ভব্য ভূত | ৰুলোহেঁতেন | ৰুলিহেঁতেন | ৰুলাহেঁতেন | ৰুলেহেঁতেন |
| ভবিষ্যৎ | ৰুম | ৰুবি | ৰুবা | ৰুব |

অনুজ্ঞা।

| | | | | |
|---|---|---|---|---|
| নিত্য বৰ্ত্তমান | ১ম পুঃ নাই | ৰো | ৰোৱাঁ | ৰোৱক ৰোওক |
| ভবিষ্যৎ | নাই | ৰুবি | ৰুবা | ৰুব |

### ও-কাৰান্ত অকৰ্ম্ম শো ধাতু।

| কাল | ১ম পুঃ | ২য় পুঃ অনাদৰত | ২য় পুঃ আদৰত | ৩য় পুঃ |
|---|---|---|---|---|
| নিত্য বৰ্ত্তমান | শোঁ | শোৱ | শোৱা | শোৱে |
| স্বৰূপ বৰ্ত্তমান | শুইছোঁ | শুইছ | শুইছা | শুইছে |
| স্বৰূপ ভূত | শুলোঁ | শুলি | শুলা | শুলে |
| অপূৰ্ণ ভূত | শুইছিলোঁ | শুইছিলি | শুইছিলা | শুইছিল |
| সাম্ভব্য ভূত | শুলোঁহেঁতেন | শুলিহেঁতেন | শুলাহেঁতেন | শুলেহেঁতেন |
| ভবিষ্যৎ | শুম | শুবি | শুবা | শুব |

অনুজ্ঞা।

| | | | | |
|---|---|---|---|---|
| নিত্য বৰ্ত্তমান | ১ম পুঃ নাই | শো | শোৱাঁ | শোৱক, শোওক |
| ভবিষ্যৎ | নাই | শুবি | শুবা | শুব |

## পাঁচনী ক্ৰিয়া।

৩৯। আন মানুহক পাঁচি ক্ৰিয়া কৰোৱাঁ বুজাবলৈ মূল ধাতুত কেতবিলাক প্ৰত্যয় যোগ দিয়া হয়। সেই প্ৰত্যয় বিলাকক পাঁচনি প্ৰত্যয় বোলা যায়।

৪০। পাঁচনি প্ৰত্যয় যোগ দিলে ধাতু ক্ৰিয়া নহয়, সি এটা নতুন ধাতু হয়। সেই ধাতুক পাচনি ধাতু বোলা যায় (সংস্কৃত নিজন্ত ধাতু)।

৪১। পাঁচনি ধাতুত ক্ৰিয়া বিভক্তি বা কৃৎ প্ৰত্যয় যোগ হলে, তেতিয়া তাক পাচনী ক্ৰিয়া বোলে।

৪২। আ, উৱা, আৰু ওৱা, এই তিনটা পাচনি প্ৰত্যয়। পাচনি প্ৰত্যয় যোগ দিলে, অকৰ্ম্মক ধাতুও সকৰ্ম্মক হয়।

৪৩। সৰহ ভাগ ধাতুত ইচ্ছা অনুসাৰে আ বা ওৱা যোগ দিব পাৰি, কোনো কোনো ধাতুত আ বা উৱা যোগ দিব পাৰি। কোনো কোনোটোত আ যোগ নহয়, কেৱল উৱা বা ওৱা যোগ হয়। এতেকে বুজা যায় যে প্ৰত্যেক মূল ধাতুৰ দুটা দুটা পাচনি ধাতু হয়, আৰু সেইদৰে সিহঁতৰ ক্ৰিয়াৰ ৰূপো দুই ৰকম হয়।

৪৪। কৰ্, ধৰ্, মাৰ্, নি, দি, গা, ধো (কাপোৰ আদি ধোৱা), পি, কিন্, লৰ্ (ঠাই সলোৱা), আদি কেতবিলাক ধাতুত আ আৰু ওৱা প্ৰত্যয় হয়। যেনে, কৰ—কৰা, কৰোৱা; ধৰ—ধৰা, ধৰোৱা; মাৰ—মৰা, মৰোৱা; নি—নিয়া, নিওৱা; দি—দিয়া, দিওৱা; গা—গোৱা, গোওৱা; ধো—ধোৱা, ধোওৱা; পি—পিয়া, পিওৱা; কিন্—কিনা, কিনোৱা; লৰ—লৰা, লৰোৱা।

৪৫। পঢ়্, শুন্, ধো (গা ধোৱা), শো, খা, মুত্ আদি কেতবিলাক ধাতুত আ আৰু উৱা প্ৰত্যয় হয়। যেনে, পঢ়্—পঢ়া, পঢুৱা; শুন্—শুনা, শুনুৱা; ধো—ধুৱা, ধুউৱা; শো—শুৱা, শুউৱা; খা—খুৱা, খুউৱা; মুত—মুতা, মুতুৱা।

৪৬। নাচ্, হাঁহ, হাগ্, বহ ( মানুহ বহা ), লৰ ( দৌৰ ), কান্দ্, দেখ্, পক আদি কেতবিলাক ধাতুত কেৱল উৱা প্ৰত্যয় হয়। যেনে, নাচ্—নচুৱা, হাঁহ—হঁহুৱা, হাগ্—হগুৱা, বহ—বহুৱা, লৰ্—লৰুৱা, কান্দ্—কন্দুৱা, দেখ্—দেখুৱা, পক—পকুৱা।

৪৭। পেলা, খেলা আদি কেতবিলাক ধাতুত কেৱল ওৱা প্ৰত্যয় হয়। যেনে, পেলা—পেলোৱা, খেলা—খেলোৱা।

ধাতুত ক্ৰিয়া বিভক্তি যোগ দিবৰ যিবিলাক সাধাৰণ নিয়ম আগত দিয়া হৈছে, সেই নিয়ম অনুসাৰেই ধাতুত পাচনি প্ৰত্যয়ো যোগ হয়। তাত বাহিৰে ধাতুত বা প্ৰত্যয়ত আন যি লৰচৰ হয়, তাক উদাহৰণ বিলাকৰ পৰা বুজা যায়।

৪৮। পাচনি প্ৰত্যয় যোগ হলে, ধাতুৰ আদিৰ আ-কাৰ অ-কাৰ হয়।

৪৯। পাচনিত খা ধাতু সদায় খু আৰু শো ধাতু শু হয়।

৫০। ওফৰ্, ওলম্, ওফন্দ্, ওলট আদি কেতবিলাক ধাতুৰ পাচনিত দ্বিতীয় আখৰৰ অ-কাৰ ও-কাৰ হয়, নহৈও থাকিব পাৰে। যেনে, ওফৰা বা ওফোৰা, ওলমা বা ওলোমা, ওফন্দা বা ওফোন্দা, ওলটা বা ওলোটা।

পাচনি ধাতু ৫টাইবিলাক আ-কাৰান্ত হয়, এতেকে অন্য আ-কাৰান্ত ধাতুৰ ভিন ভিন কাল আৰু পুৰুষত যেনে ৰূপ হয়, সিহঁতৰো তেনে ৰূপ হয়।

# ৫১। পাঁচনি ধাতুৰ ৰূপ।

## পাচনি কৰা ধাতু।

| কাল | ১ম পুৰুষ | ২য় পুৰুষ অনাদৰত | ২য় পুৰুষ আদৰত | ৩য় পুৰুষ |
|---|---|---|---|---|
| নিত্যবৰ্ত্তমান | কৰাওঁ | কৰাৱ | কৰোৱা | কৰায় |
| স্বৰূপ বৰ্ত্তমান | কৰাইছোঁ | কৰাইছ | কৰাইছা | কৰাইছে |
| স্বৰূপ ভূত | কৰালোঁ | কৰালি | কৰালা | কৰালে |
| অপূৰ্ণ ভূত | কৰাইছিলোঁ | কৰাইছিলি | কৰাইছিলা | কৰাইছিল |
| সান্তব্য ভূত | কৰালোঁহেঁতেন | কৰালিহেঁতেন | কৰালাহেঁতেন | কৰালেহেঁতেন |
| ভবিষ্যৎ | কৰাম | কৰাবি | কৰাবা | কৰাব |

অনুজ্ঞা।

| | | | | |
|---|---|---|---|---|
| নিত্য বৰ্ত্তমান | ১ম পুঃ নাই | কৰা | কৰোৱা | কৰাক, কৰাওক |
| ভবিষ্যৎ | নাই | কৰাবি | কৰাবা | কৰাব |

## পাচনি কৰোৱা ধাতু।

| কাল | ১ম পুঃ | ২য় পুঃ অনাদৰত | ২য় পুঃ আদৰত | ৩য় পুঃ |
|---|---|---|---|---|
| নিত্য বৰ্ত্তমান | কৰোৱাওঁ | কৰোৱাৱ | কৰোৱা | কৰোৱায় |
| স্বৰূপ বৰ্ত্তমান | কৰোৱাইছোঁ | কৰোৱাইছ | কৰোৱাইছা | কৰোৱাইছে |
| স্বৰূপ ভূত | কৰোৱালোঁ | কৰোৱালি | কৰোৱালা | কৰোৱালে |
| অপূৰ্ণ ভূত | কৰোৱাইছিলোঁ | কৰোৱাইছিলি | কৰোৱাই-ছিলা | কৰোৱাই-ছিল |

| কাল | ১ম পুৰুষ | ২য় পুৰুষ অনাদৰত | ২য় পুৰুষ আদৰত | ৩য় পুৰুষ |
|---|---|---|---|---|
| সান্তব্য ভূত | কৰোৱালোঁ-হেঁতেন | কৰোৱালি-হেঁতেন | কৰোৱালা-হেঁতেন | কৰোৱালে-হেঁতেন |
| ভবিষ্যৎ | কৰোৱাম | কৰোৱাবি | কৰোৱাবা | কৰোৱাব |

অনুজ্ঞা।

| | | | | |
|---|---|---|---|---|
| নিত্য বৰ্ত্তমান | ১ম পুঃ নাই | কৰোৱা | কৰোওৱা | কৰোৱাক, কৰোৱাওক |
| ভবিষ্যৎ | নাই | কৰোৱাবি | কৰোৱাবা | কৰোৱাব |

নিত্য বৰ্ত্তমান কালৰ ২য় পুৰুষৰ আদৰত সূত্ৰ মতে কৰোৱাৱা হব লাগে, কিন্তু তেনে ৰূপ চলিত নাই। অনাদৰৰ ৰূপেই আদৰতো চলে। আৰু অনুজ্ঞাৰ নিত্য বৰ্ত্তমান কালৰ ৩য় পুৰুষৰ ৰূপ কৰোৱাওক যদিও ব্যাকৰণ মতে শুদ্ধ, ব্যৱহাৰত নাই, বা অতি বিৰল।

## পাচনি শুৱা ধাতু।

| কাল | ১ম পুঃ | ২য় পুঃ অনাদৰত | ২য় পুঃ অদৰত | ৩য় পুঃ |
|---|---|---|---|---|
| নিত্য বৰ্ত্তমান | শুৱাওঁ | শুৱাৱ | শুৱাওৱা | শুৱায় |
| স্বৰূপ বৰ্ত্তমান | শুৱাইছোঁ | শুৱাইছ | শুৱাইছা | শুৱাইছে |
| স্বৰূপ ভূত | শুৱালোঁ | শুৱালি | শুৱালা | শুৱালে |
| অপূৰ্ণ ভূত | শুৱাইছিলোঁ | শুৱাইছিলি | শুৱাইছিলা | শুৱাইছিল |
| সান্তব্য ভূত | শুৱালোঁহেতেন | শুৱালিহেঁতেন | শুৱালাহেঁতেন | শুৱালেহেঁতেন |
| ভবিষ্যৎ | শুৱাম | শুৱাবি | শুৱাবা | শুৱাব |

অনুজ্ঞা।

| কাল | ১ম পুৰুষ | ২য় পুৰুষ অনাদৰত | ২য় পুৰুষ আদৰত | ৩য় পুৰুষ |
|---|---|---|---|---|
| নিত্য বৰ্ত্তমান | ১ম পুঃ নাই | শুৱা | শুউৱা | শুৱাক, শুৱাওক |
| ভবিষ্যৎ | নাই | শুৱাবি | শুৱাবা | শুৱাব |

পাচনি শুউৱা ধাতু।

| কাল | ১ম পুৰুষ | ২য় পুৰুষ অনাদৰত | ২য় পুৰুষ আদৰত | ৩য় পুৰুষ |
|---|---|---|---|---|
| নিত্যবৰ্ত্তমান | শুউৱাওঁ | শুউৱাৰ | শুউৱা | শুউৱায় |
| স্বৰূপবৰ্ত্তমান | শুউৱাইছোঁ | শুউৱাইছ | শুউৱাইছা | শুউৱাইছে |
| স্বৰূপ ভূত | শুউৱালোঁ | শুউৱালি | শুউৱালা | শুউৱালে |
| অপূৰ্ণ ভূত | শুউৱাইছিলোঁ | শুউৱাইছিলি | শুউৱাইছিলা | শুউৱাইছিল |
| সাম্ভব্য ভূত | শুউৱালোঁ-হেঁতেন | শুউৱালি-হেঁতেন | শুউৱালা-হেঁতেন | শুউৱালে-হেঁতেন |
| ভবিষ্যৎ | শুউৱাম | শুউৱাবি | শুউৱাবা | শুউৱাব |

অনুজ্ঞা।

| | | | | |
|---|---|---|---|---|
| নিত্যবৰ্ত্তমান | ১ম পুঃ নাই | শুউৱা | শুউওৱাঁ | শুউৱাক, শুউৱাওক |
| ভবিষ্যৎ | নাই | শুউৱাবি | শুউৱাবা | শুউৱাব |

শুৱা ধাতুৰ নিত্য বৰ্ত্তমান কালত দ্বিতীয় পুৰুষৰ আদৰত যি ৰূপ হয় সি বৰ চলিত নাই, আৰু শুউৱা ধাতুৰ সেই কালত দ্বিতীয় পুৰুষৰ অনাদৰত, আৰু অনুজ্ঞাৰ আদৰত যি ৰূপ হয, তাৰো প্ৰচলন কম।

আন আন পাচনি ধাতুৰ ৰূপ ওপৰত দিয়া আহিঁ মতে কৰা যায়। সেই দেখি অধিক ধাতুৰ ৰূপ ইয়াত দিয়া নহল।

# অনিয়মিত ক্রিয়া।

৫২। যিবিলাক ক্রিয়াৰ সকলো কালত আৰু পুৰুষত ৰূপ নহয়, সেই বিলাকক অনিয়মিত ক্রিয়া বোলে।

৫৩। অনিয়মিত ক্রিয়া চাৰিটা—নাই, বল্, থাক্, আৰু আছ্।

### নাই।

৫৪। নাই সকলো পুৰুষত নিত্য বৰ্ত্তমান কালত মাথোন ব্যৱহাৰ হয়, আৰু তাৰ বহু বচনত হঁক যোগ নহয়। যেনে, মই বা আমি নাই, তই তুমি বা তহঁত নাই, সি সিহঁত আপুনি তেখেত বা তেখেতসকল নাই।

### বল।

৫৫। বল্ কেৱল অনুজ্ঞাৰ নিত্য বৰ্ত্তমান কালত ব্যৱহাৰ হয়। অনাদৰত আৰু আদৰত ইয়াৰ ৰূপ ভিন ভিন হয়, আৰু বহুবচনত ইয়াৰ পাচত হঁক ব্যৱহাৰ হব পাৰে। যেনে, দ্বিতীয় পুৰুষত অনাদৰত বল বলহঁক, আদৰত বলা বলাহঁক। তৃতীয় পুৰুষত বলক। ইয়াত তৃতীয় পুৰুষৰ ওক বিভক্তি যোগ নহয়।

### থাক।

৫৬। থাক সকলো পুৰুষৰ নিত্য বৰ্ত্তমান, স্বৰূপ ভূত, সাম্ভব্য ভূত, আৰু ভবিষ্যৎ কালত ব্যৱহাৰ হয়। ইয়াৰ বহুবচনত হঁক ব্যৱহাৰ হবপাৰে। যেনে,

নিত্য বৰ্ত্তমান কাল—মই থাকোঁ, তই থাক, তুমি থাকা, সি থাকে, ইত্যাদি।

স্বৰূপভূত কাল—মই থাকিলোঁ, তই থাকিলি, তুমি থাকিলা, সি থাকিল, ইত্যাদি।

সান্তব্য ভূত কাল—মই থাকিলোঁহেঁতেন, তই থাকিলি-হেঁতেন, তুমি থাকিলাহেঁতেন, সি থাকিলহেঁতেন, ইত্যাদি।

ভবিষ্যৎ কাল—মই থাকিম, তই থাকিবি, তুমি থাকিবা, সি থাকিব, ইত্যাদি।

অনুজ্ঞা।

নিত্য বৰ্ত্তমান কাল—তই থাক, তুমি থাকা, সি থাকক, ইত্যাদি।

ভবিষ্যৎ কাল—তই থাকিবি, তুমি থাকিবা, সি থাকিব, ইত্যাদি।

আছ্।

৫৭। আছ্ সকলো পুৰুষৰ নিত্য বৰ্ত্তমান আৰু অপূৰ্ণভূত কালত মাথোন ব্যৱহাৰ হয়। ইয়াৰ বহুবচনত হঁক ব্যৱহাৰ হব পাৰে। যেনে,

নিত্য বৰ্ত্তমান কাল—মই আছোঁ, তই আছ, তুমি আছা, সি আছে, ইত্যাদি।

অপূৰ্ণভূত কাল—মই আছিলোঁ, তই আছিলি, তুমি আছিলা, সি আছিল, ইত্যাদি।

# লগৰীয়া বা সহায়কাৰী ক্ৰিয়া।

৫৮। ক্ৰিয়াৰ অৰ্থ বিশেষৰূপে প্ৰবল কৰিবলৈ তাৰ সিদ্ধা ৰূপৰ পাচত ধৰ্, পৰ্, উঠ্, পেলা, যা, দি, নি, ল আদি ধাতুৰ সাধ্যা ৰূপ ব্যৱহাৰ হয়। তেতিয়া এইবিলাক ধাতুৰ নিজৰ অৰ্থ নাথাকে, সিহঁত যি ক্ৰিয়াৰ পাচত বহে, সেই ক্ৰিয়াৰ অৰ্থ মাথোন প্ৰবল কৰে। এতেকে সিহঁতক সহায়কাৰী ক্ৰিয়া বা লগৰীয়া ক্ৰিয়া বোলা যায়। সগৰীয়া ক্ৰিয়াৰ কাল আৰু পুৰুষ অনুসাৰে ভিন ভিন ৰূপ হয়। যেনে লাগি ধৰিছে, হৈ পৰিল, কৰি উঠিল, দি পেলালে, মৰি গল, কৈ দিলোঁ, খাই নিলে, চাই লওক, ইত্যাদি।

৫৯। কেতিয়াবা এইবিলাক ধাতুৰো সিদ্ধা ৰূপ আন ধাতুৰ সিদ্ধা ৰূপৰ পাচত থাকে, তেতিয়া বাক্য পূৰণ কৰিবলৈ আন এটা ক্ৰিয়াৰ সাধ্যা ৰূপ ব্যৱহাৰ হয়। যেনে সি পঢ়ি উঠি পেলাই খেলাত লাগিছে। ইয়াত পঢ়ি সিদ্ধা ৰূপৰ পাচত লগৰীয়া উঠ আৰু পেলা ধাতুৰ সিদ্ধা ৰূপ উঠি আৰু পেলাই আছে। বাক্যটো পূৰণ কৰিবলৈ লাগ ধাতুৰ সাধ্যা ৰূপ লাগিছে ব্যৱহাৰ কৰা হৈছে।

৬০। এইবিলাক ধাতুৰ ইব প্ৰত্যয়ান্ত (কৃৎপ্ৰকৰণ চোৱা) কৃদন্ত পদ আন ধাতুৰ সিদ্ধা ৰূপৰ পাচত থাকিব পাৰে। যেনে,

তাক পুলিচৰ দাৰগাই ধৰি নিব খুজিছিল। ইয়াত

ধৰি ধৰ্ ধাতুৰ সিদ্ধা ৰূপ, ইয়াৰ পাচত নি ধাতুৰ ইব প্ৰত্যয়ান্ত কৃদন্ত পদ নিব আছে।

৬১। এইবিলাক ধাতুৰ ভাব বাচ্যৰ কৃদন্ত পদো আন ধাতুৰ সিদ্ধা ক্ৰিয়াৰ পাচত থাকিব পাৰে। যেনে, কথাটো কৈ দিলতে সি উচাপ খাই উঠিল। ইয়াত দিলতে কৃদন্ত পদ কৈ সিদ্ধা ক্ৰিয়াৰ পাচত আছে।

# অসমীয়া নাম ধাতু।

৬২। বস্তুৰ নামৰ পৰা হোৱা ধাতুবিলাকক নাম ধাতু বোলা যায়।

৬৩। এইবিধ ধাতু কৰিবলৈ অসমীয়া ভাষাত তিনটা প্ৰত্যয় ব্যৱহাৰ হয়ঃ—আ, ইয়া, আৰু উৱা।

৬৪। এই তিনি প্ৰত্যয়ৰ ভিতৰত কোনটো কেনে শব্দত বা নামত যোগ দিব পাৰি, তাৰ বন্ধা নিয়ম নাই। উৱা প্ৰত্যয় সম্বন্ধে এটা নিয়ম আছে বুলিব পৰা যায়। ই প্ৰায় উ-কাৰ অন্তত থকা নামত যোগ হয়। চমু কথা, প্ৰত্যয়-বিলাকৰ ব্যৱহাৰ উদাহৰণ চাই বুজি লব লাগিব। সেই দেখি তলত কিছুমান নাম ধাতুৰ উদাহৰণ দিয়া হল ঃ—

| নাম | প্ৰত্যয় | ধাতু | নাম | প্ৰত্যয় | ধাতু |
|---|---|---|---|---|---|
| ডোল | আ | ডোলা | মাৰি | ইয়া | মৰিয়া |
| বোল | „ | বোলা | গুলি | „ | গুলীয়া |
| চৰ | „ | চৰা | গাল | „ | গলি |

| নাম | প্ৰত্যয় | ধাতু | নাম | প্ৰত্যয় | ধাতু |
|---|---|---|---|---|---|
| কিল | আ | কিলা | লাথি | ইয়া | লথিয়া |
| | | | হুকি | „ | হুকিয়া |
| | | | গোৰ | „ | গুৰিয়া |
| | | | হাঁচি | „ | হাঁচিয়া |
| গিৰ্গিৰ | „ | গিৰ্গিৰা | ডাবি | „ | ডবিয়া |
| | | | ৰিং | „ | ৰিঙিয়া |
| ভুকু | উৱা | ভুকুৱা | টাঙন | „ | টঙনিয়া |
| | | | সুহুৰি | „ | সুহুৰিয়া |

৬৫। হুৰ্-হুৰ্, গিৰ্-গিৰ্ আদি অনুকাৰ শব্দৰ নাম ধাতু কৰিবলৈ হলে, সিহঁতত সদায় আ প্ৰত্যয় যোগ দিয়া হয়। যেনে, হুৰ্হুৰা হুৰহুৰাইছে, গিৰ্গিৰা গিৰগিৰাইছে, খিল্খিলা খিলখিলাইছে, বিজ্বিজা বিজবিজাইছে, শুংশুঙা শুংশুঙাইছে, খল্খলা খলখলাইছে, টপ্টপা টপটপাইছে ইত্যাদি।

৬৬। ক্ৰিয়াত ক্ৰিয়া বিভক্তি আৰু শব্দত তদ্ধিত প্ৰত্যয় যোগ দিবৰ যিবিলাক নিয়ম আগত দিয়া হৈছে, নাম ধাতু কৰোঁতেও সেইবিলাক নিয়ম খাটে।

৬৭। নাম ধাতু এটাইবিলাক আ-কাৰান্ত হয়। এতেকে মৌলিক আ-কাৰান্ত ধাতুৰ ভিন ভিন কালত আৰু পুৰুষত যেনে ৰূপ হয়, সিহঁতৰো তেনে ৰূপ হয়।

# একাদশ অধ্যায়।

—:*:—

## কৃৎ প্ৰকৰণ।

বাচ্য।

১। বাচ্য মুঠত দুবিধ—প্ৰত্যয়ৰ বাচ্য আৰু বাক্যৰ বাচ্য। বাক্যৰ বাচ্য সম্বন্ধে পাচত কোৱা যাব।

২। যি অৰ্থত ধাতুত কৃৎ প্ৰত্যয় ( তলত চোৱাঁ ) যোগ দিয়া হয়, তাক প্ৰত্যয়ৰ বাচ্য বোলে।

৩। প্ৰত্যয়ৰ বাচ্যও দুবিধ—ভাববাচ্য আৰু কাৰক-বাচ্য। কাৰক ছবিধ। এতেকে কাৰক বাচ্যও ছবিধ—কৰ্ত্তৃ-বাচ্য, কৰ্ম্মবাচ্য, কৰণবাচ্য, সম্প্ৰদানবাচ্য, অপাদানবাচ্য আৰু অধিকৰণবাচ্য।

ভাববাচ্য—যি বাচ্যত ধাতুৰ অৰ্থটো মাথোন প্ৰকাশ পায়, তাক ভাব বাচ্য বোলে। যেনে, গম্ ধাতু, ভাব বাচ্যত অনট্ প্ৰত্যয়, গমন = যাৱন।

কৰ্ত্তৃবাচ্য—যি বাচ্যত কৰ্ত্তা কাৰকৰ অৰ্থ প্ৰকাশ পায়, তাক কৰ্ত্তৃবাচ্য বোলে। যেনে, দা ধাতু, কৰ্ত্তৃবাচ্যত তৃ প্ৰত্যয়, প্ৰথমাৰ একবচন দাতা = দিওঁতা।

কৰ্ম্মবাচ্য—যি বাচ্যত কৰ্ম্ম কাৰকৰ অৰ্থ প্ৰকাশ পায়, তাক কৰ্ম্মবাচ্য বোলে। যেনে, কৃ ধাতু কৰ্ম্মবাচ্যত ক্ত প্ৰত্যয়, কৃত = যিহক কৰা হৈছে।

কৰণবাচ্য—যি বাচ্যত কৰণ কাৰকৰ অৰ্থ প্ৰকাশ পায়, তাক কৰণবাচ্য বোলে। যেনে, দম্ ধাতু কৰণবাচ্যত ড প্ৰত্যয়, দণ্ড = লাঠি, যিহেৰে দমন কৰা যায়।

সেই দৰে, যি যি বাচ্যত সম্প্ৰদান, অপাদান আৰু অধিকৰণ কাৰকৰ অৰ্থ প্ৰকাশ পায়, সিহঁতক ক্ৰমান্বয়ে সম্প্ৰদান বাচ্য, অপাদান বাচ্য আৰু অধিকৰণ বাচ্য বোলে।

## কৃৎ প্ৰত্যয়।

৪। এটা ধাতুৰ পৰা ভিন ভিন অৰ্থৰ পদ কৰিবলৈ তাত যি ভিন ভিন প্ৰত্যয় যোগ দিয়া হয়, সেই প্ৰত্যয়-বিলাকক কৃৎ প্ৰত্যয় বোলে আৰু নিষ্পন্ন পদটোক কৃদন্ত পদ বোলে। কৃদন্ত পদবিলাক বিশেষ্য, বিশেষণ বা সিদ্ধা ক্ৰিয়া হয়।

৫। ধাতুত কৃৎ প্ৰত্যয় যোগ দিবৰ সাধাৰণ নিয়ম।

(ক) কৃৎ প্ৰত্যয় যোগ হলে, ধাতুৰ শেষৰ স্বৰ আৰু উপধাৰ হ্ৰস্ব স্বৰৰ গুণ হয়, প্ৰত্যয়ৰ ক্ বা ঙ্ ইৎ গলে নহয়।

(খ) কৃৎ প্ৰত্যয়ৰ ণ বা ঞ ইৎ গলে, ধাতুৰ শেষৰ স্বৰ আৰু উপধাৰ অ বৃদ্ধি হয় আৰু আ-কাৰান্ত ধাতুৰ পাচত এটা য হয়।

(গ) কৃৎ প্ৰত্যয় হলে, ধাতুৰ ণিচ প্ৰত্যয় লোপ হয়।

(ঘ) কৃৎ প্ৰত্যয়ৰ ঘ ইৎ গলে, ধাতুৰ শেষত থকা চ মৰি ক আৰু জ মৰি গ হয়।

(ঙ) কৃৎ প্ৰত্যয়ৰ খ ইৎ গলে, ধাতুৰ আগত থকা পদত অনুস্বাৰ যোগ হয়।

(চ) কৃৎ প্ৰত্যয়ৰ প ইৎ গলে, হ্ৰস্ব স্বৰ শেষত থকা ধাতুৰ পাচত এটা ৎ হয়।

(ছ) কৃৎ প্ৰত্যয়ৰ য পাচত থাকিলে, ধাতুৰ শেষৰ ও মৰি অব আৰু ঔ মৰি আব হয়।

(জ) তদ্ধিত প্ৰত্যয় যোগ দিবৰ কিছুমান নিয়ম কৃৎ প্ৰত্যয়তো খাটে।

## সংস্কৃত কৃৎ প্ৰত্যয়।

যিবিলাক কৃৎ প্ৰত্যয় যুক্ত পদ অসমীয়া সাহিত্যত পোৱা যায় সেই বিলাক প্ৰত্যয় মাথোন ইয়াত দিয়া হল।

সন্, যঙ্, ক্যঙ্, ণিচ।

এই কেইটা প্ৰত্যয়ৰ বিষয়ে সবিশেষ আগত কোৱা হৈছে (ধাতু আৰু ক্ৰিয়া প্ৰকৰণৰ আদিতে চোৱাঁ)।

তব্য, অনীয়, যৎ, ণ্যৎ, ক্যপ্।

তব্য।

৬। কৰিব লগীয়া বা কৰা উচিত, এই অৰ্থত ভাববাচ্যত আৰু কৰ্ম্মবাচ্যত, ধাতুত তব্য প্ৰত্যয় হয়। যেনে,

দা—দাতব্য, শ্রু—শ্রোতব্য, ভূ—ভবিতব্য, কৃ—কর্ত্তব্য, বচ্—বক্তব্য, মন্—মন্তব্য, গম্—গন্তব্য, দৃশ্—দ্রষ্টব্য, ইত্যাদি।

অনীয়।

৭। সেই অর্থত ভাব বাচ্যত আৰু কৰ্ম্ম বাচ্যত, ধাতুত অনীয় প্রত্যয় হয়। যেনে, পা—পানীয়, শ্রু—শ্রবণীয়, কৃ—কৰণীয়, স্মৃ—স্মৰণীয়, শুচ্—শোচনীয়, ভুজ্—ভোজনীয়, ৰম—ৰমণীয়, সেৱ—সেৱনীয়, দৃশ্—দর্শনীয়, ৰক্ষ্—ৰক্ষণীয়, নিজন্ত পূজ্, অর্থাৎ পূজি—পূজনীয়, সেই দৰে, অর্চ্চি—অর্চ্চনীয়, পালি—পালনীয় ইত্যাদি।

তব্য আৰু অনীয় প্রত্যয় যোগ দিয়াত শ্রু আদিৰ উ মৰি ও হৈছে আৰু কৃ আদিৰ ঋ মৰি অৰ হৈছে অর্থাৎ সিহঁতৰ গুণ হৈছে। সাধাৰণ নিয়ম (ক) চোৱাঁ।

যৎ।

৮। সেই অর্থত, ভাববাচ্যত আৰু কৰ্ম্মবাচ্যত, স্বৰান্ত ধাতুত যৎ প্রত্যয় হয়। ৎ ইৎ যায়, য থাকে। যেনে, জি—জেয়, নী—নেয় [ সাঃ নিঃ (ক) চোৱাঁ ], শ্রু—শ্রব্য, ভূ—ভব্য সাঃ নিঃ (ছ) চোৱাঁ।

যৎ প্রত্যয় হলে, ধাতুৰ শেষৰ আ মৰি এ হয়। যেনে, দা—দেয়, গা—গেয়, পা—পেয়, ধা—ধেয়।

আৰু যেনে, সহ্—সহ্য, লভ্—লভ্য, গম্—গম্য, ৰম্—ৰম্য, মদ্—মদ্য, পৰি—ধা—পৰিধেয়, গদ্—গদ্য।

ণ্যৎ ( ঘ্যণ্ )।

৯। সেই অৰ্থত, ভাব বাচ্যত আৰু কৰ্ম্ম বাচ্যত, ঋ-কাৰান্ত আৰু ব্যঞ্জনান্ত ধাতুত ণ্যৎ প্ৰত্যয় হয়। ণ ৎ ইৎ যায়, য থাকে। যেনে কৃ—কাৰ্য্য, ধৃ—ধাৰ্য্য, হৃ—হাৰ্য্য, বচ্—বাচ্য বা বাক্য, ত্যজ্—ত্যাজ্য, আ—ৰুজ্—আৰোগ্য, মন্—মান্য, বহ্—বাহ্য। সাঃ নিঃ (খ) চোৱাঁ।

অমাবস্যা বা অমাবাস্যা পদ এই প্ৰত্যয় কৰি নিপাতনত সিদ্ধ। অমা একে লগে বস বা বাস, অৰ্থাৎ চন্দ্ৰ সূৰ্য্যৰ লগত বাস কৰে, এই অৰ্থত।

ক্যপ্।

১০। সেই অৰ্থত, ভাববাচ্যত আৰু কৰ্ম্মবাচ্যত, কৃ, ভৃ, স্তু, শাস্ আদি ধাতুত ক্যপ্ প্ৰত্যয় হয়। ক্ প্ ইৎ যায়, য থাকে। কৃ—কৃত্য, ভৃ—ভৃত্য, স্তু—স্তুত্য। ক্যপ্ প্ৰত্যয় হলে, শাস্ ধাতুৰ ঠাইত শিস্ হয়। যেনে, শাস্—শিস্য। সাঃ নিঃ (ক) চোৱাঁ।

ক্যপ্ প্ৰত্যয় হলে, হন্ ধাতুৰ ন্ মৰি ত হয়। গো হন্=স্ত্ৰীলিঙ্গত গোহত্যা। সেইদৰে, ব্ৰহ্মহত্যা, পিতৃহত্যা।

সূৰ্য্য আৰু ৰাজসূয় পদ সূ ধাতুত ক্যপ্ কৰি নিপাতনত সিদ্ধি।

শতৃ।

১১। কৰি, বা হৈ আছে, এই অৰ্থত, বৰ্ত্তমান কালত, কৰ্ত্তৃবাচ্যত, শতৃ প্ৰত্যয় হয়। শ্ ঋ ইৎ যায়, অৎ থাকে।

যেনে, চল্ - চলৎ, জ্বল্ - জ্বলৎ, জীব্ - জীবৎ, ভূ - ভবৎ, ৰুদ্ — ৰুদৎ।

বিদ্ ধাতুত শতৃ প্ৰত্যয় হলে, তাৰ ঠাইত ক্বসু হয়, ক্ উ ইৎ যায়, বস্ থাকে। যেনে, বিদ্ — বিদ্বস্,। ১ মা, ১ ব, বিদ্বান, স্ত্ৰী বিদুষী।

শান।

১২। হৈ আছে, এই অৰ্থত, বৰ্ত্তমান কালত, কৰ্তৃবাচ্যত ধাতুত শান প্ৰত্যয় হয়। শ্ ইৎ যায়, আন থাকে। প্ৰায় ধাতুৰ পাচত শানৰ ঠাইতে মান হয়, আৰু কোনো ধাতুৰ পাচত অ, কোনো ধাতুৰ পাচত য হয়। যেনে, বৃৎ — বৰ্ত্তমান, বৃধ্ — বৰ্দ্ধমান, বিদ্ — বিদ্যমান, দীপ্ — দীপ্যমান, মৃ — ম্ৰিয়মান, বহ — বহমান, যজ্ — যজমান।

আস্ ধাতুৰ পাচত শান গুচি ঈন হয়। যেনে, আস্ — আসীন। কোনো কোনো সকৰ্ম্মক ধাতুত কৰ্ম্ম বাচ্যতো শান প্ৰত্যয় হয়। যেনে, দৃশ্ — দৃশ্যমান।

স্যতৃ, স্যমান।

১৩। ভবিষ্যৎ কালত কৰ্তৃ বাচ্যত, ধাতুত স্যতৃ আৰু স্যমান প্ৰত্যয় হয়। স্যতৃৰ ঋ ইৎ যায়, স্যৎ থাকে। যেনে, ভূ+স্যতৃ=ভবিষ্যৎ। কৰ্ম্ম বাচ্যত বচ্+স্যমান=বক্ষ্যমান।

শতৃ শান, স্যতৃ স্যমান। এই চাৰিটা প্ৰত্যয় একে উদ্দেশ্য সিদ্ধিৰ নিমিত্তে, অৰ্থাৎ একে অৰ্থত ব্যৱহাৰ হয়। কেৱল বৰ্ত্তমান কালৰ হলে শতৃ আৰু শান, ভবিষ্যৎ কালৰ হল স্যতৃ আৰু স্যমান ব্যৱহাৰ হয়।

## ক্ত।

১৪। ভূত কালত, কর্ত্তৃ আৰু কৰ্ম্মবাচ্যত, ধাতুত ক্ত প্ৰত্যয় হয়। ইয়াৰ ক ইৎ যায়, ত থাকে। ভাববাচ্যত এই প্ৰত্যয় ধাতুত যোগ হয় কিন্তু অতি বিৰল। ক্ত প্ৰত্যয় কৰি সিদ্ধ হোৱা পদ প্ৰায় বিশেষণ হয়।

১৫। ক্ত প্ৰত্যয় হলে, ক্ৰম্, ক্লম্, ক্ষম, শম্, শ্ৰম্ আদি ধাতুৰ আদিৰ অ মৰি আ হয়। যেনে, ক্ৰম্—ক্ৰান্ত, ক্লম্—ক্লান্ত, ক্ষম্—ক্ষান্ত, শম্—শান্ত, শ্ৰম্—শ্ৰান্ত।

১৬। ক্ত প্ৰত্যয় হলে, গম্, নম্, মন্, হন্ আদি ধাতুৰ শেষ বৰ্ণ লোপ হয়। যেনে, গম্—গত, নম্—নত, মন্—মত, হন্—হত।

১৭। ক্ত প্ৰত্যয় হলে, খন্ ধাতুৰ ঠাইত খা আৰু জন্ ধাতুৰ ঠাইত জা হয়। যেনে, খন্—খাত, জন্—জাত।

১৮। ক্ত প্ৰত্যয় হলে, দন্শ্, ৰন্জ্ আদি ধাতুৰ শেষ বৰ্ণৰ আগৰ বৰ্ণ লোপ হয়। যেনে, দন্শ্—দষ্ট, ৰন্জ্—ৰক্ত।

১৯। ক্ত প্ৰত্যয় হলে, দ্ শেষত থকা ধাতুৰ দ্ আৰু প্ৰত্যয়ৰ ত মৰি ন হয়। যেনে, ছিদ্—ছিন্ন, ভিদ্—ভিন্ন, ক্ষুদ্—ক্ষুণ্ণ, কিন্তু মদ্ ধাতুৰ তেনে পৰিবৰ্ত্তন নহয়। যেনে, মদ্—মত্ত।

২০। ৰুজ্, মস্জ্, ক্ষি আদি ধাতুৰ পাচত ক্ত প্ৰত্যয়ৰ ত মৰি ন হয়, মস্জ্ ধাতুৰ স্ লোপ হয় আৰু ক্ষি ধাতুৰ

ই মৰি ঈ হয়। যেনে, ৰুজ্—ৰুগ্ন, মস্জ্—মগ্ন, ক্ষি—ক্ষীণ। আন আন সলনিৰ নিমিত্তে সাঃ নিয়ম চোৱাঁ।

২১। ধাতুৰ শেষত ৰ্ থাকিলে, প্ৰত্যয়ৰ ত মৰি ন হয়। যেনে, পূৰ্—পূৰ্ণ, চূৰ্—চূৰ্ণ।

২২। ত্ৰৈ আদি ধাতুৰ পাচত প্ৰত্যয়ৰ ত মৰি ন হয়, ণ হৈও থাকে, কিন্তু ম্লৈ আদি ধাতুৰ পাচত সদায় ন হয়। যেনে, ত্ৰৈ—ত্ৰাণ বা ত্ৰাত।

২৩। দীৰ্ঘ ৠ-কাৰান্ত ধাতুত ক্ত প্ৰত্যয় হলে, তাৰ ৠ মৰি ঈৰ হয়। যেনে, শৄ—শীৰ্ণ, জৄ—জীৰ্ণ, সম্—কৄ—সঙ্কীৰ্ণ, বি—দৄ—বিদীৰ্ণ। সেইদৰে, উত্তীৰ্ণ, বিস্তীৰ্ণ, অবতীৰ্ণ, ইত্যাদি।

২৪। ক্ত প্ৰত্যয় হলে, ৰুষ্, শ্বস্ আদি ধাতুৰ পাচত এটা ই হয়, নহৈও থাকে। যেনে, ৰুষ্—ৰুষ্ট বা ৰুষিত, বি—শ্বস্—বিশ্বস্ত বা বিশ্বসিত।

২৫। ক্ত প্ৰত্যয় হলে, স্থা, মা আদি ধাতুৰ আ মৰি ই হয়, ধা ধাতুৰ ঠাইত হি, আৰু দা ধাতুৰ ঠাইত দৎ হয়। যেনে, স্থা—স্থিত, মা—মিত, বি—ধা—বিহিত, অভি—ধা—অভিহিত, দা—দত্ত।

২৬। ক্ত প্ৰত্যয় হলে, যজ আৰু ব্যধ্ ধাতুৰ য আৰু অ দুয়ো মৰি ই হয়। যেনে, যজ্—ইষ্ট, ব্যধ্—বিদ্ধ।

২৭। ক্ত প্ৰত্যয় হলে, গ্ৰহ্, প্ৰচ্ছ্, ভ্ৰস্জ্ ধাতুৰ ৰ্ আৰু

অ দুয়ো মৰি ঋ হয়। যেনে, গ্ৰহ্—গৃহীত, প্ৰচ্ছ্—পৃষ্ট। ভ্ৰস্জ্ ধাতুৰ স্ লোপ হয়। যেনে, ভ্ৰস্জ্—ভৃষ্ট।

২৮। ক্ত প্ৰত্যয় হলে, হ্বা ধাতুৰ ঠাইত হূ হয়। যেনে, আ–হ্বা—আহূত।

২৯। ক্ত প্ৰত্যয় হলে, স্বপ্, বচ্ আদি ধাতুৰ ব মৰি উ হয়। যেনে, স্বপ্—সুপ্ত, বচ্—উক্ত।

৩০। শুষ্ ধাতুৰ পাচত প্ৰত্যয়ৰ ত মৰি ক, আৰু পচ্ ধাতুৰ পাচত ব হয়। যেনে, শুষ্–শুষ্ক, পচ্–পক্ক।

৩১। ক্ত প্ৰত্যয় হলে, গা, পা, হা আদি ধাতুৰ আ মৰি ঈ হয়। গা (গৈ)—গীত, পা—পীত, হা—হীন।

৩২। ফুল্ল, ঋণ, নিৰ্ব্বাণ আদি শব্দ ক্ত প্ৰত্যয় কৰি অনিয়মিতৰূপে নিপাতনত সিদ্ধ।

৩৩। ক্ত প্ৰত্যয় কৰি সিদ্ধ হোৱা আৰু কেতবিলাক পদ ইয়াত দিয়া হল। যেনে, কৰ্ত্তৃবাচ্যৰ—আ—সন্‌জ—আসক্ত, স্তন্‌ভ—স্তব্ধ, নিস্তব্ধ, সম্—পদ—সম্পন্ন বিপন্ন, প্ৰসদ—প্ৰসন্ন, উৎ—বিজ—উদ্বিগ্ন, দী—দীন, শী—শয়িত, স্ফাৰ—স্ফীত।

কৰ্ম্মবাচ্যৰ—কৃ—কৃত, ধৃ—ধৃত, লিখ্—লিখিত, পঠ—পঠিত, অৰ্চ্চি—অৰ্চ্চিত, পূজি—পূজিত, গাৰ্হি—গাৰ্হিত, ভন্‌জ—ভগ্ন, আ—ছাদি—আচ্ছন্ন।

ক্তি।

৩৪। ভাববাচ্যত সকলো ধাতুত ক্তি প্ৰত্যয় হয়।

তাৰ ক ইৎ যায় তি থাকে। যেনে, খ্যা—খ্যাতি, স্থা—স্থিতি, ই—ইতি, নী—নীতি, প্রী—প্রীতি, শ্রু—শ্রুতি, স্মৃ—স্মৃতি, স্তু—স্তুতি, শক্—শক্তি, বচ্—উক্তি ভজ্—ভক্তি, সৃজ্—সৃষ্টি, বুধ—বুদ্ধি, সিধ্—সিদ্ধি, মন্—মতি, তৃপ্—তৃপ্তি, দীপ্—দীপ্তি, ক্লম্—ক্লান্তি, গম্—গতি, ভ্রম্—ভ্রান্তি, শম্—শান্তি, শ্রম্—শ্রান্তি, দৃশ্—দৃষ্টি, তুষ্—তুষ্টি, পুষ্—পুষ্টি, বৃষ্—বৃষ্টি।

ক্রিয়াৰ কর্ত্তাক বুজাবলৈ ধাতুত তৃন্, নক, নিন্, ঘিণুন, ষক, ণনট্, থক, থ, থট্, খি, খ্য, ড, টক্ ক্বিপ্ ট আদি প্রত্যয় যোগ হয়। এই বিলাকৰ ভিতৰত তৃন্, ণক আৰু নিন্ সাধাৰণতঃ সকলো ধাতুত যোগ দিব পৰা যায়। আনবিলাক প্রত্যয় বিশেষ বিশেষ ধাতুতহে যোগ হয়। তৃন্ আৰু ণক প্রত্যায়া যে ইচ্ছা অনুসাৰে সকলো ধাতুত খাটে এনেও নহয়। কেতবিলাক ধাতুত তৃন্ প্রত্যয় আৰু কেতবিলাকত ণক প্রত্যয় হয়। কোনবিলাক ধাতুত তৃন্ হয়, আৰু কোনবিলাকত ণক হয়, সেই কথা অনেক কালৰ ব্যৱহাৰৰ পৰা স্থিৰ হৈছে। এতিয়া তাক লুটিয়াব নোৱাৰি। সেই দেখি কোন ধাতুত কি প্রত্যয় হয়, তাক ব্যৱহাৰৰ পৰা জানি লব লাগে।

## তৃন্।

৩৫। কর্ত্তৃবাচ্যত ধাতুত তৃন্ (তৃচ্) প্রত্যয় হয়। ন্ ইৎ যায়, তৃ থাকে। যেনে, কৃ+তৃন্=কর্ত্তৃ, ১ মা ১ ব কর্ত্তা। সেই দৰে, (সকলোবিলাক উদাহৰণ ১ মা ১ ব) ভুজ্—ভোক্তা, নী—নেতা, ধা—ধাতা, বি—ধা—বিধাতা, বচ—বক্তা, ত্রৈ—ত্রাতা (ত্রৈ দ্রৈ আদি ধাতু ত্রা দ্রা হয়),

উপ—দৃশ্—উপদেষ্টা, সৃজ্—স্রষ্টা, শ্রু—শ্রোতা, যুধ্—যোদ্ধা, বুধ্—বোদ্ধা, দা—দাতা। সাঃ নিঃ (ক) চোৱাঁ।

৩৬। তৃন্ প্রত্যয় হলে, কোনো কোনো ধাতুৰ শেষত ই হয়। যেনে, ভূ—ভবিতা, ৰচি—ৰচয়িতা, স্থাপি—স্থাপয়িতা। এই এটাই কেইটা নিজন্ত ধাতু।

ণক।

৩৭। কর্ত্তৃবাচ্যত ধাতুত ণক প্রত্যয় হয়। ণ ইৎ যায়, অক থাকে। যেনে, পচ্—পাচক, পঠ্—পাঠক, গ্রহ্—গ্রাহক, যাচ্—যাচক, দ্রু—দ্রাবক, পু—পাবক, নী—নায়ক, গৈ—গায়ক, ঘট্—ঘটক, হন্—ঘাতক, বচ্—বাচক, কৃ—কাৰক। নিজন্ত ধৃ অর্থাৎ ধাৰি ধাতু+ণক=ধাৰক। সেই দৰে, জনি—জনক, চালি—চালক, পালি—পালক। সেই দৰে, নিজন্ত পুষ—পোষক, নশ্—নাশক। সাঃ নিঃ (খ) (গ) চোৱাঁ।

ণিন্।

৩৮। কর্ত্তৃবাচ্যত ধাতুত ণিন্ প্রত্যয় হয়। ণ ইৎ যায়, ইন্ থাকে। যেনে, বদ্+ণিন্=বাদিন্, ১মা ১ব বাদী। সেই দৰে বস্—বাসী, প্র—বাসী, অধি—বাসী, স্থা—স্থায়ী, ৰুধ্—ৰোধী বি—ৰোধী, দ্রুহ্—দ্রোহী বি—দ্রোহী।

৩৯। কর্ম্মবাচক পদ আগত থাকিলে, হন্ ধাতুত কর্ত্তৃবাচ্যত ণিন্ প্রত্যয় হয়। ধাতুৰ হ মৰি ঘ হয়, আৰু ন্ মৰি ৎ হয়। যেনে, পিতৃ+হন্=পিতৃঘাতিন্, ১মা ১ব পিতৃ-

ঘাতী। সেই দৰে, আত্মঘাতী, ফলাহাৰী, স্তন্যপায়ী, সত্যবাদী, শয্যাশায়ী।

৪০। ভবিষ্যৎ কালত ভূ, স্থা, গম আদি ধাতুত নিন্ প্ৰত্যয় হয়। যেনে, ভূ—ভাবী, চিৰ—স্থা—চিৰস্থায়ী। সেই দৰে, আগামী। সাঃ নিঃ (ক) চোৱাঁ।

বিশেষ কাৰণত বিশেষ বিশেষ ধাতুত যোগ হোৱা প্ৰত্যয়।

ঘিণুন্ (ঘ্নিন্)।

৪১। যুজ্, ত্যজ্, ভুজ্, ৰন্জ্, সৃজ্ আদি ধাতুত স্বভাব বা নিয়ম বুজাবলৈ কৰ্ত্তৃবাচ্যত ঘিণুন্ প্ৰত্যয় হয়। ঘ, উ, ণ ইৎ যায়, ইন থাকে। যেনে, যুজ—যোগী, ত্যজ—ত্যাগী, ভুজ—ভোগী, ৰন্জ্ (ইয়াৰ ন্ লোপ হয়)—ৰাগী অনুৰাগী। সাঃ নিঃ (ক) (ঘ) চোৱাঁ।

৪২। কৰ্ম্মবাচক পদ আগত থাকিলে, নিন্দাৰ্থত ক্ৰী ধাতুতো কৰ্ত্তৃবাচ্যত ঘিণুন্ প্ৰত্যয় হয়। যেনে, মাংস—ক্ৰী—মাংস বিক্ৰয়ী, কন্যা—ক্ৰী—কন্যা বিক্ৰয়ী।

ষক।

এই প্ৰত্যয়টো বিশেষ ধাতুত আৰু বিশেষ কাৰণত ণকৰ সলনি ব্যৱহাৰ হয়। ণক সাধাৰণ প্ৰত্যয়।

৪৩। ব্যৱসায় বা পাৰ্গতালি বুজাবলৈ কৰ্ত্তৃবাচ্যত নৃৎ, খন্ আৰু ৰন্জ্ ধাতুত ষক প্ৰত্যয় হয়। ষ্ ইৎ যায় অক

থাকে। যেনে, নৃৎ—নৰ্ত্তক, খন্—খনক, ৰন্জ্ (ইয়াৰ ন্ লোপ হয়)—ৰজক।

ণনট্, থক।

কেৱল গা ধাতুত।

৪৪। ব্যৱসায় বুজাবলৈ গা ধাতুত কৰ্ত্তৃবাচ্যত ণনট্ আৰু থক্ প্ৰত্যয় হয়। ণ্ ট্ ইৎ যায়, অন্ থাকে। যেনে, গা—গায়ন, গাথক।

খ।

৪৫। প্ৰিয়, বশ্ আদি শব্দৰ পাচত থকা বদ্, ভৃ, জি আদি ধাতুত কৰ্ত্তৃবাচ্যত খ প্ৰত্যয় হয়। খ্ ইৎ যায়, অ থাকে। যেনে, প্ৰিয়—বদ্—প্ৰিয়ংবদ, বশ—বদ—বশংবদ, বিশ্ব—ভৃ—বিশ্বম্ভৰ, ধন—জি—ধনঞ্জয়। সেইদৰে, মৃত্যুঞ্জয়, ধুৰন্ধৰ, স্বয়ম্—বৃ—সয়ম্বৰা স্ত্ৰী, বসুন্ধৰা স্ত্ৰী। সাঃ নিঃ (ক) (ঙ) চোৱাঁ। খ প্ৰত্যয়েৰে সিদ্ধ হোৱা পদৰ স্ত্ৰীলিঙ্গত আ হয়। যেনে, প্ৰিয়ংবদা, বিশ্বম্ভৰা।

খট্।

কেৱল কৃ ধাতুত।

৪৬। ভয়, শুভ ক্ষেম শব্দৰ পাচত থকা কৃ ধাতুত, কৰ্ত্তৃবাচ্যত খট্ প্ৰত্যয়। খ্ ট্ ইৎ যায়, অ থাকে। যেনে, ভয়—কৃ—ভয়ঙ্কৰ, শুভ—কৃ—শুভঙ্কৰ, ক্ষেম—কৃ—ক্ষেমঙ্কৰ। সাঃ নিঃ (ক) (ঙ) চোৱাঁ। খট্ প্ৰত্যয়েৰে সিদ্ধ হোৱা পদৰ স্ত্ৰীলিঙ্গত ঈ হয়। যেনে, ভয়ঙ্কৰী, শুভঙ্কৰী, ক্ষেমঙ্কৰী।

খি, খ্য।

কেৱল ভৃ আৰু মন ধাতুত।

৪৭। কৰ্ম্মবাচক পদ আগত থাকিলে, কৰ্ত্তৃবাচ্যত, ভৃ ধাতুত খি, আৰু মন ধাতুত খ্য প্ৰত্যয় হয়। খ্ ইৎ যায়, ই আৰু য থাকে। যেনে, উদৰ—ভৃ—উদৰম্ভৰি, আত্মন্—ভৃ—আত্মম্ভৰি, কৃতাৰ্থ—মন—কৃতাৰ্থম্মন্য। সাঃ নিঃ (ক) (ঙ) চোৱাঁ।

ড।

৪৮। কৰ্ম্মবাচক বা আন কোনো পদ আগত থাকিলে, স্থা, দা, পা, জন আদি ধাতুত, কৰ্ত্তৃবাচ্যত ড প্ৰত্যয় হয়। ড় ইৎ যায়, অ থাকে। যেনে, পাদ—পা—পদপ, জল—দা—জলদ, মধু—পা—মধুপ, মোক্ষ—দা—মোক্ষদা স্ত্ৰী, বৰ—দা—বৰদা স্ত্ৰী, পঙ্ক—জন—পঙ্কজ, অনু—জন—অনুজ, গৃহ—স্থা—গৃহস্থ, বি—জ্ঞা—বিজ্ঞ, মধ্য—স্থা—মধ্যস্থ, ভুজ—গম—ভুজগ, ত্বৰা—গম—তুৰগ। সেই দৰে, দ্বিজ, সৰোজ বা সৰসিজ, শোকাপহ।

তুৰগ, বিহগ, পতগ. ভুজগ—ড প্ৰত্যয়েৰে সিদ্ধ। তুৰঙ্গ তুৰঙ্গম, বিহঙ্গ বিহঙ্গম, পতঙ্গ পতঙ্গম, ভুজঙ্গ ভুজঙ্গম—খ প্ৰত্যয়েৰে সিদ্ধ।

টক্।

কেৱল হন্ আৰু চৰ ধাতুত।

৪৯। অধিকৰণ কাৰকৰ কোনো পদ আগত থাকিলে,

কৰ্ত্তৃবাচ্যত চৰ্ ধাতুত টক প্ৰত্যয় হয়। ট্ ক্ ইৎ যায়, অ থাকে। যেনে, জলত চৰে, জল—চৰ্—জলচৰ। সেই দৰে, বনচৰ, সহচৰ, স্থলচৰ, নিশাচৰ, খেচৰ, ভূচৰ, উভচৰ।

৫০। টক্ প্ৰত্যয় হলে, হন্ ধাতুৰ ঠাইত ঘ্ন হয়। যেনে, শত্ৰুঘ্ন, কৃতঘ্ন, পাপঘ্ন, জ্বৰঘ্ন, গোঘ্ন, ত্ৰিদোষঘ্ন।

## ক্বিপ্।

৫১। কৰ্ম্মবাচক পদ আগত থাকিলে, জি, বিদ্, ভুজ, নী আদি ধাতুত কৰ্ত্তৃবাচ্যত ক্বিপ্ প্ৰত্যয় হয়। তাৰ সকলো ইৎ যায়, একো নাথাকে। যেনে, বিজ্ঞান—বিদ্—বিজ্ঞানবিৎ, জ্যোতিঃ—বিদ্—জ্যোতিৰ্ব্বিৎ, ভূতত্ত্ব—বিদ্—ভূতত্ত্ববিৎ, ইন্দ্ৰ—জি—ইন্দ্ৰজিৎ, শত্ৰু—জি—শত্ৰুজিৎ, ৰণ-জি—ৰণজিৎ, সৰ্ব্ব—ভুজ—সৰ্ব্বভুক, সেনা—নী—সেনানী।

৫২। উপমা দিলে, সংস্কৃত সৰ্ব্বনাম তদ্, যদ, এতদ্, ভবৎ, কিম্, ইদম্ আৰু সমান শব্দৰ পাচত থকা দৃশ্ ধাতুত কৰ্ম্মবাচ্যত ক্বিপ্ বা টক্ প্ৰত্যয় হয়। ইয়াতো ক্বিপ্ গোটেই ইৎ যায়, টকৰ ট্ ক্ ইৎ যায়, অ থাকে। তদ্ আদিৰ দ্ লোপ হয় আৰু তাৰ আগৰ অ মৰি আ হয়, ইদমৰ ঠাইত ঈ আৰু কিমৰ ঠাইত কী হয়, ভবতৰ ঠাইত ভবা, আৰু সমানৰ ঠাইত স হয়। যেনে, তদ্—দৃশ্+ক্বিপ্=তাদৃক, তদ্—দৃশ্+টক্=তাদৃশ। সেই দৰে, যাদৃক যাদৃশ, ঈদৃক ঈদৃশ, কীদৃক কীদৃশ, ভবাদৃক ভবাদৃশ, সদৃদক সদৃশ।

ট।

৫৩। দিবা, নিশা, প্ৰভা, যশঃ আদি কৰ্ম্মবাচক পদ আগত থাকিলে, কৰ্ত্তৃবাচ্যত কৃ ধাতুত ট প্ৰত্যয় হয়। ট্ ইৎ যায়, অ থাকে। যেনে, দিবাকৰ, নিশাকৰ, প্ৰভাকৰ, যশস্কৰ। সেইদৰে, ভাস্কৰ, হিতকৰ, আয়ুষ্কৰ, অগ্ৰসৰ, কিঙ্কৰ, ক্লেশকৰ, প্ৰীতিকৰ।

অচ্।

৫৪। কৰ্ম্মবাচক পদ আগত থাকিলে, কৃ, হৃ আদি ধাতুত কৰ্ত্তৃবাচ্যত অচ্ হয়। চ্ ইৎ যায়, অ থাকে। যেনে, ৰোগহৰ, শোকহৰ, দুঃখহৰ, ক্লেশহৰ। সেইদৰে, ভূধৰ, অৰ্থকৰ, সৰ্প।

ষণ।

৫৫। কৰ্ম্মবাচক পদ আগত থাকিলে, কৰ্ত্তৃবাচ্যত ধাতুৰ পাচত ষণ প্ৰত্যয় হয়। ষ্ ণ্ ইৎ যায়, অ থাকে। যেনে, মালা – কৃ + ষণ = মালাকাৰ। সেইদৰে, শাস্ত্ৰকাৰ, কুম্ভকাৰ, গ্ৰন্থকাৰ, সূত্ৰধাৰ, টীকাকাৰ।

ক।

৫৬। প্ৰী, বুধ, ৰুহ্ আদি ধাতুত কৰ্ত্তৃবাচ্যত ক প্ৰত্যয় হয়। ক্ ইৎ যায়, অ থাকে। যেনে, প্ৰী + ক = প্ৰিয় ( প্ৰীৰ ঈ মৰি ইয় হয় ) বুধ্ + ক = বুধ, শিৰঃ + ৰুহ্ = শিৰোৰুহ, মহী + ৰুহ্ = মহীৰুহ।

## অন ( অনট্ )।

৫৭। নন্দি, ভীষি আদি নিজন্ত ধাতুত কৰ্তৃবাচ্যত অন ( অনট ) প্ৰত্যয় হয়। যেনে, নন্দি—নন্দন, সাধি—সাধন. বৰ্দ্ধি—বৰ্দ্ধন, ৰমি—ৰমন, ভীষি—ভীষণ, নাশি—নাশন। এইবিলাক সংস্কৃতত ক্লীবলিঙ্গ।

এই অন অৰ্থাৎ অনট্ সাধাৰণতঃ ভাববাচ্যত ধাতুত যোগ হয়, কেতিয়াবা কৰণ আৰু অধিকৰণ বাচ্যতো যোগ হয়।

৫৮। অন্য নিজন্ত ধাতুত ভাববাচ্যত অন প্ৰত্যয় হয়। যেনে, অৰ্চ্চি—অৰ্চ্চনা. গণি—গণনা, ধাৰি—ধাৰণা, কল্পি—কল্পনা, ঘটি—ঘটনা, যাতি—যাতনা। সেইদৰে, বাসনা, বেদনা। এইবিলাক সংস্কৃতত স্ত্ৰীলিঙ্গ।

## অনট্।

৫৯। ভাববাচ্যত সাধাৰণতঃ ধাতুত অনট প্ৰত্যয় হয়। ট্ ইৎ যায়, অন থাকে। যেনে. গম্+অনট্=গমন, ভুজ+অনট্=ভোজন। সেইদৰে, শয়ন, চলন, পতন. ৰক্ষণ, ভক্ষণ, মনন, অধ্যয়ন, পান, দান, জ্ঞান, স্নান, শ্ৰৱণ, মৰণ, হৰণ, দৰ্শন, স্পৰ্শন, ৰোদন।

৬০। কৰণ আৰু অধিকৰণ বাচ্যতো ধাতুত অনট্ প্ৰত্যয় হয়। যেনে, ( কৰণবাচ্যত ) নয়ন, লোচন, চৰণ, ভূষণ ; ( অধিকৰণবাচ্যত ) যান, বাহন, ভবন। এইবিলাক সংস্কৃতত ক্লীবলিঙ্গ।

ইষ্ণু।

৬১। স্বভাৱ বুজাবলৈ কর্ত্তৃবাচ্যত সহ, বর্দ্ধ, চন্ আদি ধাতুৰ পাচত ইষ্ণু প্ৰত্যয় হয়। যেনে, সহ—সহিষ্ণু, বর্দ্ধ—বর্দ্ধিষ্ণু, চন্—চনিষ্ণু।

ৰ।

৬২। স্বভাৱ বুজাবলৈ কর্ত্তৃবাচ্যত, নম্, হিন্স্ আদি ধাতুৰ পাচত ৰ প্ৰত্যয় হয়। যেনে, নম—নম্ৰ, হিন্স্—হিংস্ৰ, অ—জস্—অজস্ৰ।

ক্বৰপ্, বৰচ্।

৬৩। স্বভাৱ বুজাবলৈ কর্ত্তৃবাচ্যত, নশ্ আদি ধাতুত ক্বৰপ, আৰু ঈশ্ আদি ধাতুত বৰচ্ প্ৰত্যয় হয়। ক্, প্, চ্ ইৎ যায়, দুয়োৰো বৰ থাকে। যেনে, নশ+ক্বৰপ্=নশ্বৰ, ঈশ্+বৰচ্=ঈশ্বৰ, স্থা+বৰচ=স্থাবৰ।

ঞুক।

৬৪। স্বভাৱ বুজাবলৈ কর্ত্তৃবাচ্যত, গম্, কম্ আদি ধাতুৰ পাচত ঞুক প্ৰত্যয় হয়। ঞ্ ইৎ যায়, উক থাকে যেনে, গম্—গামুক, কম্—কামুক, ভূ—ভাবুক, হন্—ঘাতুক। সাঃ নিঃ (ক) চোৱাঁ।

আলু।

৬৫। স্বভাৱ বুজাবলৈ কর্ত্তৃবাচ্যত দয় আদি ধাতুত আলু প্ৰত্যয় হয়। যেনে, দয়—দয়ালু, নি—দ্ৰা—নিদ্ৰালু, তন্—দ্ৰা—তন্দ্ৰালু।

তদ্ধিত প্ৰত্যয়ৰ ভিতৰত এটা আলু প্ৰত্যয় আছে। এই আলু ভিন। এই আলু ধাতুত যোগ হয়। তদ্ধিতৰ আলু শব্দত যোগ হয়। যেনে, ( তদ্ধিত ) দয়া+আলু=দয়ালু।

ঘুৰ।

৬৬। স্বভাৱ বুজাবলৈ কৰ্তৃবাচ্যত ভাস্, ভন্‌জ্ আদি ধাতুত ঘুৰ প্ৰত্যয় হয়। ঘ ইৎ যায়, উৰ থাকে। যেনে, ভন্‌জ—ভঙ্গুৰ, ভাস্—ভাস্বুৰ।

উ।

৬৭। ইষ্, ভিক্ষ্ আদি ধাতুৰ পাচত আৰু সনন্ত ধাতুৰ পাচত, কৰ্তৃবাচ্যত উ প্ৰত্যয় হয়। উ প্ৰত্যয় হলে, ইষ্ ধাতুৰ ঠাইত ইচ্ছ হয়। যেনে, ইষ্—ইচ্ছু, ভিক্ষ্---ভিক্ষু। সনন্ত, পিপাস্—পিপাসু, জিজ্ঞাস্---জিজ্ঞাসু, মুমুৰ্ষ---মুমুৰ্ষু।

উক।

৬৮। স্বভাৱ বুজাবলৈ কৰ্তৃবাচ্যত জগৃ আদি ধাতুত উক প্ৰত্যয় হয়। যেনে, জাগৃ--জাগৰূক।

ক্ৰু।

৬৯। ভী আৰু শৎ ধাতুত কৰ্তৃবাচ্যত ক্ৰু প্ৰত্যয় হয়। ক্ ইৎ যায়, ৰু থাকে। যেনে, ভী—ভীৰু, শৎ—শত্ৰু।

ডু।

৭০। উপসৰ্গ বা কোনো পদ আগত থাকিলে, কৰ্তৃবাচ্যত ভূ ধাতুত ডু প্ৰত্যয় হয়। ড ইৎ যায়, উ থাকে।

যেনে, প্ৰ—ভু—প্ৰভু। শম্—ভূ—শম্ভু, বি—ভু—বিভু, স্বয়ম্—ভূ---সয়ম্ভূ।

ঘঞ্।

৭১। ভাববাচ্যত আৰু কৰ্ত্তৃবাচ্যৰ বাজে আন কাৰক বাচ্যত ধাতুৰ পাচত ঘঞ্ প্ৰত্যয় হয়। ঘ, ঞ্ ইৎ যায়, অ থাকে। যেনে, পচ্—পাক, ত্যাজ্—ত্যাগ, নশ্—নাশ, শুচ—শোক, ভুজ্—ভোগ, ৰুজ্—ৰোগ, বস্—বাস, শপ্—শাপ, তপ্—তাপ, লভ্—লাভ, পঠ্—পাঠ, ৰণ্জ্—(ইয়াৰ ন লোপ হয়) ৰাগ। ইয়াত এটাইবিলাক ধাতুত আদিত আ-কাৰ হৈছে। সাঃ নিঃ (ক) (খ) চোৱাঁ।

অল।

৭২। ভাববাচ্য আৰু কৰ্ত্তৃবাচ্যৰ বাজে আন কাৰক বাচ্যত ধাতুত অল প্ৰত্যয় হয়। ল ইৎ যায়, অ থাকে। যেনে, জি---জয়, লী---লয়, দ্ৰু—দ্ৰব, ভূ—ভব, ভী—ভয়, ৰুষ্—ৰোষ, তুষ্—তোষ, ভিদ্—ভেদ, হৃষ্—হৰ্ষ। সাঃ নিঃ (ক) চোৱাঁ।

খল, অন (অনট)।

৭৩। সু আৰু দুৰ্ শব্দৰ পাচত থকা দৃশ্, শাস্, যুধ ধাতুত কৰ্ম্মবাচ্যত খল আৰু অন প্ৰত্যয় হয়। খলৰ খ্, ল্ ইৎ যায়, অ থাকে। যেনে সু—শাস্+খল=সুশাস, সু—শাস্+অন=সুশাসন। সেই দৰে, দুঃশাস দুঃশাসন, দুৰ্য্যোধ দুৰ্য্যোধন, সুদৰ্শ সুদৰ্শন।

আৰু যেনে, সু—কৃ+খল=সুকৰ, দুঃ—কৃ+খল= দুষ্কৰ, দুঃ—গম্+খল=দুৰ্গম, সু—গম্+খল=সুগম, দুঃ--লভ+খল=দুৰ্লভ।

এ

৭৪। নী, শস্, দন্শ্ আদি ধাতুত কৰণবাচ্যত এ প্রত্যয় হয়। যেনে (ইয়াৰে বস্তুবোৰে ভিতৰলৈ নিয়ে) নী—নেত্ৰ, (ইয়াৰে শাসন কৰে) শস্—শস্ত্ৰ, (ইয়াৰে দংশন কৰে) দন্স্—দংষ্ট্ৰা স্ত্ৰী।

ইত্ৰ।

৭৫। পূ, চৰ্ আদি ধাতুত কৰণবাচ্যত ইত্ৰ প্রত্যয় হয়। যেনে, পূ—পবিত্ৰ, চৰ্—চৰিত্ৰ।

ন।

৭৬। যত্, যজ্ আদি ধাতুত ভাববাচ্যত ন প্রত্যয় হয়। যেনে, যত্—যত্ন, যজ—যজ্ঞ, ৰত—ৰত্ন, স্বপ্—স্বপ্ন, প্রচ্ছ্—প্রশ্ন (ইয়াৰ চ্ছ মৰি শ হয়)।

ঙ।

৭৭। সনন্ত, নিজন্ত, নাম ধাতু, আৰু শন্স্ হিন্স ধাতুৰ পাচত, ভাববাচ্যত ঙ প্রত্যয় হয়। ঙ্ ইৎ যায়, অ থাকে। যেনে,

সনন্ত ধাতু—পিপাস্—পিপাস স্ত্ৰী পিপাসা, জিজ্ঞাস্—জিজ্ঞাস স্ত্ৰী জিজ্ঞাসা, মীমাংস্—মীমাংস স্ত্ৰী মীমাংসা।

নিজন্ত ধাতু—চিন্তি—স্ত্রী চিন্তা, পূজি---স্ত্রী পূজা। সেই দৰে, চৰ্চ্চি---চৰ্চ্চা, কথি---কথা।

নাম ধাতু---তপস্---স্ত্রী তপস্য ।

প্র---শন্স্+ঙ=স্ত্রী প্রশংসা, হিন্স্+ঙ=স্ত্রী হিংসা।

আৰু যেনে, ক্ষম্---ক্ষমা, পৰ---ইক্ষ=পৰীক্ষা, ভিক্ষ্---ভিক্ষা, আ---কাঙ্ক্ষ্=আকাঙ্ক্ষা, দীক্ষ্---দীক্ষা, নিন্দ্---নিন্দা, ৰক্ষ্—ৰক্ষা, খেল্---খেলা, শঙ্ক্—শঙ্কা, মূৰ্চ্ছ্—মূৰ্চ্ছা, লজ্জ্—লজ্জা ক্রীড়---ক্রীড়া, বাঞ্ছ্---বাঞ্ছা।

কি।

৭৮। উপসৰ্গ বা কৰ্ম্মবাচক কোনো শব্দ আগত থাকিলে, ভাববাচ্যত আৰু অধিকৰণবাচ্যত ধা ধাতুত কি প্রত্যয় হয়। ক্ ইৎ যায়, ই থাকে আৰু ধাতুৰ আ-কাৰ লোপ হয়। যেনে, ( ভাববাচ্য ) বি---ধা---বিধি, নি---ধা---নিধি, সং---ধা---সন্ধি ( কৰ্ম্মবাচক পদ আগত ) বাৰি---ধা---বাৰিধি, জল---ধা---জলধি।

## অসমীয়া কৃৎ প্রত্যয়।

৭৯। ধাতুত কৃৎ প্রত্যয় যোগ দিবৰ সাধাৰণ নিয়ম।

( ক ) ব্যঞ্জনান্ত ধাতুত আদিত ব্যঞ্জন বৰ্ণ থকা প্রত্যয় যোগ হলে, ধাতু অ-কাৰান্ত হয়।

( খ ) ব্যঞ্জনান্ত ধাতুত আদিত স্বৰ বৰ্ণ থকা প্রত্যয় যোগ হলে, সেই স্বৰবৰ্ণ ধাতুৰ শেষ ব্যঞ্জনত যোগ হয়।

(গ) অ, আ, আৰু ও-কাৰান্ত ধাতুৰ পাচত প্ৰত্যয়ৰ আদিৰ অ আৰু আ মৰি ক্ৰমে ৱ আৰু ৱা হয়; ই বা ঈ-কাৰান্ত ধাতুৰ পাচত ক্ৰমে য় আৰু য়া হয় আৰু অ-কাৰান্ত ধাতু ও-কাৰান্ত হয়।

(ঘ) অ, আ, ই, ঈ আৰু ও-কাৰান্ত ধাতুৰ পাচত প্ৰত্যয়ৰ আদিৰ ই, ঈ লোপ হয়, ও কাৰান্ত ধাতুৰ পাচত ওঁ প্ৰত্যয়ৰ ও লোপ হয়, কেৱল চন্দ্ৰবিন্দু ধাতুৰ শেষ বৰ্ণত যোগ হয়, কিন্তু ধাতুৰ শেষত ন, ম আদি অনুনাসিক বৰ্ণ থাকিলে, তাত চন্দ্ৰবিন্দুও যোগ নহয়।

ইয়াত বাজে ধাতুত বা প্ৰত্যয়ত আন যি সালসলনি হয়, তাক উদাহৰণ বিলাকৰ পৰা বুজা যাব।

ওঁতা, অঁতী।

৮০। সকলো ধাতুত কৰ্ত্তৃবাচ্যত, পুংলিঙ্গত ওঁতা আৰু স্ত্ৰীলিঙ্গত অঁতী প্ৰত্যয় হয়। যেনে,—

| ধাতু | পুংৰূপ | স্ত্ৰীৰূপ |
|---|---|---|
| কৰ্ | কৰোঁতা | কৰঁতী |
| ল | লওঁতা | লৱঁতী বা লঁতী |
| খা | খাওঁতা | খাঁতী |
| দি | দিওঁতা | দিয়ঁতী |
| ধো | ধোঁতা | ধোৱঁতী |

আ।

৮১। ভাববাচ্যত ধাতুৰ পাচত আ প্ৰত্যয় হয়।

উৎপন্ন পদ বিশেষণ হয়। যেনে,—কৰ্ – কৰা, ল – লোৱা, খা – খোৱা, দি – দিয়া, ধো – ধোৱা, মৰ্ – মৰা, জী – জীয়া।

ই।

৮২। কোনো কোনো ধাতুৰ কৰ্ত্তৃবাচ্যত ই প্ৰত্যয় হয়। উৎপন্ন পদ বিশেষণ হয়। যেনে, মৰ্ + ই = মৰি, মৰিকলং, মৰিদিখৌ, মৰিশালি, মৰিলুইত। উঠ্ + ই = উঠি, উঠিৰজা। সেই দৰে, বহিৰজা, বহিফুকন। বাঢ়্ — বাঢ়ি।

৮৩। পাৰ্ ধাতুত ভাববাচ্যত ই প্ৰত্যয় হয়। যেনে, পাৰ—পাৰি ( নৈত পাৰি দিয়া )।

অন।

৮৪। ভাববাচ্যত সকলো ধাতুত অন প্ৰত্যয় হয়। উৎপন্ন পদ বিশেষ্য হয়। যেনে, খা—খাৱন, শো—শোৱন, ফুৰ্—ফুৰণ, চল্—চলন, ধৰ্—ধৰণ, পিন্ধ্—পিন্ধন, জীৱ—জীৱন, মৰ্—মৰণ, পি—পিয়ন, ৰান্ধ্—ৰান্ধন, বাঢ়্—বাঢ়ন, ভৰ্—ভৰণ, ভাগ্—ভগন।

৮৫। কোনো কোনো ধাতুত কৰ্ত্তৃবাচ্যত অন প্ৰত্যয় হয়। যেনে, গজ—গজন = গজন জীৱ, উদ্ভিদ্, উৰ্—উৰণ = উৰণ জীৱ, পক্ষী, বুৰ্—বুৰণ = বুৰণ জীৱ, মাছ আদি। সেইদৰে, বা—বায়ন ( অনিয়মিত ৰূপে নিপাতনত সিদ্ধ। )। লাগ্—লাগন।

কাট্ আদি ধাতুত কৰ্ম্মবাচ্যত অন প্ৰত্যয় হয়। যেনে, কাট্—কাটন।

অনা।

৮৬। বাজ্ আদি ধাতুত কর্ত্তৃবাচ্যত অনা প্রত্যয় হয়। যেনে, বাজ্—বাজনা।

বিন্ধ্ আদি ধাতুত কৰণবাচ্যত অনা প্রত্যয় হয়। যেনে, বিন্ধ্—বিন্ধনা।

খুন্দ আদি ধাতুত অধিকৰণবাচ্যত অনা প্রত্যয় হয়। যেনে, খুন্দ—খুন্দনা, জী—জীয়না।

অনি।

৮৭। ভাববাচ্যত ধাতুত অনি প্রত্যয় হয়। উৎপন্ন পদ বিশেষ্য। যেনে, জিৰা—জিৰণি, পাত্—পাতনি, ধুপাল্—ধুপালনি, খচক্—খচকনি, গচক্—গচকনি, চৰ্—চৰণি (চৰণীয়া), নাট্—নাটনি, তৰ্—তৰণি। সেইদৰে, শোৱনি, ৰান্ধনি, নোৱনি, শপনি, ফুৰণি, বুজনি, উমনি, উজনি, নামনি, বাচনি, সিয়নি শুকনি, টপ্‌টপনি।

৮৮। কেতিয়াবা কর্ত্তৃ আৰু কর্ম্মবাচ্যত ধাতুত অনি প্রত্যয় হয়। যেনে, (কর্ত্তৃবাচ্যত) ৰান্ধ্—ৰান্ধনি স্ত্রী ৰান্ধনী, ৰো—স্ত্রী ৰোৱনী, দা—দাৱনি বা দাউনি স্ত্রী দাৱনী বা দাউনী (ৱৰ পৰা অ ওলাই গলে সি উ উচ্চাৰিত হয়, উচ্চাৰণ প্রকৰণ চোৱাঁ), জুৰা—জুৰণি, নাট—নাটনি (যিখিনি নটা হৈছে), বাঢ়—বাঢ়নি স্ত্রী বাঢ়নী, শুৱা—শুৱনি স্ত্রী শুৱনী, শুটা—শুটনি, টুট্—টুটনি (কর্ম্মবাচ্যত) গঢ়—গঢ়নি (বানচ), ভৰ্—ভৰণি, পা—পাৱনি বা পাউনি, খা—খাৱনি

বা খাউনি, ছা—ছাৱনি বা ছাউনি। সেই দৰে, পাচনি, শিকনি।

অনী।

৮৯। কোনো কোনো ধাতুত কৰ্ত্তৃবাচ্যত অনী প্ৰত্যয় হয়। যেনে, বাঢ়্—বাঢ়নী, ধৰ্—ধৰণী, পিয়া—পিয়নী, নাচ্—নাচনী (তাঁতৰ সজুলি), শুকা—শুকনী, পকনী, সঁাচনী স্ত্ৰী।

৯০। কোনো কোনো ধাতুত কৰণবাচ্যত অনী প্ৰত্যয় হয়। যেনে, জনা—জাননী, বিচ্—বিচনী, চাল—চালনী, ঢাক্—ঢাকনী, মথ—মথনী, খোট—খোটনী, বঢ়া—বঢ়নী। সেই দৰে, সোৱৰণী, কাঢ়নী, লৰণী, লিখনী, খোঁচ নী (চিতাৰ জুই খোঁচা মাৰি), ছেকনী, শিচনী (লাহনী)।

কোনো কোনো ধাতুত ভাববাচ্যত অনী প্ৰত্যয় হয়। যেনে, গোঁঠ—গোঁঠনী, ছাট্—ছাটনী, বুল্—বুলনী।

কোনো কোনো ধাতুত কৰ্ম্মবাচ্যত অনী প্ৰত্যয় হয়। যেনে, তিয়া—তিয়নী।

অতি।

৯১। খজুৱা আদি ধাতুত ভাববাচ্যত অতি প্ৰত্যয় হয়। যেনে, খজুৱা—খজুৱতি।

অতী।

৯২। কোনো কোনো ধাতুত কৰ্ম্মবাচ্যত অতী প্ৰত্যয় হয়। যেনে, ক্ষীৰা—ক্ষীৰতী।

৯৩। ৰো ধাতুৰ পাচত অধিকৰণবাচ্যত অতী প্ৰত্যয় হয়। যেনে, ৰো—ৰোৱতী ( মাটি )।

অৰী।

৯৪। দি ধাতুত নিয়োজন অৰ্থত, কৰ্ত্তৃবাচ্যত অৰি প্ৰত্যয় হয়। অৰি প্ৰত্যয় হলে, দি দে হয়। যেনে, দি+অৰী=দেৱৰী বা দেউৰী।

অৰীয়া, ঐয়া, ঐচ।

৯৫। খা ধাতুত অতিশয় অৰ্থত কৰ্ত্তৃবাচ্যত অৰীয়া, ঐয়া বা ঐচ প্ৰত্যয় হয়। যেনে, খা—খাৱৰীয়া বা খাউৰীয়া, খাৱৈয়া বা খাৱৈচ।

আৰু।

৯৬। কোনো কোনো ধাতুত, পাৰ্গত অৰ্থত কৰ্ত্তৃবাচ্যত আৰু প্ৰত্যয় হয়। যেনে, লিখ্—লিখাৰু, শিক্—শিকাৰু, যুজ্—যুজাৰু।

উৱা।

৯৭। কান্দ, কাহ আদি ধাতুত অতিশয় অৰ্থত কৰ্ত্তৃবাচ্যত উৱা প্ৰত্যয় হয়। যেনে, কান্দ্—কান্দুৱা স্ত্ৰী কান্দুৱী, কাহ্—কাহুৱা স্ত্ৰী কাহুৱী, হাগ্—হাগুৱা স্ত্ৰী হাগুৱী, মূত্—মূতুৱা স্ত্ৰী মূতুৱী।

অল।

৯৮। ডাক্ ধাতুত কৰ্ত্তৃবাচ্যত অল প্ৰত্যয় হয়।

যেনে, ডাক্—ডাকল, কেতিয়াবা ডাকাল (যেনে ডাকল কেঁচা, যি ডাকে)।

আল।

৯৯। সৰ্ ধাতুত ভাববাচ্যত আল প্ৰত্যয় হয়। যেনে, সৰ্—সৰাল (হাঁহিনী জনীয়ে পাখি সৰাল দিছে, অৰ্থাৎ তাইৰ পাখি সৰিবলৈ ধৰিছে।)

উকা।

১০০। বহ্ ধাতুত কৰ্ত্তৃবাচ্যত উকা প্ৰত্যয় হয়। যেনে, বহ—বহুকা, বহুকা লৰা, বহুকা বন।

অতীয়া।

১০১। সাঁচ্ ধাতুত কৰ্ম্মবাচ্যত অতীয়া প্ৰত্যয় হয়। যেনে, সাঁচতীয়া কৰ্ত্তৃবাচ্যত অতিয়াৰ প্ৰত্যয় হয়। যেনে, সাঁচতিয়াৰ।

অনীয়া।

১০২। সাঁচ্ আৰু জীয়া ধাতুত কৰ্ম্মবাচ্যত অনীয়া প্ৰত্যয় হয়। যেনে, সাঁচ্—সাঁচনীয়া, জীয়া—জীয়নীয়া।

ওঁতে।

১০৩। ক্ৰিয়া কৰি থকা সময়ত, এই ভাব বুজাবলৈ সকলো ধাতুত সকলো কালত ওঁতে প্ৰত্যয় হয়। যেনে, সি পুথি পঢ়ি থাকোঁতে মই পাইছিলোঁ গৈ, সি পুথি পঢ়ি থাকোঁতে মই পাম গৈ।

ওঁতে প্ৰত্যয়ৰ যোগত ধাতুৰ সিদ্ধ ৰূপ হয়।

## ইলে।

১০৪। এটা ক্রিয়া ঘটিলে আন এটা ক্রিয়া হব, এই ভাব বুজাবলৈ ভবিষ্যৎ কালত আগৰ ক্রিয়াৰ ধাতুত ইলে প্রত্যয় হয়। যেনে, মই শুলে তই যাবি, সি আহিলে মই তাক কথাটো কম।

ইলে প্রত্যয়ৰ যোগত ধাতুৰ সিদ্ধা ৰূপ হয়।

## ইলত।

১০৫। এটা ক্রিয়াৰ শেষত আন এটা ক্রিয়া হৈছিল, এই অর্থ বুজাবলৈ, ভূত কালত, আগৰ ক্রিয়াৰ ধাতুত ইলত প্রত্যয় হয়। যেনে, সভা ভাগি গলত সি আহি পালে, তেওঁ ঢুকালতহে নাম ফুটি ওলাল।

ইলত প্রত্যয়ৰ যোগত ধাতুৰ সিদ্ধা ৰূপ হয়।

## অ।

১০৬। কোনো কোনো ধাতুত ভাববাচ্যত অ প্রত্যয় হয়। অ ইৎ যায়, একো নাথাকে, কেৱল ধাতু, ধাতু গুচি পদ হয়। সিদ্ধ পদ বিশেষ্য বা বিশেষণ হয়। যেনে,

| ধাতু | প্রত্যয় | সিদ্ধ পদ |
|---|---|---|
| মৰ্ | অ | মৰ ( বিশেষণ ) যেনে, মৰশ্রী, মৰশহ, মৰথঁক, মৰনৈ। |
| মাৰ্ | „ | মাৰ ( বিশেষ্য ) যেনে, মাৰ খালে, মাৰ মাৰিলে। |
| ডঁৰ্ | „ | ডঁৰ (বিশেষ্য) যেনে, সি গুৰু ঘৰত ১০ টকা ডঁৰ ভৰিলে। |
| পক্ | „ | পক ( বিশেষ্য ) যেনে, এই কালত আমে পক ধৰে। |

| ধাতু | প্ৰত্যয় | সিদ্ধ পদ |
| --- | --- | --- |
| চাৰ্ | „ | চাৰ ( বিশেষ্য ) যেনে, গাইজনীয়ে আজি চাৰ পোৱা নাই। |
| বোল্ | „ | বোল ( বিশেষ্য ) যেনে, মাত বোল নাই, বোল বচন নুশুনে। |

ইব।

১০৭। সকলো ধাতুত ভাববাচ্যত ইব প্ৰত্যয় হয়। সিদ্ধ পদ সংজ্ঞা শব্দৰ নিচিনা হয়, আৰু তাত চতুৰ্থী, পঞ্চমী আৰু ষষ্ঠীৰ এক বচনৰ বিভক্তি যোগ হব পাৰে। যেনে, কৰ্+ইব=কৰিব। চতুৰ্থীৰ ১ ব কৰিবলৈ, পঞ্চমীৰ ১ ব কৰিবৰপৰা, ষষ্ঠীৰ ১ ব কৰিবৰ। সেইদৰে, যা+ইব=যাব। চতুৰ্থীত যাবলৈ, পঞ্চমীত যাবৰপৰা, ষষ্ঠীত যাবৰ।

অন্ত, অন্তা।

১০৮। জী, জ্বল্, চল্ আদি ধাতুত, বৰ্ত্তমান কালত, কৰ্ত্তৃবাচ্যত, অন্ত প্ৰত্যয় হয়। যেনে, জী—জীয়ন্ত, জ্বল্—জ্বলন্ত, চল্—চলন্ত স্ত্ৰী চলন্তা।

১০৯। মৰ্ আৰু নি আদি ধাতুত অন্তা প্ৰত্যয় হয়। যেনে, মৰ্—মৰন্তা, নি—নিয়ন্তা।

সিদ্ধা ক্ৰিয়া।

১১০। ভাববাচ্যত ধাতুত ই প্ৰত্যয় যোগ কৰিলে যি ৰূপ হয়, তাক ধাতুৰ সিদ্ধা ৰূপ বোলে। সিদ্ধা ক্ৰিয়াৰ কাল পুৰুষ বা বচন নাই।

১১১। যা ধাতুত ই প্ৰত্যয় কৰিলে, সি গ্ হয়, আৰু

প্ৰত্যয়ৰ ই বৃদ্ধি হয়। যেনে, যা+ই=গৈ। অ-কাৰান্ত ধাতুৰ অ লোপ হয় আৰু প্ৰত্যয়ৰ ই বৃদ্ধি হয়। যেনে, হ+ই=হৈ। তলত সকলো প্ৰকাৰ ধাতুৰ সিদ্ধা ৰূপ দিয়া হল। যেনে,

| | ধাতু | প্ৰত্যয় | সিদ্ধ পদ |
|---|---|---|---|
| ব্যঞ্জনান্ত | কৰ্ | ই | কৰি |
| অ-কাৰান্ত | ল | ই | লৈ |
| আ-কাৰান্ত | খা | ই | খাই |
| ” | যা | ই | গৈ |
| ই-কাৰান্ত | দি | ই | দি |
| ও-কাৰান্ত | শো | ই | শুই |
| ” | ওলা | ই | ওলাই |
| ” | সোমা | ই | সোমাই |

এই।

১১২। নিশ্চয় অৰ্থত ক্ৰিয়াৰ সিদ্ধা সাধ্যা হুয়ো ৰূপত, সকলো কালত এই প্ৰত্যয় হয়। যেনে, কৰিয়েই, খায়েই, দিছিলোঁৱেই, যামেই, ইত্যাদি।

ঈয়া।

১১৩। কৰ্ম্ম পদ বা কোনো ইব প্ৰত্যয়ান্ত পদ আগত থাকিলে কৰ্ত্তৃ আৰু কৰ্ম্মবাচ্যত ধাতুত ঈয়া প্ৰত্যয় হয়। যেনে, (কৰ্ত্তৃবাচ্যত) পহু—মাৰ্+ঈয়া=পহুমৰীয়া, গ (গো) —ৰখ+ঈয়া=গৰখীয়া, খৰি—কাট্+ঈয়া=খৰিকাটীয়া।

( কৰ্ম্মবাচ্যত ) দিব ( ইব প্ৰত্যয়ান্ত পদ )—লাগ+ঈয়া= দিবলগীয়া। সেইদৰে, কৰিবলগীয়া, যাবলগীয়া, ইত্যাদি।

## পাঁচনি ধাতুত কৃৎ প্ৰত্যয়।

১১৪। পাঁচনি ধাতুত সম্ভব মতে, কৰ্ত্তৃ আৰু ভাববাচ্যত কেতবিলাক কৃত প্ৰত্যয় যোগ হয়, এটাইবিলাক নহয়।

পাঁচনি এটাইবিলাক ধাতু আ-কাৰান্ত। এতেকে আনবিলাক আ-কাৰান্ত ধাতুত কৃৎ প্ৰত্যয় যোগ হলে, ধাতুৰ যেনে ৰূপ হয়, পাঁচনি ধাতুবিলাকৰো প্ৰায় তেনে ৰূপ হয়।

উৱা আৰু ওৱা প্ৰত্যয়ান্ত পাঁচনি ধাতুত কৃৎ প্ৰত্যয় যোগ হোৱাৰ উদাহৰণ অতি বিৰল। কেৱল ভাববাচ্যৰ প্ৰত্যয় আ মাথোন যোগ হোৱা দেখা যায়। ধাতুত আ প্ৰত্যয় কৰিলে যি পদ পোৱা যায়, সি প্ৰায় বিশেষ্যৰ নিচিনা। ক্ৰিয়াক বিশেষ্য ৰূপে ব্যৱহাৰ কৰিবলৈ অনেক ধাতুত আ প্ৰত্যয় কৰা হয়। পাঁচনি ধাতুতো এই উদ্দেশ্য সিদ্ধিৰ নিমিত্তেই মাজে সময়ে আ প্ৰত্যয় কৰে। কিন্তু আ প্ৰত্যয়ান্ত পাঁচনি ধাতুত কৃতৰ আ প্ৰত্যয় কৰিলেই সেই উদ্দেশ্য সিদ্ধ হয়। সচৰাচৰ মানুহে উৱা বা ওৱা প্ৰত্যয়ান্ত পাঁচনি ধাতুত কৃতৰ কোনো প্ৰত্যয়কে যোগ নিদিয়ে। আ প্ৰত্যয়ান্ত পাঁচনি ধাতুৰ দ্বাৰায় মানুহৰ ভাব সুন্দৰৰূপে প্ৰকাশ কৰা যায়। উৱা ও ওৱা প্ৰত্যয়ান্ত পাঁচনি ক্ৰিয়াৰ বিশেষ প্ৰয়োজন নহয়।

১১৫। কৃৎ প্ৰত্যয় যোগ দিলে, পাঁচনী ক্ৰিয়াৰ কেনে ৰূপ হয়, তাৰ আৰ্হি তলত দিয়া হল। যেনে,—

## পাঁচনি ধাতু কৰা আৰু কৰোৱা।

| ধাতু | প্ৰত্যয় | সিদ্ধ পদ | প্ৰত্যয় | সিদ্ধ পদ | প্ৰত্যয় | সিদ্ধ পদ |
|---|---|---|---|---|---|---|
| কৰা | ওঁতা | কৰাওঁতা | ওঁতে | কৰাওঁতে | অন | কৰাৱন |
| কৰোৱা | ,, | কৰোৱাওঁতা | ,, | কৰোৱাওঁতে | ,, | কৰোৱাৱন |
| কৰা | ইলে | কৰালে | ইলত | কৰালত | আ | কৰাৱা |
| কৰোৱা | ,, | কৰোৱালে | ,, | কৰোৱালত | ,, | কৰোৱাৱা |

## পাঁচনি ধাতু শুৱা আৰু শুউৱা।

| | | | | | | |
|---|---|---|---|---|---|---|
| শুৱা | ওঁতা | শুৱাওঁতা | ওঁতে | শুৱাওঁতে | আ | শুৱাৱা |
| শুউৱা | ,, | শুউৱাওঁতা | ,, | শুউৱাওঁতে | ,, | শুউৱাৱা |
| শুৱা | ইলে | শুৱালে | ইলত | শুৱালত | অন | শুৱাৱন |
| শুউৱা | ,, | শুউৱালে | ,, | শুউৱালত | ,, | শুউৱাৱন |

ইয়াত আ আৰু অন প্ৰত্যয় কৰি যি কেইটা পদ সিদ্ধ হৈছে, সিহঁত অনুচ্চাৰণীয় ৰূপ। সেই দেখি পাঁচনি কোনো ধাতুতে কৃতৰ অন প্ৰত্যয় নহয়। আ প্ৰত্যয় কৰি যিবিলাক সিদ্ধ হৈছে, সিহঁত যে শুনিবলৈ বৰ মধুৰ, এনেও নহয়। সিহঁতক উচ্চাৰণ কৰাও উজু নহয়, জিভাই দোবোল নাখায়। সেই দেখি মানুহে শ্ৰুতিমধুৰ কৰিবলৈ কৰাৱা কৰোৱাৱা, এই দুয়ো ৰূপৰ সলনি অনিয়মিতৰূপে কৰোৱা ব্যৱহাৰ কৰে আৰু শুৱাৱা শুউৱাৱা ৰূপৰ সলনি শুউৱা ব্যৱহাৰ কৰে।

# দ্বাদশ অধ্যায়।

—:*:—

## বাক্যবিন্যাস প্ৰকৰণ।

১। দুটা বা অধিক পদ গোট খাই এটা কথা বুজালে, তাক বাক্য বোলে।

২। বাক্য দুবিধ—পূৰ্ণ বাক্য আৰু খণ্ড বাক্য।

৩। যি বাক্যত এটা কথা সম্পূৰ্ণৰূপে প্ৰকাশ পায়, তাক পূৰ্ণ বাক্য বোলে।

৪। যি বাক্যত এটা কথাৰ এক খণ্ড মাথোন প্ৰকাশ পায়, তাক খণ্ড বাক্য বোলে। খণ্ড বাক্যৰ বিশেষ বিবৰণ পাচত দিয়া যাব।

### বাক্যৰ বাচ্য।

৫। প্ৰত্যেক পূৰ্ণ বাক্যৰ পদসঙ্গতি তিনি প্ৰকাৰ। এই পদসঙ্গতিক বাক্যৰ বাচ্য বোলা যায়। এতেকে বাক্যৰ বাচ্য তিনি বিধ :—কৰ্ত্তৃবাচ্য, কৰ্ম্মবাচ্য আৰু ভাববাচ্য।

৬। যি বাক্যত কৰ্ত্তা প্ৰধান হৈ বহে, তাক কৰ্ত্তৃবাচ্যৰ বাক্য বোলে। এই বাচ্যত কৰ্ত্তাত প্ৰথমা বিভক্তি হয়, বাক্যত কৰ্ম্ম থাকিলে, তাত দ্বিতীয়া বিভক্তি হয় আৰু কৰ্ত্তাৰ

যি পুৰুষ আৰু বচন, ক্রিয়াৰো সেই পুৰুষ আৰু বচন হয়। যেনে, গোপাল শুলে, গোপালে পঢ়িছে, আমি পুথি পঢ়িছোঁহঁক।

৭। যি বাক্যত কৰ্ম্ম প্রধান হৈ বহে, তাক কৰ্ম্মবাচ্যৰ বাক্য বোলে। এই বাচ্যত কৰ্ম্মত প্ৰথমা বিভক্তি আৰু কৰ্ত্তাত তৃতীয়া বিভক্তি হয়, আৰু ক্রিয়া কৃদন্ত হয়, আৰু হ বা যা ধাতুৰ সাধ্যা ক্রিয়াৰে বাক্য পূৰণ হয়। যেনে, পুথি-খন গোপালৰ দ্বাৰা লিখা হৈছে। ইয়াত, গোপালে পুথিখন লিখিছে, এই বাক্যটোক লুটিয়াই কোৱা হৈছে। পুথিখন যথাৰ্থত কৰ্ম্মপদ, গোপাল কৰ্ত্তা, এতেকে গোপাল ১মা, বি, ১ব আৰু পুথিখন দ্বি, বি, ১ব হব লাগিছিল। কিন্তু লুটিয়াই দিয়া বাক্যটোত পুথিখন ১মা, বি, ১ব হৈছে, আৰু গোপালত ৩য়া, বি, ১ব হৈছে, আৰু লিখিছে ক্রিয়াৰ ঠাইত তাৰ ভাব-বাচ্যৰ কৃদন্তৰূপ 'লিখা' ব্যৱহাৰ হৈছে। বাক্যৰ শেষত হ ধাতুৰ সাধ্যাৰূপ 'হৈছে' আছে, তাৰ দ্বাৰায় বাক্য পূৰণ হৈছে।

কৰ্ম্মবাচ্যৰ বাক্যত কেতিয়াবা কৰ্ত্তা উহ্য থাকে। যেনে, নাম ধৰা হল ( আমাৰ দ্বাৰায়, উহ্য ), গুৰুসেৱা কৰা হল ( মোৰ দ্বাৰায়, উহ্য )।

কোনো কোনো কৰ্ম্মবাচ্যৰ বাক্যত কৰ্ত্তা উহ্যও নাথাকে, কৰ্ম্মই কৰ্ত্তা যেন হয়। যেনে, কাৰো মাত কতো নুশুনি, দিনত তৰা নেদেখি। ইয়াত মাত, নুশুনি ক্রিয়াৰ আৰু তৰা,

নেদেখি ক্রিয়াৰ কর্ত্তা যেন হৈছে। যথার্থত এনেবিলাক ক্রিয়াক কর্ত্তাহীন ক্রিয়া বুলিব পাৰি।

৮। যি বাক্যত ক্রিয়া প্রধান হৈ বহে, আৰু সেই ক্রিয়া ভাববাচ্যৰ কৃদন্ত পদ হৈ বাক্যৰ সাধ্যা ক্রিয়াৰ কর্ত্তা হয়, তাক ভাববাচ্যৰ বাক্য বোলে। যেনে, পঢ়া হল, দিয়া গল। ইয়াত, পঢ়া আৰু দিয়া ভাববাচ্যৰ কৃদন্ত পদ, সিহঁত হল আৰু গল সাধ্যা ক্রিয়াৰ কর্ত্তা হৈছে।

৯। ভাববাচ্যৰ বাক্যত আচল কর্ত্তা আৰু কর্ম্ম প্রকাশ থাকিলে, কর্ত্তাত ষষ্ঠী বিভক্তি হয়, আৰু কর্ম্ম তাৰ আপোন বিভক্তিত, অর্থাৎ দ্বিতীয়া বিভক্তিত থাকে। যেনে, গোপালৰ পুথি পঢ়া হল, অর্থাৎ গোপালে পুথি পঢ়ি অঁতালে। গোপাল কর্ত্তা, কিন্তু ভাবৰাচ্যৰ বাক্যটোত গোপালত ষষ্ঠি বিভক্তি হৈছে, আৰু পঢ়ি ক্রিয়াৰ ভাববাচ্যৰ কৃদন্ত পদ 'পঢ়া', হল সাধ্যা ক্রিয়াৰ কর্ত্তা হৈছে। পুথি কর্ম্মপদ, সি দ্বিতীয়া বিভক্তিত আছে।

## কর্ত্তা আৰু ক্রিয়াৰ সঙ্গতি।

১০। বাক্যত কর্ত্তা প্রথমত, কর্ম্ম দ্বিতীয়ত আৰু ক্রিয়া শেষত থাকে। যেনে, গোপালে পুথি পঢ়িছে।

১১। বাক্যত কর্ম্ম নাথাকিলে, অর্থাৎ ক্রিয়া অকর্ম্মক হলে, কর্ত্তা প্রথমত আৰু ক্রিয়া শেষত থাকে। যেনে, গোপাল শুলে।

বাচ্যবিশেষত এই ক্রম ভঙ্গ হয়। তাৰ উদাহৰণ আগত দিয়া হৈছে। তাত বাজেও আন হেতুত ক্রমৰ লৰচৰ হয়।

১২। কৰ্ম্মপদক ঘাইকৈ প্রকাশ কৰিব লাগিলে, সি বাক্যৰ আদিত থাকে। যেনে, বিষ্ণুত পূজে যি সি বৈষ্ণৱ।

১৩। ক্রিয়াপদক ঘাইকৈ প্রকাশ কৰিব লাগিলে, সিও বাক্যৰ আদিত থাকে। যেনে, পঢ়িছোঁ মই, শুইছে গোপাল, সি পঢ়া নাই।

১৪। সকলো বাক্যত কৰ্ত্তাৰ যি পুৰুষ আৰু বচন ক্রিয়াৰো সেই পুৰুষ আৰু বচন হয়। যেনে, মই কৰিছোঁ, আমি কৰিছোঁহঁক, তুমি কৰিছা, তোমালোকে কৰিছাহঁক, সি বা সিহঁতে কৰিছে।

১৫। এটা সাধ্যা ক্রিয়াৰ তিনিও পুৰুষৰ কৰ্ত্তা থাকিলে, সেই ক্রিয়া প্রথম পুৰুষৰ হয় আৰু প্রথম পুৰুষৰ কৰ্ত্তা ক্রিয়াৰ আগত থাকে। যেনে, সি, তুমি আৰু মই গোটখাই য

১৬। এটা সাধ্যা ক্রিয়াৰ দ্বিতীয় আৰু তৃতীয় পুৰুষৰ কৰ্ত্তা থাকিলে, সেই ক্রিয়া দ্বিতীয় পুৰুষৰ হয় আৰু দ্বিতীয় পুৰুষৰ কৰ্ত্তা ক্রিয়াৰ আগত থাকে। যেনে, সি আৰু তুমি যাবা, সি আৰু তোমালোক যাবাহঁক।

১৭। এটা সাধ্যা ক্রিয়াৰ ভিন ভিন পুৰুষৰ কৰ্ত্তা, কোনো অব্যয় শব্দেৰে পৃথক কৰা হলেও, সেই সাধ্যা ক্রিয়া, প্রথম পুৰুষৰ কৰ্ত্তা থাকিলে, প্রথম পুৰুষৰ আৰু দ্বিতীয়

পুৰুষৰ কৰ্ত্তা থাকিলে, দ্বিতীয় পুৰুষৰ হয়। যেনে, সি বা মই যাম, সি বা তুমি যাবা, সি, তুমি বা মই যাম।

১৮। একে পুৰুষৰ দুটা বা অধিক কৰ্ত্তাই এটা ক্ৰিয়া কৰা বুজালে, আনবিলাক কৰ্ত্তাৰ ক্ৰিয়া গুচি, প্ৰায় এটা কৰ্ত্তাৰ মাথোন ক্ৰিয়া থাকে। যেনে, ধনে মানুহৰ ক্ষমতা বঢ়ায় আৰু বিদ্যাই মানুহৰ গৌৰৱ বঢ়ায়। এই বাক্যৰ সলনি ধনে ক্ষমতা আৰু বিদ্যাই মানুহৰ গৌৰৱ বঢ়ায়।

১৯। কেতিয়াবা এফাঁকি সম্পূৰ্ণ কথাও ক্ৰিয়াৰ কৰ্ত্তা হয়। যেনে, মানভগনিত অসমৰ অনেক মানুহ নানা ঠাইত সিচ্‌ৰতি হৈ পৰিছিল, হয়। ইয়াত ওপৰৰ গোটেই ফাঁকি কথা শেষৰ 'হয়' ক্ৰিয়াৰ কৰ্ত্তা হৈছে।

২০। কেতিয়াবা ভাববাচ্যৰ কৃদন্ত পদ ক্ৰিয়াৰ কৰ্ত্তা হয়। যেনে, কালি তাৰ ভাত খোৱা নহল। ইয়াত খোৱা কৃদন্ত পদ নহল ক্ৰিয়াৰ কৰ্ত্তা হৈছে।

২১। ক্ৰিয়াৰ কৰ্ত্তা সকলোৱে জনা থাকিলে বা এবাৰ আগত উক্ত হলে, সি প্ৰায় উহ্য থাকে। যেনে, বৰষুণ আনিছে, ৰদ দিছে। ইয়াত, বৰষুণ মেঘে আনে, ৰদ সূৰ্য্যই দিয়ে, এই কথা সকলোৰে জনা আছে, সেই দেখি মেঘ আৰু সূৰ্য্য উহ্য আছে। ক্ৰিয়াৰ মূলক ধাতু বোলে। ইয়াতো 'সকলোৱে' উহ্য আছে।

২২। কোনো বিশেষ্য পদ বা ব্যক্তিবোধক সৰ্ব্বনামৰ পাচত বিশেষণ বা বিশেষণ স্বৰূপে ব্যৱহাৰ কৰা কোনো

বিশেষ্য পদ থাকিলে, হ ধাতুৰ নিত্য বৰ্ত্তমানকাল উক্ত নহয়। যেনে, গোপাল ব্ৰাহ্মণ (হয়), সি হিন্দু (হয়), তেওঁ বৰ দয়ালু (হয়), আব্‌দুল কাবুলী (হয়), তুমি বিদ্বান (হোৱা), মই নিমাখিত (হওঁ)। কিন্তু সেই ক্ৰিয়াৰ আগত অভাৱ বুজুৱা ন থাকিলে, সি উক্ত হয়। যেনে, গোপাল ব্ৰাহ্মণ নহয়, সি হিন্দু নহয়, তুমি বিদ্বান নোহোৱা, মই নিমাখিত নহওঁ।

২৩। প্ৰথম বা দ্বিতীয় পুৰুষৰ সৰ্ব্বনাম ক্ৰিয়াৰ কৰ্ত্তা হলে, সিহঁত প্ৰায় উক্ত নহয়। যেনে, দিলোঁ, যাম, অৰ্থাৎ মই দিলোঁ, মই যাম। সেইদৰে, দিলা, যাবা, অৰ্থাৎ তুমি দিলা, তুমি যাবা।

২৪। নিজ শব্দ পাচত থাকিলে ব্যক্তিবোধক সৰ্ব্বনামৰ কৰ্ত্তাকাৰক কেতিয়াবা উক্ত নহয়। যেনে, নিজে দিম, নিজে যাব, নিজে কবা, অৰ্থাৎ মই নিজে দিম, সি নিজে যাব, তুমি নিজে কবা।

২৫। তুলনা স্বৰূপে হ ধাতুৰ দুটা বা অধিক ব্যক্তি-বোধক সৰ্ব্বনাম কৰ্ত্তা থাকিলে, সিহঁতৰ ঘাইটো প্ৰথমত থাকে, আৰু ক্ৰিয়া সেই পুৰুষৰ হয়। যেনে, মইতো তুমি নহওঁ, তুমিতো মই নোহোৱা, সি তুমি বা মই নহয়। ইয়াত, দ্বিতীয়ত থকা সৰ্ব্বনাম কেইটা প্ৰথমত থকা কেইটাৰ তুলনা মাথোন, প্ৰথমত থকা কেইটাই বাক্যটোৰ ভিতৰত আচল কৰ্ত্তা। সেই দেখি সিহঁত আগত আছে, আৰু ক্ৰিয়াৰ পুৰুষো সিহঁতৰ লগত মিলিছে।

২৬। সেইদৰে, আন আন ক্ৰিয়াৰ পুৰুষো ঘাই কৰ্ত্তাৰ লগত মিলে। যেনে, মই অধমে নিবেদন কৰোঁ, সি অজা-মিলে কৰিব নোৱাৰে কি? তই খটাসুৰে ভাল কথা শুনিবি নে?

২৭। পাৰি, নোৱাৰি, দেখি, নেদেখি আদি ক্ৰিয়াৰ আৰু আৱশ্যক বুজোৱা লাগে আদি ক্ৰিয়াৰ কৰ্ত্তা নাথাকে। যেনে, নাখাই ২১ দিনলৈকে জীয়াই থাকিব পাৰি, শীতৰ নিমিত্তে গৌৰীশৃঙ্গলৈ যাব নোৱাৰি, বতাহ চকুৰে নেদেখি, আন্ধাৰ ঠাইৰ পৰা চালে দিনতো তৰা দেখি, তাক ধন নালাগে বিদ্যাহে লাগে। ইয়াত পাৰি, নোৱাৰি, নেদেখি, দেখি আৰু লাগে ক্ৰিয়াৰ কৰ্ত্তা নাই।

২৮। ক্ৰিয়া অকৰ্ম্মক হলে, কৰ্ত্তাৰ বিভক্তি নাথাকে। যেনে, প্ৰাণী হলেই মৰে, গুটি হলেই গজে। এই নিয়ম আৰু এই সম্বন্ধে আনবিলাক নিয়মো যোন সৰ্ব্বনামত খাটে। যেনে, যোনে ভাত ৰান্ধে বা পুথি পঢ়ে, কিন্তু যোন জীয়ে, যোন মৰে।

২৯। এটা বাক্যত সকৰ্ম্মক আৰু অকৰ্ম্মক দুয়ো বিধৰ ক্ৰিয়া থাকিলে, কৰ্ত্তাৰ বিভক্তি প্ৰথমত থকা ক্ৰিয়াৰ অনু-যায়ী হয়, অৰ্থাৎ প্ৰথম ক্ৰিয়া অকৰ্ম্মক হলে, কৰ্ত্তাৰ বিভক্তি গুচে, সকৰ্ম্মক হলে, নুগুচে। যেনে, গোপালে খায় আৰু শোৱে, তাৰ আন কাম নাই; গোপাল শোৱে আৰু খায়, তাৰ আন কাম নাই।

৩০। এটা বাক্যত এটা বা অধিক সকৰ্ম্মক সিদ্ধা ক্ৰিয়া, আৰু এটা অকৰ্ম্মক সাধ্যা ক্ৰিয়া থাকিলে, কৰ্ত্তাপদ যদি সিদ্ধা ক্ৰিয়াৰ আগত থাকে, তেনেহলে তাৰ বিভক্তি কওঁতাৰ ইচ্ছা অনুসাৰে গুচে বা থাকে। যেনে, গোপালে তাৰ দিনৰ পাঠ পঢ়িহে পঢ়াশালিলৈ যায়, বা গোপাল তাৰ দিনৰ পাঠ পঢ়িহে পঢ়াশালিলৈ যায়।

৩১। বাক্যত সিদ্ধা ক্ৰিয়া কৰ্ত্তাৰ আগত থাকিলে, সি সকৰ্ম্মকেই হওক বা অকৰ্ম্মকেই হওক, কৰ্ত্তাৰ বিভক্তি পাচত থকা সাধ্যা ক্ৰিয়াৰ অধীন হয়, অৰ্থাৎ সেই ক্ৰিয়া অকৰ্ম্মক হলে কৰ্ত্তাৰ বিভক্তি গুচে, সকৰ্ম্মক হলে নুগুচে। যেনে, ভাত খাই গোপাল শুইছে, ঘৰলৈ আহি গোপালে ভাত খাইছে।

৩২। এটা বাক্যত এটা বা অধিক অকৰ্ম্মক সিদ্ধা ক্ৰিয়া, আৰু এটা সকৰ্ম্মক সাধ্যা ক্ৰিয়া থাকিলে, তেতিয়া কৰ্ত্তাৰ বিভক্তি নুগুচে। যেনে, গোপালে শুই উঠি পঢ়িবলৈ ধৰিছে।

৩৩। সিদ্ধা ক্ৰিয়াৰ কৰ্ত্তাক কেৱলীয়া কৰ্ত্তা বোলে। কেৱলীয়া কৰ্ত্তাৰ সিদ্ধা ক্ৰিয়াৰ ভিতৰত সকৰ্ম্মক অকৰ্ম্মক দুয়ো বিধৰ ক্ৰিয়া থাকিলে, সেই কৰ্ত্তাৰ বিভক্তি নুগুচে। যেনে, গোপালে শুই উঠি ফুৰিবলৈ ওলাই গলে, আমি পাশটি খেলামহঁক।

৩৪। ব্যক্তিবোধক সৰ্ব্বনাম কৰ্ত্তা হলে, তাৰ পাচত থকা

নিজ শব্দৰ বিভক্তি নুগুচে। যেনে, মই নিজে যাম, সি নিজে কৰিব।

৩৫। কেতিয়াবা দুটা বা অধিক বিশেষ্য পদৰ একে কাৰক হয়। তেনে পদবিলাকক সমকাৰক বোলা যায়। সমকাৰকৰ প্ৰথমটোৰ বিভক্তি গুচে, শেষৰটোত মাথোন থাকে। যেনে, মহাৰাজ জৰ্জ্জৰ আজ্ঞা, মহামহোপাধ্যায় স্বৰ্গীয় ধীৰেশ্বৰ ভট্টাচাৰ্য্যই বছেৰেকত এশ ৰূপ সম্মানী পাইছিল, মল্ল ৰামমূৰ্ত্তিক কেওঁ বলে নোৱাৰে, মহাপুৰুষ শঙ্কৰদেৱে ১৩৭১ শঁকত বৈকুণ্ঠ প্ৰয়াণ কৰে।

৩৬। সমকাৰকৰ প্ৰথম পদ সৰ্ব্বনাম হলে, তাৰ বিভক্তি নুগুচে। যেনে, আমি দুয়োজনে, আমাক দুয়োজনক, আমাৰ দুয়োজনৰ, তাক মহাপাপীক, তাক সিয়নিত শোৱাক। কিন্তু তই মহাপাপীক, সি সিয়নিত শোৱাক, এনেকুৱাও হয়।

৩৭। হাঁহ, কান্দ, কাহ, নাচ, হাগ, মুত, গাঁজ, ওমল, হাঁচিয়া আদি কেতবিলাক অকৰ্ম্মক ক্ৰিয়াৰ, আৰু নামধাতুৰ ক্ৰিয়াৰ কৰ্ত্তাৰ বিভক্তি নুগুচে। যেনে, গোপালে হাঁহিছে, কান্দিছে, কাহিছে, নাচিছে। লৰাই হাগিছে, মুতিছে, উমলিছে, হাঁচিয়াইছে। মেঘে গাঁজিছে, বেঙে কোৰ্‌কোৰাইছে, পেটে খিল্‌খিলাইছে, হৰিয়ে বিঙিয়াইছে।

৩৮। কৃতৰ ওঁতে প্ৰত্যয়ান্ত সিদ্ধা ক্ৰিয়া আৰু আন কোনো সাধ্যা ক্ৰিয়াৰ একেটা কৰ্ত্তা হলে, সি সিদ্ধা ক্ৰিয়াৰ

আগত থাকে। যেনে, মই বজাৰলৈ যাওঁতে তাক দেখিছিলোঁ। বজাৰলৈ যাওঁতে মই তাক দেখিছিলোঁ, এনেকুৱা হলে, কোন যাওঁতে, সি যাওঁতে নে মই যাওঁতে, এই কথা অস্পষ্ট হৈ থাকে।

## ক্রিয়া আৰু কৰ্ম্মৰ সঙ্গতি।

৩৯। সকৰ্ম্মক ক্রিয়াৰ এটা বা অধিক কৰ্ম্ম পদ থাকে। কৰ্ম্ম পদ বাক্যত প্রকাশ বা উহ্য থাকিব পাৰে।

৪০। সকৰ্ম্মক ধাতুৰ পৰা উৎপন্ন হোৱা কৃদন্ত ক্রিয়াৰো কৰ্ম্ম পদ থাকে। যেনে, ৰুগীয়া মানুহৰ পক্ষে মাংস ভোজন অযুগুত। ইয়াত, ভোজন সকৰ্ম্মক ধাতুৰ পৰা উৎপন্ন হোৱা কৃদন্ত পদ, তাৰ কৰ্ম্ম মাংস। সেইদৰে, পুথি পঢ়োঁতে তাৰ খোকোজা লাগে। ইয়াতো, পঢ়োঁতে সকৰ্ম্মক ধাতুৰ পৰা উৎপন্ন হোৱা কৃদন্ত পদ, তাৰ কৰ্ম্ম পুথি।

৪১। সংজ্ঞা শব্দ বা সৰ্ব্বনাম সকৰ্ম্ম ক্রিয়াৰ কৰ্ম্ম হয়। কেতিয়াবা ভাববাচ্যৰ কৃদন্ত পদো বাক্যত কৰ্ম্ম হৈ বহে। যেনে. এপালি দৰবেই তাৰ মূৰ ফুৰণি গুচালে। ইয়াত, ফুৰণি ভাববাচ্যৰ কৃদন্ত পদ, সি গুচালে ক্রিয়াৰ কৰ্ম্ম হৈছে।

৪২। কেতিয়াবা এটা সম্পূৰ্ণ বাক্যও সকৰ্ম্মক ক্রিয়াৰ কৰ্ম্ম হয়। যেনে, মই বোলোঁ, মই নেযাওঁ। ইয়াত, 'মই নেযাওঁ' বাক্যটো বোলোঁ ক্রিয়াৰ কৰ্ম্ম হৈছে। সেইদৰে,

সি কৈছিল যে গোপালে হেনো আজিলৈকে তাৰ অৱস্থাৰ উন্নতি কৰিব পৰা নাই। ইয়াত, 'যে গোপালে * * * *' বাক্যটো কৈছিল ক্রিয়াৰ কৰ্ম্ম।

৪৩। বাক্য এটা ক্রিয়াৰ কৰ্ম্ম হলে, তাৰ আগত অব্যয় যে, বা ক্রিয়াটোৰ কৰ্ত্তাৰ পুৰুষ অনুসাৰে বোলোঁ, বোলা, বা বোলে শব্দ থাকে। যেনে, মই বোলোঁ মই নেযাওঁ, তুমি বোলা তুমি নোযোৱা, সি বোলে সি নেযায়; বা মই বোলোঁ নেযাওঁ, তুমি বোলা নোযোৱা, সি বোলে নেযায়। আৰু, তুমি কোৱা যে তেওঁ লিখা কিতাপখন লৰাই পঢ়িবলৈ বেয়া; ইত্যাদি।

৪৪। সাধাৰণ সংজ্ঞাবোধক শব্দ ক্রিয়াৰ কৰ্ম্ম হলে, তাৰ শেষৰ দ্বিতীয়া বিভক্তিৰ অক গুচে। যেনে, চৰাই মাৰিলে, মানুহ বধিলে, ভাত খালে, কিতাপ পঢ়িলে, ইত্যাদি।

৪৫। সাধাৰণ সংজ্ঞাবোধক কৰ্ম্ম পদৰ শেষত তদ্ধিতৰ টো, জন, আৰু গৰাকী প্রত্যয় থাকিলে, তাৰ বিভক্তি নুগুচে। যেনে, চৰাইটোক মাৰ, মানুহটোক, মানুহজনক বা মানুহ গৰাকীক মাত।

৪৬। সাধাৰণ সংজ্ঞাবোধক কৰ্ম্ম পদ যদি নিৰ্জীব বস্তু হয়, তেন্তে তদ্ধিত প্রত্যয় থাকিলেও তাৰ বিভক্তি গুচে। যেনে, বাঁহটো কাট, কিতাপখন পঢ়, চেনিফেৰা নেপেলাবি।

৪৭। বিশেষ সংজ্ঞাবোধক শব্দ বা সৰ্ব্বনাম কৰ্ম্ম পদ হলে, তাৰ বিভক্তি নুগুচে। যেনে, শিৱক পূজিলে পুত্ৰলাভ

হয়, ভাৰতত সূৰ্য্যক পূজা এটা সম্প্ৰদায় আছে, গোপালক মাত, তাক মোৰ ঘৰলৈ পঠিয়াই দিবি।

৪৮। সম্বন্ধ, জাতি আৰু কুল বুজুৱা শব্দ কৰ্ম্ম পদ হলে, তাৰ বিভক্তি নুগুচে। যেনে, পুতেকে বাপেকক সেৱা কৰিব লাগে, পঞ্জাবীক সকলোৱে সাহিয়াল আৰু বলৱন্ত বুলি ভাবে, কলিতাক আগৰ ক্ষত্ৰিয় বুলি কয়।

৪৯। যি কৰ্ম্ম পদৰ কোনো এটা গুণ বিশেষৰূপে দেখুউৱা হয়, তাৰ বিভক্তি নুগুচে। যেনে, ক্ষমতাই মানুহক অহঙ্কাৰী কৰে।

৫০। বিশেষৰূপে দেখুৱালে, কোনো কৰ্ম্ম পদৰ বিভক্তি নুগুচে। যেনে, সি ৰজাকো ককাই নোবোলে, নৰিয়াই আজি চকুকে নেমেলে, সি পঁইতাকো জুৰাই খায়।

৫১। দুটা বা অধিক সংজ্ঞা শব্দৰ পাচত সংখ্যাবোধক শব্দ থাকিলে, সংজ্ঞা শব্দৰ যি কাৰক সংখ্যাবোধক শব্দৰো সেই কাৰক হয়, কিন্তু বিভক্তি কেৱল সংখ্যাবোধক শব্দতহে থাকে, আৰু তাৰ পাচত এটা ও হয়। যেনে, হলি, মতি, আৰু গোপাল, তিনিও যাব। হলি, মতি, আৰু গোপাল, তিনিওকো মাতিবি।

৫২। সৰ্ব্বনামৰ পাচত সংখ্যাবোধক শব্দ থাকিলে, সৰ্ব্বনামৰ বিভক্তি নুগুচে। যেনে, তোমাক আৰু মোক, দুয়োকো মাতিছে, তুমি আৰু মই, দুয়ো যাম।

৫৩। দুটা বা অধিক সংজ্ঞা শব্দৰ পাচত, এই বিলাক,

এই সকল আদি বিশেষণ সৰ্ব্বনাম থাকিলে, সংজ্ঞা শব্দৰ কাৰকেই বিশেষণ সৰ্ব্বনামৰো কাৰক হয়, আৰু বিভক্তি কেৱল বিশেষণ সৰ্ব্বনামত থাকে। যেনে, গছ, লতা, বন এই-বিলাকক উদ্ভিদ্ বোলে ; বাই ভনী, ককাই ভাই, এই সকলো তোমাৰ মৰমৰ পাত্ৰ ; লৰা বুঢ়া, মতা মাইকী, সকলোৱে তাক গৰিহণা দিছিল।

## আন আন কাৰক আৰু ক্ৰিয়াৰ সঙ্গতি।

৫৪। সম্বন্ধ আৰু সম্বন্ধী পদৰ ভিতৰত সম্বন্ধী সংজ্ঞা শব্দ কেতিয়াবা লোপ হয়, আৰু তাৰ ঠাইত তদ্ধিতৰ টো, জন আদি প্ৰত্যয় মাথোন থাকে। আগত উক্ত থাকিলে, সম্বন্ধ আৰু সম্বন্ধী দুয়ো সংজ্ঞা শব্দ লোপ হয়, কেৱল সিহঁতৰ তদ্ধিত প্ৰত্যয় কেইটাহে থাকে। যেনে, ভাল কাপটো হেৰাল, বেয়াটোহে আছে ; ভাল শিক্ষকজন গল, বেয়াজন ৰল। কিন্তু কাপ বা শিক্ষকৰ বিষয়েহে যে কোৱা হৈছে, এই কথা জনা থাকিলে, তেতিয়া ভালটো হেৰাল, বেয়াটো আছে ; ভালজন গল, বেয়াজন ৰল, এনেকুৱা হয়।

৫৫। যিবিলাক ক্ৰিয়া সকৰ্ম্মক আৰু অকৰ্ম্মক, দুয়ো ৰূপে ব্যৱহাৰ কৰিব পাৰি, সিহঁতৰ লগত সম্বন্ধ হোৱা সংজ্ঞা আৰু সৰ্ব্বনাম শব্দত দ্বিতীয়া বিভক্তিৰ অক বা সপ্তমী বিভক্তিৰ অত হয়। যেনে, আপোনাক খাটোঁ বা আপোনাত খাটোঁ।

৫৬। অকর্ম্মক ক্রিয়াৰে সৈতে সম্বন্ধ হোৱা সংজ্ঞা আৰু সর্ব্বনাম শব্দত সপ্তমী বিভক্তিৰ অত যোগ হয়। যেনে, পাটীত শুইছোঁ, পিৰাত বহিছোঁ, ঘৰত আছোঁ।

৫৭। সপ্তাহৰ দিন বুজুৱা বাৰ শব্দত সপ্তমীৰ অত বিভক্তিৰ ঠাইত এ হয়। যেনে, দেওবাৰে যাম, সোমবাৰে আহিবি।

৫৮। তাৰিখ শব্দত সপ্তমীৰ অত বা তাৰ সলনি এ হয়। যেনে, বহাগৰ বাৰ তাৰিখত, বা বহাগৰ বাৰ তাৰিখে।

৫৯। দিন শব্দে দিনৰ ভাগ বুজালে, তাত সপ্তমীৰ অত থাকে। যেনে, দিনত শোৱা অযুগুত।

৬০। ৰাতি শব্দে ৰাতিৰ ভাগ বুজালে, তাত অত নাথাকে। যেনে, সি ৰাতি আহিছিল, ৰাতি শ্রাদ্ধ কৰা নিষেধ।

৬১। বিশেষৰূপে দেখুৱালে, কেতিয়াবা ৰাতি শব্দৰ অত থাকে। যেনে, সি ৰাতিতে আহি ৰাতিতে গল।

৬২। সেই সময়ৰ শেষত, এই অর্থত দিন, বাৰ, মাহ আদি সময় বুজুৱা শব্দ ব্যৱহাৰ হলে, সিহঁতৰ সপ্তমীৰ অত নুগুচে। যেনে, সি মাহত এশ ৰূপ পায়, অর্থাৎ মাহেকৰ শেষত পায়, বছৰত বাৰ মাহ থাকে, অর্থাৎ বছৰৰ শেষত বাৰ মাহ পূৰ হয়। সেইদৰে, ছমাহত পুথিখন লিখা হল, চাৰি বছৰত তিনি হেজাৰ ৰূপ আয় হল, দহ মাহ দহ দিনত লৰা ওপজে।

৬৩। সেই সময় ব্যাপি, এই অৰ্থত দিন, বাৰ, মাহ আদি সময় বুজুৱা শব্দ ব্যৱহাৰ হলে, সিহঁতৰ সপ্তমীৰ অত গুচে। যেনে, এদিন আছিলোঁ, অৰ্থাৎ এদিন ব্যাপি আছিলোঁ। ছবছৰ খাটিলোঁ, অৰ্থাৎ ছবছৰ ব্যাপি খাটিলোঁ। কুম্ভকৰ্ণে বাৰ বছৰ শুইছিল, অৰ্থাৎ বাৰ বছৰ জুৰি শুইছিল।

৬৪। বিনা বা বিনে শব্দৰ যোগত কোনো সংজ্ঞা শব্দত সপ্তমীৰ অত হলে, সেই অত কেতিয়াবা গুচে। যেনে, ধন বিনা বা ধন বিনে কোনো কাম সিদ্ধ নহয়। পদ্যত প্ৰায় সদায় গুচে। যেনে, হৰি বিনে উদ্ধাৰৰ নাহিকে উপায়।

৬৫। যুক্ত শব্দৰ যোগত কোনো সংজ্ঞা শব্দত তৃতীয়া বিভক্তি হলে, যুক্ত শব্দ লোপ হয়। যেনে, দীঘল জঁটাৰে যুক্ত সন্ন্যাসীজন, দীঘল জঁটাৰে সন্ন্যাসীজন। সেই দৰে, জুটুলা চুলিৰে তিৰোতা জনী, ঘুৰণীয়া মুখেৰে লৰাটো।

৬৬। হতুৱাই শব্দ কেৱল সজীব বস্তুৰ নামৰ পাচতহে ব্যৱহাৰ হয়, আৰু তাৰ পাচত এটা পাঁচনী ক্ৰিয়া থাকে। যেনে, গোপালৰ হতুৱাই চিঠিখন লিখোৱা হল, আজিকালি বান্দৰৰ হতুৱাই ছাপাখানাত আখৰ বচোৱা হয়।

৬৭। দ্বাৰা শব্দ প্ৰাণীৰ নাম আৰু নিৰ্জীব বস্তুৰ নাম, দুয়োৰো পাচত ব্যৱহাৰ হয়। প্ৰাণীৰ নামৰ পাচত ব্যৱহাৰ হলে, তাৰ পাচত এটা পাঁচনী ক্ৰিয়া থাকে, নিৰ্জীব বস্তুৰ

নামৰ পাচত ব্যৱহাৰ হলে নাথাকে। যেনে, কুলিৰ দ্বাৰা গছডাল কটোৱা হৈছে, কিন্তু বাঁহডাল দাৰে কাটিছে।

৬৮। মতে শব্দ পাচত থাকিলে, সংজ্ঞা শব্দৰ ষষ্ঠীৰ অৰ গুচে, কিন্তু ব্যক্তিবোধক সৰ্ব্বনামৰ নুগুচে। যেনে, নিয়মৰ মতে, নিয়ম মতে। বিধিৰ মতে, বিধি মতে। কিন্তু মোৰ মতে, তোমাৰ মতে।

৬৯। অনুসাৰে শব্দ পাচত থাকিলে, আগৰ শব্দৰ ষষ্ঠীৰ অৰ গুচে। যেনে, বুদ্ধিৰ অনুসাৰে, বুদ্ধি অনুসাৰে; আহিৰ অনুসাৰে, আহিঁ অনুসাৰে।

৭০। সম্বন্ধে বা সম্পৰ্কে শব্দ পাচত থাকিলে, সংজ্ঞা শব্দৰ ষষ্ঠীৰ অৰ লোপ হয়, কিন্তু ব্যক্তিবোধক সৰ্ব্বনামৰ লোপ নহয়। যেনে, শিক্ষাৰ সম্বন্ধে বা সম্পৰ্কে, শিক্ষা সম্বন্ধে বা সম্পৰ্কে; কিন্তু তোমাৰ বা তাৰ সম্বন্ধে বা সম্পৰ্কে।

৭১। অনুসৰি, অবধি আৰু পৰ্য্যন্ত শব্দ পাচত থাকিলে, আগৰ শব্দৰ দ্বিতীয়াৰ অক লোপ হয়। যেনে, আহিক অনুসৰি, আহিঁ অনুসৰি; কালিক অবধি, কালি অবধি; আজিক পৰ্য্যন্ত, আজি পৰ্য্যন্ত।

৭২। সৈতে শব্দ পাচত থাকিলে, আগৰ শব্দৰ তৃতীয়াৰ এৰে বিভক্তিৰ ৰে কেতিয়াবা গুচে। যেনে চিত্তেৰে সৈতে, চিত্তে সৈতে; হাতেৰে সৈতে, হাতে সৈতে। কিন্তু স্বৰান্ত শব্দৰ ৰে নুগুচে। যেনে, কাঠিৰে জুখিলে, ধেনুৰে কঁড়িয়ালে, পলোৰে মাছ মাৰে।

৭৩। কেতিয়াবা সৈতে শব্দ লোপ হয়। যেনে, শ্ৰদ্ধাৰে সৈতে পঢ়িলেহে কথা মনত থাকে, শ্ৰদ্ধাৰে পঢ়িলেহে কথা মনত থাকে।

৭৪। কেতিয়াবা তৃতীয়াৰ এদি বিভক্তিৰ দি গুচে। যেনে, ই হাতে দি দিলে, সি হাতে দি নিলে ; ই হাতে দিলে, সি হাতে নিলে।

৭৫। পতি ( প্ৰতি ) শব্দ পাচত থাকিলে, আগৰ শব্দত প্ৰথমা বিভক্তি হয়। যেনে, লৰাই পতি এটাকৈ পৰিছে, মুনিয়ে পতি মত ভিন।

৭৬। শুন্ ধাতুৰ ক্ৰিয়াৰ লগত মুখ শব্দৰ, আৰু পা ধাতুৰ ক্ৰিয়াৰ লগত হাত শব্দৰ সম্বন্ধ হলে, সিহঁতৰ পঞ্চমীৰ পৰা বিভক্তি গুচি তাৰ ঠাইত এ হয়। যেনে, তাৰ মুখৰ পৰা শুনিলোঁ, তাৰ মুখে শুনিলোঁ ; তাৰ হাতৰ পৰা পালোঁ, তাৰ হাতে পালোঁ।

৭৭। পাহৰ্ ধাতুৰ ক্ৰিয়াৰ কৰ্ম্ম পদত দ্বিতীয়াৰ অক বিভক্তিৰ ঠাইত কেতিয়াবা চতুৰ্থীৰ লৈ বিভক্তি হয়। যেনে, মোক পাহৰিলা বা মোলৈ পাহৰিলা ; তাক নাপাহৰিবা বা তালৈ নাপাহৰিবা।

৭৮। দুটাৰ অধিক পদ যোজক অব্যয়েৰে বা পৃথক বোধক অব্যয়েৰে লগ লগোৱা হলে অব্যয় শব্দটো সিহঁতৰ শেষৰটোৰ আগত মাথোন থাকে। যেনে, ৰাম আৰু কৃষ্ণ আৰু হৰিয়ে মোক এই কথা কৈছিল ; ৰাম, কৃষ্ণ আৰু

হৰিয়ে মোক এই কথা কৈছিল। ৰাম আৰু কৃষ্ণ আৰু হৰিক মাতিবা ; ৰাম, কৃষ্ণ, আৰু হৰিক মাতিবা। সেই দৰে, ৰাম আৰু কৃষ্ণ আৰু হৰি আৰু গোপালৰ পৰা মই কথাটো শুনিছোঁ ; ৰাম, কৃষ্ণ, হৰি, আৰু গোপালৰ পৰা মই কথাটো শুনিছোঁ। ৰাম বা কৃষ্ণ বা হৰি, ৰাম, কৃষ্ণ, বা হৰি।

৭৯। দুটাৰ অধিক খণ্ড বাক্য যোজক অব্যয়েৰে লগ লগোৱা হলে, অব্যয় শব্দটো শেষৰ খণ্ড বাক্যটোৰ আগত মাথোন থাকে। যেনে, বায়েকে ভাত ৰান্ধিছিল আৰু ভনী-য়েকে আলপৈচান ধৰিছিল আৰু মাকে দেখুৱাই দিছিল, বায়েকে ভাত ৰান্ধিছিল, ভনীয়েকে আলপৈচান ধৰিছিল, আৰু মাকে দেখুৱাই দিছিল।

৮০। কৃদন্ত ভাববাচ্যৰ পদ কোনো ক্ৰিয়াৰ কৰ্ত্তা হলে, সেই কৃদন্ত পদৰ যি কৰ্ত্তা, তাত ষষ্ঠী বিভক্তি হয়। যেনে, গোপালৰ খোৱা হল। ইয়াত, খোৱা খা ধাতুৰ ভাববাচ্যৰ কৃদন্ত পদ, সি 'হল' ক্ৰিয়াৰ কৰ্ত্তা হৈছে। খোৱা কৃদন্ত পদৰ কৰ্ত্তা হৈছে গোপাল, সেই দেখি গোপাল শব্দত ষষ্ঠী বিভক্তি হৈছে।

৮১। কৃদন্ত ভাববাচ্যৰ পদ আন কোনো পদৰ বিশেষণ হলে, কৃদন্ত পদৰ কৰ্ত্তাত প্ৰথমা বিভক্তিয়েই থাকে। যেনে, মই গোপালে লিখা চিঠিখন পাইছোঁ। ইয়াত, লিখা কৃদন্ত পদ চিঠিৰ বিশেষণ হৈছে, তাৰ যে কৰ্ত্তা গোপাল, তাৰ প্ৰথমা বিভক্তিয়েই আছে।

৮২। কৃদন্ত ভাববাচ্যৰ পদ কোনো ক্রিয়াৰ কৰ্ম্ম হলে, তাৰ কৰ্ত্তাত দ্বিতীয়া বিভক্তি হয়। যেনে, মই গোপালক সেই বাটেৰে যোৱা দেখিছিলোঁ। ইয়াত, যোৱা কৃদন্ত পদ দেখিছিলোঁ ক্রিয়াৰ কৰ্ম্ম, তাৰ যে কৰ্ত্তা গোপাল, তাত দ্বিতীয়া বিভক্তি হৈছে।

৮৩। প্রয়োজন বুজুৱা লাগ ধাতুৰ সদায় দুটা কৰ্ম্ম পদ থাকে, যাক লাগে, আৰু যি বস্তু লাগে। যেনে, মোক এখন আসামৰ বিস্তৃত বুৰঞ্জী লাগে। ইয়াত, লাগে ক্রিয়াৰ দুটা কৰ্ম্ম পদ আছে, মোক আৰু বুৰঞ্জী।

৮৪। ইব প্রত্যয়ান্ত কৃদন্ত পদ কোনো সাধ্যা ক্রিয়াৰ কৰ্ত্তা বা কৰ্ম্ম হয়। যেনে, তেওঁ সদায় এক আধ্যা গীতা পঢ়ে, আজি পঢ়িবলৈ নহল; আজি কালি বহুত লৰাই বোৱনি শিকিবলৈ ধৰিছে। ইয়াত, পঢ়িবলৈ আৰু শিকিবলৈ দুয়ো ইব প্রত্যয়ান্ত কৃদন্ত পদ, পঢ়িবলৈ নহল ক্রিয়াৰ কৰ্ত্তা হৈছে, আৰু শিকিবলৈ ধৰিছে ক্রিয়াৰ কৰ্ম্ম হৈছে।

## কাল আৰু ক্রিয়াৰ সঙ্গতি।

৮৫। ক্রিয়া হোৱাত সন্দেহ থাকিলে, ভবিষ্যৎ কালৰ ঠাইত নিত্য বৰ্ত্তমান কাল ব্যৱহাৰ হয়। যেনে, যদি ঈশ্বৰে মোক তেতিয়ালৈ জীয়াই ৰাখে তেন্তে আকৌ তোমাৰে সৈতে দখা হব।

৮৬। ক্রিয়া হোৱাত সন্দেহ থাকিলে, তাৰ আগত বা

পাচত অব্যয় শব্দ যদি ব্যৱহাৰ হয়। যেনে, যদি সি আহে, বা সি যদি আহে তেন্তে মই যাম।

৮৭। ক্রিয়া হোৱাত সন্দেহ থাকিলে, কেতিয়াবা ক্রিয়াৰ পাচত কৃৎ প্রত্যয় ইলে ব্যৱহাৰ হয়। যেনে, সি আহিলে মই যাম, অর্থাৎ যদি সি আহে মই যাম।

৮৮। কৃৎ প্রত্যয় ইলে, কেতিয়াবা ক্রিয়াৰ ভবিষ্যৎ সময় নির্দ্দেশ কৰিবলৈকো ব্যৱহাৰ হয়। যেনে, সি আহিলে মই যাম, অর্থাৎ সি অহাটো স্থিৰ, কিন্তু সি আহি পালেহে মই যাম, আগেয়ে নেযাওঁ।

৮৯। যি ভবিষ্যৎ কালৰ ক্রিয়াৰ লগত যেতিয়া অব্যয় শব্দৰ সম্বন্ধ হয়, সেই ক্রিয়াও নিত্য বৰ্ত্তমান কালত থাকে। যেনে, যেতিয়া সি আহে, বা সি যেতিয়া আহে, তেতিয়া কথাটো উলিৱা হব।

৯০। অভাৱ বা নিষেধ বুজুৱা ন থাকিলে, ভবিষ্যৎ কালৰ ঠাইত নিত্য বৰ্ত্তমান কাল ব্যৱহাৰ হয়। যেনে, মই আৰু ভবিষ্যতে তালৈ নাযাওঁ, এই শাস্তি খোৱাৰ পাচত সি আৰু এনে কাম নকৰে। কিন্তু অনুজ্ঞাত নিত্য বৰ্ত্তমান কাল নহয়, ভবিষ্যৎ কাল হয়। যেনে, তই আৰু ভবিষ্যতে তালৈ নাযাবি, সি আৰু ভবিষ্যতে তালৈ নাযায়।

৯১। অভ্যাস বা নিয়ম বুজালে, ভূত কালৰ সলনি নিত্য বৰ্ত্তমান কাল ব্যৱহাৰ হয়। যেনে, আগেয়ে এনে সময়ত তেওঁ পূজাত বহে।

✓ ৯২। ক্রিয়া কৰা নিশ্চয় হলে ভবিষ্যৎ কালৰ সলনি নিত্য বৰ্ত্তমান কাল ব্যৱহাৰ হয়। যেনে, কমলা কালিলৈ কলিকতালৈ যায়।

৯৩। ভূত কালৰ কোনো ঘটনা বৰ্ণনা কৰিবলৈ হলে, তাত নিত্য বৰ্ত্তমান কাল ব্যৱহাৰ হয়। যেনে, বিদেশী জাতিৰ ভিতৰত ভাৰতলৈ আদিতে গ্ৰীক আহে, তাৰ পাচত ওলন্দাজ আহে, তাৰ পাচত স্পেনিয়াৰ্ড আহে, তাৰ পাচত মুছলমান আহে, তাৰ পাচত ফৰাচী আহে, সবশেহত ইংৰাজ আহে, আৰু এই সকলোবিলাক জাতিয়েই ভাৰতত বেহা বেপাৰ কৰি থাকিবলৈ একো ডুখৰি ঠাই যুগুত কৰি লয়।

৯৪। কৃতৰ ই প্ৰত্যয়ান্ত সিদ্ধা ক্রিয়াৰ পাচত সকলো কালৰ সাধ্যা ক্রিয়া থাকিব পাৰে। যেনে, সি খাই শোৱে, সি শুই ভাবিছিল, সি শুই উঠি যাব, মই খাই আহিছোঁ, সি খাই আহিলহেঁতেন।

৯৫। কৃতৰ ইলত প্ৰত্যয়ান্ত সিদ্ধা ক্রিয়াৰ পাচত কেৱল স্বৰূপ বৰ্ত্তমান, স্বৰূপ ভূত, আৰু অপূৰ্ণ ভূত কালৰ সাধ্যা ক্রিয়া মাথোন থাকে। যেনে, সি শুলত মই আহিছোঁ, মই আহিলত সি গল, তই গলত সি আহিছিল।

৯৬। কৃতৰ ইলে প্ৰত্যয়ান্ত সিদ্ধা ক্রিয়াৰ পাচত কেৱল নিত্য বৰ্ত্তমান, সান্তব্য ভূত, আৰু ভবিষ্যৎ কালৰ সাধ্যা ক্রিয়া মাথোন থাকে। যেনে, তেওঁ ওলাই গলে মই পঢ়োঁ; লৰাৰ হাই উৰুমি মৰিলে মই শুলোঁহেঁতেন; সি গলে মই যাম।

৯৭। কোনো অতীত কালত হৈ যোৱা ক্ৰিয়াৰ ফল বৰ্ত্তমান সময়লৈকে থাকিলে, তাক প্ৰকাশ কৰিবলৈ স্বৰূপ-বৰ্ত্তমান কাল ব্যৱহাৰ হয়। যেনে, মই জাপানী মাটিকঠাল খাইছো, সি কেনে মই জানো। ইয়াত, খোৱা ক্ৰিয়া কোনো অতীত কালত হৈছে, কিন্তু সেই মাটিকঠালৰ সোৱাদ, আকাৰ প্ৰকাৰ সকলো আজিলৈকে মোৰ মনত আছে, সেই দেখি স্বৰূপ বৰ্ত্তমান কালৰ ক্ৰিয়া খাইছোঁ ব্যৱহাৰ হৈছে। শকুন্তলা নাট কালিদাসে লিখিছে। ইয়াতো, লিখা ক্ৰিয়া কোনো অতীত কালত হৈ গলেও, তাৰ ফল এতিয়ালৈকে আছে, সেই দেখি স্বৰূপ বৰ্ত্তমান কালৰ ক্ৰিয়া লিখিছে ব্যৱহাৰ হৈছে।

৯৮। কেতিয়াবা ইব প্ৰত্যয়ান্ত পদৰ পাচত লাগ্ ধাতুৰ ক্ৰিয়া যোগ দি স্বৰূপ বৰ্ত্তমান কাল প্ৰকাশ কৰা হয়। যেনে, সি পঢ়িব লাগিছে, অৰ্থাৎ পঢ়ি আছে।

৯৯। ইব প্ৰত্যয়ান্ত পদত লৈ যোগ দি, তাৰ পাচত লাগ্ ধাতুৰ ক্ৰিয়া ব্যৱহাৰ কৰিলে, ক্ৰিয়া আৰম্ভ কৰা বুজায়। যেনে, সি পঢ়িবলৈ লাগিছে।

১০০। সিদ্ধা ক্ৰিয়াৰ বাক্য শেষ নহয়। সেই দেখি সিদ্ধা ক্ৰিয়াৰ পাচত সদায় এটা সাধ্যা ক্ৰিয়া ব্যৱহাৰ হয়। যেনে, সি ভাত খাই শুলে। ইয়াত, খাই সিদ্ধা ক্ৰিয়া, শুলে সাধ্যা, শুলে ক্ৰিয়াৰ দ্বাৰা বাক্যটো শেষ কৰা হৈছে।

১০১। প্ৰশ্ন বাক্যত নে অব্যয়ৰ পাচত ভবিষ্যৎ কালৰ সলনি নিত্য বৰ্ত্তমান কাল ব্যৱহাৰ হয়। যেনে, তুমি আজি

যাবা নে নোযোৱা, সি আজি যাব নে নাযায়। এনেকুৱা প্ৰশ্নৰ উত্তৰতো নিত্য বৰ্ত্তমান কাল ব্যৱহাৰ হয়। যেনে, মই নাযাওঁ, সি নাযায়। কিন্তু যোৱা বিষয়ত উত্তৰ দিওঁতাৰ সন্দেহ থাকিলে, ভবিষ্যৎ কাল ব্যৱহাৰ হয় আৰু তাৰ পাচত হবলা শব্দ যোগ হয়। যেনে, মই নাযাম হবলা, সি নাযাব হবলা।

## বিশেষ্য আৰু বিশেষণ পদৰ সঙ্গতি।

১০২। বিশেষণ পদ সদায় বিশেষ্যৰ আগত থাকে। যেনে, থুলন্তৰ পুৰুষ, বিতোপন ফুল, ৰূপহী ছোৱালী।

১০৩। বিশেষণ পদ বিশেষৰূপে দেখুৱাব লাগিলে, সি বিশেষ্য পদৰ পাচলৈ যায়। যেনে, বগলী বগা, কাউৰী কলা, জাপানী কঁটিয়া, পাৰদ ধাতু জুলীয়া।

১০৪। কেতিয়াবা কেইবাটাও পদ গোট খাই এটা বিশেষণ হয়। যেনে, হাতে কটা সূতাৰে ঘৰত বোৱা কাপোৰ। ইয়াত, হাতে কটা সূতাৰে ঘৰত বোৱা, এই গোটেই ফাঁকি কথা কাপোৰৰ বিশেষণ হৈছে।

১০৫। এটা বাক্যৰ ভিতৰত ভিন ভিন বিশেষ্যৰ ভিন ভিন বিশেষণ থাকিলে, সেই বিশেষ্যবিলাকৰ প্ৰত্যেকৰ আগত এটা, এজন, এগৰাকী আদি কথা থাকে। যেনে, কালি আমাৰ ঘৰলৈ এজন বৰ বিদ্যাৱন্ত আৰু এজন বৰ আঢ্যৱন্ত মানুহ আহিল। এই বাক্যটোত মানুহ দুজন বুলি

বুজা গৈছে। কিন্তু, কালি আমাৰ ঘৰলৈ এজন বৰ বিদ্যাৱন্ত আৰু বৰ আঢ্যৱন্ত মানুহ আহিছিল। এই বাক্যটোত এজন মানুহহে বুজা যায়। সেই জন মানুহেই বিদ্যাৱন্তও আৰু আঢ্যৱন্তও।

১০৬। যি ক্রিয়াবিশেষণে যি ক্রিয়াৰ গুণ দেখুৱায় সি সেই ক্রিয়াৰ আগত থাকে। যেনে, অথনি গৈছিল, এতিয়া আহিল। খৰকৈ লিখিবা কিন্তু লাহে লাহে পঢ়িবা।

## সৰ্ব্বনাম সঙ্গতি।

১০৭। সংজ্ঞা শব্দৰ যি বচন আৰু লিঙ্গ, তাৰ সৰ্ব্ব-নামৰো সেই বচন আৰু লিঙ্গ হয়। যেনে, ইংৰাজৰ সকলো তিৰুতাই লিখা পঢ়া জানে, সেই দেখি তাইহঁত আমাৰ তিৰুতাতকৈ বহুত কামত পাকৈত। মানুহটোৰ কাণ গধুৰ, সেই দেখি সৰুকৈ কথা কলে, সি নুশুনে।

১০৮। এটা সম্পূর্ণ বাক্য বা খণ্ড বাক্যৰ সলনি ব্যক্তি-বোধক সৰ্ব্বনাম ব্যৱহাৰ হয়। যেনে, তেওঁ বাটৰ সন্যাসী বৰাগী ঘৰলৈ মাতি আনি সিধা দি পোহে, ইয়াৰ পৰা বুজা যায় যে, তেওঁৰ অন্তৰতো অলপ বৈৰাগ্যৰ ভাব উপজিছে। ইয়াত, ইয়াৰ সৰ্ব্বনামটো আগৰ গোটেই ফাঁকি কথাৰ সলনি ব্যৱহাৰ হৈছে।

১০৯। অন্য, আন, এই, সেই, যি, কি, ইমান, সিমান, যিমান, কিমান, কিছুমান আৰু কিঞ্চিৎমান বিশেষণ

সৰ্ব্বনামৰ পাচত সংজ্ঞা শব্দ কেতিয়াবা নাথাকে, বিভক্তি সেই সৰ্ব্বনামবিলাকত যোগ হয়। যেনে, অন্যে কলেও, এনে কথা তুমি কোৱা অযুগুত; আনৰ কথাৰে চলিব নোৱাৰি। সেইদৰে, যি দিলা, অৰ্থাৎ যি বস্তু দিলা; যি কৈছে, অৰ্থাৎ যি কথা কৈছে; কিমানেদি কিনিলা, অৰ্থাৎ কিমান ধনেদি কিনিলা? ইত্যাদি।

১১০। ভালেমান, ভালেখিনি, অলপমান আদি বিশেষণৰ পাচতো কেতিয়াবা সংজ্ঞা শব্দ উহ্য থাকে।' যেনে, তুমি ভালেমান নিলা, মোলৈ অলপমানহে ৰল, অৰ্থাৎ ভালেমান বস্তু; ভালেখিনি গৈছে, লগ ধৰা টান, অৰ্থাৎ ভালেখিনি বাট গৈছে।

১১১। যি সৰ্ব্বনামৰ যেই সেই ৰূপ সদায় সি সৰ্ব্বনামৰ কোনো এটা ৰূপৰ আগত বহে। যেনে, যি পঢ়ে সি জনা হয়; যাক দিছা তাক খোজাঁ; যাৰ লগত যাবা তাক আগে কৈ থোৱাঁ।

১১২। যি সৰ্ব্বনাম সংজ্ঞা শব্দৰ সলনি ব্যৱহাৰ হলে, সি প্ৰায় সংজ্ঞা শব্দৰ পাচলৈ যায়। যেনে, আসামত এনে কোন মানুহ আছে, যি ৰাইজৰ উপকাৰৰ অৰ্থে নিজৰ সৰ্ব্বস্ব দিব পাৰে?

১১৩। কেতিয়াবা সৰ্ব্বনামৰ সলনি ব্যৱহাৰ হলেও, যি তাৰ পাচলৈ যায়। যেনে, এনে কোন আছে, যি মৰণক ভয় কৰে?

# পদ আৰু নানাবিধ শব্দৰ সঙ্গতি।

১১৪। নিশ্চয় অৰ্থত বিশেষ্য পদ সৰ্ব্বনাম আৰু ক্ৰিয়াৰ পাচত চোন শব্দ ব্যৱহাৰ হয়। যেনে, ৰাম চোন সভালৈ গৈছিল, মই চোন তোমাক আজি এমাহমান দেখা নাই, ছাগলী পোৱালিটো মৰিলেই চোন।

১১৫। নিশ্চয়তাৰ লগত আচৰিতৰ ভাব থাকিলে চোন শব্দৰ পাচত বা বাক্যৰ শেষত একা শব্দৰ ব্যৱহাৰ হয়। যেনে, তই চোন একা হিতকান্তৰ ঘৰলৈ গৈছিলি বা তই চোন হিতকান্তৰ ঘৰলৈ গৈছিলি একা।

১১৬। নিশ্চয়তাৰ লগত ভয় দেখুৱাৰ ভাব থাকিলে, বাক্যৰ শেষত একা ব্যৱহাৰ হয়। যেনে, তোক আকৌ এনে কাম কৰা দেখিলে, মই শুদাই নেৰিম একা।

১১৭। সেই ক্ৰিয়া মাথোন সম্প্ৰতি কৰে, এই ভাবত নিত্য বৰ্ত্তমান আৰু ভবিষ্যৎ কালৰ ক্ৰিয়াত চোন যোগ দিয়া হয়। যেনে, মই যাওঁচোন, তুমি আহিবাচোন।

১১৮। ক্ৰিয়াত চোন যোগ হলে, বাক্যৰ শেষত কেতিয়াবা বাৰু শব্দ ব্যৱহাৰ হয়। যেনে, মই যাওঁচোন বাৰু, তুমি আহিবাচোন বাৰু।

১১৯। ক্ৰিয়া বিশেষণ ন্ সদায় ক্ৰিয়াৰ আগত থাকে, আৰু সেই ক্ৰিয়াৰ আদিত যি স্বৰ থাকে, নতো সেই স্বৰ

হয়। যেনে, গল নগল, যায় নাযায়, দিয়ে নিদিয়ে, ধোৱে নোধোৱে, উঠে নুঠে।

১২০। ক্ৰিয়াৰ আদিত ঐ-কাৰ থাকিলে, নত অ-কাৰ মাথোন যোগ হয়। যেনে, হৈছিল নহৈছিল, গৈছিল নগৈছিল।

১২১। পাৰ্ ক্ৰিয়াৰ আগত ন্ থাকিলে, তাত ও-কাৰ যোগ হয় আৰু ক্ৰিয়াৰ পা মৰি ৱা হয়। যেনে, পাৰ নোৱাৰ, পাৰে নোৱাৰে, পাৰোঁ নোৱাৰোঁ।

১২২। অনুকাৰ শব্দৰ পৰা হোৱা ধাতুৰ ক্ৰিয়াত ক্ৰিয়া বিশেষণ ন্ যোগ হলে, সি অনুকাৰ শব্দ দুটাৰ মাজত থাকে। আৰু শেষ শব্দটোৰ আদিত যি স্বৰ থাকে নতো সেই স্বৰ হয়। যেনে, গছডাল ভাগি পৰোঁতে মৰ্‌নমৰালে, পেটে খল্‌নখলায়, ঘৰিয়ে টংনটঙায়। সেই দৰে, কোৰ্‌নোকোৰায়, গুমনুগুমায়। কিন্তু দ্বিতীয় অনুকাৰ শব্দটোৰ আদিত ঔ-কাৰ থাকিলে নত অ-কাৰ মাথোন যোগ হয়। যেনে, পানীয়ে চৌনচৌৱায়।

১২৩। ক্ৰিয়াৰ আদিত অকলশৰীয়া স্বৰ থাকিলে, ন্ সেই স্বৰৰ লগ লাগে। যেনে, ন+আহিল=নাহিল, ন+ এৰে=নেৰে।

১২৪। ক্ৰিয়াৰ আদি ব্যঞ্জনত আকাৰ যোগ থাকিলে, নত হোৱা আ-কাৰ এ-কাৰ হয়, নহৈও থাকে। যেনে, নাপায় নেপায়, নাযায় নেযায়, নাখায় নেখায়, নাজানো নেজানো, ইত্যাদি।

১২৫। ওপৰত দিয়া নিয়মটো, অৰ্থাৎ নাজানো কথাৰ ঠাইত নেজানো হোৱা নিয়ম, প্ৰাকৃত ভাষাৰ পৰা অহা। অসমীয়া ভাষা উত্তৰ ভাৰতৰ আন আন ভাষাৰ নিচিনা আদিতে প্ৰাকৃতৰ পৰা ওলোৱা ভাষা। গতিকে তাৰ ভিতৰত অনেক প্ৰাকৃতৰ শব্দ, আৰু নিয়ম প্ৰণালী চলিত আছে। প্ৰাকৃত ভাষাৰ নিয়ম অনুসাৰেই ৰাজাৰ সলনি ৰজা, তাৰাৰ সলনি তৰা, মালাৰ সলনি মলা, বিধাতাৰ সলনি বিধতা অসমীয়াত ব্যৱহাৰ হয়।

১২৬। সম্প্ৰতি ক্ৰিয়া হোৱা নাই অলপতে হব, এই ভাবত ক্ৰিয়া বিশেষণ নৌ নিত্য বৰ্ত্তমান কালৰ ক্ৰিয়াৰ আগত ব্যৱহাৰ হয়। যেনে, সি নৌযায়, অৰ্থাৎ সি এতিয়াও যোৱা নাই, কিন্তু সোনকালে যাব। সেইদৰে, নৌখায়, নৌদিয়ে, নৌশোৱে, ইত্যাদি।

১২৭। ক্ৰিয়াত নৌ যোগ হলে, বাক্যত প্ৰায় এটা এথোন শব্দ ব্যৱহাৰ হয়। যেনে, সি নৌযায় এথোন, বা সি এথোন নৌযায়।

১২৮। প্ৰশ্নাৰ্থত ব্যৱহাৰ হলে, নৌ ক্ৰিয়াৰ পাচলৈ যায়, আৰু তাৰ আগত এটা নে অব্যয় শব্দ থাকে। যেনে, সি ভাত খালে নে নৌ? সি গল নে নৌ? প্ৰশ্নত নৌ কেৱল স্বৰূপ বৰ্ত্তমান, স্বৰূপভূত, আৰু ভবিষ্যৎ কালৰ ক্ৰিয়াৰ পাচতহে বহে।

১২৯। প্ৰশ্নাৰ্থত সাম্ভব্যভূত কালৰ বাজে আন সকলো

কালৰ ক্রিয়াৰ পাচত এটা নে অব্যয় শব্দ ব্যৱহাৰ হয়। যেনে, সি যায় নে? সি গৈছে নে? সি গৈছিল নে, সি যাব নে? ইত্যাদি।

১৩০। ক্রিয়া নহয় বুলি প্রশ্ন কৰোঁতাৰ বিশ্বাস থাকিলে, প্রশ্ন বাক্যৰ কৰ্ত্তাৰ পাচত এটা নো অব্যয় শব্দ ব্যৱহাৰ হয়। যেনে, সি নো এই কাম কৰিব নে? এই প্রশ্নত সোধোঁতাৰ বিশ্বাস যে সি এই কাম নকৰে।

১৩১। কৃতৰ ইব প্রত্যয়ান্ত পদ ক্রিয়াৰ কৰ্ত্তা বা কৰ্ম্ম হব পাৰে, কিন্তু তেতিয়া তাৰ পাচত এটা লৈ যোগ হয়। যেনে, আচল কথা কবলৈ হলে। ইয়াত, হলে ক্রিয়াৰ কৰ্ত্তা কবলৈ। সি পঢ়িবলৈ এৰিছে। ইয়াত, এৰিছে ক্রিয়াৰ কৰ্ম্ম পঢ়িবলৈ। সেই দেখি কব আৰু পঢ়িব কৃদন্ত পদত লৈ যোগ হৈছে।

১৩২। সক্ষম বুজুৱা ক্রিয়া পাৰ, নিষেধ নাই বুজুৱা ক্রিয়া পা, অনুমতি বুজুৱা ক্রিয়া দি, উচিত বুজুৱা ক্রিয়া লাগ, আৰু খোজ, জান, এই কেইটা ক্রিয়া পাচত থাকিলে ইব প্রত্যয়ান্ত পদৰ লৈ গুচে। যেনে, সি লিখিব পাৰে, গ্রহণত ৰাতি শ্রাদ্ধ কৰিব পায়, লৰাটোক কাপোৰ পিন্ধিব দিয়া, লৰাই পুৱাতে উঠি পঢ়িব লাগে, মই এইখন পাটীত শুব খোজোঁ, সি চিত্র আঁকিব জানে। সম্ভব বুজুৱা পা ক্রিয়া পাচত থাকিলেও কৃদন্ত পদৰ লৈ গুচে। যেনে, সি এতিয়া গৈ তিনচুকীয়া পাব পায়।

১৩৩। দুই গৰাকীৰ বস্তু বিজালে, আগৰ গৰাকীৰ

বস্তুৰ নাম নাথাকে, গৰাকীৰ নামতেই ৰিজনিৰ কৈ যোগ হয়। যেনে, মোতকৈ তোমাৰ আখৰ ভাল, হৰিতকৈ গোলাপৰ ঘৰ দূৰৈ।

১৩৪। ৰিজোৱা বস্তু দুটা জনা থাকিলে, কেতিয়াবা সিহঁতৰ উল্লেখ নহয়েই, কেৱল গৰাকীৰ নাম মাথোন উল্লেখ হয়। যেনে, মোতকৈ তোমাৰ ভাল, হৰিতকৈ গোপালৰ দূৰৈ। কেতিয়াবা নামত তদ্ধিতৰ টো যোগ হয়। যেনে, হৰিৰটোতকৈ গোপালৰটো দূৰৈ।

১৩৫। মাত্র শব্দ বিশেষণ আৰু ক্রিয়া বিশেষণ, দুয়ো ৰূপে ব্যৱহাৰ হয়। বিশেষণৰূপে ব্যৱহাৰ হলে, যাৰ বিশেষণ তাৰ এটাইবিলাকক বুজায়, আৰু বিশেষ্য পদৰ পাচত থাকে। মাত্র বিশেষণ পাচত থকা পদ অকর্ম্মক ক্রিয়াৰ কর্ত্তা হলেও, তাৰ বিভক্তি নুগুচে। যেনে, কণী পৰা জন্তু মাত্রে আধাৰ গিলি খায়। উদ্ভিদকে আদি কৰি প্রাণী মাত্রে শোৱে।

১৩৬। মাত্র ক্রিয়া বিশেষণৰূপে ব্যৱহাৰ হলে, তাৰ অর্থ মাথোন হয়। যেনে, প্রাণীৰ ভিতৰত উদ্ভিদে মাত্র লৰিচৰি ফুৰিব নোৱাৰে, এই গাঁৱত গোপালৰ ঘৰত মাত্র দশম পুথি আছে।

১৩৭। একেটা বাক্যত নহয় বা নাই বুজুৱা ন্ দুটা থাকিলে, তাৰ অর্থ বিপৰীত হয়। যেনে, সি ব্যাকৰণ নজনা নহয়, অর্থাৎ জানে ; মই নগৈ নাথাকোঁ, অর্থাৎ যাম।

১৩৮। কেতিয়াবা হয় বুজাবলৈ ন ব্যৱহাৰ হয়। যেনে, সি যিকি নহওক, অর্থাৎ যিকি হওক ; সি যলৈকি নেয়াওক, অর্থাৎ যলৈকি যাওক, মই যিকি নকৰোঁ, তুমি জগৰ ধৰিবৰ কোন ? অর্থাৎ মই যিকি কৰোঁ, তুমি জগৰ ধৰিবৰ কোন।

## অব্যয় আৰু আন শব্দৰ সঙ্গতি।

১৩৯। যদি অব্যয় শব্দ বাক্যত থাকিলে, বাক্য দুখণ্ড হয়। যদি অব্যয় প্রথম খণ্ডত কর্ত্তাৰ আগত বা পাচত থাকে, আৰু শেষ খণ্ডৰ আদিত তেন্তে বা তেনেহলে অব্যয় শব্দ ব্যৱহাৰ হয়। যেনে, যদি সি আছে বা সি যদি আছে, তেন্তে বা তেনেহলে মই যাম।

১৪০। যদিও বা যদিবাও অব্যয় শব্দ বাক্যত থাকিলে, বাক্য দুখণ্ড হয়। যদিও বা যদিবাও প্রথম খণ্ডত কর্ত্তাৰ আগত বা পাচত থাকে, আৰু শেষ খণ্ডৰ আদিত তেও অব্যয় শব্দ ব্যৱহাৰ হয়। যেনে, যদিও সি আছে, বা সি যদিও আছে, তেও মই নাযাওঁ ; যদিবাও সি আছে, বা সি যদিবাও আছে, তেওঁ মই নাযাওঁ। তেও কথাৰ সলনি সেই ঠাইত তদপি বা তত্রাচ ব্যৱহাৰ কৰা যায়।

১৪১। ওপৰত কোৱাৰ দৰে, বাক্যৰ প্রথম ভাগত যেনে অব্যয় শব্দ থাকিলে, দ্বিতীয় ভাগত তেনে ব্যৱহাৰ হয়। যেনে, যেনে কুকুৰ তেনে টাঙ্গন।

১৪২। বাক্যৰ প্ৰথম ভাগত যেতিয়া শব্দ থাকিলে, দ্বিতীয় ভাগত তেতিয়া ব্যৱহাৰ হয়। যেনে, যেতিয়া সি আহে তেতিয়া মোক খবৰ দিবি।

১৪৩। বাক্যৰ প্ৰথম ভাগত যিমান শব্দ থাকিলে, দ্বিতীয় ভাগত সিমান বা তিমান ব্যৱহাৰ হয়। যেনে, যাৰ যিমান পাপ, তাৰ সিমান শাস্তি।

## বচন সঙ্গতি।

১৪৪। বিশেষণ পদ দুবাৰ উক্ত হলে, তাৰ বিশেষ্য পদ বহুবচনৰ হয়। সৰু সৰু লৰাবিলাক, ছুটি ছুটি শব্দবোৰ।

১৪৫। সবহ বুজাবলৈ বিশেষণ পদ দুবাৰ উক্ত হলেও, কেতিয়াবা বিশেষ্য পদত বহুবচনৰ চিন যোগ নহয়, কিন্তু সি বহুবচনৰ ভাব বুজায়, আৰু তাৰ সলনি ব্যৱহাৰ হোৱা সৰ্ব্বনাম বহুবচনৰ হয়। যেনে, বৰ বৰ লোকৰ বৰ বৰ ভাগ, সৰুৱে তেওঁবিলাকৰ সমান কেনেকৈ পাব ?

১৪৬। সংখ্যাবাচক শব্দ আগত থাকিলে, সংজ্ঞা শব্দত বহুবচনৰ চিন যোগ নহয়। যেনে, দহোটা মানুহ, পাঁচোটা লৰা।

১৪৭। জাতি বা সমূহ বুজালে, একবচনৰ পদেই বহুবচনৰ ভাব বুজায়, আৰু তাৰ সলনি ব্যৱহাৰ হোৱা সৰ্ব্বনাম বহুবচনৰ হয়। যেনে, বাঘে কেতিয়াও পোহ নলয়, এতেকে সিহঁতক পুহিবলৈ চেষ্টা কৰা বৃথা।

১৪৮। সম্ভ্ৰমাৰ্থত তৃতীয় পুৰুষৰ পদ প্ৰায় বহুবচনৰ হয়। যেনে, (এজন লোকক সম্বোধন কৰিলেও) দেউতা-সকলৰ আদেশ কোনে আওহেলা কৰিব পাৰে?

১৪৯। নম্ৰতা বুজাবলৈ প্ৰথম পুৰুষৰ সৰ্ব্বনাম সদায় বহুবচনৰ হয়। যেনে, এই স্কুলখন আমিয়েই পাতি দিছোঁ, এই বিষয়ত আমাৰ এই মত।

১৫০। বহুত পৰিমাণ বুজালে, সংখ্যা নথকা বস্তুৰ নামতো বহুবচনৰ চিন যোগ হয়। যেনে, পানীবোৰ, তেলবোৰ।

১৫১। সমাহাৰ দ্বন্দ্ব সমাসৰ দ্বাৰা গোটখোৱা দুই বা অধিক শব্দৰ সলনি ব্যৱহাৰ হোৱা সৰ্ব্বনাম একবচনৰ হয়। যেনে, গৰু মহে ভাত আৰ্জে, তাক নহলে মানুহ তৰে কেনেকৈ? বিশেষ্যপদ উৰি আপ্ৰাণি, আৰু বিশেষণ আমা-ডিমা কেৱল বহুবচনত মাথোন ব্যৱহাৰ হয়। যেনে, আমাক উৰি আপ্ৰাণিক পুতৌ কৰোঁতা কোন আছে? এজাক আমা-ডিমা লৰা ছোৱালী থৈ মাকজনী মৰিল।

# ত্ৰয়োদশ অধ্যায়।

—:*:—

## অসমীয়া ভাষাৰ জতুৱা ঠাঁচ। (Idiom)

মনৰ ভাব কথাৰে প্ৰকাশ কৰিবলৈ প্ৰত্যেক ভাষাৰ এটা লগত ওপজা ধৰণ আছে। সেই ধৰণ এৰি আন ধৰণত কথা কলেও লগৰ মানুহে বুজিব পাৰে, কিন্তু কোনেও সেই ধৰণ সলাই কথা নকয়।

দেশে দেশে যেনে ভাষা ভিন, সেইদৰে ভাষাই ভাষাই ভাব প্ৰকাশ কৰিবৰ ধৰণ ভিন। যি ভাষাৰ যেনে ধৰণ, তাক নিশিকিলে, সেই ভাষা শিকা নহয়। ভাষা এটাৰ শব্দবিলাক শিকি ললে, আৰু তাৰ শব্দবিভক্তি আৰু ক্ৰিয়া-বিভক্তি আদি কিছুমান কথা জানি ললে, সেই ভাষাত কথা কব আৰু লিখিব পৰা যায়। কিন্তু সেই ভাষাৰ ভাব প্ৰকাশ কৰিবৰ স্বকীয়া ধৰণটো নাজানিলে, ভাষাটো যথার্থ-ৰূপে শিকা নহয়। এক দেশৰ ভাষা আন দেশৰ মানুহে শিকিলে, ভাষাৰ সেই স্বকীয়া ধৰণটো আয়ত্ত কৰি লবলৈ টান পায়। ইংৰাজী ভাষা শিকোঁতে আমাৰ মানুহে তাৰ সকলোখিনি শিকে, কিন্তু তাৰ ভাব প্ৰকাশ কৰিবৰ যিটো

স্বকীয়া ধৰণ, তাৰ আচল তত্ত্ব লাভ কৰিব নোৱাৰে। সেই দেখি আমাৰ মানুহে লিখা ইংৰাজী ইংৰাজে লিখা ইংৰাজীৰ নিচিনা প্ৰায় নহয়।

ভাব প্ৰকাশ কৰিবলৈ আন আন ভাষাৰ য়েনে এটা স্বকীয়া ধৰণ আছে, সেইদৰে অসমীয়া ভাষাৰো এটা স্বকীয়া ধৰণ আছে। সেই ধৰণটোক তাৰ জতুৱা ঠাচ বোলা হৈছে। সেই ঠাচত কথা নকলে বা নিলিখিলে, সি যথাৰ্থ অসমীয়া নহয়। অসমীয়াত বৰষুণ আনিছে বোলে, জ্বৰ উঠিছে বোলে। এই কথা দুটা আন প্ৰকাৰেও প্ৰকাশ কৰিব পাৰি। যেনে, বৰষুণ দিছে, বৰষুণ পৰিছে, জ্বৰ আহিছে। কিন্তু সেই কথা কেইটা সকলোৱে বুজিব পৰা হলেও, অসমীয়া ঠাচৰ নহল। আজিকালি অসমীয়া মানুহৰ মুখত এনেকুৱা কথা বহুত শুনা যায়। সেই দেখি অসমীয়া ভাষাৰ জতুৱা ঠাচ মতে কি কি বিশেষ্যৰ লগত কি কি ক্ৰিয়া ব্যৱহাৰ হয় তাৰ কিছুমান উদাহৰণ তলত দিয়া হল।

১। ভিন ভিন বিশেষ্যৰ লগত জতুৱা ঠাচৰ ক্ৰিয়া।

| | |
|---|---|
| ভোক গুচে বা পলায় | ভোক, পিয়াহ, জাৰ, জহ লাগে |
| পিয়াহ গুচে বা পলায় | জুই লাগে |
| জাৰ পলায় | জুই উঠে |
| জহ গুচে | জুই ধৰে |

| | |
|---|---|
| জ্বাল দিয়ে | দন্দ ভাগে |
| জ্বাল মাৰে | দন্দ কৰে |
| জ্বাল নিয়ে | খং উঠে |
| জ্বাল নুমায় | খং কৰে |
| বৰষুণ আনে | কঠ ঢাৰি পাৰে |
| বদ দিয়ে | কাপোৰ পাতে |
| বদ লয় | কোঁচ পাতে |
| জুই পুৱায় | নাম পাতে |
| চাকি লগায় | নাম ধৰে |
| খৰি লগায় | মিতিৰ পাতে |
| আশা পাল | মিতিৰ কৰে |
| ধান দায় | বাট বুলে |
| ধিকাৰ লাগে | খোজ কাঢ়ে |
| ধিকাৰ ছাৰে | আঠু কাঢ়ে |
| পিয়াহ মাৰে | আঠু লয় |
| ভোক মাৰে | বজাৰ কৰে |
| টোপনি বা ঘুমতি মাৰে | দোকান বা পোহাৰ দিয়ে |
| মাত মাতে | হাঁহি মাৰে |
| বচন বোলে | হুমুনিয়াহ পেলায় বা কাঢ়ে |
| বাক্য বোলে | মেঘ দিয়ে |
| কথা কয় | মেঘ কৰে |
| দন্দ লাগে | পানী উতলায় |

| | |
|---|---|
| গাখীৰ পগায় | তেল বা ঘিউ মাৰে |
| সাজ পিন্ধে | বাজনা বায় |
| চেলেং লয় বা উৰে | নাও বা জাল বায় |
| মূৰ মেলায় | পাৰি বা খোৱা দিয়ে |
| সেওঁতা ফালে | স্কুল কচাৰি বা অফিচ কৰে |
| গৰু ছাগলী পোহে | ধুন মাৰে |
| হাতী ঘোৰা ৰাখে | ধুন পেচ কৰে |
| চাকৰ গোলাম ৰায় | ভয় কৰে |
| কোৰ কুঠাৰ পাৰে | ভয় লাগে |
| পোহন পালন কৰে | ভয় ভাগে |
| পোহ পাল দিয়ে | সম্বন্ধ ছিগে |
| ফল পাৰে | বতাহ আহে বা দিয়ে |
| ফুল তোলে | দেৱতা লম্ভে |
| শত্রু শালে | পাত ওলায় বা ধৰে |
| পোটক তোলে | গুটি লাগে বা ধৰে |
| ভোজ পাতে বা দিয়ে | নৰিয়া সকাহ পৰে |
| গাৰী ডকায় | নৰিয়াই সকাহ পায় |
| হালৰ গৰুকো ডকায় | নৰিয়াই শাম কাটে |
| ৰথ ডকায় | ঢেকি দিয়ে |
| লাজ ভাগে বা গুচে | হাঁহি কাহ মাৰে |
| লৰা পায় | গধূলি হয় |
| লৰা ফুকায় | সাঁজ লাগে |

| | |
|---|---|
| ব্যাধি জাৰে | হাতী ঘোৰা মাৰে ( উঠৈ ) |
| পানী কাটে | টকা হয় |
| ধান বানে | টকা কৰে |
| চাউল কাঁৰে | গুণ দিয়ে |
| চিৰা বা সান্দহ খুন্দে | অগুণ কৰে |
| শপত খায় বা কাঢ়ে | ফাঁকি দিয়ে |
| সৈ লয় বা কাঢ়ে | ছল কৰে |
| নাম কাঢ়ে | জুৰ লয় বা গায় |
| ঈশ্বৰৰ নাম লয় | ধান, মাহ, শৰিয়হ বয় (সিচে) |
| চুৰ কৰে | দাবি, হুকি, গালি খায় |
| ডকা দিয়ে | মন সামৰে বা বান্ধে |
| সখী বান্ধে | মন মেলে |
| থিয় দিয়ে বা হয় | |

২। কিছুমান প্ৰচলিত অশুদ্ধ বাক্য আৰু সিহঁতৰ শুদ্ধ ভাঙনি।

অশুদ্ধ—ডাঙৰ বিষয়াৰ কথাই নকওঁ, কনিষ্টবলেই মোৰ মনত ৰজা।

শুদ্ধ—ডাঙৰ বিষয়াৰ কথাই নকওঁ, কনিষ্ট বলেই মোৰ মানত ৰজা।

অঃ—যা হওক মূৰকত সি আহি ওলাল।

শুঃ—সি যিকি নহওক, বা সি যি নহওক, মূৰকত সি আহি ওলাল।

অঃ—মনে কৰঁা, সি যেন তোমাৰ ৰূপ কেই টকা নিদিলে।

শুঃ—ধৰঁা, বা ধৰি লোৱঁা, সি যেন তোমাৰ ৰূপ কেই টকা নিদিলে।

বা

বিবেচনা কৰঁা বা ভাৱঁা, সি যেন তোমাৰ ৰূপ কেই টকা নিদিলে।

অঃ—এই কিতাপখন মোৰ কি কামত আহিব ?

শুঃ—এই কিতাপখন মোৰ কি কামত লাগিব ?

অঃ—কলিকতালৈ যোৱা গাৰী ডুপৰীয়া চাৰে এটাত এৰে।

শুঃ—কলিকতালৈ যোৱা গাৰী ডুপৰীয়া ডেৰটা বজাত যায় বা মেলে।

অঃ—অসমীয়াৰ মনত ফুট্‌বলৰ খেলা লবাৰ একচেতীয়া (একস্বত্তীয়া)।

শুঃ—অসমীয়াৰ মানত ফুট্‌বলৰ খেলা লবাৰ এদনীয়া।

অঃ—মোটৰ ওপৰত কব ললে, তাৰ বিলাতলৈ যোৱাটো নহল।

শুঃ—মুঠৰ ওপৰত কব লাগিলে, তাৰ বিলাতলৈ যোৱাটো নহল।

অঃ—হৰিক ১০৲, গোপালক ১০৲, মোটত ২০৲ টকা দিয়া হৈছে।

শুঃ—হৰিক ১০৲, গোপালক ১০৲, মুঠত ২০৲ টকা দিয়াহৈছে।

অঃ—কালিৰ পৰা তাৰ সোঁা চকুটো উঠিছে।

অ: - সকলোৱে গোলমাল কৰিবলৈ হুকুম দিলে।

শু: - কাৰো গোলমাল নৈ.

শুঃ—কালিৰ পৰা তাৰ সোঁ চকুটো নামিছে।

অঃ—সি যি কৰক, মই তাৰ কি ধাৰ ধাৰোঁ ?

শুঃ—সি যিকি নকৰক, মই তাৰ কি ধাৰ খাওঁ ?

অঃ—খাচিয়াবিলাকৰ মাইকীৰ সাজপোষাক সুন্দৰ।

শুঃ—খাচিয়াবিলাকৰ মাইকীৰ সাজপাৰ সুন্দৰ।

অঃ—লাম্‌ডিঙত গাৰী প্ৰায় আধা ঘণ্টা থামে।

শুঃ—লাম্‌ডিঙত গাৰী প্ৰায় আদঘণ্টা ৰয়।

অঃ—লৰাটোৰ টোপনি আহিছে, হাই নকৰিবি সি সাৰি পাব।

শুঃ—লৰাটো টোপনি গৈছে, হাই নকৰিবি, সাৰ পাব।

অঃ—তাৰ ৰোজ আবেলি তিনি বজাত জ্বৰ আহে।

শুঃ—তাৰ নিতৌ আবেলি তিনি বজাত জ্বৰ উঠে।

অঃ—সি কালি শিৱসাগৰলৈ যাব।

শুঃ—সি কালিলৈ শিৱসাগৰলৈ যাব।

অঃ—সি অথনি যাব।

শুঃ—সি অথনিকৈ যাব।

অঃ—তেওঁৰ ডাঙৰ ভায়েকৰ আজিকালি ৰুজিৰোজকাৰ নাই।

শুঃ—তেওঁৰ ককায়েকৰ আজিকালি জীৱিকাৰ একো উপায় নাই।

বা

তেওঁৰ ককায়েকৰ আজিকালি একো উপাৰ্জ্জন নাই।

অঃ—শেৱালী ফুল ৰাতি ফুটে পুৱা সৰে।

শুঃ—শেৱালী ফুল ৰাতি ফুলে পুৱা সৰে।

অঃ—পূজাৰ পাচত আহিনৰ ২১এ তাৰিখে আমাৰ স্কুল খুলিব।

শুঃ—পূজাৰ পাচত আহিনৰ ২১ তাৰিখে আমাৰ স্কুল বহিব বা হব।

অঃ—সি ঠেহ পাতি বিছনাত শুই আছে।

শুঃ—সি ঠেহ পাতি পাটীত শুই আছে।

অঃ—চিঁৰি উঠা নমা কৰিলে ততালিকে ভাগৰ ধৰে।

শুঃ—খট্‌খটি উঠা নমা কৰিলে ততালিকে ভাগৰ লাগে।

অঃ—সোঁচা কথা কব গলে, ময়েই তাক কথাটো কোৱা হয়।

শুঃ—সঁচা কথা কব লাগিলে, ময়েই তাক কথাটো কোৱা হয়।

অঃ—মোক বাৰ বাৰ এইদৰে বেজাৰ নকৰিবা।

শুঃ—মোক বাৰেবাৰে এইদৰে আমনি নকৰিবা।

অঃ—ইয়াত অতি উত্তম মুগা ও এৰী কাপোৰ পোৱা যায়।

শুঃ—ইয়াত অতি উত্তম মুগা আৰু এৰীৰ কাপোৰ পোৱা যায়।

অঃ—তেহেলৈ যি হওক, মই আৰু তাক নামাতোঁ।

শুঃ—তেহেলৈ যিকি নহওক, মই আৰু তাক নামাতোঁ।

অঃ—তাক ইমানকৈ গালি দিছ কেলৈ ?

শুঃ—তাক ইমানকৈ গালি পাৰিছ কেলৈ ?

অঃ—লৰাটোক এনেকৈ গালি শপনি নিদিবি।

শুঃ—লৰাটোক এনেকৈ গালি শপনি নকৰিবি।

অঃ—মই তোমাৰ কিতাপখন আনিবলৈ ভুলি আহিলোঁ।
শুঃ—মই তোমাৰ কিতাপখন আনিবলৈ পাহৰি আহিলোঁ।
অঃ—সি কিতাপখন নিবলৈ চায়ছে।
শুঃ—সি কিতাপখন নিব খুজিছে।
অঃ—একাদশীত ভাত খাবলৈ নাপায়।
শুঃ—একাদশীত ভাত খাব নাপায়।
অঃ—সি কামৰ পৰা আহি ভাত খাব ধৰিছে।
শুঃ—সি কামৰ পৰা আহি ভাত খাবলৈ ধৰিছে।
অঃ—খৰচৰ অভাৱত সি পঢ়িব এৰিছে।
শুঃ—খৰচৰ অভাৱত সি পঢ়িবলৈ এৰিছে।

## খণ্ডবাক্য।

৩। এটা পূৰ্ণ বাক্যত অনেক খণ্ডবাক্য থাকিব পাৰে। ভিন ভিন খণ্ডবাক্যৰ ভিন ভিন অৰ্থ। সেই এটাইবিলাক অৰ্থ গোট খাই পূৰ্ণ বাক্যটোৰ কথা পূৰ হয়। যেনে, "বাপেক মৰিলত তাৰ পঢ়াৰ খৰচ দিবলৈ কেও সন্মত নহল, সেই নিমিত্তে, সি পঢ়াশুনা একেবাৰে এৰি দিবলৈ বাধ্য হল।" এই এটা পূৰ্ণ বাক্য। ইয়াত ছটা সৰু সৰু খণ্ড-বাক্য আছে। যেনে :—

১। বাপেক মৰিলত
২। (তাৰ) পঢ়াৰ খৰচ দিবলৈ
৩। (কেও) সন্মত নহল

৪। সেই নিমিত্তে

৫। ( সি পঢ়াশুনা একেবাৰে ) এৰি দিবলৈ

৬। বাধ্য হল

৪। এই খণ্ডবাক্যবিলাকত যিবিলাক শব্দ ব্যৱহাৰ হৈছে, সিহঁতৰ সাধাৰণ চলিত অৰ্থই আছে। সেই দেখি সিহঁতক সাধাৰণ খণ্ডবাক্য বা বাক্যাংশ বোলে।

আকৌ চোৱা ঃ—"বাপেকে চকু মুদিলত তাৰ পঢ়াৰ খৰচ দিবলৈ কেও গাত নললে, সেই নিমিত্তে, সি পঢ়াশুনাৰ ফালে একেবাৰে পিঠি দিবলৈ বাধ্য হল।"

এই বাক্যটোৰ আৰু ওপৰত দিয়া বাক্যটোৰ অৰ্থ একে। ইয়াত সাতোটা খণ্ডবাক্য আছে। যেনে ঃ—

১। ( বাপেকে ) চকু মুদিলত

২। ( তাৰ ) পঢ়াৰ খৰচ দিবলৈ

৩। ( কেও ) গাত নললে

৪। সেই নিমিত্তে

৫। ( সি ) পঢ়াশুনাৰ ফালে

৬। ( একেবাৰে ) পিঠি দিবলৈ

৭। বাধ্য হল

৫। এই খণ্ডবাক্যবিলাকৰ ভিতৰত ব্যৱহাৰ হোৱা সকলো শব্দৰ সাধাৰণ চলিত অৰ্থ নাই। ওপৰৰ প্ৰথম খণ্ড-বাক্যত "মৰিলত" শব্দ ব্যৱহাৰ কৰা হৈছে, ইয়াৰ চলিত অৰ্থ এটা আৰু তাক সকলোৱে জানে। তলৰ প্ৰথম খণ্ড-

বাক্যত “মৰিলত” কথাৰ সলনি “চকু মুদিলত” ব্যৱহাৰ কৰা হৈছে। “চকু মুদিলত” কথাৰ সাধাৰণ অৰ্থ “চকু জপালত” কিন্তু সেই অৰ্থত “মুদিলত” কথা ব্যৱহাৰ হোৱা নাই। ইয়াত “চকু মুদিলত” কথাৰ অৰ্থ হৈছে মৰিলত। এইটো মুদিলত কথাৰ বিশেষ অৰ্থ, সাধাৰণ অৰ্থ নহয়। এই অৰ্থত মুদিলত কথা কেৱল “চকু মুদিলত” খণ্ডবাক্যতহে ব্যৱহাৰ হয়। সেই-দৰে, ওপৰৰ তৃতীয় খণ্ডবাক্য “সন্মত নহল” কথাৰ সলনি তলৰটোৰ তৃতীয় খণ্ডবাক্য “গাত নললে” কথা ব্যৱহাৰ হৈছে; আৰু ওপৰৰটোৰ পঞ্চম খণ্ডবাক্যৰ “এৰি দিবলৈ” কথাৰ ঠাইত তলৰটোৰ ষষ্ঠ খণ্ডবাক্যত “পিঠি দিবলৈ” কথা ব্যৱহাৰ হৈছে। সিহঁতৰো ইয়াত সাধাৰণ অৰ্থ নাই; সিহঁত বিশেষ অৰ্থত ব্যৱহাৰ হৈছে। এই কাৰণে এনেকুৱা খণ্ড-বাক্যবিলাকক ভাষাৰ বিশেষ বা জতুৱা খণ্ডবাক্য বোলা যায় আৰু জতুৱা খণ্ডবাক্যত ব্যৱহাৰ হোৱা শব্দৰ সলনি আন শব্দৰ ব্যৱহাৰ কৰিলে খণ্ডবাক্যটোৰ আচল অৰ্থ নাথাকে। যেনে, “চকু মুদিলত” কথাৰ ঠাইত “চকু জপালত” কথা ব্যৱহাৰ কৰিলে কেতিয়াও মৰা নুবুজায়। বিশেষ খণ্ডবাক্যৰ শব্দ লৰচৰ কৰিব নোৱাৰি। এতেকে,

৬। যি খণ্ডবাক্যৰ শব্দবিলাকে সিহঁতৰ সাধাৰণ অৰ্থ মাথোন প্ৰকাশ কৰে, তাক সাধাৰণ খণ্ডবাক্য বা বাক্যাংশ বোলে, আৰু যি খণ্ডবাক্যৰ শব্দবিলাকে সিহঁতৰ সাধাৰণ অৰ্থ এৰি আন অৰ্থ প্ৰকাশ কৰে, তাক জতুৱা খণ্ডবাক্য বোলে।

অসমীয়া ভাষাত জতুৱা খণ্ডবাক্য অনেক। খণ্ডবাক্য কোষত সকলো খণ্ডবাক্য পোৱা যায়। কিন্তু কিছুমান জতুৱা খণ্ডবাক্যৰ মূলত কোনো এটা বিশেষ সংজ্ঞা শব্দ থাকে আৰু তাৰেই খণ্ডবাক্যটো গঠিত। সেই শ্ৰেণীৰ খণ্ড-বাক্যৰ কিছুমান উদাহৰণ তলত দিয়া গল।

## জতুৱা খণ্ডবাক্য।

### ৭। মূৰ সংজ্ঞা শব্দৰে গঠিত।

| খণ্ডবাক্য। | ভাঙনি। |
|---|---|
| মূৰ খা | মৰমৰ মানুহৰ মৰণ দেখ। |
| মূৰ মৰ | আগলৈ সুচল নাইকিয়া হ, আগলৈ নাই-কিয়া হ। |
| মূৰ মাৰ | আগলৈ নাইকিয়া কৰ, বা সুচল নাইকিয়া কৰ। |
| মূৰ দে | আগন্তুক হ, নেদেখা অৱস্থাৰ পৰা দেখা হ। |
| মূৰ দি উঠ | উদ্গতি কৰ, ডাঙৰ হ। |
| মূৰ দোঁৱা | সেৱা কৰ, মান্য কৰ। |
| মূৰে শপ | মৰমৰ কোনোবা মৰক বুলি আনক গালি পাৰ। |
| মূৰ ঘুমা | টোপনিয়া। |
| মূৰ পাত | ওলাবৰ বা হবৰ আগন্তুক। |
| মৰামূৰি | লগা খিনি, ঠিক জোখৰ খিনি। |

## ৮। কপাল সংজ্ঞা শব্দৰে গঠিত।

| খণ্ডবাক্য। | ভাঙনি। |
| --- | --- |
| কপাল ফুল | সুভাগ্য উপস্থিত হ। |
| কপাল ফুট | দুৰ্ভাগ্য উপস্থিত হ। |
| কপাল ধো | আশা এৰ। |
| কপাল নাই | ভাগ্য নাই। |
| কপাল খা | সুচল হেৰুৱা বা দুৰ্ভাগ্য উপস্থিত হ। |

## ৯। কাণ সংজ্ঞা শব্দৰে গঠিত।

| খণ্ডবাক্য। | ভাঙনি। |
| --- | --- |
| কাণ কটা | টেঙ্গৰ, নিলাজ। |
| কাণ দে | মন দি শুন। |
| কাণ কৰ | মন দে। |
| কাণে কাণে | ফুচফুচাই ক। |
| কণাকণি কৰ | ফুচফুচাই ক। |
| কাণে কাণমাৰি | কোনো মতে। |
| কাণত পৰ | অনিচ্ছাত বা শুনিবলৈ যত্ন নকৰিও শুন। |
| কাণত পেলা | শুনা, ছল কৰি শুনা। |
| কাণ থিয় কৰ | শুনিবলৈ আগ্ৰহ কৰ, শুনি আচৰিত হ। |
| কাণ সাৰ এৰ | সম্পৰ্ক এৰ, এৰি দে। |
| কাণ পাত | শুনিবলৈ সাজু হ। |
| কাণ সমনীয়া | ডাঙ্গৰ দীঘল, ডেকা। |
| কাণত ধৰি ক | ডবিয়াই ক, লাজ দি ক। |
| কাণ ছুই থ | আগলৈ পোতক তুলিবলৈ বা হেকান পাৰিবলৈ মনত ৰাখ। |

| খণ্ডবাক্য। | ভাঙনি। |
| --- | --- |
| কাণ সৰালি মাৰ | নুশুনা ভাও জুৰি মনে মনে থাক। |
| কাণ বাগৰা | লোকৰ মুখে শুনা। |

## ১০। চকু সংজ্ঞা শব্দৰে গঠিত।

| খণ্ডবাক্য। | ভাঙনি। |
| --- | --- |
| চকু দে | পাবলৈ অভিলাষ কৰি চা, সাৱধান ল। |
| চকু কৰ | সাৱধান ল। |
| চকুত লাগ | মন খা, দেখিবলৈ ভাল লাগ। |
| চকুত পৰ | দৃষ্টিৰ গোচৰ হ, মন আকৰ্ষণ কৰ। |
| চকু পৰ | দেখিবলৈ পা। |
| চকু লাগ | টোপনিত চকু মুদ যা। |
| চকু মুদ | প্ৰাণ এৰ, মৰ। |
| চকু ফুৰা | অলপকৈ চা, ওপৰে ওপৰে চা। |
| চকুৰ কুটা | অপ্ৰিয়, শত্ৰু। |
| চকুৰ কুটা, দাঁতৰ শাল | অপ্ৰিয়, শত্ৰু। |
| চকু চৰহা | লোকৰ ভাল দেখি বেজাৰ পোৱা। |
| চকুত লগা | দেখনিয়াৰ শুৱনি। |

## ১১। দাঁত সংজ্ঞা শব্দৰে গঠিত।

| খণ্ডবাক্য। | ভাঙনি। |
| --- | --- |
| দাঁত লাগ | মুখ লাগ, লোকৰ চকু পৰাত অমঙ্গল হ। |
| দাঁত লগা | লোকৰ ভাল হোৱাত বেজাৰ পাই অমঙ্গল কৰ, মুখ লগা। |
| দাঁতে ওঠে নালাগ | সমূলি দন্দবাদ নালাগ। |

১২। মুখ সংজ্ঞা শব্দৰে গঠিত।

| খণ্ডবাক্য। | ভাঙনি। |
|---|---|
| মুখ নাই | গঢ় লগাই কথা কব নাজানে, হেতু নাই বা সাহ নাই। |
| মুখৰ কথা | মিছা আশ্বাস দিয়া কথা, মনৰ পৰা নোকোৱা কথা, প্ৰমাণ নোহোৱা কথা। |
| মুখলৈ চাই | এৰাব নোৱাৰি, বা হিতৰ নিমিত্তে। |
| মুখ মাৰ | ভাল বস্তু নাখা, নিকৃষ্টকৈ খা। |
| মুখ বান্ধ | বাচি খা। |
| মুখত দে | খা, বা চাক। |
| একে মুখে ক | আনে কোৱা কথাকে ক। |
| মুখ স লা | সদায় খোৱা বস্তু এৰি আন বস্তু খা। |
| মুখৰ ওপৰত ক | ভয় নকৰাকৈ বা মান নকৰাকৈ সমুখতে ক। |
| মুখ ফালি ক | খোৰ ভাঙ্গি ক, পেটত নাৰাখি স্পষ্টকৈ ক। |
| মুখ নাপা | মান্তি হোৱাৰ বা সহায় কৰাৰ আশা নাপা বা আগন্তুক নেদেখ। |
| মুখ লাগ | চকু চৰহা লোকৰ চকুত পৰাৰ বাবে শ্ৰীহীন হ বা নষ্ট হ। |
| বৰ মুখ | গঢ় লগাই কব জনা। |

১৩। হাত সংজ্ঞা শব্দৰে গঠিত।

| খণ্ডবাক্য। | ভাঙনি। |
|---|---|
| হাত কৰ | নিজৰ আয়ত্বাধীন কৰ। |
| হাত মাৰ | সুচলৰ বা ছেগৰ পৰা লাভ কৰ। |

| খণ্ডবাক্য। | ভাঙনি। |
|---|---|
| হাত লৰা | চোৰ স্বভাৱৰ। |
| হাত দীঘল | ক্ষমতাশালী। |
| হাত দে | কৰিবলৈ ধৰ, ছো। |
| হাতত ল | কৰিবলৈ আৰম্ভ কৰ। |
| বৰ হাত | দানী। |
| হাত ধো | সম্পৰ্ক এৰ। |
| হাত থাক | ক্ষমতা থাক বা স্বত্ব থাক। |
| হাত উঠ | ব্যৱসায়ত ক্ৰমে ক্ৰমে কৃতকাৰ্য্য হ। |
| হাত পৰ | ব্যৱসায়ত ক্ৰমে ক্ৰমে অৱনতি হ। |

১৪। গা সংজ্ঞা শব্দৰে গঠিত।

| খণ্ডবাক্য। | ভাঙনি। |
|---|---|
| গা ৰ | কোনোমতে ৰক্ষা পৰ। |
| গা হ | কোনো কাৰ্য্যৰ ভাৰ ল। |
| গাত ল | মান্তি হ, সৈ কাঢ়। |
| গাত দে | বদনাম কৰ, কোনো কথা লোকৰ ওপৰত আৰোপ কৰ। |
| গা পাতি ল | মান্তি হ, লোকৰ কাৰ্য্য নিজৰ বুলি ক। |
| গা নৰিয়া | গৰ্ভৱতী। |
| গা ছো | মাৰ। |
| গা এৰা দে | সম্পৰ্ক ৰাখিবলৈ অমান্তি হ। |
| গা কৰ | উদ্গতি কৰ। |
| গা ধৰ | গাৰ মঙহ বাঢ়, শকত হয়। |

| খণ্ডবাক্য। | ভাঙনি। |
|---|---|
| গা তঙ্গা | নৰিয়াৰ পৰা বা বিপদৰ পৰা অলপ অলপকৈ ভাল হ। |
| গা ব | পনীয়াকৈ শৌচ হ। |
| গা বন্ধ হ | গৰ্ভৱতী হ। |
| গা তোল | উঠ, উদগাই দে। |
| গা উঠ | কোনো কামত ব্যগ্ৰ হ। |
| গা চাই ফুৰ | ধুন মাৰি ফুৰ। |
| গা মাৰি যা | গা কোচাই কাৰো গাত নলগাকৈ যা। |
| গা সাৰ | কোনো মতে টানৰ পৰা উদ্ধাৰ হ। |
| গা আছে | শকত, লোদোৰা। |
| গা নাই | ছেৰেলা, কেটেঙ্গা। |
| গা মূৰ ধো | ৰজস্বলা অৱস্থাৰ পৰা গা ধুই শুচি হ। |
| গা খৰা | বহুমূত্ৰ ৰোগ হ। |
| গা ঘেলা | বন নকৰি ধুন মাৰি ফুৰ। |
| গা নচুৱাই ফুৰ | বন নকৰি ধেমালি কৰি ফুৰ। |
| গা জুৰা | সন্তোষ পা বা দে। |
| গা টেঙ্গা | বেজাৰ পা বা দে। |
| গা তুখা | বেজাৰ পা। |
| গা থা | পানীত থাউনি পা। |
| গা দাং | নৰিয়াৰ পৰা উঠ। |
| গা দাঙ্গি ক | সাহ কৰি ক। |
| গা দে বা গা দি উঠ | ডাঙ্গৰ হৈ আৰ্জ্জনৰ যোগ্য হ। |
| গা ৰাখ | হানি বা কষ্টৰ পৰা নিজক ৰক্ষা কৰ। |

| খণ্ডবাক্য। | ভাঙনি। |
|---|---|
| গা লগাই কৰ | মন দি কৰ। |
| গা লৰ | সন্তান প্ৰসৱৰ বিষ আৰম্ভ হ। |

১৫। পেট সংজ্ঞা শব্দৰে গঠিত।

| খণ্ডবাক্য। | ভাঙনি। |
|---|---|
| পেট পা | মনৰ গুপ্ত ভাব বা আশয় জান। |
| পেট ল | ছল কৰি মনৰ গুপ্ত কথা জান। |
| পেটে ভাতে খা | কোনো মতেৰে নসঁচাকৈ খাই থাক। |
| পেট ভাটৌ | মুখেৰে প্ৰকাশ নকৰি পেটত বহুত কথা লৈ থকা মানুহ। |
| পেট দে | মনৰ গুপ্ত আশয় জানিবলৈ দে। |
| পেট পেলাই থাক | খাবলৈ দিব বুলি আশা কৰি থাক, খাবলৈ নাপাই শুই থাক। |

১৬। কঁকাল সংজ্ঞা শব্দৰে গঠিত।

| খণ্ডবাক্য। | ভাঙনি। |
|---|---|
| কঁকাল ভাগ | দুৰ্ব্বল হ। |
| কঁকাল ভাঙ্গ | বলৰ প্ৰধান কাৰণ নষ্ট কৰ। |
| কঁকাল পৰ | দুৰ্ব্বল হ, বুঢ়া হ। |
| কঁকাল বান্ধ | যুজলৈ সাজু হ। |
| কঁকাল পাৰ | বলৰ প্ৰধান কাৰণ নষ্ট কৰ। |

১৭। আঁঠু সংজ্ঞা শব্দৰে গঠিত।

| খণ্ডবাক্য। | ভাঙনি। |
|---|---|
| আঁঠু ল | সম্মান দেখাবলৈ আঁঠু কোঁচাই বহ। |

| খণ্ডবাক্য। | ভাঙনি। |
|---|---|
| আঁঠু চোঙ্গা | সম্মান দেখাবলৈ আঁঠু কোঁচাই অলপকৈ মাটিত লগা। |
| আঁঠু কাঢ় | আঁঠুৰে বুল। |

১৮। **মন সংজ্ঞা শব্দৰে গঠিত।**

| খণ্ডবাক্য । | ভাঙনি। |
|---|---|
| মন কৰ | মনযোগ দে। |
| মনত কৰ | সোঁৱৰ। |
| মন পা | আশয় পা বা অভিপ্ৰায় বুজ। |
| মন চা | ছল কৰি অভিপ্ৰায় বুজ। |
| মন দে | মনযোগ দে, আশয় বুজিবলৈ দে। |
| মন যা | ইচ্ছা যা। |
| মন মাৰ | উৎসাহ এৰ, আমন জিমন কৰি থাক। |
| মনত পৰ | পাহৰা কথাৰ সোঁৱৰণ হ। |
| মন বান্ধ | মন তাপৰ, আকাঙ্খা এৰ। |
| মন মেল | ইচ্ছা কৰ, পাবলৈ যত্ন কৰ। |
| মন সামৰ | মন তাপৰ, আকাঙ্খা এৰ। |
| মন পৰ | ইচ্ছা যা, ভাল পা। |
| মন বহ | ভাল পা, বেয়া নলগা হ। |
| মন পুতি | মনযোগ দি। |
| মনে ধৰে | বিশ্বাস হয়। |
| মনে চিতে | অন্তৰেৰে সৈতে। |
| মনে মনে | গোপনে, আনে নজনাকৈ। |

## ১৯। ঘৰ সংজ্ঞা শব্দৰে গঠিত।

| খণ্ডবাক্য। | ভাঙনি। |
|---|---|
| ঘৰ পাত | তিৰোতা বিয়া কৰাই দে, যোত্ৰৱন্ত হ। |
| ঘৰ ভাঙ্গ | তিৰী মুনিহৰ ভিতৰত দন্দ লগাই গৃহস্থিত বেমেজালি লগাই দে। |
| ঘৰ দে | গিৰিয়েক ঘৈনীয়েকক বেলেগ ঘৰত থাকিবলৈ দে। |
| ঘৰ খা | ( নকৈ বিয়া কৰা তিৰোতাৰ ) গিৰিয়েকৰ ঘৰ ভাল পা, গৃহস্থালিত মন লগা। |
| ঘৰ ল | ( পোহনীয়া জন্তু ) গিৰিহঁতৰ ঘৰ নেৰা বা গিৰিহঁতৰ ঘৰৰ পৰা নোযোৱা হ, ন ঘৰত বাস কৰিবলৈ আৰম্ভ কৰ। |
| ঘৰ কৰ | তিৰোতাৰ সৈতে গৃহস্থালি কৰ। |
| ঘৰ জোঁৱাই | শহুৰেকৰ ঘৰত ছোৱালীলৈ চাপি থকা মানুহ, চপনীয়া। |
| ঘৰ জীয়া ( কামৰূপ ) | ঐ |
| ঘৰ গিৰী | ঘৰ চলাওঁতা। |
| ঘৰ গোনা | সদাই ঘৰত থকা। |
| ঘৰ চুৰি কৰ | ঘৰৰ পৰা বস্তু চুৰ কৰ। |
| ঘৰ খেদ | ঘৰলৈকে খেদি যা। |

## ২০। পানী সংজ্ঞা শব্দৰে গঠিত।

| খণ্ডবাক্য। | ভাঙনি। |
|---|---|
| পানী কৰ | নষ্ট কৰ, বুজিবলৈ সুৰলা কৰ। |

| | |
|---|---|
| খণ্ডবাক্য। | ভাঙনি। |
| পানী হ | নষ্ট হ। |
| পানীত পৰ | অথলে যা, হানি হ। |
| সৰু পানী ছো | মূত্ৰ ত্যাগ কৰ। |
| পানী উঠ | নষ্ট হয়। |
| পানী লাগ | নাকেৰে পানী বোৱা ৰোগ হ। |
| পানীৰ মিঠে | সজাই কোৱা গপিয়াল মিছা কথা। |
| পানী তুৱাৰ্ | পানী সুমাবলৈ বাট । |
| জোলোকে জোলোকে পানী খুৱা | হিংসা কৰি দুখ দে বা নানা ৰকম বিপদত পেলা। |
| পানী চলা | ছুই দিয়া পানী খাব পৰা, ভাল কুলীয়া। |
| পানী ল | শৌচ বা ক্ষুদ্ৰ শৌচ কৰি পানীৰে ধো। |
| পানী কাট | মন্ত্ৰ পঢ়ি পানী জাৰ। |

২১। ভাত সংজ্ঞা শব্দৰে গঠিত।

| | |
|---|---|
| খণ্ডবাক্য। | ভাঙনি। |
| ভাত মৰ | জীৱিকাৰ উপায় নাইকিয়া হ। |
| ভাত মাৰ | জীৱিকাৰ উপায় নষ্ট কৰ। |
| ভাত উঠ | আয়ুস্ শেষ হ। |
| ভাতে ভঁড়ালে খা | ভঁড়ালত সাঁচি ৰাখি খা। |
| ভাতৰ ভতুৱা | খোৱাত কাজী কিন্তু কাম নজনা, অবালচন্দ, আলাই জাবৰি। |

২২। মাটি সংজ্ঞা শব্দৰে গঠিত।

| | |
|---|---|
| খণ্ডবাক্য। | ভাঙনি। |
| মাটি কৰ | নষ্ট কৰ, পানী কৰ। |

| খণ্ডবাক্য। | ভাঙনি। |
|---|---|
| মাটি হ | নষ্ট হ, পানী হ। |
| মাটি খা | মাটি দখল কৰ। |
| মাটি দে | মৰিলে কবৰ দে। |
| মাটি ল বা মাটি পানী ল | শৌচৰ পাচত হাতত মাটি সানি পানীৰে ধুই শুদ্ধ কৰ। |
| মাটিৰ মানুহ | নিচেই হোজা মানুহ, সৰল মানুহ। |
| মাটি নাপা | মৰিলে কবৰ নোপোৱা। |

২৩। কিছুমান খণ্ডবাক্যৰ মূলত কোনো বিশেষ সংজ্ঞা শব্দ নাই। সেই শ্ৰেণীৰ খণ্ডবাক্যৰ উদাহৰণ তলত দিয়া গল।

| | |
|---|---|
| চিলিম ছিগ | আশা কৰিবৰ হেতু নাইকিয়া হ, মুদা মৰ। |
| হাৰ পেলা | মৰ, প্ৰাণ এৰ। |
| চাউল সিজোৱা ধৰ বা ল | ভাত খা। |
| মুখৰ ছাই গুচা | মৰা মানুহৰ শ্ৰাধ কৰি শুচি হ। |
| মৰোঁ জীওঁ সোঁ আধিকৈ | বৰ যত্নেৰে, প্ৰাণ উচৰ্গি, প্ৰাণক টাকি। |
| চাহ এৰ | ক্ৰমে ক্ৰমে এৰি দে, অলপ কৰি এৰি দে। |
| চাউল টুকা | আয়ুস্ টুকা, জীৱনৰ ওৰ পৰ। |
| বিধি পথালি কৰ | কামত বিঘিনি বা বাধা জন্মা, আসোঁৱাহ উলিয়া। |
| তৰা বোল দে | ৰাতি তৰাৰে আকাশ বোলা, তৰা ওলা। |
| বাট চা | কোনো মানুহ আহিব বুলি অপেক্ষা কৰি থাক। |
| টুপাই বুৰ মাৰ | সমূলে আসৈ মাত, অস্বীকাৰ কৰ। |

| | |
|---|---|
| খৰি দে | মৰা মানুহ দাহন কৰ। |
| তুখ বোটল | আন এজনৰ লগত তুখ খা বা কষ্ট পা। |
| পাচ ধৰ<br>পাচ ল<br>পাচ লাগ | পাচে পাচে যা। |
| বালিৰ বান্ধ | তুৰ্ব্বল বাধা, মিছা বাধা। |
| কলা মুখ কৰ | খং দেখুৱা, কেটেৰা জেঙেৰা কৰ। |
| ন দি ক | ডাাই ক, ডাঠি ক। |
| ৰং লগাই ক | নলগা কথা জোৰা দি কথা ক। |
| ধোদৰ পচলা | দেখাত শকত আৰত কিন্তু কামত আপৈণত। অকামিলা, অবালচন্দ, এলেহুৱা। |
| কথা বান্ধ | আৰি মাৰ, বন্ধবস্ত কৰ। |
| গুৰু সমুখ হ | গুৰুত শৰণ ল, মন্ত্ৰ ল। |
| পাচ ভৰি হ | কোনো বিষয়ত পাচ হোঁহক, আগ নাবাঢ়। |
| পেটতে হাত ভৰি লুকা | আচৰিত হ, স্তম্ভিত হ, কথা শুনি বেজাৰ পা। |
| জুলুকি জুলুকি কৰ | অতিশয় ৰূপে যাতনা বা কষ্ট দে। |
| দোলা মাৰ | মৰ, সি পুৰিলৈ যাত্ৰা কৰ। |
| পাও মেল | মৰ, ইহ জগতৰ পৰা বিদায় ল। |
| গাই বাই চা | কিছু পৰিমাণে যত্ন কৰি চা। |
| পেটে ভাতে খা | মূৰামূৰিকৈ কোনো মতে খাই জীৱন ধাৰণ কৰ। |
| ভাতে ভড়ালে খা | ধন সম্পত্তি কৰি খাই বৈ থাক। |
| বাটকুৰি বা | ঘনে পতি অহা যোৱা কৰ। |
| নাকনি কাননি কৰ | কষ্ট বা যাতনা দি অস্থিৰ কৰ। |

| | |
|---|---|
| কাঠ সংস্কাৰ কৰ | মৰা মানুহক দাহন কৰ। |
| বোল মাত খা বা কৰ | গালি বা তিৰস্কাৰ খা বা গালি পাৰ বা খা। |
| খাঁই পাত ফাল | খাই অশলাগ কৰ, উপকাৰ অস্বীকাৰ কৰ। |

# চতুৰ্দ্দশ অধ্যায়।

—:০:—

## পদ্য প্ৰকৰণ।

### ছন্দ।

১। যি ফাঁকি কথাত লয় থাকে অৰ্থাৎ যাৰ শব্দবিলাক পৰস্পৰ খাই ধৰে, আৰু যাক ফুটাই পঢ়িলে শুনিবলৈ কাণত ভাল লাগে তাক ছন্দ বোলা যায়।

আখৰৰ সংখ্যা আৰু শব্দৰ উচ্চাৰণ অনুসাৰে কথাত লয় ওপজে। কিমান আখৰ থাকিলে বা কোন শব্দৰ কেনেকুৱা উচ্চাৰণ হলে কথা লনি হয় তাৰ কোনো সাধাৰণ নিয়ম নাই। কথাৰ অৰ্থাৎ বাক্যৰ বা বাক্যাংশৰ লয় বুজা ক্ষমতা মানুহৰ লগত ওপজা গুণ। এই গুণক ছন্দ বোধ বোলে। মানুহ মাত্ৰে গীতৰ সুৰৰ ভাল মন্দ বুজিব পাৰে, ই কেৱল লগত ওপজা ছন্দবোধৰ গুণত। দুটা বা সৰহ শব্দ কোনো এটা বিশেষ ক্ৰমত লিখিলে ছন্দ হয়। কিন্তু সেই কেইটা শব্দকে ক্ৰম লৰাই ভিন ভিন ঠাইত লিখিলে ছন্দ ভঙ্গ হয়। যেনে, "বিধিৰ নিৰ্ব্বন্ধ ইটো।" এই ফাঁকি কথাত যে ছন্দ আছে তাক আমি সহজ জ্ঞানেৰেই বুজিব পাৰোহঁক। কিন্তু "বিধিৰ ইটো নিৰ্ব্বন্ধ বা ইটো বিধিৰ নিৰ্ব্বন্ধ", এই দুই ফাঁকি কথাত ছন্দ নাই, অথচ শব্দ সেই তিনটাই আৰু

আখৰো আঠোটা আছে। কেৱল সিহঁতক ক্ৰম লৰাই লিখা হৈছে মাথোন। আকৌ চোৱা "ইটো, বিধিৰ নিৰ্ব্বন্ধ"। এই ফাঁকি কথাত ছন্দ হৈছে। কিন্তু ছন্দ হৈছে ইটো শব্দৰ পাচত যতি দিয়াৰ নিমিত্তে। সেই যতিয়ে বিৰাম বুজাইছে, অৰ্থাৎ পঢ়োঁতাই তাত অলপ পৰ ৰব লাগিব, ৰলে উচ্চাৰণৰ যি বঢ়া-টুটা হয় সি মিলি যাব। আৰু চোৱা,

"কি কৰিলোঁ, কি কৰিলোঁ,
ভকতি নকৰি।"

ইয়াত ছন্দ আছে। ইয়াৰ প্ৰথম শাৰীত আঠোটা আৰু দ্বিতীয় শাৰীত ছটা আখৰ আছে। কিন্তু কথা ফাঁকি যদি এই দৰে লিখা যায়। যেনে,

"কৰিলোঁ কি, কৰিলোঁ কি,
ভকতি নকৰি।"

তেনেহলে ওপৰৰ ফাঁকিৰ ছন্দ পঢ়ণৰ ওপৰত নিৰ্ভৰ কৰিব। অৰ্থাৎ "কৰি—লোঁকি, কৰি—লোঁকি" এই দৰে পঢ়িলে ছন্দ হব। "কৰিলোঁ কি, কৰিলোঁ কি" এইদৰে পঢ়িলে ছন্দ নাথাকিব। ইয়াৰ কাৰণ কথা ফাঁকিৰ লঘু আৰু গুৰু আখৰৰ ঠাই অযথা লৰচৰ হৈছে। কিন্তু "কি কৰিলোঁ কি কৰিলোঁ" ফাঁকি যি দৰেই কি নপঢ়ক তাত ছন্দ থাকিবই। "কি কৰিলোঁ, কি কৰিলোঁ" বুলিলে কাণত যেনে লাগে, "কিক—ৰিলোঁ কিক—ৰিলোঁ" বুলিলেও কাণত তেনে লাগে। তলৰ ফাঁকি অৰ্থাৎ "ভকতি নকৰি" এই ফাঁকি

কথাত সদাই ছন্দ থাকিব। "নকৰি ভকতি বা ভকতি নকৰি" দুয়োটা ক্ৰমতেই লঘু আৰু গুৰু আখৰৰ ঠাই ঠিক আছে আৰু শব্দ দুটাৰ আখৰৰ সংখ্যাও সিমান।

ওপৰত কোৱা কথাৰ পৰা এনে বোধ হব পাৰে যে ছন্দ সম্বন্ধে কোনো নিৰ্দ্ধাৰিত নিয়ম নাই, কিন্তু তেনে নহয়। কেতবিলাক ছন্দৰ আখৰ আৰু শব্দৰ লেখ-জোখ থিক হৈ গৈছে। এই বিলাক ছন্দত কথা লিখিবলৈ হলে সেই লেখ-জোখ অনুসাৰে লিখিলেই ছন্দ হয়। এনে বিলাক ছন্দতেই সৰ্ব্বসাধাৰণ কবিয়ে পদ্য লিখে, আৰু সেই বিলাক ছন্দৰ ভিন ভিন নামো হৈছে। কোনো কোনো অসাধাৰণ ক্ষমতা থকা কবিয়ে প্ৰচলিত ছন্দৰ বাহিৰেও অন্য ছন্দ গঢ়ি কবিতা লিখে, তেতিয়া সেই এটা নতুন ছন্দৰ উদ্ভব হয়। এইদৰে অতীজত নানা কবিয়ে নানাবিধ ছন্দ গঢ়িছে। সেই দেখি সংস্কৃত ভাষাত ছন্দৰ সংখ্যা বহুত। সেই ছন্দ এটাই বিলাকৰ নিয়ম প্ৰণালী স্থিৰ হৈ গৈছে। আৰু সংস্কৃত ব্যাকৰণত সিহঁতৰ সবিশেষ বিবৰণ লিখা আছে।

২। ছন্দত কথা লিখিলে তাক পদ্য বোলা হয়।

৩। পদ্য দুবিধ—মিলিতান্ত, অমিলিতান্ত।

৪। মিলিতান্ত আৰু অমিলিতান্ত পদ্য :—যি ছন্দৰ প্ৰথম শাৰীৰ বা চৰণৰ শেষ আখৰ দ্বিতীয় শাৰী বা চৰণৰ শেষ আখৰৰে সৈতে মিলে তাক মিলিতান্ত পদ্য বোলে। যাৰ তেনেকৈ নিমিলে তাক অমিলিতান্ত পদ্য বোলে। যেনে,

মিলিতান্ত ঃ—

ৰঙা মুখে ৰঙা বেলি মাগিলে বিদায়
দেখা দিয়ে নিমিষতে সন্ধিয়া লুকায়।
প্ৰতিমা।

অমিলিতান্ত ঃ—

লক্ষ্মণ সীতাৰ সহ, পিতৃ সত্য পালি,
দাশৰথি ৰঘুপতি, পঞ্চবটী বনে
তপস্বীৰ বেশে, ভক্ষি বন্য ফল মূল
তপস্বী আহাৰ, যেবে ছিলা বনবাসে,
সীতাহৰণ কাব্য।

৫। পদ্যৰ একোটা ভাগকে পদ বা চৰণ বোলা যায়। যেনে, ওপৰত দিয়া পদৰ প্ৰথম ফাঁকি অৰ্থাৎ "ৰঙ্গা মুখে ৰঙা বেলি" এক চৰণ, দ্বিতীয় ফাঁকি অৰ্থাৎ "মাগিলে বিদায়" এক চৰণ। এইদৰে তলৰ শাৰীতো দুই চৰণ।

অসমীয়া ভাষাত সকলো প্ৰকাৰ ছন্দ পোৱা নাযায়। যিবিলাক পোৱা যায়, সিহঁতৰ নাম আৰু লক্ষণ তলত দিয়া হল।

৬। পদ।

এই ছন্দত দুফাঁকি কথা থাকে, প্ৰত্যেক ফাঁকিত চৈধ্যটা আখৰ আৰু দুটা চৰণ থাকে। দুয়ো ফাঁকিৰ শেষ আখৰ মিলে। আগৰ আৰু শেষৰ ফাঁকিৰ প্ৰথম আঠোটা আখৰ

আৰু বাকী ছটা আখৰে একোটি চৰণ হয়। ইয়াত সর্ব্বমুঠ ২৮টা আখৰ আৰু চাৰি চৰণ থাকে।

সৰোবৰ চয় চাৰু জলে আছে ভৰি।
চাৰিয়ো কাষৰে সুবর্ণৰ খাটখৰি॥
ফুলিয়াছে সুগন্ধ কমল উতপল।
মধু লোভে ভ্ৰমৰে কৰয় কোলাহল॥

ৰুক্মিণী হৰণ।

৭। ছুলৰি।

এই ছন্দত দুফাঁকি কথা থাকে। প্রত্যেক ফাঁকিত তিনি চৰণ, প্রথম আৰু দ্বিতীয় চৰণত ছটাকৈ আখৰ থাকে আৰু সিহঁতৰ শেষ আখৰ মিলে, নিমিলিবও পাৰে। তৃতীয় চৰণত আঠোটাকৈ আখৰ থাকে আৰু দুয়ো ফাঁকিৰ শেষ আখৰ মিলে। ইয়াত সর্ব্বমুঠ চল্লিশটি আখৰ আৰু ছয় চৰণ থাকে।

যত দিব্য পক্ষী ফল ফুল ভক্ষি
কাঢ়য় সুস্বৰ ৰাৱ।
কুহু কুহু ধ্বনি কোকিলৰ শুনি
বহয় মলয় বাৱ॥

কীর্ত্তন।

৮। ছবি।

এই ছন্দত দুফাঁকি কথা থাকে। প্রত্যেক ফাঁকিত তিনি চৰণ, প্রথম আৰু দ্বিতীয় চৰণত আঠোটাকৈ আখৰ আৰু

তৃতীয়ত দহোটাকৈ আখৰ থাকে। তুয়ো ফাঁকিৰ শেষ আখৰ মিলে। ইয়াত সৰ্ব্বমুঠ বাৱনটি আখৰ আৰু ছটা চৰণ থাকে।

উষা বোলে প্ৰাণ সখি সপ্নত আছিলো দেখি
পুৰুষেক ত্ৰৈলোক্য মোহন।
চাৰু শ্যাম কলেৱৰ দিব্য পীতবস্ত্ৰধৰ
ৰুচিকৰ কমল লোচন॥

উষা হৰণ।

৯। লেছাৰী।

এই ছন্দত তুফাঁকি কথা থাকে। প্ৰত্যেক ফাঁকিত তিনি চৰণ, প্ৰথম আৰু দ্বিতীয় চৰণত দহোটাকৈ আখৰ থাকে আৰু তুয়োৰো শেষ আখৰ মিলে। তৃতীয়ত চৈধ্যটাকৈ আখৰ থাকে। তুয়ো ফাঁকিৰ শেষ আখৰ মিলে। ইয়াত সৰ্ব্বমুঠ ৬৮টা আখৰ আৰু ছটা চৰণ থাকে।

দশ দিন যুজি দেৱব্ৰত, শৰৰ শয্যাত পড়িলন্ত,
শুনি নগৰৰ যত সুকুমলী নাৰী।
পাট নেত শাৰী পিন্ধি গই, তুৰ্ব্বাক্ষত পুষ্প কোচে লই,
বিদ্যাধৰী সম সব গৈলা কাছি পাৰি॥

মহাভাৰত।

১০। ঝুনা বা একাৱলী।

এই ছন্দত তুফাঁকি কথা থাকে। প্ৰত্যেক ফাঁকিত ১১টাকৈ আখৰ আৰু তুটা চৰণ থাকে। তুয়ো ফাঁকিৰ শেষ

আখৰ মিলে। আগৰ আৰু শেষৰ ফাঁকিৰ প্ৰথম ছটা আখৰ আৰু বাকী পাঁচটা আখৰে একোটি চৰণ হয়। কেতিয়াবা ফাঁকিত ১২টাকৈও আখৰ থাকিব পাৰে।

শুনিয়া হাঁসি চাহি চক্ৰপাণি।
নোহন্ত আদিত্য বুলিলা বাণী॥
মণিৰ ৰশ্মি হুৱা প্ৰকাশিত।
গৃহক লাগি আসে সত্ৰাজিত॥

শ্যমন্ত হৰণ।

১১। ঝুমুৰি বা গজগতি।

এই ছন্দত দুফাঁকি কথা থাকে। প্ৰতি ফাঁকিত আঠোটাকৈ আখৰ থাকে আৰু দুয়ো ফাঁকিৰ শেষ আখৰ মিলে।

বলভদ্ৰে জৰাসন্ধে।
যুজিলন্ত মাল বন্ধে॥
প্ৰহাৰে অনেক ভাৱে।
ছান্দি ধৰি পাৱে পাৱে॥

কীৰ্ত্তন।

১২। কুসুমমালা ছন্দ।

এই ছন্দত চাৰি ফাঁকি কথা থাকে। প্ৰত্যেক ফাঁকিত ছটাকৈ আখৰ থাকে আৰু চাৰিয়োটাৰে শেষ আখৰ মিলে।

অদ্ভূত বালক কুটিল অলক।
ৰত্নৰ তিলক শোভে কপোলক ॥
হসিত বয়ন কমল নয়ন।
ৰুচিৰ দশন পীত বসন ॥

কৃষ্ণ গুণমালা।

১৩। হংসমালা।

এই ছন্দত দুফাঁকি কথা থাকে। প্ৰত্যেক ফাঁকিত ১৮টাকৈ আখৰ থাকে আৰু দুয়ো ফাঁকিৰ শেষ আখৰ মিলে।

দিবসে বিষয় বিয়াকুল নিশি শয়নে গোৱাঁই।
মনে ধন খোজি বিমুহিত তেৰি আৰতি নাপাই ॥
হৃদয় কমলে হৰি বৈঠহ চিন্তো চৰণ না তেৰি।
কৰল গৰল যচ ভোজন হামো অমিয়া হেৰি ॥

বৰগীত।

ওপৰত দিয়া ছন্দবিলাকৰ বাজেও পিকাৱলী, মালতি, চম্পক, বিধুমালা, অনুষ্টুপ, তোটয়, চপয় আদি অনেক ছন্দ সংস্কৃতত আৰু ব্ৰজভাষাত আছে, কিন্তু সেইবিলাকৰ উদাহৰণ অসমীয়া সাহিত্যত বিচাৰি পাবলৈ টান। অসমীয়া গীতি সাহিত্যত কিন্তু চপয়ৰ ব্যৱহাৰ কোনো কোনো ঠাইত দেখা যায়।

১৪। চপয়।

এই ছন্দত চাৰি ফাঁকি থাকে। ৰাগ অনুসাৰে ইয়াৰ প্ৰত্যেক ফাঁকিত দহ, এঘাৰ, বাৰ, তেৰলৈকে বা তাতোকৈ

সৰহ আখৰ থাকিব পাৰে। দুই ফাঁকিৰ শেষ আখৰ পদৰ দৰে মিলে।* যেনে ঃ—

( ১ )

(হামাকু ?) কুণ্ডিন নগৰী অনুপাম।
আছে কন্যা এক ৰুকমিনী নাম॥
ভীষ্মক-ৰাজ-নন্দিনী বৰ বালা।
বাঢ়য় নব জিনি চান্দক কলা॥

কি কহব ৰমণীক ৰূপ প্ৰচুৰ।
বদনক হেৰি চান্দ ভেল দূৰ॥
নয়নক পেখি পাই বড়ি লাজ।
কৰল ঝম্প কমল জল মাঝ॥

( ২ )

শুন শুন ৰুকমিনী মাই।
কৃষ্ণ গুণ কহন নযাই॥
মুখ ইন্দু কোটি পৰকাশ।
দশন মোতিম মন্দ হাস॥

নয়ন পঙ্কজ নব পাতা।
কৰতল উতপল ৰাতা॥
মদনক ধনু ভ্ৰূব ভঙ্গ।
ভুজযুগ বলিত ভুজঙ্গ॥

# অলঙ্কাৰ।

১৫। নানা উপায় অৱলম্বন কৰি যেনেকৈ মানুহৰ শৰীৰৰ সৌন্দৰ্য্য বঢ়াব পাৰি, সেইদৰে উপায় কৰি ভাষাৰ মাধুৰ্য্যও বঢ়াব পাৰি। এতেকে যি উপায়েৰে ভাষা মধুৰ আৰু মনোগ্ৰাহী কৰা যায় তাক ভাষাৰ অলঙ্কাৰ বোলে।

১৬। অলঙ্কাৰ দুবিধ :—শব্দালঙ্কাৰ আৰু অৰ্থালঙ্কাৰ।

১৭। শব্দালঙ্কাৰ—অনুপ্ৰাস, যমক, ইত্যাদি।

১৮। অনুপ্ৰাস—এবিধ বৰ্ণ বাৰে বাৰে উল্লেখ হলে তাক অনুপ্ৰাস বোলা যায়। যেনে,

পৰম পুৰুষ, পুৰাতন পাপী, পাৱন ঈশ্বৰ দেৱ।
ব্ৰহ্মা ৰুদ্ৰ আদি দিকপাল, যাকু কৰত নিত্য সেৱ॥
যক্ষ ৰক্ষ বিপক্ষ লক্ষ, লক্ষ ক্ষয়ঙ্কাৰী।
দুষ্ট দৈত্য দানৱ দলন, দীন দৰিদ্ৰ দুঃখ ভয়হাৰী॥
অঘ বক কুবলয়, ধেনুক কেশী কংসনাশী বনমালী।
গোপী পীন পয়োধৰ ঘৰিষণ, চঞ্চল কৰযুগশালী॥

ওপৰত দিয়া কথাৰ প্ৰথম শাৰীত প, তৃতীয়ত ক্ষ, চতুৰ্থত দ, পঞ্চমত ক, ষষ্ঠত প বৰ্ণ বাৰে বাৰে উল্লেখ হৈছে।

১৯। যমক :—এটা শব্দক একে ঠাইতে ভিন ভিন অৰ্থত ব্যৱহাৰ কৰিলে তাক যমক বোলে। যেনে,—

অপাৰ সংসাৰ সিন্ধু আৰ    বিষ্ণুসে পৰম পাৰ যত
পাৰ আছে তাত পৰম্পৰমাত্মা ৰূপে।
তেন্তে তুমি জানা ব্ৰহ্ম পাৰ    পৰ পাৰ ভূত যত পাৰ
তাসম্বাৰ পাৰ বিষ্ণুসে পাৰ স্বৰূপে॥

নামঘোষা।

২০। অৰ্থালঙ্কাৰ—উপমা, মালোপমা, ৰূপক ইত্যাদি।

২১। উপমা—ভিন ভিন জাতিৰ দুটা বস্তুৰ সাদৃশ্য দেখুৱাই বৰ্ণনা কৰিলে তাক উপমা বোলা যায়।

২২। যাৰে সৈতে তুলনা কৰা য়ায় তাক উপমান আৰু যাক তুলনা কৰা যায় তাক উপমেয় বোলে। যেনে,

জৰাসন্ধ আদি কৰি    যতেক নৃপতি আছে
তোমাৰ লগত যেন তৃণ।
প্ৰচণ্ড বাঘৰ আগে    যেন গাৱ ঘেলাৱয়
অতি ক্ষুদ্ৰ মৃগ যে হৰিণ॥

প্ৰথম ফাঁকিত নৃপতিক তৃণৰ লগত আৰু দ্বিতীয় ফাঁকিত মৃগৰ লগত তুলনা কৰা হৈছে।

২৩। মালোপমা ঃ—এটা উপমেয়ৰ বহুত উপমান থাকিলে তাক মালোপমা বোলে। যেনে,

প্ৰশংসা বচনে মোক আৰাধিয়া তুমি।
কিসক খুজিলা অল্প তিনি পদ ভূমি॥
যেন ভাগ্য ৰহিত দৰিদ্ৰ কোন জন।
কুবেৰক পায়া সিতো খোজে খুদ কণ॥

ৰত্ন দ্বীপো পায়া যেন পাইলেক বিবুদ্ধি।
বালিক নাৱত তোলে ৰত্নক নুশুধি ॥
সেহি মতে মোত তিনি পদ ভূমি খোজা।
যিবা দেয় যিবা লয়ে দুইৰো মহালজ্জা ॥

বলিছলন।

২৪। ৰূপক—উপমেয়ক উপমানৰ নিচিনা অভেদ ৰূপে নির্দ্দেশ কৰিলে তাক ৰূপক অলঙ্কাৰ বোলে। যেনে,

পৰমাত্মা শুকে জীৱ নৃপত কহয়।
ভকতি বাৰিষা ঋতু ভৈলন্ত উদয় ॥
মাধৱৰ ভকতি নিকৰ দিনকৰ।
নানা কান্তি ভাতি আতি অণুৰ ভিতৰ ॥
বিষয় বতাস হাস লাস জ্ঞান হৰে।
ভক্তি শক্তি চানি বানি তর্ক মেঘে কৰে॥

দশম স্কন্ধ।

অন্ত